# ৰূপালী জয়ন্তী মহোৎসৱ

# স্মৃতি গ্রন্থ

সম্পাদক ঃ শ্রীপ্রফুল্লচন্দ্র ভট্টাচার্য্য

ডিব্রুগড় হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়

A souvenir of the silver jubilee celebrations, D. H. S. K. College, Dibrugarh, Published and Edited by Prof. Prafulla Chandra Bhattacharyya, M.A. Asstt. General Secretary, Silver Jubilee Celebrations Committee and Editor & Secretary, Souvenir Sub-Committee.

৫ ফেব্রুৱাৰী ১৯৭২

অবিহণা ঃ তিনি টকা

মুদ্রক ঃ
শ্রীগুৰু প্রেছ
মালিগাওঁ, গুৱাহাটী-১১

## —সূচী—


| | | |
|---|---|---|
| ১। শুভেচ্ছা বাণী | | |
| ২। হে মহাবিদ্যালয় (গীত) | শ্রনলিনী বৰঠাকুৰ। | ১ |
| ৩। মহাবিদ্যালয়ৰ প্রতীক | | ২ |
| ৪। আমাৰ অধ্যক্ষৰ একাষাৰ | | ৪ |
| ৫। দুটা যুগৰ সোঁৱৰণী | | ৫ |
| ৬। ডিব্রুগড় কলেজ প্রতিষ্ঠা | শ্রীঅশ্বিনীচৰণ চৌধুৰী | ২১ |
| ৭। ডিব্রুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ | জ্যোতিপ্রসাদ আগৰৱালা | ২৭ |
| ৮। সেই হালধীয়া ফুলপাহি (কথা কৱিতা) | যতীন দুৱৰা | ৩১ |
| ৯। মানৱ জাতিৰ সঙ্কট | ডাঃ মথুৰানাথ ভট্টাচার্য্য | ৩৩ |
| ১০। ডিবুৰুত দুৱৰা | সুনীলকুমাৰ বৰঠাকুৰ | ৩৬ |
| ১১। আধুনিক শিক্ষা ব্যৱস্থাত লাইব্রেৰীৰ ব্যৱহাৰ | অজিতকুমাৰ তালুকদাৰ | ৪১ |
| ১২। স্মৃতিৰ দাপোণত ডিব্রুগড় হনুমানবক্স সূৰুযমল কানৈ মহাবিদ্যালয় | বীৰেন্দ্রকুমাৰ ভট্টাচার্য্য | ৪৩ |
| ১৩। ডিব্রুগড়ৰ 'টাইমচ্ অব্, আৰু বশম্বদ মিত্র | ভীমকান্ত কোঁৱৰ | ৪৮ |
| ১৪। পুৰণি আলোচনীৰ পাত লুটিয়াই | | ৫৮ |
| ১৫। চাহ মজদুৰ সমাজৰ ফঁকৰা-যোজনা | নাৰায়ণ ঘাটোৱাৰ | ৬৬ |
| ১৬। অসম তথা পূর্ব্বাঞ্চলৰ প্রগতিৰ পৰিপ্রেক্ষিতত | ডঃ দিলীপ বৰুৱা | ৬৯ |
| ১৭। প্রাক্তন ছাত্র-ছাত্রীসকলৰ চিঠি-পত্র | | ৭৫ |
| ১৮। প্রাক্তন ছাত্রৰ দুখনি চিঠি | | ৭৮ |
| ১৯। অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিলৈ আহোম সকলৰ অৱদান | ডঃ নির্ম্মল কুমাৰ বসু | ৮০ |
| ২০। শিক্ষকৰ দুটামান সমস্যা | তফজ্জুল আলি | ৮৫ |
| ২১। শিক্ষাত নৈতিকতা | প্রিয়াংশুপ্রৱল উপাধ্যায় | ৯০ |
| ২২। ডিব্রুগড় হনুমানবক্স সূৰযমল কানৈ কলেজৰ স্মৃতিৰ পাপৰি | ডঃ যোগীৰাজ বসু | ৯৪ |
| ২৩। উজনি অসমৰ শিক্ষা বিস্তাৰত কানৈ কলেজৰ অৱদান | লক্ষ্মীপ্রসাদ দত্ত | ১০৫ |

২৪। কানৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক চ'ৰাত এভুমুকি — প্ৰফুল্ল চক্ৰৱৰ্ত্তী — ১০৭
২৫। অসম কলেজ শিক্ষক সংস্থা আৰু কানৈ কলেজ — অজিতকুমাৰ শৰ্ম্মা — ১১১
২৬। আমাৰ সোঁৱৰণ — ১১৩
২৭। কানৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল— — ১১৭
২৮। সম্পাদকৰ দুই এটি কথা — ১২০
২৯। ৰূপালী-জয়ন্তী মহোৎসৱৰ অভ্যৰ্থনা সমিতি — ১২২



*With Best Wishes—*

*From—*

**Assam X-Ray**

**&**

**Dibrugarh X-Ray**

কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱৰ উপলক্ষে
নৱ প্ৰতিষ্ঠিত

**"জ্যোতি এণ্টাৰপ্ৰাইজে"**

সদৌ অসমবাসীলৈ অভিনন্দন জনাইছে।
এই প্ৰতিষ্ঠানটোৱে যাৱতীয় কিতাপ-পত্ৰ, কাৰ্য্যালয়ৰ সামগ্ৰী
অতি সুলভ মূল্যত সৰবৰাহ কৰে।
আমোলাপট্টি, ডিব্ৰুগড়।



**J. N. Das..**
*Vice-Chancellor*

Phone 639 ( Office )
3 ( Residence )
DIBRUGARH UNIVERSITY
DIBRUGARH, ASSAM.


No.DU/VC/92/71/2017 *Date* 30.11.71.

*Dear Shri Bhattacharyya,*

I am glad to learn that the Silver Jubilee Celebrations of D. H. S. K. College will be held next month. While twentyfive years of useful existence of an educational institution is a matter for great joy, institutions like men, live in deeds rather than in years. Therefore, on this happy occasion I hope and pray that D. H. S. K. College may continue to serve the cause of higher education in Upper Assam in a more befitting manner in years to come, enlisting in this laudable work the willing co-operation and unstinted endeavours of all teachers and students and officers of this reputed institution.

I wish the celebrations all success.

Yours sincerely,

*S/d. J. N. Das.*

Shri Prafulla Bhattacharyya,
Secretary & Editor,
Souvenir Committee,
Silver Jubilee Celebration,
D. H. S. K. College,
Dibrugarh.

pm. 30.11.71.

KURUKSHETRA UNIVERSITY.
KURUKSHETRA (HARYANA)

November 30,1971.

**Vice-Chancellor**

**MESSAGE**

I send my best wishes on the occasion of the Silver Jubilee of the D. H. S. K. College. It was due to the munificence of late Rai Sahib Ganesh Ram Kanoi that this college could develop from a humble beginning to a first-rate institution. It also facilitated the establishment of a University at Dibrugarh. May the College grow from strength to strength so that it may one day take its place as one of the premier colleges in India.

*S/d. S. K. DUTTA.*
Vice-chancellor
Former Chief Justice of
Assam & Nagaland.

RAJ BHAVAN
**Shillong**
November 23, 1971.

**MESSAGE**

I am glad to know that the D. H. S. K. College is celebrating its Silver Jubilee in December 1971 and a Souvenir is being brought out to commemmorate the event.

It is Creditable for the D.H.S.K. College to have served the noble cause of education for the last 25 years. I congratulate the organisers and staff on their good work.

I send my good wishes for the Silver Jubilee celebrations of the College and for its continued progress.

**S/d. B. K. Nehru**
GOVERNOR OF ASSAM.

S. C. Rajkhowa, M. A., (Cal), M. A., (Lond).,
**Vice-Chancellor**
Gauhati University.

Gauhati - 14.
November 13, 1971

Sri Prafulla Bhattacharyya
Secy. & Editor, Souvenir Committee
Silver Jubilee Celebrations, 1971
D. H. S. K. College
Dibrugarh

*Dear Sri Bhattacharyya,*

It has given me unique pleasure to learn that D. H. S. K. College has completed twenty-five years of its eventful life and its Silver Jubilee is going to be celebrated in December next. D. H. S. K. College has been rendering valuable service in the field of higher education in the Upper Assam area, and it is on the grounds prepared largely by this College that the Dibrugarh University has grown. On this happy occasion I share your rejoicing and wish the Institution a more glorious future.

Yours sincerely,

*S/d. S. C. Rajkhowa.*

# হে মহাবিদ্যালয়

গীত

শ্ৰীনলিনী বৰঠাকুৰ

হে মহাবিদ্যালয় তুমি
আজি অৰূপ ৰূপেৰে জাতিস্কাৰ,
এই ৰূপালী জয়ন্তীতে
জনাওঁ তোমাক নমস্কাৰ ॥

তুমি জনগণৰ মনৰ পথাৰত
জ্ঞানৰ শস্য সিঁচিলা,
তুমি কলা আৰু বিজ্ঞানৰ সুধাৰে
নিপুণ স্নাতক গঢ়িলা ।
হৈ এখন মহান আশ্ৰম
মহাজীৱনৰ সিংহদুৱাৰ ॥

তুমি অৰুণ ৰঙেৰে তৰুণ-তৰুণীক
জীৱিকাৰ সন্ধান দিলা,
তুমি হেজাৰ জনৰ হেজাৰ প্ৰাণত
আশাৰ শলিতা জ্বলালা ।
হৈ এখন মহান আশ্ৰম
মহাজীৱনৰ সিংহদুৱাৰ ॥

---

কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে এই গীতটি ৰচিত হৈছে—

# মহাবিদ্যালয়ৰ প্ৰতীক

মহাবিদ্যালয়ৰ নাম পৰিবৰ্ত্তন হোৱাৰ বাবে পুৰণা প্ৰতীকটোৰ সলনি ইং ১৯৫২ চনত কানৈ মহাবিদ্যালয়ৰ বাবে এটা নতুন প্ৰতীক গ্ৰহণ কৰা হয়। এই প্ৰতীকটো আঁকি দিয়ে ডিব্ৰুগড়ৰ শ্ৰীৰবীন্দ্ৰ ভট্টাচাৰ্য্য নামৰ এগৰাকী শিল্পীয়ে।

এই প্ৰতীকৰ ব্যাখ্যা তলত দিয়া ধৰণে দিয়া হৈছে :

প্ৰতীকৰ প্ৰধান চানেকিটো লোৱা হৈছে পদুম ফুলৰ পাহিৰ আহিত : পদুম ফুল হৈছে ভাৰতীয় সংস্কৃতিৰ প্ৰতীক। মহাবিদ্যালয়ৰ নামাঙ্কিত থকা, তলছোৱাত বহল কিন্তু ওপৰলৈ ক্ৰমাৎ ক্ষীণ হৈ এটা তীক্ষ্ণ চূড়াত মিলিত হৈ পৰা ৰেখা কিডাল এটা বৌদ্ধ মঠৰ তোৰণৰ আহিত অঙ্কিত হৈছে।

প্ৰতীকটোৰ ঠিক মধ্যভাগত দুডাল তৰঙ্গায়িত ৰেখা প্ৰত্যক্ষ কৰা যায়, যাৰ সম্মুখভাগত বিৰাট এক গড় বা দুৰ্গৰ কিছু অংশ ৰেখাচিত্ৰেৰে ৰূপ দিয়া হৈছে। এই তৰঙ্গায়িত ৰেখা আৰু গড়ৰ নক্সাই মহাবিদ্যালয়ৰ অৱস্থান সূচাইছে। ১৯২৫ চনলৈকে ডিব্ৰু নৈৰ পাৰত এটা গড় আছিল আৰু এই গড়ৰ পৰাই এই ঠাইৰ নাম ডিব্ৰুগড় হয়। সমান্তৰাল এই ছন্দোবদ্ধ ৰেখাকিডালে ডিব্ৰু নৈ আৰু মহাবাহু ব্ৰহ্মপুত্ৰ নৈক ৰূপায়িত কৰিছে। ইয়াৰ অন্য এটা অন্তৰ্নিহিত অৰ্থ বা তাৎপৰ্য্য এনে ধৰণৰ হ'বও পাৰে যে বিশাল ব্ৰহ্মপুত্ৰ নৈখন অসমৰ বুকুৰেদি বৈ থকাৰ দৰে, অসমৰ চুকে-কোণে



থকা সকলো অধিবাসীয়েই আঞ্চলিক বিভিন্নতা পাহৰি একেটা সংস্কৃতিকে সাৱটি ধৰি আছে। এই সংস্কৃতিয়ে যুগৰ লগত তাল ৰাখি বৈচিত্ৰ্য আৰু বিৰোধৰ মাজতো ঐক্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই দুৰ্গ বা গড়টোৱেই হ'ল জ্ঞানৰ দুৰ্গ বা শিক্ষা অনুষ্ঠানটোৰ প্ৰতীক, বাহিৰৰ ধ্বংসকাৰী অসৎ শত্ৰুবোৰৰ পৰা এই দুৰ্গই জ্ঞানক সদা-সৰ্ব্বদা ৰক্ষা কৰি থাকে। দুৰ্গৰ অভ্যন্তৰ ভাগ পোহৰাই তুলিছে মাটিৰ চাকিত প্ৰজ্বলিত এগছি দীপশিখাই। এই দীপশিখাৰ তাৎপৰ্য্য হ'ল পবিত্ৰতা আৰু জ্ঞানৰ জ্যোতিৰ্মণ্ডল। প্ৰতীকত ব্যৱহৃত নীতিবাক্য ফাঁকিৰ অৰ্থ হ'ল—"জ্ঞানতকৈ শ্ৰেষ্ঠ একো নাই।"

এই শিক্ষানুষ্ঠানৰ লক্ষ্যসমূহৰ কথা মনত ৰাখি প্ৰতীকটোৰ পটভূমিত পৰ্ব্বতমালা আৰু তিনিটা শৃঙ্গৰ অঙ্কন কৰা হৈছে। আন আন বিষয়ৰ শিক্ষাদানৰ লগতে প্ৰাকৃতিক সম্পদ আহৰণৰ বিষয়ে শিক্ষা দানো এই অনুষ্ঠানৰ লক্ষ্য। অসমৰ প্ৰাকৃতিক সম্পদসমূহ পাহাৰে-ভৈয়ামে সিঁচৰিত হৈ আছে। সেই বাবেই পৰ্ব্বত আৰু শৃঙ্গক প্ৰতীকৰ বুকুত স্থান দিয়া হৈছে। তিনটা শৃঙ্গ কলেজত শিক্ষাদানৰ ব্যৱস্থা থকা তিনিটা বিভিন্ন শাখাৰ (বিজ্ঞান, কলা, বাণিজ্য) প্ৰতীক স্বৰূপ বুলিও ক'ব পাৰি।

গড়ৰ ওপৰ ভাগলৈ অঙ্কিত পদুম ফুলপাহ আমাৰ সংস্কৃতিৰ লক্ষ্যৰ প্ৰতীক—যি মহৎ আদৰ্শৰ লক্ষ্যত উপনীত হ'ব পৰা যায় একান্ত নিষ্ঠা আৰু প্ৰকৃত শিক্ষা লাভৰ দ্বাৰাহে।

প্ৰতীকত অঙ্কিত হাতী দুটাই বনজ সম্পদত চহকী অসমৰ বনৰীয়া জীৱ-জন্তুৰ প্ৰতিনিধিত্ব কৰিছে। পুৰাণত, আৰু কালিদাসৰ অমৰ লিখনিতো অসমৰ হাতীৰ উল্লেখ আছে। ৰাজোচিত গাম্ভীৰ্য্য, জ্ঞান আৰু শক্তিৰ প্ৰতীক হ'ল এই যুগল হাতী। এখন শৰাইৰ দুয়ো কাষে পৰস্পৰে মুখামুখিকৈ ভক্তিভাৱেৰে থিয় হৈ এই হাতী দুটাই যেন ইয়াকে বুজাব খুজিছে যে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে জ্ঞান আৰু শক্তিৰ লগতে ভক্তিভাৱৰো যোগ থাকিব লাগিব। জ্ঞানে অজ্ঞতাৰ আন্ধাৰ আঁতৰাই আৰু ভক্তিভাবে অহঙ্কাৰ দূৰ কৰি শিক্ষা লাভৰ পথ নিষ্কণ্টক কৰি তোলে।

আমাৰ অনুষ্ঠানখনি যে সমৃদ্ধিশালী আৰু পৰমেশ্বৰৰ কৃপা লাভ কৰি ধন্য এই দুয়োটা অৰ্থকে ৰূপায়িত কৰিছে যুগল হাতীৰ শুকুলা দাঁত দুযোৰাই।

# আমাৰ অধ্যক্ষৰ একাষাৰ

ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত হোৱা এই স্মৃতি-গ্ৰন্থখনি এই মহাবিদ্যালয়ৰ নতুন-পুৰণি ছাত্ৰ-ছাত্ৰী; শিক্ষক-শিক্ষয়িত্ৰী আৰু ইয়াৰ শুভাকাঙখী বাইজৰ হাতত তুলি দিবলৈ পাই আমি নথৈ সুখী হৈছোঁ। ১৯৪৫ চনৰ জুন মাহৰ ১৫ তাৰিখে স্থানীয় জৰ্জ ইন্‌ষ্টিটিউচনত প্ৰথমে ডিব্ৰুগড় মহাবিদ্যালয় নাম লৈ আৰম্ভ হোৱা এই মহাবিদ্যালয়খনিয়ে নানা পৰিবৰ্ত্তন আৰু ক্ৰমবিকাশৰ মাজেদি পূৰ্ণ বিকাশৰ পথত ভৰি দিছেহি। আৰম্ভৰ দিন ধৰি এই মহাবিদ্যালয়ে কেৱল ডিব্ৰুগড় চহৰৰে নহয়, ইয়াৰ ওচৰ-চুবুৰীয়া বহুতো গাঁও আৰু নগৰৰ উপৰিও অসমৰ উত্তৰ-পূৱ সীমান্তৰ উঠি অহা ডেকা-গাভৰুসকলক উচ্চ শিক্ষা দিয়াৰ গধুৰ দায়িত্ব কৃতিত্বৰে বহন কৰি আহিছে। এই মহাবিদ্যালয়ৰপৰা স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ওলাই যোৱা বহুতো পুৰুষ আৰু মহিলাই অসমত আৰু অসমৰ বাহিৰত নানা দায়িত্বপূৰ্ণ কাৰ্য্যভাৰ কৃতিত্বৰে বহন কৰি আছে। এই স্মৃতি-গ্ৰন্থৰ যোগেদি সেই সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক আমাৰ অভিনন্দন জনাইছোঁ। এই মহাবিদ্যালয়ৰ প্ৰাঙ্গনত ইয়াৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসমূহলৈ এই বাৰেই প্ৰথম পুনৰ্মিলনৰ সুযোগ আগবঢ়োৱা হৈছে। যি সকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে এই সুযোগ গ্ৰহণৰ উদ্দেশ্যে আগবাঢ়ি আহিছে সেই সকলক এই স্মৃতি-গ্ৰন্থৰ যোগেদিয়েই স্বাগত সম্ভাষণ জনাওঁ। আশাকৰোঁ এই পুনৰ্মিলনৰ আনন্দ সকলোৰে মনত চিৰস্মৰণীয় হৈ ৰব।

এই স্মৃতি-গ্ৰন্থখনিৰ প্ৰকাশ সম্ভৱ হৈছে বহুতো সদাশয় ব্যক্তিৰ সমূহীয়া প্ৰচেষ্টাত। সেই সকল আমাৰ শলাগৰ পাত্ৰ। প্ৰথমে আমি শলাগ লওঁ যি সকলে প্ৰৱন্ধ-পাতিৰ যোগেদি আমালৈ সহায় আৰু সহযোগিতা আগবঢ়াইছে—সেই সকলৰ। দ্বিতীয়তে আমি শলাগ লওঁ যি সকল সহকৰ্ম্মীৰ নেৰানেপেৰা চেষ্টাত এই গ্ৰন্থখনিৰ প্ৰকাশৰ পথত দেখা দিয়া সকলো আলৈ-আহুকাল অতিক্ৰম কৰি ইয়াক প্ৰকাশ কৰা সম্ভৱ হৈছে—সেই সকলৰ। ইয়াৰ উপৰিও বহুতো বাণিজ্য প্ৰতিষ্ঠানে বৰঙনি আৰু বিজ্ঞাপনৰ যোগেদি এই গ্ৰন্থ প্ৰকাশত সহায় কৰিছে। সেই সকলৰো আমি শলাগ লওঁ।

সৰ্ব্বশেষত যি সকল সদাশয় লোকৰ পৃষ্ঠপোষকতাত আমাৰ মহাবিদ্যালয়খনিৰ ৰূপালী জয়ন্তী মহোৎসৱ সমাৰোহেৰে উদ্‌যাপন কৰিবলৈ আমি সমৰ্থ হৈছোঁ—সেই সকলৰো আমি শলাগ লওঁ।

ডিব্ৰুগড়
৫ ফেব্ৰুৱাৰী, ১৯৭২


**সুশীলচন্দ্ৰ দত্ত**
সভাপতি,
ৰূপালী জয়ন্তী মহোৎসৱ সমিতি,
ডিব্ৰুগড় কানৈ মহাবিদ্যালয়








প্ৰতিষ্ঠাতৃ অধ্যক্ষ ডঃ যোগীৰাজ বসু, এম. এ (ত্ৰিপল্), পি. এইছ. ডি.।



প্ৰাক্তন অধ্যক্ষ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, এম. এ, বি. এল।




বৰ্ত্তমান অধ্যক্ষ শ্ৰীসুশীলচন্দ্ৰ দত্ত এম. এ।



মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অভিবাদন গ্ৰহণ কৰা দেখা গৈছে।

## ১৯৫৮ চনত কানৈ মহাবিদ্যালয়ৰ নতুন ভৱন উন্মোচন উৎসৱৰ উলহমালহ



ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে কানৈ মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি অভিবাদন গ্ৰহণ কৰিছে উন্মোচনী উৎসৱত (৩০ ডিচেম্বৰ, ১৯৫৮)



মহাবিদ্যালয় ভৱনৰ সন্মুখৰ বিৰাট জনসমুদ্ৰৰ একাংশ।



ৰাধাকৃষ্ণণৰ ভাষণ শুনি থকা ৰভাতলিৰ ভিতৰ আৰু তোৰণৰ বাহিৰৰ জনসমাৰোহৰ একাংশ।

# আমাৰ ডুগৰাকী বিশিষ্ট প্ৰাক্তন ছাত্ৰ



**শ্ৰীদেৱেন্দ্ৰনাথ হাজৰিকা**

সম্প্ৰতি পঞ্চায়ত আৰু সামুহিক উন্নয়ন বিভাগৰ ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী।



**শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা**

এখেত আমাৰ কলেজৰ পৰা স্নাতক হোৱা প্ৰথম চাম ছাত্ৰৰ এজন। বৰ্ত্তমান আইন ব্যৱসায়ী আৰু কানৈ আইন কলেজ আৰু ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ আইন বিভাগৰ অধ্যাপক।



পুৰণি বেৰিহোৱাইট্ মেডিকেল কলেজৰ এটি ভৱন। (এতিয়া টেলিফোন এক্‌চেঞ্জ) ইয়াতে কানৈ কলেজৰ প্ৰথম বিজ্ঞান শাখাৰ শ্ৰেণী খোলা হয় ১৯৫০ চনত।



# দুটা যুগৰ সোঁৱৰণী

অসম তথা অসমৰ বাহিৰৰ বিভিন্ন সামাজিক অনুষ্ঠান বা অন্যান্য কাৰ্য্যৰ বাবে ডিব্ৰুগড়বাসীয়ে অতীতৰে পৰা লাখে লাখে টকা বৰঙনি দি আহিছে যদিও এইটো পৰিতাপৰ আৰু লগতে আশ্চৰ্য্যজনক ঘটনা যে ১৯৪৫ চনলৈকে এই ঠাইত উচ্চ শিক্ষাৰ বাবে কোনো অনুষ্ঠান প্ৰতিষ্ঠিত হোৱা নাছিল। সোপাটিলা পৌৰ-শাসন আৰু ব্ৰহ্মপুত্ৰৰ নিয়মিত গড়াখহনীয়াৰ বাবে পৌৰ-পিতা সকলৰ অক্ষমতা, লগতে স্থানীয় ৰাইজৰ উচ্চ শিক্ষাৰ প্ৰতি উদাসীনতা আৰু অমনোযোগিতাৰ কথাই প্ৰতিপন্ন কৰি তুলিছিল। এখন মহাবিদ্যালয় স্থাপনৰ বাবে সামান্য এটা আলোড়ন যে মাজে মাজে উঠা নাছিল এনে নহয়,—এনে আলোড়ন ১৯৩৫ চনৰে পৰা লক্ষ্য কৰা যায়, যি সময়ত এমুঠি উদ্যোগী ডেকাই দ্বিতীয় শ্ৰেণীৰ হলেও এখন মহাবিদ্যালয় গঢ়ি তোলাৰ বাবে সৰ্ব্বতো-প্ৰকাৰ চেষ্টা কৰিছিল, কিন্তু সেই সময়ৰ প্ৰতিক্ৰিয়াশীল চক্ৰটোৱে ধন-মান প্ৰতিপত্তিৰ সহায়েৰে ৰাইজক হাত কৰি এনে উদ্যম আৰু আশাৰ মূৰত চেঁচা পানী ঢালিছিল। কিন্তু ২য় মহাসমৰৰ পিচত কালস্ৰোত বিপৰীতমুখী হ'ল, ৰাইজে বুজিলে যে বৌদ্ধিক দিশত উন্নতিৰ অবিহনে ডিব্ৰুগড়বাসীয়ে কোনো কালে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। মহাবিদ্যালয় স্থাপনৰ উদ্দেশ্যেৰে ইং ১৯৪৫ চনত আহ্বান কৰা এখন ৰাজহুৱা সভালৈ নিমন্ত্ৰণী পাওঁতে বহুতৰে মনত মিশ্ৰিত প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছিল। 'ডিব্ৰুগড়তনো কলেজ হ'বনে? ইয়াৰনো কিবা আৱশ্যকতা আছেনে? অৱশ্যে উচ্চ শিক্ষিত নিবনুৱা কেইজনমানৰ বাবে ইয়াৰ আশু প্ৰয়োজন, পিছে হ'লে হ'ব কি—ই যে টিকিব পাৰিব, সন্দেহ, ইত্যাদি ভাবে সকলোৰে নহ'লেও অনেকৰে মনত প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু সেই সকলো উৎকণ্ঠা আৰু অনিশ্চয়তাৰ ওৰ পেলাই ৰাজহুৱা সভাৰ আহ্বায়ক শ্ৰীঅশ্বিনীচৰণ চৌধুৰীকে সম্পাদক স্বৰূপে লৈ ১৯৪৫-৪৬ চনৰে পৰাই ডিব্ৰুগড়ত কলা-বিভাগৰ এখন মহাবিদ্যালয় আৰম্ভ কৰাৰ প্ৰস্তাৱ গৃহীত হ'ল। সেই অভাৱ প্ৰথম আৰু প্ৰধান সমস্যা আছিল মহাবিদ্যালয়ৰ উপযোগী এটা ঘৰৰ। সেই অভাৱ পূৰণ হ'ল যেতিয়া স্থানীয় জৰ্জ ইন্‌ষ্টিটিউশ্যনৰ কৰ্ত্তৃপক্ষৰ পৰা মহাবিদ্যালয়ৰ বাবে সেই ঘৰ ৰাতিপুৱাবেলা ব্যৱহাৰৰ অনুমতি পোৱা গ'ল। দ্বিতীয় সমস্যা আছিল শিক্ষকৰ। সেই সমস্যাৰো অচিৰেই সমাধান হ'ল যেতিয়া ডিব্ৰুগড়ৰে উদাৰমনা কেইবা-গৰাকীও উপযুক্ত অৰ্হতা থকা লোকে বিনা পাৰিশ্ৰমিকে মহাবিদ্যালয়ত শিক্ষাদান দিয়াৰ বাবে মত দিলে।

১৯৪৫ চনৰ জুন মাহৰ ১৫ তাৰিখে ডিব্ৰুগড় কলেজৰ (এতিয়াৰ ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়) জন্ম হ'ল। অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ মৌঃ ফৈজনুৰ আলি ডাঙৰীয়াই কলেজৰ শুভ-উদ্বোধন কৰিলে। ৭৯ গৰাকী ছাত্ৰ-

ছাত্ৰীয়ে (ছাত্ৰী ৫ গৰাকী) প্ৰথম নামভৰ্ত্তি কৰিলে। এই সকলৰ ভিতৰৰে ৫০ জন আছিল চৰকাৰী চাকৰিয়াল, কিন্তু উচচ শিক্ষাৰ ধাউতিয়ে তেওঁলোকক কলেজলৈ টানি আনিলে। দুৰ্ভাগ্যৰ বিষয় যে মহাবিদ্যালয় স্থাপনত পলম হোৱা বাবে সেই বছৰ বহুতো চেষ্টা কৰিও কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি লাভ কৰা সম্ভৱ নহ'ল। আৰ্থিক সমস্যাইও লাহে লাহে মূৰ দাঙি উঠিল। কাৰণ কলেজৰ পঁুজিত জমা পৰিছিল মাত্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পঁচিশ টকাকৈ পোৱা শিক্ষা মাচুলখিনিহে। কিন্তু কিছুদিনৰ ভিতৰতে ৰায়বাহাদুৰ সদানন্দ দুৱৰা আৰু ফনীন্দ্ৰনাথ ঘোষৰ চেষ্টাত কলেজৰ পঁুজি টনকিয়াল হ'বলৈ ধৰে। ১৯৪৬ চনৰ মে' মাহত মহাবিদ্যালয়ে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। সেই বছৰতে, ডিব্ৰুগড় বালিকা বিদ্যালয়খন বৰ্ত্তমানৰ ঠাইলৈ উঠাই নিয়াৰ ফলত খালী হোৱা ঘৰবিলাকত মহাবিদ্যালয়ে নিজৰ ব্যৱহাৰৰ বাবে অনুমতি লাভ কৰে। বেৰী হোৱাইট মেডিকেল স্কুল 'অসম চিকিৎসা মহাবিদ্যালয়' ৰূপে বৰবাৰীলৈ উঠি যোৱাত খালী ঘৰসমূহত মহাবিদ্যালয়ৰ বিজ্ঞান শ্ৰেণীৰ শিক্ষা দিয়া হয়।

ৰায়চাহাব কানৈ আৰু তেখেতৰ ভ্ৰাতৃৰ দানেৰে গঢ়ি তোলা নতুন ভৱনলৈ ডিব্ৰুগড় মহাবিদ্যালয়ৰ স্থানান্তৰ, ইয়াৰ কানৈৰ নামেৰে নৱ-নামাকৰণ, ছাত্ৰাবাসৰ ব্যৱস্থা, ৩য় বাৰ্ষিক বিজ্ঞান শ্ৰেণীৰ উদ্বোধন, বিভিন্ন বিষয়ত সন্মানৰ সুবিধা, পিছলৈ এই মহাবিদ্যালয়ৰ পৰাই স্বতন্ত্ৰ দুখন মহাবিদ্যালয়ৰ (মনোহৰী দেবী কানৈ মহিলা মহাবিদ্যালয় আৰু কানৈ বাণিজ্য মহাবিদ্যালয়) জন্ম আদি এই মহাবিদ্যালয়ৰ উত্তৰোত্তৰ সাফল্য আৰু অগ্ৰগতিৰ ইতিহাস। বৰ্ত্তমান আলোচনাত সেই বিষয়ে বিস্তৃত আলোচনা কৰা নহ'ব যদিও (স্থানান্তৰত এই বিষয়ে বিস্তৃত ভাবে লিখা হৈছে) আমি অন্ততঃ সেইসকলৰ নাম (পূৰ্ব্বতে উল্লেখ কৰা সকলৰ বাহিৰেও) এইখিনিতে শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব যিসকলে তেখেতসকলৰ নিস্বাৰ্থ আৰু অক্লান্ত পৰিশ্ৰমেৰে বিভিন্ন ক্ষেত্ৰত এই মহাবিদ্যালয়খনিক আগবঢ়াই নিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেইসকল শিক্ষক হ'ল অধ্যক্ষ যোগীৰাজ বসু, শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, শ্ৰীনিৰ্ম্মল কুমাৰ বসু, শ্ৰীউমাপ্ৰসন্ন দে, স্বৰ্গীয় বেনুধৰ ৰাজখোৱা, শ্ৰীসুশীল চন্দ্ৰ দত্ত (বৰ্ত্তমান মহাবিদ্যালয়ৰ অধ্যক্ষ), শ্ৰীদেবকুমাৰ দত্ত, শ্ৰীৰাজেন্দ্ৰ নাথ, শ্ৰীশক্তিপদ পাত্ৰ, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য (বৰ্ত্তমান মনোহৰী দেবী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ), শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্ম্মা, স্বৰ্গীয় পৰশুৰাম সোনোৱাল, শ্ৰীসৰোজ কুমাৰ মজুমদাৰ আৰু মৌঃ মুজিবুৰ ৰহমান।

প্ৰতিষ্ঠা হোৱা দিনৰে পৰা আজিলৈকে তিনিখনকৈ স্বকীয়া বিশ্ববিদ্যালয়ৰ (কলিকতা, গুৱাহাটী, ডিব্ৰুগড়) স্বীকৃতি লাভ কৰা এই মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত লাভ কৰা সাফল্যৰ সম্পূৰ্ণ আৰু ত্ৰুটীহীন বিবৰণ ইয়াত দিয়াটো সম্ভৱ নহয় যদিও থূলমূলকৈ আৰু যথাসম্ভৱ ত্ৰুটীহীন ভাবে কিছু বিবৰণী দিবলৈ চেষ্টা কৰা হৈছে। বিভিন্ন দিশত তেওঁলোকে অৰ্জন কৰা সাফল্যসমূহ, লগতে অনুষ্ঠানখনিৰ দীৰ্ঘ জীৱনত ঘটা উল্লেখযোগ্য ঘটনা সমূহ আৰু অনুষ্ঠানখনিত পদাৰ্পণ কৰি ধন্য কৰা বিশিষ্ট অতিথি সকলৰ নামো বিভিন্ন শিতানত বছৰ হিচাবে সন্নিবেশ কৰিবলৈ চেষ্টা কৰা হৈছে।

১৯৪৫ :

উল্লেখযোগ্য ঘটনা :

১৫ জুন : ডিব্ৰুগড় কলেজৰ (বৰ্ত্তমানৰ কানৈ মহাবিদ্যালয়) মৌঃ ফৈজনুৰ আলি ডাঙৰীয়াৰ দ্বাৰা শুভ উদ্বোধন।
— স্থানীয় জৰ্জ ইন্সটিটিউশ্যনত পুৱাবেলা মহাবিদ্যালয়ৰ শিক্ষাদান আৰম্ভ।
— ৮০ গৰাকী ছাত্ৰ-ছাত্ৰী (ছাত্ৰীৰ সংখ্যা ৫) ; প্ৰথম নাম ভৰ্ত্তি কৰে সৰলা চৌধুৰী নামৰ এগৰাকী ছাত্ৰীয়ে।
— কলিকতা বিশ্ববিদ্যালয়লৈ ১৯৪৫-৪৬ চনৰ পৰাই স্বীকৃতিৰ বাবে আবেদন, কিন্তু আঠমাহ পলম হোৱা বাবে স্বীকৃতি লাভত বিফল।



— ডিব্ৰুগড় ছোৱালী বিদ্যালয় নতুন ভৱনলৈ স্থানান্তৰিত হোৱাত খালী হোৱা ঘৰত মহাবিদ্যালয়ৰ কাৰ্য্য আৰম্ভ।

বিশিষ্ট অতিথি :

এচ. পি. দেশাই, ডিভিজনেল কমিচনাৰ।

১৯৪৬ :

উল্লেখযোগ্য ঘটনা :

মে' : কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি লাভ।
২ জুলাই : স্বীকৃতি লাভৰ পিছত মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ-ছাত্ৰী ভৰ্ত্তিকৰণ (১২৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নাম লগায়)।
— ডিব্ৰুগড় বেৰী হোৱাইট মেডিকেল স্কুল অসম চিকিৎসা মহাবিদ্যালয় ৰূপে বৰবাৰীলৈ স্থানান্তৰিত হোৱাত, খালী হোৱা ঘৰসমূহত বিজ্ঞান শাখাৰ শিক্ষাদান আৰম্ভ।

বিশিষ্ট অতিথি :

২৬ এপ্ৰিল : মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ মহাবিদ্যালয়ত পদাৰ্পণ।

১৯৪৭ :

উল্লেখযোগ্য ঘটনা :

জুন : 'ডিব্ৰুগড় কলেজ আলোচনীৰ' প্ৰথম সংখ্যাৰ প্ৰকাশ। সম্পাদিকা ইৰা দত্ত।
— মহাবিদ্যালয়ৰ পৰা প্ৰথম বাৰৰ বাবে ৮ জন পৰীক্ষাৰ্থীয়ে (৫ গৰাকী ছাত্ৰী) আই. এ. পৰীক্ষাত অৱতীৰ্ণ হয়।

১৯৪৮ :

উল্লেখযোগ্য ঘটনা :

৩০ মাৰ্চ : অধ্যাপক বেনুধৰ ৰাজখোৱাৰ বিদায় সভা।
— প্ৰথম ইণ্টাৰমিডিয়েট পৰীক্ষা-কেন্দ্ৰ মুকলি। প্ৰায় এশজন পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিয়ে।
২৫ এপ্ৰিল : বহাগ বিহু উৎসৱ পালন : বেনুধৰ ৰাজখোৱাই উৎসৱৰ সভাপতিত্ব কৰে।
৩০ এপ্ৰিল : মহাবিদ্যালয়ৰ সঙ্গীত-সন্ধিয়াত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা ডাঙৰীয়াই সভাপতিত্ব কৰে।

১৯৪৯ :

উল্লেখযোগ্য ঘটনা :

— ডিব্ৰুগড় কলেজৰ নতুন নামকৰণ

১৯৫০ :

উল্লেখযোগ্য ঘটনা :

— নবাগত আদৰণী সভাত মৌ. মফিজুদ্দিন আহমদ হাজৰিকা সভাপতি।
২৫ চেপ্টেম্বৰ : ডিগবৈ এ. অ. চি.ৰ জেনেৰেল মেনেজাৰ এ. এইচ. লুইচ। বি. এ. (কেণ্টাব) অৰ দ্বাৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উদ্বোধন।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :
আই. কম.—বিশ্ববিদ্যালয়ৰ প্ৰথম দহোটাৰ ভিতৰত চাৰিটা (২য়, ৪ৰ্থ, ৬ষ্ঠ, ৮ম) স্থান অধিকাৰ।
বি. এ.—এজনৰ ডিষ্টিংশ্যন লাভ ; এজনৰ সংস্কৃতৰ সন্মানত প্ৰথম স্থান লাভ ।

বিশিষ্ট অতিথি :
বিষ্ণুৰাম মেধি, মতিৰাম বৰা, হিৰণ্যকুমাৰ ভূঞা, ডঃ জে. চি. বৰ্দ্ধন (কলিকতা বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ খায়ৰা অধ্যাপক)। পাচৰ দুগৰাকীয়ে কলেজৰ বিজ্ঞান শাখা পৰিদৰ্শন কৰে।

১৯৫১ :
উল্লেখযোগ্য ঘটনা :
জানুৱাৰী ২য় সপ্তাহ : সৰস্বতী পূজা উপলক্ষে হোৱা এখন সুকুমাৰ কলা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ বাহিৰৰ অনেক শিল্পীৰ যোগদান। কবি নলিনীবালা দেৱী সভানেত্ৰী আৰু লগতে মুখ্য বিচাৰকো।
১৬ জানুৱাৰী : অধ্যাপক (সকল) সত্যেন চৌধুৰী (ইটালীলৈ গৱেষণাৰ বাবে যাত্ৰা), ডি. পি. চক্ৰৱৰ্তী, খগেশ্বৰ চেতিয়া আৰু টি. বৰুৱাৰ বিদায়।
মাৰ্চ : সদৌ অসম মহাবিদ্যালয় শিক্ষক সংস্থাৰ ৩য় বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়।
২২ চেপ্টেম্বৰ : মহাবিদ্যালয় স্থাপনত বিশেষকৈ ইয়াৰ বিজ্ঞান শাখা মুকলি কৰা কাৰ্য্যত ওতঃপ্ৰোতভাৱে জড়িত জীৱনৰাম ফুকনৰ ডিব্ৰুগড়ৰ বান বিধ্বস্ত অঞ্চলৰ প্ৰপীড়িত সকলক সাহায্যদান কাৰ্য্যত ব্ৰতী থকা অৱস্থাত হোৱা শোকাবহ মৃত্যুত কলেজৰ শোকসভা।
১১ ডিচেম্বৰ : মহাবিদ্যালয়ত বহা এখন সভাত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক এখন স্মাৰক পত্ৰৰ যোগেদি বেৰী হোৱাইট মেডিকেল স্কুলৰ খালী হৈ থকা ঘৰবোৰ মহাবিদ্যালয়ক ব্যৱহাৰ কৰিবলৈ দিবৰ বাবে অনুৰোধ জনোৱা হয়।
— কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় সাতশৰ ওচৰ চাপে।
— কলেজৰ নাম পৰিবৰ্তনৰ লগে লগে আলোচনীৰ নাম সাময়িকভাৱে 'ডিব্ৰুগড় কলেজ আলোচনীৰ ঠাইত 'কলেজ আলোচনী' ৰখা হয়।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :
বি. এ. :—চাৰিজন পৰীক্ষাৰ্থীৰ ডিষ্টিংশ্যন লাভ।
বি. কম. : জ্যোতিৰ্ময় চক্ৰৱৰ্তী—ডিষ্টিংশ্যনত বিশ্ববিদ্যালয়ৰ ভিতৰত ১ম।

বিশিষ্ট অতিথি :
ডঃ বাণীকান্ত কাকতি, যোগেন্দ্ৰনাথ হাজৰিকা, অধ্যাপক জে. এচ. ইষ্টাৰলিন (কনচাল, কালচাৰেল এফেয়াৰ্চ অফিচাৰ, ইউ. এচ. এ.)।

১৯৫২ :
উল্লেখযোগ্য ঘটনা :
এপ্ৰিল : আই. এচ. চি. পৰীক্ষাত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়।
— অধ্যাপক (সকল) উমাপ্ৰসাদ দে আৰু কমলাক্ষ ভট্টাচাৰ্য্যৰ বিদায়।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :
আই. কম.—বিশ্ববিদ্যালয়ৰ প্ৰথম দহোটা স্থানৰ পাঁচটা (১ম, ৬ষ্ঠ, ৭ম, ৮ম, ১০ম) স্থান অধিকাৰ।
বি. কম. : ডিষ্টিংশ্যনত ১ম স্থান।



১৯৫৩ :
উল্লেখযোগ্য ঘটনা :
ফেব্ৰুৱাৰী : মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিজ্ঞান প্ৰদৰ্শনী মুকলি।
— উচ্চ-শিক্ষাৰ বাবে অধ্যাপক বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্যৰ লণ্ডন যাত্ৰা।
— অধ্যাপক তৈলেন গোঁহাইৰ বিদায়।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :

| | | | | |
|---|---|---|---|---|
| আই. এ.—আশীষ কুমাৰ গাঙ্গুলী | | — | বিশ্ববিদ্যালয়ৰ | ৭ম স্থান। |
| আই. কম : | শিউকৰণ খৈতান | — | ,, | ১ম ,, |
| | আনন্দকুমাৰ জৈন | — | ,, | ১১শ ,, |
| | চন্দ্ৰশেখৰ বন্দোপাধ্যায় | — | ,, | ১২শ ,, |
| আই.এচ-চি : | শতকৰা উত্তীৰ্ণৰ হাৰ হিচাবে বিশ্ববিদ্যালয়ত | | | ৩য় স্থান |
| বি. এ. : | নৱেন্দু দস্তিদাৰ | — | ডিষ্টিংচনত | ৪ৰ্থ স্থান |
| | শ্যামল কুমাৰ সেন | — | ,, | ৯ম ,, |
| বি. কম. : | মাধৱ চন্দ্ৰ শৰ্মা | — | ,, | ২য় ,, |

ক্ৰীড়াৰ ক্ষেত্ৰত কৃতিত্ব :
— জ্ঞান শৰ্মাই গুৱাহাটীত হোৱা সদৌ অসম শ্ৰেষ্ঠদেহী প্ৰতিযোগিতাত বিজয়ীৰ সন্মান অৰ্জন কৰে।

১৯৫৪ :
উল্লেখযোগ্য ঘটনা :
মে' আৰু জুন : নতুন মহাবিদ্যালয় ভৱন নিৰ্মাণৰ বাবে ৰায়চাহাব কানৈৰ দ্বাৰা মহাবিদ্যালয়ৰ নামত প্ৰায় ৩০,০০০ টকাত ৭ বি. ২ ক. ১১লো. ওখ মাটি ক্ৰয়।
১৪ ডিচেম্বৰ : কলেজ পৰিচালনা সমিতিৰ দ্বাৰা ৰায়চাহাব কানৈয়ে মহাবিদ্যালয় ভৱন নিৰ্মাণ কৰি দিব খোজা প্ৰস্তাৱৰ সমৰ্থন আৰু তেখেতলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন।

১৯৫৩-৫৪ :
এই দুয়ো বছৰতে অনেক কৃতী শিক্ষক অনুষ্ঠানৰপৰা আঁতৰি যায়। এখেত সকল হ'ল মহেন্দ্ৰ বৰা, এচ. বসু (দুয়ো ইংৰাজী বিভাগ) ; কে. মেনন (প্ৰাণীতত্ত্ব) ; এচ. ভড়ালী (উদ্ভিদতত্ত্ব) ; এইচ. গোস্বামী (পদাৰ্থবিদ্যা) ; জে. চক্ৰৱৰ্তী (অৰ্থনীতি) ; এ. চক্ৰৱৰ্তী (গণিত)। ইতিহাস বিভাগৰ ভূপেন চৌধুৰীয়ে ইংলণ্ডলৈ উচ্চ শিক্ষাৰ বাবে যাত্ৰা কৰে। উপেন গোস্বামীয়ে পুণাত ভাষা বিজ্ঞান গৱেষণা বিষয়ক এটা পাঠ্যক্ৰম শেষ কৰি কলেজত পুনৰ যোগদান কৰেহি।

১৯৫৫ :
উল্লেখযোগ্য ঘটনা :
৯ ফেব্ৰুৱাৰী : এই শুভ-দিনৰ আবেলি বিত্তমন্ত্ৰী মতিৰাম বৰাই কানৈ মহাবিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে।
৬ মাৰ্চ : অধ্যক্ষ একাদশ আৰু উপাধ্যক্ষ একাদশৰ মাজত জৰ্জ ইন্‌ষ্টিটিউশ্যনৰ খেলপথাৰত হোৱা আকৰ্ষণীয় প্ৰীতি ক্ৰিকেট খেলত ডঃ যোগীৰাজ বসু আৰু লক্ষ্মীপ্ৰসাদ দত্তৰ লগতে এগৰাকী অধ্যাপিকাইও (এচ. দত্ত) অংশ গ্ৰহণ কৰে।
— জোনাকী যুগৰ উল্লেখযোগ্য কবি, মহাবিদ্যালয়ৰ এসময়ৰ অধ্যাপক বেণুধৰ ৰাজখোৱাৰ মৃত্যু।

— মহাবিদ্যালয়ৰ অনুষ্ঠানত প্ৰথম সহ-অভিনয়ৰ বাবে অনুমতি দান।
— ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়া নিবাৰণত মহাবিদ্যালয়ৰ অধ্যাপক, ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰমদান।
— অধ্যাপক (সকল) এচ. পি. চলিহা, চি. আৰ. ঘোষাল, বি. চি. গগৈ, বি. কে চৌধুৰী, বি. চি. দাস, এম. এ. এচ. দত্ত, এন. চি. গোহাঁইৰ বিদায়।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :

| | | | | |
|---|---|---|---|---|
| আই. এ. : | ভৱপ্ৰসাদ চলিহা | -- | বিশ্ববিদ্যালয়ত | ৫ম স্থান |
| | এনি ৰাজকুমাৰী | — | ,, | ৯ম ,, |
| আই. কম. : | মদনলাল জৈন | — | ,, | ২য় ,, |
| | অহীন্দ্ৰ কুমাৰ চৌধুৰী | — | ,, | ৪ৰ্থ ,, |
| | নৰকুমাৰ শৰ্মা | — | ,, | ৮ম ,, |
| | বংশীধৰ বাগাৰিয়া | — | ,, | ৯ম ,, |
| | কমলা প্ৰসাদ চৌখানী | — | ,, | ১১শ ,, |
| বি. এ. : | অঞ্জলি কাকতি | -- | ইতিহাসৰ সন্মানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান। | |
| | ৰতনলাল জৈন | — | সংস্কৃতৰ সন্মানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ সন্মান লাভ কৰা সকলোৰে ভিতৰত সৰ্বোচচ স্থান। | |

ক্ৰীড়া, বিতৰ্ক আদিৰ ক্ষেত্ৰত কৃতিত্ব :
-- সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাৰ বিতৰ্ক প্ৰতিযোগিতাত চাইফুদ্দিন আহমদে প্ৰথম স্থান অধিকাৰ কৰে।
-- হেমাৰ নিক্ষেপণত শিৱ গগৈৰ প্ৰথম পুৰস্কাৰ লাভ।
-- সদৌ অসম বেডমিণ্টন প্ৰতিযোগিতাত পুষ্প দুৱৰা আৰু নীলিমা বৰদলৈৰ দ্বাৰা মহিলাৰ ডাবল্‌চত বিজয়িনীৰ সন্মান অৰ্জন। অৰুণ দেই জয়পুৰত হোৱা সৰ্ব্ব-ভাৰতীয় বেডমিণ্টন প্ৰতিযোগিতাত অসম দলৰ প্ৰতিনিধিত্ব কৰে।
— জ্যোতিপ্ৰকাশ দেৱে সদৌ অসম আন্তঃ মহাবিদ্যালয় ব্যায়াম প্ৰতিযোগিতাত দুটা বিষয়ত বিজয়ীৰ সন্মান লাভ কৰে।

সঙ্গীত-কলাৰ ক্ষেত্ৰত কৃতিত্ব :
— চিলঙত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত চন্দ্ৰপ্ৰভা দেৱীয়ে চেতাৰত ১ম পুৰস্কাৰ আৰু বাসন্তী দেৱীয়ে অসমীয়া লোকগীতত ৩য় পুৰস্কাৰ লাভ কৰে।

১৯৫৬ :
উল্লেখযোগ্য ঘটনা :
১৩ অক্টোবৰ : মহাবিদ্যালয়ত বিশ্ববিখ্যাত যাদুকৰ পি. চি. চৰকাৰৰ দ্বাৰা যাদুবিদ্যা প্ৰদৰ্শন।
— পৰিচালনা সমিতিৰ উপ-সভাপতি আৰু মহাবিদ্যালয়ৰ লগত নানাভাৱে জড়িত ডঃ ফনী ঘোষৰ মৃত্যু।
— কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এহাজাৰৰ ওপৰ হয়।



বিশ্ববিদ্যাজয়ৰ পৰীক্ষাৰ ক্ষেত্ৰত :

| | | | | |
|---|---|---|---|---|
| বি. এ. | শ্যামসুন্দৰ লোহিয়া | — | ইতিহাসৰ সন্মানত | ২য় স্থান |
| | ৰথীন্দ্ৰ বৰ্মন | — | ,, ,, | ৬ষ্ঠ ,, |
| | পদ্মিনী গগৈ | — | ইংৰাজীৰ ,, | ৫ম ,, |
| | তপনলাল বৰুৱা | — | ডিষ্টিংশ্যনত ,, | ১ম ,, |
| | কৃষ্ণ দাস | — | ,, | ৭ম ,, |

ক্ৰীড়াৰ ক্ষেত্ৰত :
— সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত হেমাৰ নিক্ষেপণত শিৱ গগৈ পুনৰ্বাৰ বিজয়ী আৰু 'মিঃ হেমাৰ' আখ্যা লাভ।
— উৎপল ভট্টাচাৰ্য্যই পলভল্টত ১০´৪´´ অতিক্ৰম কৰি আন্তঃ মহাবিদ্যালয় প্ৰতি-যোগিতাৰ এটা নতুন ৰেকৰ্ড কৰে।
— খাৰানসীত হোৱা আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত সুবোধ চন্দ আৰু মনোজ পাত্ৰই মহাবিদ্যালয়ৰ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰে।
— প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ ক্ৰিকেট দলে সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত বিজয়ী হয়।
— অৰুণ দেই (অসম নং ৩) আন্তঃ বিশ্ববিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰে।

সঙ্গীত-কলাৰ ক্ষেত্ৰত :
— শশীপ্ৰভা দলে আৰু তাকাৰ মেদকে সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতি-যোগিতাত মিছিং গীতত যথাক্ৰমে ১ম আৰু ২য় হয়। প্ৰফুল্ল কলিতাই তবলা বাদনত ১ম হোৱাৰ যোগ্যতা অৰ্জন কৰে। এখনি একাংকিকা নাটক 'নাপাতি কেনেকৈ থাকোঁ'ৰে (তফজ্জুল আলিৰ ৰচনা) ৪ৰ্থ স্থান লাভ কৰে।

১৯৫৭ :
উল্লেখযোগ্য ঘটনা :
— মহাবিদ্যালয়ৰ একাদশ সংখ্যা আলোচনীৰ 'কানৈ কলেজ আলোচনী' নামেৰে নতুন নামকৰণ।
২২ মে' :—মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ দ্বাৰা ছাত্ৰীৰ বাবে দুমহলীয়া আবাসৰ আধাৰশিলা স্থাপন।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :
আই. এচ. চি. : শৰত দত্তই বিশ্ববিদ্যালয়ত ৭ম স্থান অধিকাৰ কৰাৰ লগতে ইংৰাজীত সৰ্বোচচ নম্বৰ পায়।
বি. এ. : অৰ্থনীতিত এজনে সন্মান লাভ কৰে।
সংস্কৃতত এজনে সন্মান লাভ কৰে।

ক্ৰীড়াৰ ক্ষেত্ৰত :
— অৰুণ দেই সদৌ অসম বেডমিণ্টন প্ৰতিযোগিতাত বিজয়ী হোৱাৰ গৌৰৱ অৰ্জন কৰে।

বিশিষ্ট অতিথি :

১৬ ফেব্রুৱাৰী : অসমৰ ৰাজ্যপাল ফজল আলিৰ মহাবিদ্যালয়ত পদাৰ্পণ ।
— অন্যান্য বিশিষ্ট অতিথি সকল হ'ল, বিত্তমন্ত্ৰী মতিৰাম বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ফনীধৰ দত্ত, শ্ৰীমতী বিমলা ঠক্‌কৰ, অধ্যক্ষ হেম বৰুৱা এম-পি ।

১৯৫৮ :

উল্লেখযোগ্য ঘটনা :

২৯ ডিচেম্বৰ : ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ দ্বাৰা মহাবিদ্যালয়ৰ নতুন ভৱন উদ্বোধন ।
— ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা প্ৰায় ১৮০০ (ছাত্ৰী ৪০০) ।

ক্ৰীড়াৰ ক্ষেত্ৰত :

— সদৌ অসম আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত প্ৰথম বাৰৰ বাবে বিজয়ী ।

সঙ্গীত কলাৰ ক্ষেত্ৰত :

— দিল্লীত হোৱা যুৱ মহোৎসৱত নাটক প্ৰতিযোগিতাত মহাবিদ্যালয় দলৰ ২য় পুৰস্কাৰ লাভ ।

১৯৫৯ :

উল্লেখযোগ্য ঘটনা :

১০ মাৰ্চ : নতুন মহাবিদ্যালয় ভৱনৰপৰা ছাত্ৰ-ছাত্ৰীয়ে মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হয় ।
— অধ্যাপক উপেন্দ্ৰনাথ গোস্বামীৰ ডক্টৰেট উপাধি লাভ ।

ক্ৰীড়াৰ ক্ষেত্ৰত :

— কমলিনী বৰুৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত নিক্ষেপণ বিভাগত মহিলাৰ ভিতৰত শ্ৰেষ্ঠা হিচাবে পৰিগণিতা হয় । এই প্ৰতিযোগিতাত অংশ লোৱা মহাবিদ্যালয়ৰ মহিলা দলটো শ্ৰেষ্ঠ মহিলা দল হিচাবে পৰিগণিত হয় ।

সঙ্গীত কলাৰ ক্ষেত্ৰত :

— আন্তঃ মহাবিদ্যালয় অনাতাঁৰ নাটক প্ৰতিযোগিতাত (অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী কেন্দ্ৰই আয়োজন কৰা) মহাবিদ্যালয় দলৰ ১ম পুৰস্কাৰ লাভ ।

১৯৬০ :

উল্লেখযোগ্য ঘটনা :

৩ নবেম্বৰ : নিম্নস্নাতক বিজ্ঞান শ্ৰেণীৰ ভৱনৰ আধাৰশিলা প্ৰতিষ্ঠা ।
— ৩য় বাৰ্ষিক বিজ্ঞান শাখা মুকলি কৰা হয় ।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :

| | | | | |
|---|---|---|---|---|
| আই, কম : | অসিতাভ ঘোষ | — | বিশ্ববিদ্যালয়ত | ১ম স্থান |
| | আৰ চক্ৰৱৰ্তী | — | " | ৩য় " |

সঙ্গীত-কলাৰ ক্ষেত্ৰত :

ফেব্ৰুৱাৰী : বেহেলাত মানিক বৰাই আৰু চেতাৰত মিলন দেই সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত ক্ৰমে ২য় আৰু ১ম পুৰস্কাৰ লাভ কৰে ।



ক্ৰীড়াৰ ক্ষেত্ৰত :

— গকুল শৰ্মাই কলেজৰ হৈ আন্তঃ বিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰে ।
— সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত মহিলা দলটো ২য় বাৰৰ বাবে শ্ৰেষ্ঠ দল হিচাবে পৰিগণিত হয় । কমলিনী বৰুৱাই পূৰ্ব্বৰ ডিচ্‌কাচ্ নিক্ষেপণৰ ৰেকৰ্ড ভঙ্গ কৰি দ্বিতীয় বাৰৰ বাবে বিজয়িনীৰ সন্মান অক্ষুণ্ন ৰাখে । কুলধৰ সোণোৱালে যাঠি নিক্ষেপণত আন্তঃ বিশ্ববিদ্যালয় ক্ৰীড়াৰ ৰেকৰ্ড ভঙ্গ কৰে । মহাবিদ্যালয় দলে ডিচিপ্লিনৰ ক্ষেত্ৰত প্ৰথম পুৰস্কাৰ লাভ কৰে ।
— মিলন দেই লম্ফনত মহিলাৰ ভিতৰত শ্ৰেষ্ঠা প্ৰতিযোগী হিচাবে আৰু ৰণেনজিং ৰয়ে শ্ৰেষ্ঠ দৌৰবীৰ (বেচি দূৰত্বৰ) হিচাবে পৰিগণিত হয় ।

৬ ফেব্ৰুৱাৰী : ভাৰোত্তোলন প্ৰতিযোগিতাৰ খ শাখাত কে নন্দী সৰ্বাধিক উত্তোলন কৰি বিজয়ী ।

বিশিষ্ট অতিথি :

শ্ৰীমতী ইন্দিৰা গান্ধী, চৈয়দ আব্দুল মালিক, বিজয় চন্দ্ৰ ভাগৱতী ।

১৯৬১ :

উল্লেখযোগ্য ঘটনা :

— সংস্কৃত, ইতিহাস, অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ আৰম্ভণী ।
১২ অক্টোবৰ : অধ্যাপক যতীন্দ্ৰ নাথ দুৱৰাৰ বিদায় ।

ক্ৰীড়া বিতৰ্কৰ ক্ষেত্ৰত :

— এচ, এম, যাদৱে সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত ভাৰোত্তোলনত প্ৰথম হয় । ফুটবলত প্ৰফুল্ল শৰ্মাই শ্ৰীনগৰত হোৱা আন্তঃ বিশ্ববিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয় দলৰ প্ৰতিনিধিত্ব কৰে । এই বছৰতে তেওঁ অসমৰ হৈ সন্তোষ ট্ৰফীৰ খেলাতো অংশ লয় ।
— আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয় দলে ২য় স্থান লাভ কৰে

সঙ্গীত-কলাৰ ক্ষেত্ৰত :

— গুৱাহাটীত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত খগেন দত্তই ২য়, মেনকা দেৱী বিহু গীতত ১ম, আৰু অন্যান্য ১৩ জনে বিভিন্ন বিষয়ত ২য় আৰু ৩য় পুৰস্কাৰ অৰ্জন কৰে । অধ্যাপক তফজ্জুল আলি ৰচিত 'বাসন্তীৰ বিয়া' নাটকখনিয়ে অসমৰ মহাবিদ্যালয় সমূহৰ ভিতৰত শ্ৰেষ্ঠ নাটক হিচাবে পৰিগণিত হয় যদিও, আন্তঃ বিশ্ববিদ্যালয় নাট প্ৰতিযোগিতাত নিচুকনি বঁটাহে লাভ কৰে ।

বিশিষ্ট অতিথি :

২১ ফেব্ৰুৱাৰী : মোহনলাল সুখাড়িয়াৰ (ৰাজস্থানৰ মুখ্যমন্ত্ৰী) আগমন ।
২২-২৪ আগষ্ট : আচাৰ্য্য বিনোৱা ভাৱেৰ মহাবিদ্যালয়ত পদাৰ্পণ
১৪ চেপ্টেম্বৰ : ফকৰুদ্দিন আলি আহমদৰ আগমন ।
১৩ ডিচেম্বৰ : অমিয়কুমাৰ দাসৰ আগমন ।

১৯৬২ ঃ

উল্লেখযোগ্য ঘটনা ঃ

-- অধ্যাপক সলিল কুমাৰ বসুৱে (ইতিহাস) ৱাৰ্দ্ধ্ত শিক্ষা লাভ কৰিবলৈ পোলেও চৰকাৰৰ বৃত্তি লাভ কৰে।

-- অধ্যাপক নিৰ্মল কুমাৰ বসুৱে (অৰ্থনীতি) ব্লিৎস্ পত্ৰিকাই আয়োজন কৰা এক সৰ্বভাৰতীয় ৰচনা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ বিজয়ী হয়।

-- মহাবিদ্যালয়ত নৃতত্ত্ব বিভাগ মুকলি।

-- কানৈ বাণিজ্য মহাবিদ্যালয় নামেৰে সুকীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা (কানৈ মহাবিদ্যালয় ভৱনতে)।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্-বিশ্ববিদ্যালয় (কলা) ঃ সাৰদা দেৱী-- বিশ্ববিদ্যালয়ত ৬ ষ্ঠ স্থান।
মণিৰাম আগৰৱালা -- ,, ৯ম ,,

আই. কম. ঃ ২টা স্থান লাভ। লেখক কাকতিৰ বিশ্ববিদ্যালয়ত প্ৰথম স্থান লাভ।

বি. এ. ঃ ইতিহাসত তিনিজনে সন্মান লাভ কৰে (হিৰণ্ময়ী দেৱী, ৪ৰ্থ স্থান; বিনন্দ কুমাৰ গগৈ, ১৭শ স্থান; বীণাপাণি দত্ত, ২৮শ স্থান)।

বি. কম. ঃ দুজনে সন্মান লাভ কৰে।

ক্ৰীড়াৰ ক্ষেত্ৰত ঃ

-- অষ্টম সদৌ অসম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত ভাৰোত্তোলন বিভাগত এচ. এম. যাদৱে ২য় বাৰৰ বাবে সৰ্বাধিক ভাৰ উত্তোলন কৰি বিজয়ী হয়।

সঙ্গীত কলাৰ ক্ষেত্ৰত ঃ

-- দিল্লীৰ আন্তঃ বিশ্ববিদ্যালয় যুব উৎসৱত মুনীন শৰ্মাই তবলাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰে।

বিশিষ্ট অতিথি ঃ

-- মোৰাৰজী দেশাই, প্ৰেমধৰ ৰাজখোৱা, অমিয়কুমাৰ দাস।

১৯৬৩ ঃ

উল্লেখযোগ্য ঘটনা ঃ

২৫ জুলাই ঃ সুকীয়া মহিলা মহাবিদ্যালয় (মনোহৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়) আৰম্ভ। অধ্যক্ষ যোগীৰাজ বসু মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ নিযুক্ত; কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ নিৰ্বাচিত হয় লক্ষ্মীপ্ৰসাদ দত্ত দেৱ।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্-বিশ্ববিদ্যালয় (বিজ্ঞান) ঃ ৪ৰ্থ স্থান আৰু ১০ম স্থান (এজনে ৰসায়নত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পায়)

আই. এ. ঃ ১ম বিভাগত এজন।

বি. এ. ঃ সন্মান লাভ কৰে-- ইতিহাসত দুজনে, অৰ্থনীতিত দুজনে, সংস্কৃতত এজনে।



১৯৬৪ ঃ

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্-বিশ্ববিদ্যালয় (বিজ্ঞান) ঃ--হিমাংশু পাল--বিশ্ববিদ্যালয়ত ৭ম স্থান।
,, (কলা) ঃ প্ৰবোধ কুমাৰ দেৱ--লজিকত সৰ্বোচ্চ নম্বৰ।

বি. এ. ঃ ইতিহাসত ৫ জনৰ সন্মান লাভ; সৃষ্টিধৰ দত্ত, ২য় শ্ৰেণীৰ ১ম স্থান। বাকী চাৰিজন গৌৰীপ্ৰভা গগৈ, কৰুণাকান্ত দাস, সুমিত্ৰা পুৰকায়স্থ, চন্দ্ৰধৰ গগৈ। সংস্কৃতত তিনিজনৰ সন্মান লাভ।
জয়শ্ৰী বিশ্বাস আৰু অসীমা গুহ ক্ৰমে ২য় শ্ৰেণীৰ ২য় আৰু ৩য় স্থান।
অৰ্থনীতিত এজনৰ সন্মান লাভ--ধৈৰ্য্য শইকীয়া--২য় শ্ৰেণীৰ ২য় স্থান।
ডিষ্টিংশ্যন লাভ কৰে এজনে--লালপৰী খুমা।

বি. এচ-চি. ঃ ডিষ্টিংশ্যন লাভ কৰে এজনে (মুকুল চন্দ্ৰ শৰ্মা)

বি. কম. ঃ এড্ভান্স্ড্ একাউণ্টেন্সীত ৫ জনৰ ২য় শ্ৰেণীৰ সন্মান লাভ (স্থান ১ম, ২য়, ৭ম, ১০ম, ১২শ)

স্নাতকোত্তৰ পৰীক্ষাত ঃ সংস্কৃত বিষয়ত নীলকণ্ঠ চক্ৰৱৰ্তী--১ম শ্ৰেণীৰ ১ম আৰু বাসন্তী ভট্টাচাৰ্য্য--২য় শ্ৰেণীৰ ১ম।

ক্ৰীড়াৰ ক্ষেত্ৰত ঃ

-- ধুবুৰীত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত ২য় বাৰৰ বাবে বিজয়ীৰ সন্মান লাভ। দলৰ ভবানন্দ চেতিয়া সৰ্বশ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচিত।

-- অধ্যাপক ভাৰ্গৱ চৌধুৰী আৰু পঙ্কজ কোঁৱৰ সদৌ অসম লন টেনিচ প্ৰতিযোগিতাৰ ডাব্‌লচত ৰাণাৰ্চ আপ।

সঙ্গীত-কলাৰ ক্ষেত্ৰত ঃ

-- সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত দিলীপ বৰঠাকুৰে শাস্ত্ৰীয় যন্ত্ৰ সঙ্গীতত ১ম পুৰস্কাৰ অৰু জয়শ্ৰী ৰাওৱে শাস্ত্ৰীয় সঙ্গীতত ২য় পুৰস্কাৰ লাভ কৰে।

বিশিষ্ট অতিথি ঃ

-- ডঃ এইচ, জে, টেলৰ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য)।
ডঃ যোশী (পাঞ্জাৱ ,, ,, )।
সুৰেশ চন্দ্ৰ ৰাজখোৱা ডি. পি. আই. অসম, আৰু নুৰুল ইচলাম।

১৯৬৫ ঃ

উল্লেখযোগ্য ঘটনা ঃ

-- ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপিত হোৱাত অধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্তৰ ৰেক্টৰ পদত নিয়োগ। সুশীল চন্দ্ৰ দত্ত নতুন অধ্যক্ষ।

-- অসম মহাবিদ্যালয় শিক্ষক সন্মিলনত ১৫শ অধিবেশন মহাবিদ্যালয়ত সুচাৰুৰূপে অনুষ্ঠিত হয়।

-- মনোহৰী দেৱী কানৈ মহিলা মহাবিদ্যালয় নিজৰ ভৱনলৈ স্থানান্তৰিত।

-- অধ্যাপক হৰেন ভূমিজ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক (পিচলৈ কণ্ট্ৰোলাৰ অৱ এগজামিনেচনচ্) নিযুক্ত।

**ক্ৰীড়াৰ ক্ষেত্ৰত :**

— পূৰ্বাঞ্চলীয় বেডমিণ্টন প্ৰতিযোগিতাত পুলিন কাকতিয়ে অসমৰ প্ৰতিনিধিত্ব কৰে।
— ডিব্ৰুগড়ৰ স্থানীয় সূৰ্য্য সোঁৱৰণী শ্বিল্ড প্ৰতিযোগিতাত বিজয়ী হোৱাৰ সন্মান অৰ্জন।

**বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :**

বি. এচ-চি : ডিষ্টিংশ্যন লাভ কৰে ৮ জনে (ডলী বৰগোঁহাই ৬ষ্ঠ, উৰ্মিলা শৰ্মা ৯ম, নমিতা দেৱী ১০ম, আশুতোষ ভট্টাচাৰ্য্য ১৫শ, অসিত দত্ত আৰু দিলীপ কুমাৰী বৰুৱা দুয়ো ২২শ, অমলকৃষ্ণ দাস ৩৫শ, পীযুষ কান্তি বানাৰ্জী ৪৪শ।
বি. এ. : ইংৰাজীত সন্মান দুজনে লাভ কৰে। মণিৰাম আগৰৱালা ২য় শ্ৰেণীৰ ৪ৰ্থ আৰু সাৰদা দেৱী ২য় শ্ৰেণীৰ ৫ম।
অৰ্থনীতিত তিনিজনৰ সন্মান লাভ। কৃষ্ণগোপাল দাস—২য় শ্ৰেণীৰ ২৬শ, মোহিনীমোহন বুঢ়াগোঁহাই ২য় শ্ৰেণীৰ ৪৩শ, নৰেশ্বৰ সোণোৱাল—২য় শ্ৰেণীৰ ৭৯শ।
সংস্কৃতত এজনৰ সন্মান লাভ। মীনু চক্ৰৱৰ্তী—২য় শ্ৰেণীৰ ২য়। ডিষ্টিংশ্যন পায় এজনে। গোলোক চন্দ্ৰ গগৈ (স্থান ৪৬শ)।

**১৯৬৬ :**

**উল্লেখযোগ্য ঘটনা :**

— কানৈ বাণিজ্য মহাবিদ্যালয় নিজ ভৱনলৈ স্থানান্তৰিত।
— মহাবিদ্যালয়ৰ অধ্যক্ষ যোগীৰাজ বসুৰ ডক্টৰেট্ উপাধি লাভ।

**বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :**

প্ৰাক্-বিশ্ববিদ্যালয় (বিজ্ঞান) : ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম দহোটা স্থানৰ ৮ টা স্থান অধিকাৰ। সুকুমাৰ গংগোপাধ্যায়, ২য় স্থান, পদাৰ্থবিদ্যাত সৰ্বোচ্চ নম্বৰ লাভ; প্ৰলয় কুমাৰ দত্ত, ৩য়; প্ৰীতিশ ভট্টাচাৰ্য্য ৪ৰ্থ; প্ৰবীণৰঞ্জন নন্দী ৫ম; নিবাৰণ দে ৬ষ্ঠ; স্বস্তি মুন্সী ৭ম; কল্লোল আচাৰ্য্য ৮ম; মলয় কুমাৰ দত্ত ১০ম।
বি. এচ-চি : ডিষ্টিংশ্যন পায় ৪ জনে (জেহিচুন নিছা বেগম ১ম; ধনীৰাম দত্ত ৪ৰ্থ; গৌৰীশঙ্কৰ আগৰৱালা ১০ম; সূৰ্য্যকুমাৰ দাস ১৯শ)।
বি. এ. : অৰ্থনীতিত সন্মান —মঞ্জুলা দেৱী, ২য় শ্ৰেণীৰ ৬ষ্ঠ।
ইংৰাজী ,, —জ্যোতিপ্ৰসাদ শইকীয়া—২য় শ্ৰেণীৰ ১ম।
সংস্কৃতত ,, —প্ৰাণকৃষ্ণ গোস্বামী— ,, ,, ,,
ইতিহাসৰ ,, —জীৱন চন্দ্ৰ পেগু— ,, ,, ,,
গণিতৰ ,, —শ্যামল মুখাৰ্জী— ,, ,, ,,
,, ,, ,,

**১৯৬৭ :**

**উল্লেখযোগ্য ঘটনা :**

— ডঃ যোগীৰাজ বসু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰধান অধ্যাপক হিচাবে যোগদান।
— দানবীৰ হনুমানবক্স কানৈ দেৱৰ মৃত্যু।
— সুকীয়া বাণিজ্য মহাবিদ্যালয় (কানৈ বাণিজ্য মহাবিদ্যালয়) স্থাপন।

**বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :**

প্ৰাক্-বিশ্ববিদ্যালয় বিজ্ঞান :
আবু মহম্মদ জেচিম হাজৰিকা— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২য় স্থান
দিলীপ চেতিয়া— ,, ,, ৫ম ,,
গজানন্দ আগৰৱালা— ,, ,, ৭ম ,,



বি. এছ-চি : ৰসায়নত সন্মান—বাপুৰাম গগৈ (২য় শ্ৰেণীৰ ৫ম)
গণিতত ,, —বল্লভ বানাৰ্জী (২য় শ্ৰেণী)
ডিষ্টিংশ্যন পায় ৭ জনে (দিলীপ কুমাৰ বৰুৱা, বিভা কাকতি, হেমকান্ত গগৈ, ব্ৰজেন গোঁহাই, খগেন্দ্ৰ নাথ পেগু, দিলীপ গগৈ, ভোলানাথ মৰাণ।
বি. এ. : ইংৰাজীত সন্মান—ইন্দীবৰ দেউৰী ২য় শ্ৰেণীৰ ৪ৰ্থ; প্ৰসেনজিৎ সিংহ চৌধুৰী, ৫ম; সন্ধ্যা দেৱী ৬ষ্ঠ; মুনীন্দ্ৰ নাথ শৰ্মা ৭ম।
অৰ্থনীতিত সন্মান—দীপক কুমাৰ পণ্ডিত—২য় শ্ৰেণীৰ ১৫শ।

**ক্ৰীড়াৰ ক্ষেত্ৰত কৃতিত্ব :**

— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা বিজয়ী, লগতে স্থানীয় সূৰ্য্য সোঁৱৰণী শ্বিল্ডো জয় কৰে।

**১৯৬৮ :**

**উল্লেখযোগ্য ঘটনা :**

অক্টোবৰ—অধ্যাপক সলিল কুমাৰ বসুৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰে।

**বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব :**

প্ৰাক্-বিশ্ববিদ্যালয় (বিজ্ঞান) : ৰাজকুমাৰ কয়াল— বিশ্ববিদ্যালয়ত ১ম স্থান।
অনিমেষ কুমাৰ জৈন— ,, ২য় ,,
,, (কলা) : অনিতা ৰায়চৌধুৰী— ,, ৯ম ,,
বি. এছ-চি. : ৰসায়নত সন্মান—মণিৰাম দিহিঙ্গীয়া—২য় শ্ৰেণীৰ ১ম।
সত্যনাৰায়ণ আগৰৱালা—২য় শ্ৰেণীৰ ২য়।
পদাৰ্থবিদ্যাত সন্মান—এল, চি কে. মাৰাক—২য় শ্ৰেণীৰ ১ম।
ডিষ্টিংশ্যন পায় ৬ জনে (জাহেৰা বেগম, দীপা ভূঞা, উদ্ধৱধৰ গগৈ, জিতেন কোঁৱৰ, বুধীন্দ্ৰ নাথ বৰঠাকুৰ, বসন্ত কুমাৰ গাৰদীয়া, ক্ৰমে ১ম, ২য়, ৪ৰ্থ, ৪ৰ্থ, ৭ম, ১০ম স্থান।
বি.এ. : অসমীয়াত সন্মান —মনোৰমা বৰুৱা, আৰাধনা দত্ত, প্ৰমীলা খাখলাৰী, দীপালী বৰুৱা, জীৱন চন্দ্ৰ বৰা (সকলো ২য় শ্ৰেণী)
ইংৰাজীত ,, —প্ৰণৱ কুমাৰ দেৱ, গুণনাথ ফুকন, সুপ্ৰিয়া সেন, নৰেন্দ্ৰ ভাদুৰী, তপতী চক্ৰৱৰ্তী, মন্দিৰা গুপ্ত (সকলো ২য় শ্ৰেণী)
ইতিহাসত ,, —দুলন সোণোৱাল।
অৰ্থনীতিত ,, —সুজিত কুমাৰ নন্দী, নীৰেন শইকীয়া।
সংস্কৃতত ,, —কৃষ্ণ ধৰ, লক্ষ্যহীৰা গগৈ।

**ক্ৰীড়া আৰু বিতৰ্কৰ ক্ষেত্ৰত :**

— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত অমূল্য চিৰিং শ্ৰেষ্ঠ নিক্ষেপক হিচাবে আৰু গজেন গোঁহাই শ্ৰেষ্ঠ দৌৰবীৰ (বেছি দূৰত্বৰ) হিচাবে পৰিগণিত। তেওঁলোকে হায়দৰাবাদত হোৱা আন্তঃ বিশ্ববিদ্যালয় যুৱ উৎসৱত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰে।
— এচ. আজিজে সদৌ অসম লন টেনিচ প্ৰতিযোগিতাৰ চেমনীয়া বিভাগত বিজয়ী।
— আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত প্ৰণৱ কুমাৰ দেৱে ৩য় স্থান অধিকাৰ কৰে।

**সঙ্গীত-কলাৰ ক্ষেত্ৰত :**

মুনীন দত্তই এইচ. এম. ভি. কোম্পানীৰ গানৰ ৰেকৰ্ড কৰে।
হেমন্ত দত্তই অসমীয়া কথাছবি 'ডঃ বেজবৰুৱাৰ' মঞ্চসজ্জা আৰু অন্য ব্যৱস্থাপনাত সহকাৰী হিচাবে কাম কৰে।

১৯৬৯ ঃ

উল্লেখযোগ্য ঘটনা ঃ

—অধ্যাপক ভুবনচন্দ্ৰ চুতীয়াই সুখ্যাতিৰে পোলেণ্ডৰ উচ্চশিক্ষা সাং কৰি ঘূৰি অহাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপনা কামত যোগদান কৰে।
—অসম বিজ্ঞান সমাজৰ অধিবেশন মহাবিদ্যালয়ত অনুষ্ঠিত হয়।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্‌বিশ্ববিদ্যালয় (বিজ্ঞান)ঃ
{সত্যজিত ভাৰ্মা—বিশ্ববিদ্যালয়ত ১ম স্থান
{প্ৰদীপ কুমাৰ ভাৰ্মা ,, ৪ৰ্থ ,,
{সুৰেন্দ্ৰনাথ তেৱাৰী ,, ১০ম ,,
,, (কলা) আলেক্স পাল ,, ৫ম ,,

বি. এছ্-চি ঃ পদাৰ্থবিদ্যাত সন্মান—বুকচানা বেগম—২য় শ্ৰেণীৰ ৮ম।
ৰসায়নত সন্মান—নিবাৰণ চন্দ্ৰ দে—(২য় শ্ৰেণীৰ ১ম); ভুবনচন্দ্ৰ কোঁৱৰ ৫ম।
গণিতত সন্মান—কল্যাণ কুমাৰ দত্ত—২য় শ্ৰেণীৰ ২য়।
—ডিষ্টিংশ্যন পায় ৪ জনে (নিৰ্মলচন্দ্ৰ তামুলী ১ম; লিলী চেতিয়া ২য়; ভোলানাথ সাহা ৮ম; আশ্ৰফ আলি ১০ম)।
বি. এ ঃ অসমীয়াত সন্মান ঃ দয়ানন্দ বৰগোঁহাই ২য় শ্ৰেণীৰ ১ম; গুণেশ্বৰ সোনোৱাল ৭ম; ভব গগৈ ৮ম; উত্তমকুমাৰ গগৈ ১০ম )।
ইংৰাজীত সন্মান ঃ নীল্লুম নিৰ্ভাৰ সিং ২য় শ্ৰেণীৰ ২য়;
সোনাই নিৰ্ভাৰ সিং ৫ম; আৰু দেবানন্দ চুতীয়া।
অৰ্থনীতিত সন্মান ঃ চাইফুজ জামান—২য় শ্ৰেণীৰ ২য়।
ৰাজনীতি বিজ্ঞানত সন্মান ঃ কাঞ্চন হাজৰিকা—২য় শ্ৰেণীৰ ১ম।

ক্ৰীড়া আৰু বিতৰ্কৰ ক্ষেত্ৰত ঃ

—ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত পাৰ্থ সাৰথি দত্তই ১ম স্থান অধিকাৰ কৰে।
—মৃণালিনী বৰুৱাৰ দ্বাৰা আন্তঃ মহাবিদ্যালয় টেবুল টেনিচ প্ৰতিযোগিতা বিজয়ৰ সন্মান অৰ্জন।
—শ্ৰীমূৰ্তিক সহযোগী হিচাবে লৈ শিক্ষক পংকজ কোঁৱৰৰ সদৌ অসম লন টেনিচ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলচত বিজয় লাভ।

১৯৭০ ঃ

উল্লেখযোগ্য ঘটনা ঃ

১৫ জুন ঃ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পঞ্চবিংশতিতম দিবস পূৰ্তি।
—মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে ডঃ যোগীৰাজ বসুৱে।
নবেম্বৰ ঃ অধ্যাপক সত্যৰঞ্জন সেনে (ৰসায়ন) ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰে।
নবেম্বৰ ঃ অধ্যাপক তফজ্জুল আলিৰ বিদায়—গুৱাহাটীৰ বাণিজ্য মহাবিদ্যালয়ত যোগদান।
— অধ্যাপক গোপীবল্লভ লাল দাসৰ ডক্টৰেট উপাধি লাভ।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্‌বিশ্ববিদ্যালয় (বিজ্ঞান)ঃ ভূপ্ৰকাশ ভাৰ্মা—বিশ্ববিদ্যালয়ৰ ১ম স্থান; জচ্বীৰ সিং ৩য়; বনেশ চন্দ্ৰ হাজৰিকা ৬ষ্ঠ; বিষ্ণু খেমানী ৭ম; মহন্ত কুমাৰ লাংথাচা ১০ম।



প্ৰাক্-বিশ্ববিদ্যালয় (কলা) ঃ হীৰেন গগৈ—বিশ্ববিদ্যালয়ৰ ১ম স্থান (মাৰ্কিন চৰকাৰৰ প্ৰতিভা বৃত্তি লাভ)।
বি. এছ্-চি. ঃ পদাৰ্থবিদ্যাত সন্মান—(তাপস কুমাৰ চক্ৰবৰ্তী, জাগৃতি খাউণ্ড, ওমপ্ৰকাশ দেওৰা, কৃষ্ণদত্ত ৰয়, সুতপা দত্ত, জামছেদ এ. খান, গুণাভিৰাম বৰুৱা, কীৰ্তিনাথ বৰুৱা) সকলো ২য় শ্ৰেণী।
ৰসায়নত সন্মান—(মচ্‌ফিয়া চুলতানা, ৰতনকুমাৰ বৰুৱা, ৰণজিত ৰয়)—সকলো ২য় শ্ৰেণী।
গণিতত সন্মান—(অশোক কুমাৰ দত্ত, ভাস্কৰ কুমাৰ মজুমদাৰ, সুনীল কুমাৰ ৰয়) সকলো ২য় শ্ৰেণী।
ডিষ্টিংশ্যন—ৰঞ্জন ডেকা, উত্তম চন্দ্ৰ গগৈ।
বি.এ. ঃ অসমীয়াত সন্মান —দিব্যকুমাৰ চুতীয়া আৰু হৰিপ্ৰসাদ ডেকা; দুয়ো ২য় শ্ৰেণী।
ইংৰাজীত ,, —শিপ্ৰা দে—২য় শ্ৰেণী।
অৰ্থনীতিত ,, —ভোলা দাস, লক্ষী গায়ন; দুয়ো ২য় শ্ৰেণী।
ৰাজনীতি বিজ্ঞানত সন্মান—মলয়া দেবী—২য় শ্ৰেণী।
সংস্কৃতত সন্মান —প্ৰতিভা আচাৰ্য্য, জয়তী মুখাৰ্জী; দুয়ো ২য় শ্ৰেণী
ডিষ্টিংশ্যন পায় এজনে (সুৰেন্দ্ৰ কুমাৰ চমুৱা)।

ক্ৰীড়াৰ ক্ষেত্ৰত ঃ

—মৃণালিনী বৰুৱাৰ দ্বাৰা আন্তঃ মহাবিদ্যালয় টেবুল টেনিচ প্ৰতিযোগিতা বিজয়ৰ (মহিলা বিভাগ) সন্মান অৰ্জন।

সঙ্গীত-কলাৰ ক্ষেত্ৰত ঃ

— ছাত্ৰ বিজু ফুকনৰ কেৱাখনো অসমীয়া কথাছবিৰ নায়কৰ ভূমিকাত অভিনয়।

১৯৭১ ঃ

উল্লেখযোগ্য ঘটনা ঃ

— মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি গোবিন্দ চন্দ্ৰ শৰ্মাৰ মৃত্যু।
— অধ্যাপক টি. কে. কে. আয়াৰৰ ডক্টৰেট উপাধি লাভ।
— বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা ১৪৬২; ছাত্ৰী ২৪৫; শিক্ষকৰ সংখ্যা মুঠ ৭৩ (আংশিক ভাবে অধ্যাপনা কৰা সকলক ধৰি)।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কৃতিত্ব ঃ

প্ৰাক্-বিশ্ববিদ্যালয় (কলা) ঃ দিলীপ সিন্‌হা—বিশ্ববিদ্যালয়ত ২য় স্থান।
,, (বিজ্ঞান) ঃ ৰাজেন্দ্ৰ প্ৰসাদ আগৰৱালা ,, ২য় ,,
মহেন্দ্ৰ কুমাৰ কেশান ,, ৩য় ,,
অশোক কুমাৰ কয়াল ,, ৪ৰ্থ ,,
নন্দকিশোৰ আগৰৱালা ,, ৭ম ,,
বি. এছ্-চি. ঃ ডিষ্টিংশ্যন পায় চাৰিজনে (দীপাঞ্জনা দত্ত, শৈলেশ চন্দ্ৰ ভট্টাচাৰ্য্য, মোহন চন্দ্ৰ ওজা, জনাৰ্দন কোঁৱৰ)।
পদাৰ্থবিদ্যাত সন্মান—(অৰুণ কুমাৰ দাসগুপ্ত, কল্যাণ দেবনাথ, যথাক্ৰমে ১ম শ্ৰেণীৰ ৩য় আৰু ৪ৰ্থ)।
পদাৰ্থবিদ্যাত সন্মান—দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ৫জন।
ৰসায়নত সন্মান—দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ৬জনে (টংকেশ্বৰ লাহন—২য় শ্ৰেণীৰ ১ম স্থান )
গণিতত সন্মান—দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ২ জনে।

বি. এ. ঃ ৰাজনীতি বিজ্ঞানত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ১০ জনে (পাৰ্থসাৰথি দত্ত--২য় শ্ৰেণীৰ ২য়)।
ইতিহাসত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে খগেন চন্দ্ৰ দত্তই (২য় শ্ৰেণীৰ ৭ম স্থান)।
ইংৰাজীত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ৪জনে (দীপঙ্কৰ পুৰকায়স্থ ২য় শ্ৰেণীৰ ১ম)।
অসমীয়াত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ৩ জনে।
সংস্কৃতত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে ১ জনে।
অৰ্থনীতিত সন্মান--দ্বিতীয় শ্ৰেণীৰ লাভ কৰে মুঠ ৩ জনে।
ডিষ্টিংশ্যন--মঃ চিদ্দিক আলি।

ক্ৰীড়াৰ ক্ষেত্ৰত ঃ

— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৪ৰ্থ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত দেহচৰ্চা বিষয়ত ৭টি পদক অৰ্জন। শ্ৰেষ্ঠ দেহী প্ৰতিযোগিতাত যোগদান কৰা দুজন প্ৰতিযোগীৰ দুয়োজনেই স্বৰ্ণপদক লাভ কৰে। ছত্ৰধৰ কোঁৱৰক 'ডিব্ৰুগড় বিশ্ব-বিদ্যালয় শ্ৰী' আখ্যাৰে বিভূষিত কৰা হয়।
— প্ৰতিযোগিতাত যোগদান কৰা মহিলা দলটো শ্ৰেষ্ঠ মহিলা দল হিচাবে পৰিগণিত। দিব্য গগৈয়ে শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান অৰ্জন কৰে। মৃণালিনী বৰুৱাই একেৰাহে তিনি বছৰৰ বাবে আন্তঃ মহাবিদ্যালয় টেবুল টেনিচ প্ৰতিযোগিতাত বিজয়িনীৰ সন্মান অক্ষুন্ন ৰাখে।

॥ অধ্যাপক মুনীন শৰ্মাৰ সহযোগত
পুৰণি আলোচনীৰ পৰা তথ্যসমূহ সঙ্কলন কৰিলে
শৰত বৰবৰাই ॥

---

"আত্মাৰ সহিত, আত্মাৰ লগে লগে যি যায় সেয়েই সাহিত্য। সহিত অৰ্থাৎ লগত যোৱা সঙ্গী বা লগৰীয়া। এই কাৰণে যেতিয়া সি অন্তৰৰ গভীৰতম স্থলৰ-পৰা বাহিৰলৈ আহে, তেতিয়া গোটেই জগতকে পবিত্ৰ কৰি তোলে। সি কোনটো গহ্বৰৰপৰা ওলাইছে, কোনেও নেজানে। সেই গহ্বৰক জগতে চুকি পোৱাগৈ নাই। গঙ্গা যেতিয়া বাহিৰলৈ আহে, তেতিয়াহে মানুহে জানে আৰু তাত স্নান আদি কৰে, কিন্তু গঙ্গা কোনটো গহ্বৰৰপৰা ওলাইছে, তাক কোনেও নেজানে।"

—বিনোৱা ভাবে


---




সুসাহিত্যিক বেণুধৰ ৰাজখোৱা
কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা সভাপতি




পদ্মশ্ৰী হনুমানবক্স কানৈ
এখেতৰ দানেৰে বৰ্ত্তমানৰ ভৱনটো নিৰ্ম্মিত হৈছে আৰু কলেজখনৰ নামকৰণ এখেত আৰু এখেতৰ ভ্ৰাতৃৰ নামেৰে হৈছে।



১৯৫৫ চনত বিত্তমন্ত্ৰী মতিৰাম বৰাই কানৈ কলেজ ভৱনৰ আধাৰ শিলা স্থাপন কৰি ভাষণ দিয়া দেখা গৈছে।



বিমলাপ্ৰসাদ চলিহাই ছাত্ৰাবাসৰ আধাৰ শিলা স্থাপন কৰিছে।



বিশ্ববিদ্যালয় অনুদান সমিতিৰ সভাপতি ডঃ কোঠাৰীয়ে কানৈ কলেজ পৰিদৰ্শন কৰিছে। লগত উপাধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্ত।

# ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা

## ১৯৪৫ চন


**শ্ৰীঅশ্বিনী চৰণ চৌধুৰী**
প্ৰতিষ্ঠাতৃ সম্পাদক।


দয়ালু ভগৱানৰ দয়া হ'লে কেতিয়াবা তেওঁৰ দয়াৰ পোহৰ সামান্য লোকৰ ওপৰতো পৰে আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰজনকো তেওঁৰ উদ্দেশ্য পূৰণৰ সজুলি কৰি ব্যৱহাৰ কৰে। অসীম কৰুণাময় ভগৱানে কেতিয়া কাক বিচাৰি পায় কবকে নোৱাৰি আনকি কৰুণা পোৱা জনেও নিজেও নেজানে অথচ আন্তৰিক আহ্বান অনুভৱ কৰে, শত বিপদ নেওঁচি আগবাঢ়িবলৈ সাহস পায়।

ওপৰ অসম অঞ্চলত উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান সিদিনাৰ "ডিব্ৰুগড় কলেজ" আৰম্ভণিও এনে এটা অলীক সপোন যেন আছিল। একুৰি ছয় বছৰৰ পিছত সেই-দিনৰ কথাবোৰ পাহৰণিৰ অন্তৰালত। সেই দিনৰ সেই প্ৰেৰণা, সেই অনুভূতি আজি ব্যক্ত কৰা সম্ভৱ নহয়। ইয়াত এটা প্ৰয়াসহে কৰা হৈছে।

যি সময়ত উচ্চ শিক্ষাৰ প্ৰতি সকলোৰে আগ্ৰহ এটি চূড়ান্ত পৰ্য্যায়ত, তেনে সময়ত এটা সমৃদ্ধিশালী অঞ্চলত, কলেজ খোলাৰ মনেপতা প্ৰস্তাৱ বাস্তৱত পৰিণত কৰাটো একো অসম্ভৱ নাছিল, কেৱল তাৰবাবে লাগিছিল অন্তৰায়বোৰৰ সন্মুখীন হোৱাৰ বাবে এটা প্ৰবল অনুৰাগ, মনোবল আৰু ধৈৰ্য্য।

"After a long long Pause Dibrugarh at last sees the light ..... at the back ground, there must his earnestness, selfishness, and heart and soul labour ....."

—Times of Assam

এনে এটা শুভ গ্ৰহৰ মিলন মুহূৰ্ত্তত তিনিজন বন্ধুৱে (মনত পৰা মতে ৺বিধু ভূঞা, শ্ৰীললিত দাস আৰু শ্ৰীপৰেশ দত্ত) বাটতে নানা কথাৰ মাজতে কৈ পেলাইছিল— "এখন কলেজ নহ'ল, আপুনি চেষ্টা কৰক।" ই এটা আচৰিত উপদেশ—কেৱল অসম্ভৱ আশাই নহয়, দুৰাশাও। এজন বন্ধুৱে কোৱা মতে "ভেকুলীৰ পিঠিত নোম গজোৱা কথা। পিছে এই আশা তুঁহ জুইৰ দৰে অন্তৰত জ্বলি ৰ'ল, বহু ভঙ্গা-পতাৰ দ্বন্দ্ব অন্ত ত হ'ল—বাহিৰত তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ নাপালে। লাহে লাহে উপায়-বোৰো ভৰা হ'ল। কিন্তু বহু কাৰণত, বহু অন্তৰায়ৰ আশঙ্কা কৰি কথাবোৰ কাৰো আগত স্পষ্টভাৱে ব্যক্ত কৰা নহ'ল। মাজে মাজে আত্মবিশ্বাসৰো শঙ্কা সমাগত হয়। কিন্তু মনৰ অদম্য আগ্ৰহ, বন্ধু কেইগৰাকীৰ আদেশ, অমান্য কৰিব নোৱৰাৰ অনুভূতিয়ে মোক প্ৰেৰণা যোগালে। ক'ত শিক্ষাবিদ আছে, কাৰ কাৰ অধ্যাপক হোৱাৰ অৰ্হতা আছে এইবোৰৰ খা-খবৰ লোৱা হ'ল। কলিকতা বিশ্ববিদ্যালয়ৰপৰা কলেজৰ ফৰ্ম

আৰু Prospectus অনোৱা হ'ল। এইবোৰ কৰা হৈছিল ৺গোপনে, তেতিয়াও দেখ দেখকৈ কামত আগবাঢ়িবলৈ সাহস হোৱা নাছিল, লাজ পোৱাৰ ভয়ত।

এখন আবেদনেৰে জৰ্জ্জ স্কুলৰ সম্পাদক আৰু প্ৰধান শিক্ষক ৺গোবিন্দ শৰ্ম্মা দেৱৰ ওচৰ চপা হ'ল। এয়ে আগবঢ়াৰ প্ৰথম খোপনি। দৰখাস্ত কৰা হৈছিল—"সম্পাদক, জাতীয় মহাসভা, ডিব্ৰুগড়"ৰ নামত। শৰ্ম্মাদেৱৰ লগত পৰিচয় আছিল ভালকৈয়ে। তেতিয়া ৰাতিপুৱা বেলিকা। তেখেতে আগৰ কোঠালিত বহি আবেদন খন পঢ়ি এবাৰ মোৰ ফালে চাই আচৰিত হৈ সুধিলে—কেনেকৈ কি কৰিব খুজিছোঁ, কাৰোবাৰ পৰা কিবা আৰ্থিক সাহায্যৰ সহাঁৰি পোৱা হৈছেনে নাই। ব্যক্তিগত ভাৱেই যে এই চেষ্টা কৰিব খোজা হৈছে বা ভবা হৈছে তাকে মাথো কোৱা হ'ল—তাৰ বাহিৰে একো কোৱা নহ'ল। তেখেতে কি ভাৱে বিশ্বাস কৰিলে বা কি ভাবিলে নাজানোঁ। কিন্তু নিৰুৎসাহ নকৰিলে। তেখেতে কলে যে মেনেজিং কমিটি বহুৱাই অনুমতিৰ প্ৰস্তাৱ পঠাব। লগতে আগবাঢ়িবলৈও উপদেশ দিলে। "হলে ভালেই হ'ব, মোৰ ল'ৰাকো ক'তো পঠাব পৰা নাই, ঘৰতে আছে।" তেখেতে কলে।

সাহস আহিল আগবাঢ়িবলৈ। ইয়াৰ পদক্ষেপ হ'ল—শ্ৰীযুত যোগীৰাজ বসুৰ ওচৰ চপাটো। বিৰাজ আশ্ৰমত থকা শ্ৰদ্ধাবান, বিদ্বান এই ব্যক্তি গৰাকীক লগ ধৰা হ'ল ; পৰিচয় ঘটিল। জনোৱা হ'ল যে কোনোবাই কলেজ খোলাৰ কথা শুনা গৈছে, আৰু তাত তেখেতৰ সহায় বিচৰা হ'ল। পোনতে শাৰীৰিক আৰু আন কিবা অজুহাতত নিজক এৰি দিবলৈ অমান্তি হ'ল। পিছে তেখেতক এৰা নহ'ল। অহা-যোৱা কৰি কৰি তৃতীয় বাৰত তেখেতৰ সন্মতি পোৱা হ'ল। সিদিনা শনিবাৰ। ৺ভূপাল বাবু, দয়াল বাবু প্ৰমুখ্যে কেইগৰাকীমান আশ্ৰমবাসীৰ উপদেশ ক্ৰমেহে শ্ৰীবসু-দেৱে মত দিয়ে। এইদৰে উমা প্ৰশন্ন দে প্ৰমুখ্যে কেবাগৰাকীৰ মত গাইগুটীয়াকৈ লোৱা হ'ল, কিন্তু কামত আগবঢ়াৰ ঢোল পিতা নহ'ল।

এয়ে নহয়, নগৰৰ বিশিষ্ট নাগৰিক ৺বেনুধৰ ৰাজখোৱা, ৺প্ৰসন্ন কুমাৰ বৰুৱা, ৺ফিজনুৰ আলি, ৺ৰোহিনী কুমাৰ বৰুৱা আদি কৰি বহুতৰ মতামত লোৱা হ'ল। কোনোৱে সহানুভূতিৰ সুৰত ভাল হ'ব বুলি কলে আৰু কোনোৱে এনে আৰ্টচ্ কলেজ খোলাৰ পক্ষে মত নিদিলে। তেখেতসকলে সময়ৰ গতিতকৈ আৰু এক দেও আগ-বাঢ়ি গৈ বিজ্ঞান, টেক্‌নিকেল আদিৰ কথা কলে। ৺ৰাজখোৱা দেৱেই পোনেই সৰল-চিতীয়া হাঁহি এটা মাৰি কলে—"মোৰ ছোৱালীজনীকেই প্ৰথমতে দিম যোৱা।"

উৎসাহ—নিৰুৎসাহে অলপো অভিভূত কৰিব নোৱাৰিলে। কামত আগবঢ়া হ'ল। কলেজ খোলাত আৰ্থিক সমস্যাৰ বাহিৰে অইন বাধা নাই বুলিয়েই ধাৰণা হ'ল। বন্ধু শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্তৰ বাহিৰেও শ্ৰীনবীন চন্দ্ৰ বৰদলৈ, শ্ৰী (ডাঃ) সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীৰুদ্ৰ বড়া, ডাঃ তৰুণ দাস আদিৰ সহায়ৰ কথা বিশেষ ভাৱে উল্লেখ নকৰি নোৱাৰিলোঁ। এওঁলোকেই মোৰ সাৰথি আছিল—অতি বিশ্বাসী। এওঁলোক আছিল উদ্যমৰ সোঁহাত স্বৰূপ। কিন্তু বহুত ছাত্ৰ বন্ধুৱে ৰাজহুৱা মত অসাপেক্ষে এনে এটা কাম সফল হ'ব পাৰে বুলি বিশ্বাসেই নকৰিছিল।

ইয়াৰ মাজতে কলেজ খোলাৰ কথা প্ৰথম প্ৰকাশ হ'ল ১৯৪৫ চনৰ ১৯ মে' তাৰিখৰ "Times of Assam" অৰ সম্পাদকীয়ত। সম্পাদকে লিখিছিল "We are informed that Sri Aswini Charan Choudhury, Secretary, Assam Jatiya Mahasabha, Dibrugarh has taken the initiative in the matter of starting an I.A. College at Dibrugarh. We wish Mr. Choudhury all success."

এই প্ৰচাৰেই বহুতৰ বহুকথা, হোৱা নোহোৱাৰ প্ৰশ্ন কাণত পেলালে। পিছে পিছহোহকাৰ কোনো কাৰণ নাছিল। উৎসাহ, উদ্দীপনাই মনত এনে বল আনি দিছিল যে বিপৰীতমুখী ঢৌবোৰে গা কৰিব নোৱাৰিলে। বহু প্ৰশ্ন, বহু সংগ্ৰামৰ সন্মুখীন হোৱা গ'ল। এইবোৰে মনত জেদহে বঢ়ালে।

এদিন প্ৰাক্তন ন্যায়াধীশ শ্ৰীশৰৎ কুমাৰ দত্তক লগ ধৰিলো আৰু টকা পইচা,



Capital আদিৰ বিষয়ে আলোচনা হ'লো। আমি মনৰ উৎসাহতে যিদৰে কলো তেখেতো পতিয়ন গৈ ভাল হ'ব বুলিয়ে উৎসাহ দিলে।

ইতিমধ্যে ৰাজহুৱা সভা-সমিতি নপতাৰ বাবে আৰু জনমত সংগ্ৰহ নকৰাৰ বাবে এচাম লোক ক্ষুণ্ণ হ'ল। তাৰ ফলত ছাত্ৰসকলৰ আহ্বানত এখন ৰাজহুৱা সভা হ'ল। ২৫ মে'ৰ দিনাখন এই সভাখন বহিছিল কলেজ খোলাৰ বাবে কৰা প্ৰচেষ্টাৰ বিষয়ে আলোচনা সমালোচনা কৰিবলৈ। সভাত সভাপতিত্ব কৰিলে ৺বেনুধৰ ৰাজখোৱা দেৱে। সভাত ৺গোবিন্দ শৰ্ম্মাদেৱ, সৰ্ব্বশ্ৰী যোগেন্দ্ৰ নাথ হাজৰিকা, নবীন বৰদলৈ, টঙ্কেশ্বৰ বৰুৱা আৰু স্বয়ং সভাপতিদেৱেও কলেজ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাৰ বাবে প্ৰশংসা আৰু উৎসাহ প্ৰকাশ কৰিলে। যিয়েই কলেজ নোখোলক, কলেজ লাগে-এয়ে কথা। "....Fully sympathises the present move taken by a gentlemen ......and urges upon the mover to hold a public meeting immediately for the purpose"—"Times of Assam" আকৌ প্ৰকাশ পালে যে "Sri Choudhury informs us that much progress has been achieved towords the starting of the College ..Some eminent scholars of the town have assured Mr. Choudhury their willingness to serve the institution."—"Times of Assam" 26th May '45.

এটা কথা উল্লেখ কৰা উচিৎ যে জৰ্জ স্কুলৰ অনুমতি (তাত কলেজ বহুৱাবলৈ) সময়মতে নোপোৱাত অলপ নিৰুৎসাহ হবলগীয়াত পৰিছিল। পিছে ৺গোবিন্দ শৰ্ম্মা-দেৱৰ সুদৃঢ় মত আৰু উৎসাহে তাৰ পৰা ৰক্ষা কৰিলে। আচলতে কমিটিৰ মত পোৱা হ'ল কলেজ আৰম্ভ হোৱাৰ বহু পিচত। ১১।৮।৪৫ তাৰিখেহে।

ইমানদিনে গাইগুটীয়া ভাৱে লগধৰি থকা প্ৰস্তাৱিত অধ্যাপক সকলক লগ লগোৱা হ'ল ২৭ মে'ৰ দিনা। সিদিনাহে উমৈহতীয়া ভাৱে আলোচনা হয়। সিদিনাই বিষয়-বোৰ ঠিৰ কৰা হ'ল, Prospectus-অৰো খচৰা কৰা হ'ল। শ্ৰীযোগীৰাজ বসুক অধ্যক্ষ, শ্ৰীমজিবৰ ৰহমানক উপাধ্যক্ষ, অধ্যাপক হিচাবে শ্ৰীলক্ষ্মী প্ৰসাদ দত্ত, শ্ৰীউমা-পদ দে, শ্ৰীৰসনলাল আগৰৱালা, শ্ৰীদেৱ কুমাৰ দত্ত ৺পৰশুৰাম সনোৱাল, শ্ৰীশক্তিপদ পাত্ৰ আদিক লোৱা হ'ল ব্যক্তিগত ভাৱেই। ৺বেনুধৰ ৰাজখোৱা দেৱক অসমীয়া বিভাগৰ অধ্যাপক হিচাবে লোৱা হ'ল। শ্ৰীনিৰ্ম্মল কুমাৰ বসু, শ্ৰীসুশীল চন্দ্ৰ দত্ত, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীৰাজেন্দ্ৰ লাল নাথ আৰু শ্ৰীদীপালি চৌধুৰীক কৰ্ত্তৃপক্ষৰ পৰা অনুমতিলৈহে কেইদিনমান পিচত পোৱাৰ সুবিধা হ'ল। এই সজ অনুষ্ঠানটোৰ সেৱা কাৰ্য্যত সহায় কৰিবলৈ শ্ৰীসুশীল গাঙ্গুলী, মৌঃ আশ্ৰফুদ্দিন আহমদ (এচ্, ডি, চি), শ্ৰীমুনীন বৰকটকী (ই, এ, চি,), শ্ৰীদেৱী প্ৰসাদ দাস (বেঙ্গলী স্কুলৰ হেডমাষ্টৰ) শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্ম্মা (চাপ্লাই চুপাৰিণ্টেণ্ডেণ্ট্) সকলে আগ্ৰহ দেখুৱাইছিল। সি সকলৰ সলাগ নলৈ নোৱাৰি। জৰ্জ স্কুলৰ শিক্ষক ৺বংশীধৰ দাসক অফিচৰ কাম চলাবৰ বাবে আৰু সেই স্কুলৰে চকিদাৰ শ্ৰীধনীৰাম কলিতাক পিয়ন ৰখা হৈছিল।

মোৰ বিশ্বাসী আলোচনাৰ বন্ধু মুহিবুদ্দিন আহমদৰ (ই, এ, চি) লগত এদিন নিশা আলোচনা হৈ ১৫ জুনৰ দিনটো দুৱাৰ মুকলিৰ বাবে ঠিৰ কৰা হ'ল। এনে সিদ্ধান্তত হিতাকাঙক্ষী বন্ধু দই এজনেও ভয় নোখোৱাকৈ থকা নাছিল। অৱশ্যে ভয় খাবৰে কথা কাৰণ, ৰাজহুৱা মত বিচৰা হোৱা নাই, সভা সমিতিও পতা হোৱা নাই।

নগৰৰ বিশিষ্ট লোকসকলৰ এখন তালিকা কৰি কমিটিৰ সভ্য হিচাবে লোৱা হৈছিল। ৺ৰাজখোৱা দেৱ আৰু শ্ৰীদত্তদেৱৰ ইয়াত মতামত লোৱা হৈছিল। ইয়াকেই ৺ৰাজ-খোৱা দেৱৰ সভাপতিত্বত ৰাজহুৱা সভা বুলি ধৰা হৈছিল। ইয়াত সম্পাদক নিৰ্ব্বাচন কৰা হ'ল, কিন্তু সভাপতি বচা নহ'ল। ৺ৰাজখোৱা দেৱকে সভাপতিৰূপে ধৰি সকলো প্ৰকাৰ যাবতীয় কাৰ্য্য কৰি থকা হ'ল।

১৯৪৫ চনৰ ১৫ জুন, বৃহস্পতিবাৰ। এই দিনটো অকল ডিবুৰুবাসীৰে নহয়, ওপৰ অসমৰ এটা বিৰাট অঞ্চলৰ অবিস্মৰণীয় দিন। এই দিনটোতে সোণালী সপোন বাস্তৱত পৰিণত হ'ল। এই দিনটোৱে বহুজনৰ বহু আকাঙক্ষা পূৰ্ণ কৰিলে।

Type কৰা সৰু টুকুৰা কাগজেৰে নিমন্ত্ৰণৰ শৰাই আগবঢ়োৱা হ'ল বহুজনলৈ। বহুজনৰ পৰাই শুভ কামনাৰ সহাঁৰি পোৱা হ'ল। শিক্ষামন্ত্ৰী ৺চৈয়দুৰ ৰহমান চাহাবে লিখিছিল—"টকা পইচা নোহোৱাকৈ হঠাৎ ডিব্ৰুগড়ত কলেজ খুলিব ওলোৱাত আচৰিত হলেও, কৃতকাৰ্য্যতা কামনা কৰিছোঁ।"

উদ্বোধন কাৰ্য্য সমাধা কৰিবলৈ ডেপুটি কমিচনাৰ শ্ৰীমজিদ চাহাবক অনুৰোধ কৰি তেখেতক পোৱা নগ'ল। সিদিনা ১৪ তাৰিখ। পিচদিনা ৰাতিপুৱাই উদ্বোধনী। কি কৰা হ'ব নিশাটো ভবা হ'ল। খবৰ পোৱা গ'ল যে সিদিনা নিশা সদানন্দ দুৱৰাদেৱ ডিব্ৰুগড় পাইছেহি। গতিকে পুৱাই তেখেতক লগ ধৰা হ'ল। স্বাভাৱিক গাম্ভীৰ্য্যতাৰে তেখেতে কথা কলে। সিদিনাই তেখেতৰ লগত প্ৰথম কথা বতৰা। তেখেতে গোটেই কথাখিনি শুনিলে আৰু কিছুসময় মনে মনে থাকি গহীনভাৱে কলে—"ল'ৰাৰ ধেমালি"—এই বুলি অমান্তি হ'ল। তাৰ পৰা ওলায়েই ৺ফিজনুৰ আলি চাহাবক লগ ধৰা হ'ল। তেখেতে নিমন্ত্ৰণী পাই যাবলৈ ওলাইছিল—গতিকে আগতীয়াকৈ সবিনয়ে অনুৰোধ কৰা হ'ল উদ্বোধন কৰিবলৈ। তেখেতৰ স্বভাৱজাত সৰলতাৰে নিজক সৰুৱাবলৈ চেষ্টা কৰিলেও শেষত—"মৌনং সন্মতি লক্ষণম্" ভাব দেখা গ'ল।

দুৱাৰ মুকলি কাৰ্য্য আশা কৰিবলগীয়া ভাৱে আড়ম্বৰপূৰ্ণ নাছিল। অতি সাধাৰণ আছিল। আনকি আৰম্ভণী গীতৰ যোগাৰো কৰিব পৰা হোৱা নাছিল। এজন ছাত্ৰ (শৰ্ম্মা)ক অনুৰোধ কৰি এটি গীত গোওৱা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলকে লৈ বহুলোকৰ সমাগম হৈছিল। সোঁহাত স্বৰূপ ডেকা বন্ধুসকল এফালে যেনেদৰে সহায় কৰাত ব্যস্ত, আন ফালে কোনো কোনোৱে হাঁহিয়াতৰ পাত্ৰ হোৱাৰ শঙ্কাৰে শঙ্কাকুল। এই কাৰ্য্যত সহায় কৰিলে শ্ৰীৰুদ্ৰ বৰাই পৰ্দ্দাৰ কাপোৰ আৰু ট্ৰাঙ্ক এটাৰে, শৰ্ম্মা চিল্ক ষ্টোৰে মুগাৰ কাপোৰ দুগজেৰে (কভাৰৰ বাবে), শ্ৰীভড়ালীয়ে চাইনবোৰ্ড আৰু শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্তই দোৱাত কলমেৰে।

সভাত মাঙ্গলিক স্তোত্ৰ পাঠ কৰিলে শ্ৰীগিৰীশ শাস্ত্ৰীদেৱে। শ্ৰীবৰদলৈ আৰু শ্ৰীদত্তই ইংৰাজীত আৰু অসমীয়াত ৰচনা পাঠ কৰিলে। শ্ৰীশৰৎ কুমাৰ দত্ত, ৺জীৱন ফুকন, ৺মফিজুদ্দিন আহমদ হাজৰিকা, মৌঃ ৰায়হান শাহ, আদি বহু বিশিষ্টলোকে তাত ভাগ ললে আৰু ধন সংগ্ৰহ নকৰাকৈ—"ওলোটা ভাবে" কলেজ খোলাত সকলোৱে আনন্দ প্ৰকাশ কৰিলে। ৺ফিজনুৰ আলি দেৱে দুৱাৰৰ পৰ্দা খোলাৰ লগে লগে কেছ বাকচত সম্পাদক আৰু অধ্যক্ষৰ পৰা এটাকৈ দুটা আধুলি থোৱা হ'ল। ডিব্ৰুগড় কলেজ-বুৰঞ্জীত এয়েই ধনৰ ভড়াল। লগে লগে প্ৰথমে ভৰ্ত্তি হোৱা ছাত্ৰী শ্ৰীসৰলা চৌধুৰীয়ে ফৰ্ম আৰু টকা জমা দিয়ে। সিদিনাই আৰু দুজন ছাত্ৰই ভৰ্ত্তি হয়। সিদিনাৰ পৰাই ছাত্ৰ ভৰ্ত্তি আৰম্ভ হয়। অফিচৰ কেৰাণী, পুলিচ অফিচাৰ আদি কৰি সকলোৱে সেই সুযোগ গ্ৰহণ কৰিলে। এই দিনটো অন্য এটা দিশৰ পৰাও তাৎপৰ্য্যপূৰ্ণ আছিল। কাৰণ ৰাতিপুৱা ৮ বজাৰ এই শুভ-ক্ষণতে বিনাস্বৰ্ত্তে ইংৰাজ শাসকে জৱহৰলাল নেহৰুকে আদি কৰি বিশিষ্ট নেতাসকলক কাৰাবাসৰ পৰা মুক্তি দিছিল।

কলেজ আৰম্ভণিৰ পিচতো ৺ৰাজখোৱাদেৱক সভাপতিৰূপে লৈ যাৱতীয় কামবোৰ চলাই থকা হৈছিল। ইতিমধ্যে কমিটিৰ সভ্য হিচাবে লোৱা লোকসকলৰ সন্মতিৰ বাবে জাননী পঠোৱা হ'ল। ইয়াৰ পিচত ২০ জুন তাৰিখে ৺ৰাজখোৱা দেৱৰ সভাপতিত্বত এখন সভা পতা হয় আৰু এই সভাত ৰাজখোৱাদেৱে শাৰীৰিক অসুস্থতা হেতু সভাপতি হৈ থাকিবলৈ অমান্তি হোৱাত, আই মজিদ চাহাবে সভাপতি হবলৈ অসন্মতি প্ৰকাশ কৰাত; ৺সদানন্দ দুৱৰাদেৱক সভাপতি পতা হয়। সিদিনা সভাত দুৱৰাদেৱ উপস্থিত নাছিল। কমিটিত ২৫ জন সভ্য লোৱা হয়। নন্দেশ্বৰ চক্ৰবৰ্ত্তীক ধন ভড়ালী পতা হয়। ইতিমধ্যে দান বৰঙনিৰ প্ৰশ্ন আহি পৰিল। এই সংক্ৰান্তত ৺হনুমান বক্স কানৈ দেৱে পুথিভঁৰালৰ বাবে ১০,০০০ টকা দান কৰে আৰু পথিভঁৰালৰ নাম তেওঁৰ নামে নামকৰণ কৰা হয়।



কলেজ নিয়মিতভাৱে বহিল ১৫ জুলাইৰপৰাহে। মাজে মাজে অধ্যাপকমণ্ডলীৰ ছুটী আদি সংক্ৰান্তত শিক্ষাবিদসকলৰ সন্ধান কৰিবলগীয়াত পৰিছিল। অৱশ্যে এনে সময়ত সহায়ো পোৱা গৈছিল যথেষ্ট।

মাজে সময়ে বহু অৱসাদে, বহু হতাশাই মন-শৰীৰ দুয়োটাকে যে দুৰ্ব্বল কৰা নাছিল এনে নহয়। কিন্তু এনে সময়ত নেৰানেপেৰাকৈ লাগি আছিল, সততে য'তে ত'তে লগ ধৰি আমনি কৰি আছিল শ্ৰীলক্ষ্মী প্ৰসাদ দত্ত আৰু শ্ৰীবসুদেৱে। তদুপৰি নিৰাশাৰ এনে মহূৰ্ত্তবোৰত বিপদৰ কাঁইটবোৰেও খুচি জগাই দিছিল। মনত নতুন প্ৰেৰণা জাগি উঠিছিল। এইবোৰ ৰাহ্যিক শক্তিৰ আৱশ্যক। এইবোৰ নাথাকিলে তেজ মঙহেৰে সজা মানুহৰ শৰীৰ ভাঙি পৰাটো সম্ভৱ।

সেই বছৰতে ১০০ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হয়। এইসকলৰ ভিতৰৰে বহু গৰাকীয়ে এতিয়া বিশিষ্ট নেতা হিচাবে, জননেতা হিচাবে আসন লাভ কৰি এই আড়ম্বৰবিহীন ডিব্ৰুগড় কলেজৰ গৌৰৱ অটুট ৰাখিছে। যদিও দুবছৰৰ ঠাইত তিনি বছৰো হয়তো লাগিব পাৰে বুলি জনোৱা হৈছিল তথাপি সকলোৱে কলেজ বৰ্দ্ধনত বৰঙনি যোগাইছিল ছাত্ৰ হিচাবে।

সেই বছৰৰে নৱেম্বৰ মাহত শ্ৰীযুত বসুক লগতলৈ affiliation অৰ কাৰণে কলিকতালৈ যোৱা হয়। আবেদন পত্ৰ শিক্ষামন্ত্ৰী ৺ৰহমান চাহাবৰপৰা অনুমোদন কৰাই নিয়া হয়। কলিকতাত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু পৰিদৰ্শকক লগ ধৰি affiliation বিচৰা হয়। ২০ জানুৱাৰী ১৯৪৬ চন তাৰিখে পৰিদৰ্শক আহে পৰিদৰ্শন কৰিবলৈ। এই সময়তে ৺ৰায়বাহাদুৰ দুৱৰা আৰু ৺ডাঃ ফনীন্দ্ৰনাথ ঘোষৰ নেতৃত্বত সংগ্ৰহ কাৰ্য্য চলাই এক লাখ টকাৰ পুঁজি সংগ্ৰহ কৰা হয়। ডিব্ৰুগড় মিউনিচিপেলিটিৰপৰাও ১৬ বিঘা মাটি দান হিচাবে পোৱা হয়। ৺আলহাজ জালালুদ্দিন আহমদৰ সভাপতিত্বত বহা মিউনিচিপেল বোৰ্ডৰ '৪৫ চনৰ ২২ অক্টোবৰৰ প্ৰস্তাৱমতে এই মাটিৰ স্বত্ত্ব চমজি লোৱা হয় ১২।১১।৪৫ তাৰিখে।
"Considered the letter Dt. 11–8-45 of the Secy., Dibrugarh College and resolved ꞁhat $\frac{2}{3}$ of the plot of land be given to College authority."

কিন্তু পিচত ১১।৮।৪৫ তাৰিখৰ চিঠিমতে ৺শৰ্ম্মাদেৱে জৰ্জ্জ স্কুলক দিয়া ৮ বিঘা মাটিও কলেজক দিয়ে। বৰ্ত্তমান কলেজ এই মিউনিচিপেলিটিয়ে দানকৰা মাটিতে স্থাপিত হৈ আছে।

১৯৪৭ চনত সভাপতি আৰু কেইগৰাকীমান সদস্যই কোনো বিশিষ্ট দাতাৰ নামত দানৰ বিনিময়ত কলেজৰ নতুন নামকৰণ সম্পৰ্কে কৰা প্ৰস্তাৱ আলোচনা কৰে। কিন্তু সদস্যসকলৰ মত বিভক্ত হয়। এচামে এই প্ৰস্তাৱ গ্ৰহণত সন্মত নহ'ল। কাৰণ কম বেচি পৰিমাণে হলেও বহুতৰ কায়িক, মানসিক, আৰ্থিক নিস্বাৰ্থ বৰঙনি তাত আছিল। আনফালে চৰকাৰৰপৰাও যথেষ্ট পৰিমাণৰ সাহায্য পোৱা হৈছিল। অৱশ্যে সম্পূৰ্ণ নামৰ পৰিৱৰ্ত্তে কোনো ব্যক্তিৰ নামত 'হল' বা 'ৰুম' দিয়াত সকলো একমত আছিল।

ইতিমধ্যে চৰকাৰে বালিকা বিদ্যালয় নতুন ঠাইলৈ নিয়াত সম্পাদকৰ চেষ্টাক্ৰমে সেই ঘৰবোৰ পোৱা হয় আৰু ১৯৪৬ চনৰ আগষ্টত কলেজ জৰ্জ্জ স্কুলৰপৰা তালৈ স্থানান্তৰিত কৰা হয়। এই কেইটা ঘৰ পোৱাত শিক্ষামন্ত্ৰী ৺ৰহমান চাহাব আৰু উপায়ুক্ত মজিদ চাহাবে সহায় কৰিছিল।

পাঁচ বছৰৰ পিচত বিজ্ঞান শাখা খোলাৰ বাবে প্ৰচেষ্টা চলে আৰু ১ লাখ টকাৰ দান প্ৰতিজ্ঞাৰ বিনিময়ত সভাপতি দুৱৰাদেৱৰ প্ৰস্তাৱ আৰু অনুমোদনক্ৰমে বিশিষ্ট দানবীৰ ৺কানৈৰ নাম অনুসৰি এই কলেজৰ নাম "হনুমান বক্স সুৰজমল কানৈ" দিয়া হয়। বহু চেষ্টাৰ ফলত অৱশ্যে "ডি ডিব্ৰুগড়" এই শব্দ দুটা নামৰ আগত লগাই দিয়া হয়। নাম সলনি কৰা প্ৰস্তাৱৰ বিপক্ষে আপত্তি আৰু প্ৰতিক্ৰিয়াও দেখা নিদিয়া নহয়। কাৰণ ৰাজহুৱা ভাৱে এই কথা প্ৰচাৰ হলে হয়তো বহু দাতাই মিলিও এনে দান দিব পাৰিলেহেঁতেন। শ্ৰীপদ্মকুমাৰী গোহাঁই আইদেউৰ সভানেতৃত্বত এখন

ৰাজহুৱা সভা বহে আমোলাপট্টি হলত আৰু হঠাৎ নাম সলনিৰ প্ৰতিবাদ জনোৱা হয়। ৺লক্ষেশ্বৰ বৰুৱা, ৺বিজয় শইকীয়া, ৺ৰাজখোৱা, ৺আহমদ হাজৰিকা আদি বহুতো বিশিষ্ট লোকে ইয়াত অংশ গ্ৰহণ কৰে। কিন্তু অৱশেষত উঠিব ধৰা অনুষ্ঠানটোৰ মঙ্গল চিন্তা সকলোৰে কাম্য হৈ পৰে। অৱশ্যে ৰাইজৰ আপত্তি নামকৰণতহে, কোনো ব্যক্তিৰ বা অনুষ্ঠানটোৰ অন্যায় চিন্তা নহয়।

যি নামেৰেই নহওক শিক্ষানুষ্ঠানটিয়ে উঠি অহা সমাজৰ বহু আশা আকাঙ্ক্ষা পূৰণ কৰি আহিছে। সময়ত ইয়াৰ শাখা-প্ৰশাখা বাঢ়ি বহুতো শিক্ষানুষ্ঠান গঢ় লৈ উঠিল, আনকি ডিব্ৰুগড়ত বিশ্ববিদ্যালয়ৰ স্থাপনৰ ইয়েই মূল ভেটি হ'ল। এনে গৌৰৱ-পূৰ্ণ উন্নতিয়ে সকলোৰে, বিশেষকৈ উদ্যোক্তাসকলক নিশ্চয় গৌৰৱ কৰাৰ সফলতা আনি দিছে।

ৰাইজ আৰু দানী পুৰুষসকলৰ প্ৰতি আন্তৰিক সলাগ নলৈ নোৱাৰি। যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম অৰিহণা যোগালে, যি সকল শিক্ষাবিদে নিস্বাৰ্থভাৱে ত্যাগ আৰু সেৱা আগবঢ়ালে, সেইসকলক আজিৰ সমাজে পাহৰি যাব জানো পাৰিব? সেই দিনৰ, সেই সামান্য আয়োজনৰ ঋণ বা ক্ষতিপূৰণ আজি পূৰাব পাৰিব লাগিব। এই অনুষ্ঠান-টোৱে এই ত্যাগৰ আদৰ্শ সকলোকে বিলাই দিব লাগিব, ছাত্ৰ-ছাত্ৰীসকলেও জীৱনক এই ভাৱে গঢ় দিবলৈ দৃঢ় হব লাগিব, তেহে বিদ্যামন্দিৰৰ পোহৰৰ সৎব্যৱহাৰ তেওঁ-লোকে কৰিব পাৰিব।

"A fruit of labour is sweeter than gifts of fortune."

জ্ঞান-বিজ্ঞানৰ বন্তি গচি লৈ সেই 'ডিব্ৰুগড় কলেজ' বহু নামলৈ খোঁজে খোঁজে আগুৱাই গৈছে—সেইদিনৰ "Earnestness, selfishness and heart and soul labour" লৈ।

বাধা-বিঘিনি, বিদ্ৰুপ অমঙ্গলসূচক নহয়। মনোবল নাথাকিলে এইবোৰে সকলো নষ্ট কৰে, কিন্তু মনোবল, ধৈৰ্য্যৰ আগত এইবোৰ আশীৰ্ব্বাদ স্বৰূপ। বিপদ আহিবই, ই অৱশ্যম্ভাৱী, নহলে কাৰ্য্য সিদ্ধিৰ অনুপ্ৰেৰণা নাজাগে।

এদিনৰ অনিশ্চিত সপোন, আজিৰ উঠি অহা ৰঙীন সূৰুয; কোনো অদৃশ্য শক্তিয়ে ইয়াত পৰশ দিছে।

---

"মই ব্যক্তি স্বাধীনতাত বিশ্বাস কৰোঁ, কিন্তু পাহৰিব নেলাগিব যে মানুহ মূলতে এক সামাজিক প্ৰাণী। নিজৰ ব্যক্তিবাদী মনোভাবক প্ৰয়োজনীয়তা আৰু সামাজিক প্ৰগতিৰ লগত ৰজিতা খুৱাবলৈ শিকাৰ বাবেই মানুহে বৰ্ত্তমানৰ মৰ্য্যাদা পাইছে। অবাধ ব্যক্তিবাদী মনোভাব বনৰ পশুৰ আচৰণৰ নিচিনা। ব্যক্তিবাদী মনোভাব আৰু সামাজিক সংযমৰ মাজত আমি গঢ়মিল ৰাখিবলৈ শিকিছোঁ। গোটেই সমাজৰ সুস্থতাৰ কাৰণে সামাজিক সংযমৰ প্ৰতি দেখুওৱা ইচ্ছাকৃত আনুগত্যই ব্যক্তি আৰু সমাজ উভয়ৰে সমৃদ্ধি বঢ়ায়।"

—মহাত্মাগান্ধী

---

# ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ

৩০-৪-৪৮

—জ্যোতি প্ৰসাদ আগৰৱালা

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সুধী সমাজ—

আজিৰ সন্মিলনলৈ দিয়া নিমন্ত্ৰণৰ বাবে আপোনাসকলৰ শলাগ লৈছোঁ। মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদ সুকুমাৰ কলাৰ বিষয়ে বহলকৈ আপোনালোকক নকলেও হ'ব। আমাৰ জীৱনত সংস্কৃতিৰ কি মূল্য, সুকুমাৰ কলাৰ কি স্থান—আদিযুগৰে পৰা সুকুমাৰ কলাই মানুহৰ সাংস্কৃতিক প্ৰগতিত কি সহায় কৰিছে আৰু মানুহৰ দিনটিয়া জীৱন সুন্দৰ কৰিবলৈ, মধুৰ কৰিবলৈ—সুকুমাৰ কলাৰ কি দান—তাক আপোনাসকলে জানেই। তথাপিও সংস্কৃতি আৰু সুকুমাৰ কলাৰ বিষয়ে মোৰ মনত খেলোৱা দুই এটা কথা বোধকৰো কলে আপোনাসকলে আমনি নাপায়।

সাধাৰণতে আজি-কালি সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজে। কিন্তু অকল সুকুমাৰ কলাই মানুহৰ সংস্কৃতি নহয় আৰু অকল সুকুমাৰ কলা-সাহিত্য ইত্যাদিয়েই সংস্কৃতি নহয়। এইবোৰ মানৱ সংস্কৃতিৰ এভাগহে মাথোন। মানৱ সংস্কৃতিৰ আনটো ভাগ হৈছে মানুহৰ স্বভাৱত সৌন্দৰ্য্যৰ প্ৰয়োগ। আৰু এই স্বভাৱৰ সৌন্দৰ্য্য প্ৰকাশ পায় মানুহৰ মানুহৰ প্ৰতি ব্যৱহাৰত, মানুহৰ মানুহৰ সৈতে সমন্ধত, মানুহৰ প্ৰাণী জগতৰ প্ৰতি হোৱা দৃষ্টিত। এটা ব্যক্তিৰ বা এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে, তেন্তে সি পূৰ্ণসংস্কৃতি নহয়। পূৰ্ণসংস্কৃতি নহলেই মানুহৰ জীৱনত তাৰ সাম্য নাথাকে। এই cultural balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েই হওক, মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয় আৰু প্ৰায়েই অধঃপাতলৈ যায়। পৃথিৱীৰ বুৰঞ্জীত এই balance cultural অৰ দৃষ্টান্ত আজিলৈকে বৰ কমেইহে পোৱা গৈছে। আমাৰ ভাৰতত এনে এটা cultural balance অৰ অৱস্থা যদিও এবাৰ পাইছিল—তথাপিও কেৱল মানুহৰ স্বভাৱকেই সুন্দৰ কৰি আৰু তাতেই জীৱনৰ সকলো মূল্য দি—বাস্তৱ সংস্কৃতি সভ্যতাক মায়া বুলি কবলৈ যাওঁতে, —আমাৰ অধঃপতন হল। আজি আকৌ পাশ্চাত্য দেশৰ সংস্কৃতিৰ এভাগ—মানুহৰ স্বভাৱৰ সৌন্দৰ্য্য প্ৰচেষ্টাক উপেক্ষা কৰি তাৰ আচল মূল্য নিদি কেৱল বস্তু সংস্কৃতিকেই সাৰ কৰিবলৈ যোৱাৰ ফলত—মানুহৰ জীৱনৰ পৰা আনন্দ নোহোৱা হৈ ধ্বংস আৰু সৰ্ব্বনাশ আহি মানৱ জাতিৰ দুৱাৰ দলিত থিয় হৈ বিকট হাঁহি মাৰিব লাগিছে। এই সংস্কৃতিৰ দুয়োভাগৰ মূল্য যেতিয়া মানৱ জাতিয়ে ভালকৈ উপলব্ধি কৰি মানুহক সেই পূৰ্ণ সংস্কৃতি—balance cultural-অলৈ নিব পাৰিব, তেতিয়াহে মানুহৰ পৃথিৱীলৈ

শান্তি আহিব। আৰু মানুহ মহামহত্বৰ বাটেদি গৈ পৃথিৱীত আনন্দৰ স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰিব। সেই কাৰণেই কব খোজোঁ, বস্তুৰ মাজেদি প্ৰকাশিত হোৱা মানুহৰ সংস্কৃতিও সমানে সমানে মানুহৰ স্বভাৱৰ মাজেদি প্ৰকাশ হোৱা মানুহৰ সংস্কৃতিও যদি প্ৰকাশ নহয়, তেন্তে মানুহৰ সংস্কৃতি সম্পূৰ্ণ নহয়। সুকুমাৰ কলাৰ যদি এখন দেশৰ অতি উচ্চ বিকাশ হয়, কিন্তু তাৰ মানুহৰ স্বভাৱ বনৰীয়া জন্তুৰ দৰেই হৈ থাকে, নিজৰ ভিতৰত খোৱা-কামোৰা, হিংসা-হিংসি; তেন্তে সেই সুকুমাৰ কলাৰ, সেই বস্তু-সংস্কৃতিৰ কি অৰ্থ হ'ল? তাৰ মানুহৰ জীৱনত আনন্দ দিয়াৰ ফালৰ পৰা একো সাৰ্থকতাতো নহল। সেইদৰেই যদি যোগ সাধনা কৰি জিতেন্দ্ৰিয় হৈ মনটো পৰম শান্তিত ৰাখি বাস্তৱ জগতক এই সুন্দৰৰ প্ৰকাশক মায়া বুলি উৰাই দি হিমালয়ৰ গুহাত সোমাই থাকিল, তেন্তে এই বিশ্ব সংসাৰৰ মহা প্ৰকাশত যোগ দি জীৱন ৰচনাৰ আনন্দৰ পৰা আঁতৰি থকাত তেজ-মঙহৰ মানুহ হৈ পৃথিৱীলৈ অহাৰ অৰ্থ কি?

মানুহৰ ভিতৰ আৰু বাহিৰ মিলাইহে পূৰ্ণ সংস্কৃতি হ'ব। আজি আমাৰ সংস্কৃতিক আদৰ্শ হ'ব লাগিব এইটোৱেই। আজি নতুন ভাৰতে হেজাৰ বছৰৰ পিচত আকৌ নকৈ জন্ম পাই এক পূৰ্ণসংস্কৃতি ৰচনা কৰিব পাৰিলেই আমি নিখিল পৃথিৱীকে বাট দেখুৱাই নিব পাৰিম।

আজিৰ ভাৰতৰ তৰুণ-তৰুণী, আপোনালোকে আজি ভাৰতত এক নতুন সভ্যতা-সংস্কৃতি গঢ়িবলৈ থিয় হৈছে। তাৰ সূত্ৰ বিচাৰিছে, তাৰ সপোন দেখিছে—সেই সংস্কৃতিৰ ৰূপ উপলব্ধি কৰিবলৈ সাধনা কৰিছে। সেইহে মই মোৰ চিন্তাৰ দাৰিদ্ৰ্যৰেও মোক আপোনালোকে মাতি আনিছে দেখি মোৰ মনৰ কথাষাৰি আপোনালোকক কবলৈ আগবাঢ়িছোঁ।

মানুহৰ স্বভাৱৰ সৌন্দৰ্য্য সাধনাত যেনেকৈ সুকুমাৰ কলাক নিয়োজিত কৰিব পাৰি—সেইদৰেই স্বভাৱৰ সৌন্দৰ্য্যই সুকুমাৰ কলাকো মহত্ব দিয়ে। এইদৰে এই দুই ভাগে পাৰস্পৰিক সহায়েৰে দুয়োৰো উৎকৰ্ষ বিধান কৰি মানুহক প্ৰগতিৰ বাটেদি আগবঢ়াই নি মানুহৰ ভিতৰত অনন্ত সৌন্দৰ্য্য প্ৰয়াসীটোক প্ৰকাশৰ পৰা প্ৰকাশলৈ নি থাকে। এক প্ৰকাশৰ ভৱিষ্যতৰ প্ৰকাশ সুকুমাৰ কলাৰ মাজেদি বিৰিঙি আহিব লাগিব। তাৰ-মানে আচল সুকুমাৰ কলা art হ'ব লাগিব futuristic ভৱিষ্যতিক। আৰু যি আৰ্টত এই ভৱিষ্যতে থানিকা লয়হি—অৰ্থাৎ মানৱ জাতিৰ যি মহান বাস্তৱৰ স্থষ্টি কৰিবলৈ আদৰ্শ ধৰিছে, সেই তালৈ বাট দেখুৱা, দিক্ নিৰ্ণয় কৰা পোহৰৰ চাকি হব, সিয়েহে আচল সুকুমাৰ কলা। আজিৰ জীৱনকো সি কৰি যাব লাগিব সুন্দৰ, মধুৰ আৰু আনন্দেৰে পূৰ। সেই কাৰণেই সুকুমাৰ কলাৰ উপায় means ও আৰু end ও। সুকুমাৰ কলা প্ৰগতিৰ শ্ৰেষ্ঠ আহিলা, কাৰণ মানুহৰ মনক ইয়েই প্ৰভাৱ কৰিব পাৰে সকলোতকৈ বেচিকৈয়ে। নতুন ভাৰতৰ নতুন সমাজ গঢ়িবলৈ সেই কাৰণেই সুকুমাৰ কলাৰ ফালে আমি বিশেষভাৱে মন দিব লাগিব।

মানুহৰ স্বভাৱক সুন্দৰ কৰা সংস্কৃতিৰ যি প্ৰয়াস—সেইটো অহিংসাৰ প্ৰয়াস। আৰু অহিংসা মানুহে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিলেই—মানুহৰ সমাজৰ সকলো বৈষম্য নাই—কিবাকৈ মানুহৰ পাৰস্পৰিক ব্যৱহাৰলৈ সৌন্দৰ্য্য নামিব। কেৱল nonkilling অক মই অহিংসা বোলা নাই। শোষণ, পীড়ন, দলন,—স্বাৰ্থবাদ, প্ৰভুত্ব, ক্ষমতা-লিপ্সা এইবোৰ সকলোৱেই হিংসা। সেই কাৰণেই মানুহৰ স্বভাৱৰ এই সকলোতে অহিংসা স্থিতি হলেই মানুহৰ স্বভাৱ সংস্কৃতিৰ তলতীয়া হ'ব। মহাত্মাৰ এই সংস্কৃতিৰ বাণী অৱশ্যে বাস্তৱিক ক্ষেত্ৰত যিমান দূৰ প্ৰয়োগ কৰিব পাৰি তাক কৰিবলৈ আমি আগবাঢ়িছোঁ। আৰু সময়ৰ লগে লগে ইয়াক বৈজ্ঞানিক ভাৱে হিংসাৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাৰ তত্ব-তথ্য আৱিষ্কাৰ হোৱাৰ সৈতে এই বিষয়ে আমি আগবঢ়াৰ সমন্ধ যথেষ্ট।

সংস্কৃতিৰ ইভাগত সুকুমাৰ কলা বিষয়ে আজি আমি কি কৰিম তাকেই অলপ আলোচনা কৰোঁ। সুকুমাৰ কলা বুলিলে আমি প্ৰথমতে প্ৰধানতে কবিতা, সঙ্গীত-আলেখ্য, স্থাপত্য আৰু ভাস্কৰ্য্যকে ধৰোহঁক। আজিকালিৰ প্ৰগতিশীল কবিতা কোন



বাটেদি গৈছে তাক আপোনালোকে জানেই; তাৰো মূৰ্ত্ত হৈ অহা ৰূপৰ সৈতে আপোনালোকৰ চিনাকি আছেই। নৱভাৰতীয় আলেখ্যইও এটা প্ৰকাশ বিচাৰি ওলোৱাৰ ইঙ্গিত আপোনালোকে পাইছেই। আমাৰ আজি ভাৰতীয় সঙ্গীতে আনৰ ৰাগ-ৰাগিনীৰ ৰূপৰ পৰা ওলাই পৃথিৱীৰ নানা জলবায়ুৰ পৰা অহা ন ন সুৰ আৰু ঠাঁচৰ সৈতে চিনাকী হৈ, আমাৰ ৰাজ আলিয়ে আলিয়ে সাৰটা-সাৰটি কৰাও আপোনা-লোকে দেখিছে। বিশেষকৈ আমাৰ আধুনিক সঙ্গীতত সঙ্গীত-বিজ্ঞানৰ ফালৰ পৰা আৰু এটা ডাঙৰ কথা হ'ব ধৰিছে সেইটো হৈছে ভাৰতীয় সঙ্গীতত হাৰমনিৰ আবিৰ্ভাৱ। ই আমাৰ সঙ্গীতৰ ওপৰত প্ৰভাৱ প্ৰচণ্ডভাৱে কৰিলে কথাচিত্ৰ অহাৰ পৰা, কৰ্ম্ম কোলাহল-মুখৰ বাস্তৱক সঙ্গীতৰ মাজেৰে প্ৰকাশ দিবলৈ আমাৰ melodic সঙ্গীতে ভালকৈ নোৱাৰে। সেই কাৰণে কথা-চিত্ৰৰ অন্তৰাল সঙ্গীত—যি চিত্ৰত প্ৰতিফলিত হোৱা বাস্তৱ জীৱনকো তাৰ বাস্তৱতাৰে ফুটাই তুলিব লগা হল। তেতিয়া কেৱল melodyৰে তাক নোৱাৰাৰ বাবেই harmony ৰ শৰণ লব লগীয়া হয়। আমাৰ জনসাধাৰণো কথা-চিত্ৰৰ যোগেদি harmonysed সঙ্গীতত অভ্যস্ত হৈ পৰাত কেৱল melodic সঙ্গীত আমাৰ পুৰণি সঙ্গীতৰেই অদূৰ ভৱিষ্যতত বস্তু হৈ থাকিবগৈ বুলি ধাৰণা হৈছে। এই এটা বৰ ডাঙৰ পৰিবৰ্ত্তন আমাৰ সঙ্গীতত হৈছে। তাৰ উপৰিও আমাৰ সঙ্গীতত vertical rythm নাছিল বুলিলেও হয়। বৰ্ত্তমান সেই vertical rytham আমাৰ সঙ্গীতত বিশেষকৈ সামৰিক বা বিপ্লৱী গীতবোৰত ব্যৱহাৰ কৰিছো। এই ঘাই কথা কেইটাৰ বাহিৰেও আৰু সৰু সৰু নানা সাঙ্গীতিক পৰিবৰ্ত্তনো আমাৰ সঙ্গীতলৈ আহি আমাৰ আগৰ ৰাগ-ৰাগিনীমূলক সঙ্গীতৰ সৈতে আধুনিক সঙ্গীতক বহু বেলেগাই পেলাইছে। আমাৰ জীৱনৰ ৰূপ, সমাজৰ ৰূপ সলনি হেৱাৰ সৈতে সঙ্গীতৰো ৰূপ সলনি হ'বই—আৰু নোহোৱাটোহে আচৰিত কথা। এই ভাৰতীয় আধুনিক সঙ্গীতৰ এটা লক্ষ্য কৰিবলগীয়া কথা হৈছে যে ই নিখিল ভাৰততে একে ৰূপেৰেই প্ৰকাশিত হৈছে। আগেয়ে যেনেকৈ মূলতঃ একে হোৱা সত্বেও ভাৰতীয় সঙ্গীতৰ প্ৰাদেশিক প্ৰকাশ যথেষ্ট বিভিন্ন আছিল—এতিয়া সেইটো হোৱা নাই। আধুনিক এটা বঙালী অসমীয়া বা মাৰাঠী গানৰ পাৰ্থক্য আগৰ হিচাবত নাই বুলিলেও হয়। সেই কাৰণে সঙ্গীতৰ ক্ষেত্ৰত আজি আমি সকলো ভাৰতীয়ই—একেবাৰে একে হৈ আহিছোঁ। যদিও আমাৰ প্ৰত্যেক প্ৰদেশৰ পুৰণি সাঙ্গীতিক বৈচিত্ৰতা আমি ৰাখিবলৈ চাব লাগে—তথাপিও এই নতুন আপোনা-আপুনি অহা ঐক্যকো সামৰি লব লাগিব আমি।—কাৰণ ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিক ঐক্য ৰক্ষাত এই সাংস্কৃতিক ঐক্যই আমাক সহায় কৰিব। পৃথিৱীৰ আমি এটা জাতি হৈ নানা যুজ-বাগৰ স্বাৰ্থৰ প্ৰচণ্ড সংঘৰ্ষৰ মাজত তিষ্ঠি থাকি-বলৈ—সৰ্ব্বভাৰতীয় ৰাজনৈতিক ঐক্য আমাৰ নহলে আমাৰ যে কাৰো পৰিত্ৰাণ নাই সেই কথাটো সদায় মনত ৰাখিয়েই সাংস্কৃতিক ঐক্যৰ বাটলৈ প্ৰদেশবোৰে নিজৰ বিশিষ্টতা একেবাৰে নেৰাকৈ যিমান দূৰ আহিব পাৰে তাৰ প্ৰয়াসো অৱশ্যে কৰিবই লাগিব। ভাস্কৰ্য্যৰ ক্ষেত্ৰতেই আমি ভাৰতত একো নৱ প্ৰকাশৰ ৰেঙনি দেখা নাই। আমাৰ পুৰণি হিন্দু আৰু বৌদ্ধ ভাস্কৰ্য্যৰ সৈতে আপোনালোকৰ চিনাকি আছেই। আজি কেৱল আমাৰ এই ভাস্কৰ্য্যৰ ক্ষেত্ৰতো আমাৰ মনটোৱে একো কৰিব নোৱাৰি ৰৈ থকা যেন লাগে। আজিৰ ভাৰতীয় ভাস্কৰ্য্যৰ যি দুই এটা নিদৰ্শন আৰু আমাৰ পুৰণি ভাৰ-তীয় ভাস্কৰ্য্যৰ ছন্দৰ পৰা কোনো বৈপ্লৱিক ভঙ্গীৰে আঁতৰি আহিব পৰা নাই। সেই কাৰণে সেই বিষয়ে আজি আৰু আলোচনা নকৰি স্থাপত্যৰ বিষয়ে কিছু কবলৈ চেষ্টা কৰিম।

একৰকমে চাবলৈ গলে, ভাৰতত থলুৱা স্থাপত্যৰ বৌদ্ধ যুগৰ পাচৰ পৰা তেনে অভিনৱ ৰূপ নাই। মোগল স্থাপত্য আৰবীয় স্থাপত্যৰ নিদৰ্শনৰ। যদিও মোগল যুগৰ আৰু তাৰ পাচত হিন্দু, বৌদ্ধ, গ্ৰীচীয় মোগল স্থাপত্যৰ সংমিশ্ৰণেৰে স্থাপত্য গঢ়া হৈছে তথাপিও সেইবোৰৰ মাজেদি ভাৰতীয় স্থাপত্যৰ তেনেকুৱা পৃথিৱীক প্ৰভাৱ কৰিব পৰা নতুন ৰূপ ওলাই অহা নাছিল। বৃটিচৰ দিনতো আমাৰ স্থাপত্যৰ অৱস্থা সেয়েই। এলিজাবেথিয় যুগৰ বিলাতী স্থাপত্যই আমাৰ নাগৰিক ঘৰ-বাৰীৰ ওপৰত

প্ৰভাৱ কৰিলে। গ্ৰীচীয়, ৰোমীয় গথিক স্থাপত্যই আমাৰ ৰাজহুৱা ঘৰবাৰীত প্ৰতিফলিত হ'ল। পুৰণি ভাৰতীয় স্থাপত্য আৰু ইউৰোপীয় স্থাপত্যৰ মিহলি নিদৰ্শনৰ যদিও আমাৰ দেশত ইংৰাজ জাৰ্ম্মান স্থাপত্য শিল্পীৰ পৰিকল্পনা মতে ঘৰ-বাৰী বহুত হ'ল, কিন্তু ভাৰতীয় স্থাপত্যৰ মৌলিক বিকাশৰ ফালৰ পৰা একো নহ'ল। আজি নতুন বিশ্বস্থাপত্য modern conort futurish আটাইবোৰেই symmetry যে ৰৌপিক সৌন্দৰ্য্য উলিয়াই স্থাপত্য সৃষ্টি কৰিবলৈ বিচাৰিছে। আমাৰ ভাৰতীয় স্থাপত্য শিল্পীয়েও ভাৰতীয় বিশেষত্ব ৰাখি এনে ৰৌপিক সৌন্দৰ্য্যৰেই নৱভাৰতীয় সৌন্দৰ্য্য ৰচনা কৰিব লাগিব। আজি ভাৰতৰ তথা অসম দেশৰ নতুনকৈ হোৱা ঘৰ-বাৰীবোৰ নতুন ভাৰতীয় শিল্পী মনৰ এই ৰৌপিক সৌন্দৰ্য্যৰ স্থাপত্যৰ পৰিকল্পনাৰে হ'ব লাগিব। তেতিয়াহে সি আমাৰ আজিৰ স্থাপত্য হ'ব। যদি আজি আমাৰ ঘৰ-বাৰী বৃটিচৰ দিনীয়া স্থাপত্যৰ পৰিকল্পনাৰে হয়—তেন্তে কব লাগিব যে—ভাৰতীয় মৌলিক প্ৰতিভা স্থাপত্যৰ ক্ষেত্ৰত মুকলি হোৱা নাই। আজি আমি ভাৰতৰ যি এটা নতুন সংস্কৃতিৰ সপোন দেখিছোঁ—সেই নতুন ইঙ্গিত দিব পৰা হব লাগিব আমাৰ আজিৰ স্থাপত্য, তাৰ মানে আমাৰ স্থাপত্য futuristic হ'ব লাগিব। আমাৰ অতীত আছিল—বৰ্ত্তমান আমাৰ নাই বুলিলেও হয়—আমি ভৱিষ্যত গঢ়িব খুজিছোঁ, আমাৰ ভৱিষ্যতৰ জীৱনৰ ছন্দ আমাৰ আজি গঢ়া স্থাপত্যৰ ছন্দত ফুটি উঠিব লাগিব। তেহে সি আমাৰ স্থাপত্য হ'ব। আমাৰ স্থাপত্যৰ ৰূপত প্ৰতিফলিত হ'ব লাগিব ভাৰতীয় অসমীয়া নতুন জীৱনৰ সপোন দেখা শিল্পীটোৰ মনটো। আজি যদি আমাৰ স্থাপত্যৰ কলা ৰূপটো দিয়েহি আনে—তেন্তে সি আমাৰ ঘৰ হিচাবে সম্পত্তি হ'লেও, সেই ঘৰ আমাৰ ডাঙৰ কামত আহিলেও—আমাৰ আজিৰ স্থাপত্যৰ নিদৰ্শন সি কেতিয়াও নহ'ব। সেই কাৰণেই আজি অসমৰ নতুন ৰাজহুৱা ঘৰবোৰ স্থাপত্যৰ ৰূপটো কোনে দিব সেই বিষয়ে সকলোৱে দকৈ ভাবিব লাগে। আজিলৈ এইখিনিতেই মোৰ কবলগীয়া কথা সামৰিবলৈ ওলালোঁ।

আজি আমাৰ নতুন দিনৰ নতুন ভাৰত গঢ়িবলৈ ওলোৱা নতুন মনৰ—নতুন সৃষ্টি ঠন ধৰি উঠক। এক অভিনৱ সংস্কৃতি আদিয়েই বহুদিন জগত সভাৰ পৰা আতৰত পৰি থকা ভাৰতীয় জাতিটোক পৃথিৱীত জিলিকাই তোলক। নতুন সংস্কৃতিৰ বাটেদি ভাৰত আগবাঢ়ি যাওক।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

[ অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাই ৰচনা কৰা এইটোৱেই সম্ভৱতঃ শেষ কথা কবিতা ]

# সেই হালধীয়া ফুলপাহি

## কথা কবিতা

যতীন দুৱৰা

এদিন ৰজাৰ ফুলনিৰ পহৰীয়াজনে ভুলতেই ফুলনিৰ দুৱাৰখন মুকলি কৰি কেনিবাদি ওলাই গৈছিল। সেই ছেগতে এজন প্ৰেমিক আহি তাত সোমাইছিলহি। এনেতে ক'ৰবাৰ পৰা এটি ৰূপালী পোহৰ ধাৰাৰ মাজেদি এজন কোনোবা নামি আহি সুধিলেহি, "তুমি কোন আৰু ইয়াত কি কৰিছাহি, ইয়াৰ পৰা আঁতৰি যোৱা, মৃত্যুৰ অনুমতি নোপোৱাকৈ ইয়ালৈ কোনো সোমাব নোৱাৰে।" মানুহজনে উত্তৰ দিলে, 'মই এতিয়াই যাম, মোৰ ইয়াত অকণো থাকিবৰ মন নাই;" কাৰণ তেওঁৰ প্ৰেমিকা ঘৰত হে আছে আৰু তাতেই তেওঁৰ সৰগ। তেওঁৰ কাৰণেই ফুল তুলিছে; "মোক মাথোন ইয়াৰ পৰা কেইপাহমান ফুল তুলিবলৈ দিয়া।" ফুলনিৰ পহৰীয়া দেৱদূতজনে কলে, "বাৰু নিয়া"—আৰু নীৰৱে তললৈ চাই দুটি প্ৰাণৰ মিলনৰ এটি আকুল আকাঙ্ক্ষা দেখি মাথোন এবাৰ মিচিকাই হাঁহিলে।

প্ৰেমিকজনে তাৰপৰা নানা তৰহৰ নানা বৰণৰ সোণালী, ৰূপালী ৰঙৰ ফুলবোৰ তুলিলে, যেনে 'প্ৰেমৰ পৰশ', 'যৌৱনৰ উন্মাদনা', 'চেনেহী চাৱনি', 'কেৰাহি কটাক্ষ', 'মিলনৰ আকুলতা', সপোন বলিয়া', 'ভৱিষ্যতৰ আশা' ইত্যাদি ফুলবোৰ তুলি আনন্দমনে মৰতলৈ নামি আহিব খুজিলে।

কিন্তু দেৱদূতজনে তেওঁক মাতি আনি "তুমি আটাইতকৈ ভাল পাহিকে এৰি গ'লা" বুলি কলে। "চোৱাচোন, সৌ গছৰ গুৰিত সেই অকণমান হালধীয়া ফুলটি কেনেকৈ ফুলি আছে—তাকো লোৱা। কাৰণ, তুমি যিবিলাক ফুল তুলিলা, সেইবোৰ সৰগতহে ফুলে মৰতত মৰহি যায়।" সেই ফুলপাহিকো প্ৰেমিকজনে লগতে তুলি লৈ তললৈ নামি আহিল..................।

o o o o

ডেৰকুৰি বছৰ পাৰ হৈ গ'ল............
মৃত্যুৱে এদিন জীৱনৰ বাট শেষ হোৱা এগৰাকী অকলশৰীয়া নাৰীৰ ওচৰ চাপিবগৈ। মৃত্যুৰ আগত কোনো আঁৰ-বেৰ নাই—তেওঁ সকলোটি দেখে। তেওঁ সেই অকলশৰীয়া

নাৰীৰ অন্তৰলৈ চাই পঠাই দেখিলে, তেওঁৰ অন্তৰৰ ফুলবোৰ শুকাই গ'ল। 'প্ৰেমৰ পৰশ' মৰহি গল....'যৌৱনৰ উন্মাদনা' জীৱন সংগ্ৰামৰ ঘাত-প্ৰতিঘাতত কেনিবা পলাল......'চেনেহী চাৱনি' পাহৰণিৰ বুকুত, 'কেৰাহি কটাক্ষ' অৱস্থাৰ বিপৰ্য্যয়ত বিপৰীত, 'মিলনৰ আকুলতা'......সংসাৰৰ বাধা-বিঘিনিত জঁয় পৰি ব্যাকুলতাত পৰিণত......'ভৱিষ্যতৰ আশা' অতীতৰ সামৰণি,......"সপোন বলিয়া" দিঠকত নিৰুপায়......।

কিন্তু মৃত্যুৱে দেখিলে যে তেওঁৰ শুকান অন্তৰৰ মাজত এপাহি ফুল সেইদিনা তুলি অনাৰদৰে সজীৱ হৈ জেউতি চৰাই এতিয়াও ফুলি আছে। সেয়েই সেই হালধীয়া ফুলপাহি—বিশ্বাস —শান্তি !!

(কানৈ মহাবিদ্যালয়ৰ আলোচনীৰ পৰা পুনৰ মুদ্ৰিত।)

---

"ইয়াৰ পিচত শাসন কৰোঁতা ভাষা একোৱেই নেথাকিব, ভাষা মাত্ৰ সেৱা কৰোঁতেহে হ'ব। আমি ভাৰতবৰ্ষৰ ৰাজনীতি বিলোপ কৰি, তাৰ ঠাইত লোক-নীতি স্থাপন কৰিব লাগিব্। এই কাৰণে ভাৰতবৰ্ষত সংস্কৃতিৰ প্ৰচাৰ কৰা ভাষাহে থাকিব, শাসন কৰা ভাষা নেথাকিব। ইংৰাজী একেবাৰেই থাকিব নোৱাৰিব। যদি ইংৰাজী ভাষাকেহে চলাই থাকিব খোজোঁ, তেন্তে আমি ইংৰাজক ইয়াৰপৰা গুচি যাবলৈ কিয় কৈছিলোঁ? ভাৰতবৰ্ষত সেৱা আৰু সংস্কৃতিৰ প্ৰচাৰ কৰা ভাষাহে থাকিব। নিজৰ নিজৰ প্ৰদেশত এই কাম মাতৃ-ভাষাৰ জৰিয়তে আৰু সমগ্ৰ ভাৰতত হিন্দীৰ জৰিয়তে চলোৱা যাব।"

**—বিনোৱাজী**

---



# মানৱ জাতিৰ সঙ্কট

**ডাঃ মথুৰানাথ ভট্টাচাৰ্য্য**

বিশ্বত আজি অশান্তি বিৰাজমান। মানুহৰ মন সকলো কাৰ্য্যচক্ৰতেই সন্দিহান। নিজৰ স্বাৰ্থ আৰু স্থিতি নিকণ্টক কৰিবৰ কাৰণে আনৰ সুখ-শান্তি ক্ষুণ্ন কৰিবলৈ অকণো পৰাঙ্মুখ নহয়। এনে অসুস্থ পৰিস্থিতিৰ পৰা মানৱ জাতিক উদ্ধাৰৰ অৰ্থে ঘটনা পৰম্পৰা বিশ্লেষণ কৰি কোনো এটা সিদ্ধান্তত উপনীত হবলৈ চেষ্টা কৰা প্ৰয়োজন হৈ পৰিছে।

দেখা যায় এই অশান্তি ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, আধ্যাত্মিক আৰু ব্যৱহাৰিক বিদ্যাৰ সঙ্কটৰ পৰা উদ্ভূত। ভ্ৰান্তিমূলক শিক্ষাৰ ফলত জীৱনৰ এই বিভিন্ন খণ্ডিত দিশত গৰিমা আৰোপিত হৈছে; পূৰ্ণজীৱনৰ জ্ঞানলিপ্সা পাহৰণিৰ গৰ্ভত বিলুপ্ত হৈছে। এই বিভিন্ন দিশ বা খণ্ড জ্ঞানৰ কাৰণে মানুহ অহোপুৰুষাৰ্থ কৰি সেই বিষয়ত উচ্চতম বিদ্যাৰ গৰাকী হৈছে, বিশেষজ্ঞ নামেৰে অভিহিত হৈছে। বিশেষজ্ঞ হোৱাৰ মূলতেই অধিকাংশ ক্ষেত্ৰত হৈছে প্ৰতিযোগিতা সঙ্কুল জীৱন-যুদ্ধৰ জঞ্জালৰ পৰা নিজকে মুক্ত কৰি আৰ্থিক স্বচ্ছলতা সুনিশ্চিত কৰা, উচ্চতম পদমৰ্য্যাদাৰে নিজক বিভূষিত কৰা। উচ্চতম-নিপুণতাৰ অবিহনে সুখ-স্বাচ্ছন্দ্য, পদ-মৰ্য্যাদাৰ নিৰাপত্তাৰ অভাৱত শঙ্কাত ব্যক্তি সঙ্কাকুল হৈ পৰে আৰু সমাজৰ অনুশাসনৰ বাহিৰলৈ গলে এনে নিৰাপত্তা অন্ত হোৱাৰ ভয়ত স্বকীয় অনুভূতি সমূহক জলাঞ্জলি দিয়ে। এই বিভিন্ন দিশত নিৰাপত্তা ৰক্ষাৰ পৰিপ্ৰেক্ষিতত মানুহৰ মনত শঙ্কা, দ্বেষ, লিপ্সা, অসূয়া ভাবৰ উদ্ভৱ হৈছে। খণ্ডিত পাৰদৰ্শিতাৰ ফলত ব্যক্তি, সম্পদ আৰু লক্ষ্যৰ প্ৰতি মানুহৰ বিকৃত মনোভাৱৰ উদ্ৰেক হৈছে। এইজন ভাৰতীয়, এওঁ পাকিস্তানী, এওঁ চীন দেশৰ, এওঁ উচ্চজাতৰ এওঁ অনুসূচিত জাতৰ নাইবা এওঁ উচ্চ পদস্থ বিষয়া, এওঁ নিম্ন পদস্থ কৰ্ম্মী ইত্যাদিবোৰ ব্যক্তিৰ প্ৰতি অসুস্থ মনোভাৱৰ গুৰিতেই হৈছে বিকৃত মানৱীয় সম্বন্ধ। এই সম্পদৰাশিৰ অধিকাৰী মই, ইয়াৰ শতগুণে বৃদ্ধি আৰু সংৰক্ষণৰ চেষ্টা, লগতে দাৰিদ্ৰ্যৰ প্ৰতি আওকাণ মানুহক অশেষ ক্লেশ দিও আৰু অসংখ্য জীৱন বলিদান দিও আনৰ ৰাজ্য অধিকাৰ, আনৰ সম্পত্তি অধিগ্ৰহণ আদি অসুস্থ মনোভাৱৰ পৰিচায়ক। নিজৰ আদৰ্শবাদৰ লগত সামঞ্জস্য নথকা আনৰ মনোভাৱ, নিজৰ ধৰ্ম্ম বিশ্বাসৰ লগত মিল নথকা আনৰ ধৰ্ম্মবিশ্বাস, নিজৰ জীৱনৰ মূল নীতিৰ লগত সমন্বয় নথকা আনৰ আদৰ্শৰ লগত সংঘৰ্ষণৰ মূলতেই হৈছে নিজৰ নিৰাপত্তা লুপ্ত হোৱাৰ আশঙ্কা। আনৰ উন্নতি হলে হিংসা-দ্বেষৰ উদ্ভৱ হোৱা, আনৰ ধন-দৌলতৰ প্ৰতি লিপ্সা হোৱা বা আনক নিন্দা কৰা অসূয়া স্বভাৱ বিকৃত মনোভাৱৰ লক্ষণ। ৰাজনীতিত পাৰদৰ্শিতাৰ

ফলত দেশৰ সংখ্যাগৰিষ্ঠ চামৰ সমৰ্থনত ৰাজ্যৰ শাসন আয়ত্ব কৰি সংবিধানত কেতবোৰ কানুন সন্নিবিষ্ট কৰা হয়। এই কানুনৰ বিপৰীতে কাম কৰিলে মানুহ দণ্ডনীয় হয় ; সংখ্যা লঘিষ্ঠ সম্প্ৰদায়ে ভাবে যে এনেবোৰ কানুন তেওঁলোকৰ স্বাৰ্থৰ পৰিপন্থী ; এইবোৰ অশান্তিদায়ক। এই চাম মানুহৰ হাতত ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্ব পৰিলে এই সংবিধান এখন অভিশপ্ত দলিল পত্ৰতহে পৰিণত হয়। তেওঁলোকে নতুন সংবিধান ৰচনা কৰে। সংখ্যাগৰিষ্ঠ আৰু সংখ্যা লঘিষ্ঠ এই দুয়ো সম্প্ৰদায়েই লোকহিতকৰ বুলিহে এনে সংবিধান ৰচনা কৰে। তাত সন্দেহৰ কোনো স্থল নাই।

এজনৰ আন্তৰিকতাপূৰ্ণ জীৱহিতাৰ্থে বুলি সমাধা কৰা কাম আন এজনৰ কাৰণে তেনে নহয় ; এই পাৰম্পৰিক বিৰুদ্ধাচৰণৰ কাৰণ হৈছে জীৱনৰ সনাতন আদৰ্শৰ জ্ঞানৰ অভাৱ আৰু ক্ৰটীপূৰ্ণ খণ্ডিত শিক্ষাৰ প্ৰভাৱ।

জীৱন এটা পৰিপূৰ্ণ সত্বা। সকলো জীৱৰেই মূল সত্য হৈছে একক। প্ৰত্যেকেই অখণ্ডতাৰ স্ফুলিঙ্গ মাথোন। প্ৰেম, ঘৃণা, দয়া-নিষ্ঠুৰতা, সত্য-অসত্য ইত্যাদি অনুভূতিৰে মানুহ গঠিত। সুস্থ শিক্ষাৰ দ্বাৰা সুস্থ অনুভূতিৰ বিকাশ হয়। অসুস্থ শিক্ষাৰ পৰা অসুস্থ অনুভূতিয়েই প্ৰাধান্য লাভ কৰে ; মানুহক পৰিচালনা কৰে। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি ইত্যাদিয়ে মানুহৰ একোটা খণ্ডৰ সহাঁৰি দিয়ে। হাতীৰ ভৰি, শুঁৰ, কাণ-স্পৰ্শ কৰি আংশিক জ্ঞানেৰে হাতীৰ আকৃতি বৰ্ণনা কৰা হাস্যকৰ ; ই ভ্ৰান্তিমূলক হোৱা স্বাভাৱিক। উদ্ভিদ তত্ত্ববিদে গোলাপ ফুলপাহৰ পাপৰি আদি বিভিন্ন অংশ দেখে, বিশ্লেষণ কৰে, কিন্তু ফুলৰ সামগ্ৰিক ৰূপ নেদেখে আৰু তাৰ সৌন্দৰ্য্য উপভোগ কৰিব নোৱাৰে। তেনেদৰে এজন অভিযন্তাই তাজমহল নিৰ্ম্মাণত ব্যৱহৃত হোৱা সামগ্ৰী, নিৰ্ম্মাণৰ কৌশল, খৰচৰ হিচাব আদি চিন্তা কৰে কিন্তু তাজমহলৰ সৌন্দৰ্য্য উপলব্ধি কৰিব নোৱাৰে। চিকিৎসকে ৰোগীৰ হৃৎপিণ্ড, যকৃত প্লীহাহে দেখা পায়, তদনুসাৰে ঔষধ-পাতি ব্যৱহাৰ কৰিও আশাপ্ৰদ ফল পাব নোৱাৰা হয়, কাৰণ তেওঁ মানুহজনক মানুহ হিচাবে সুখ-দুখ, প্ৰেম-দয়া আদি অনুভূতিৰ প্ৰতিমূৰ্ত্তি বুলি ভাবিব নোৱাৰে। বিবেক বুদ্ধিৰ দ্বাৰা মানুহে পূৰ্ণ জীৱনৰ সম্বন্ধে জ্ঞান আহৰণ কৰাহে লক্ষ্য। জীৱন সমুদ্ৰ অসীম ; কোনো এটা সময়ত বা কোনো এজন বা এচাম মানুহে জীৱনৰ সংজ্ঞা দিব নোৱাৰে ; সীমিত বিবেক বুদ্ধিৰে অসীমতাৰ পূৰ্ণ সন্ধান সম্ভৱ নহয়। অসীম জ্ঞানৰ পৰিসৰ সদায় বৰ্দ্ধনশীল। সেয়েহে সমাজৰ নীতি-নিয়ম, শিক্ষাৰ নীতি-নিয়ম আৰু জীৱনৰ সনাতন মূল্য বিৱৰ্জিত আধ্যাত্মিক শিক্ষাৰ পথ প্ৰদৰ্শনৰ প্ৰয়াস আদি সকলোৱে সাময়িক ; এইবোৰ এটা অনন্ত সীমাহীন, গতিহীন অজানাৰ কোনো এটা অংশ বা সময়ৰ জ্ঞানহে, শিশুক শিক্ষাদানৰ ওপৰতেই এই সন্ধান আৰু মানৱ-জাতিৰ সুখ স্বাচ্ছন্দ্য নিৰ্ভৰশীল। অসুস্থ শিক্ষাদানৰ ফলত শিশুক নিজৰ জীৱনৰ পূৰ্ণতাৰ বিষয়ে সন্দেহৰ কাৰণে চালনা নকৰি কাল্পনিক সত্যতাৰ কাৰণে বিভিন্ন নিষেধাজ্ঞাৰ দ্বাৰা শিশুৰ অনুভূতি সমূহক ধ্বংস কৰা হয় আৰু প্ৰচলিত নিয়ম কানুনৰ গণ্ডীত অনুভূতি সমূহক গঢ় দিয়া হয়। ফলত কল-কাৰখানাৰ উৎপাদিত সৰঞ্জামৰ দৰে একে আকৃতি-প্ৰকৃতি গঢ় পিটৰ মানুহ গঠিত হয় আৰু সৃষ্টিধৰ্ম্মী অনুভূতি সমূহৰ বিলুপ্তি সাধন হয়। আজিৰ শিক্ষা এনে কেৰোণেৰে পৰিপূৰ্ণ আৰু সেয়েহে ই সৃষ্টিধৰ্ম্মী নহয়। ই সমাজ আৰু মানৱ জাতিৰ নতুনত্বৰ সন্ধানৰ অন্তৰায়। যুগে যুগে যিসকল মহাপুৰুষৰ জন্ম হৈছে তেওঁলোকৰ অনুভূতি সমূহ আছিল মুক্ত আৰু সেয়েহে তেওঁ-লোকে জীৱনক পৰিপূৰ্ণভাৱে অনুভৱ কৰিব পাৰিছিল আৰু ফলত তেওঁলোকে জগতক অফুৰন্ত দীপ্তিৰে পথ-সন্ধান দিব পাৰিছিল।

জীৱনৰ খণ্ডিত বিদ্যাৰ দ্বাৰা পৰিপুষ্ট মানুহ আসুৰিক গুণবিশিষ্ট হোৱা সম্ভৱ। প্ৰত্যেকেই নিজ নিজ খণ্ডিত বিদ্যাৰ উৎকৰ্ষ সাধনতেই ব্যস্ত থাকে, তাৰ কাৰণে জীৱনৰ স্বাভাৱিক সৃষ্টিধৰ্ম্মী সূক্ষ্ম অনুভূতি সমূহক বলিদান দিবলৈ বিচলিত নহয়। খণ্ডিত বিদ্যাই অপৰিসীম শক্তি উৎপাদন কৰে সঁচা কিন্তু ই কোনো দিক্ নিৰ্ণয় কৰিব নোৱাৰে। দীক্হীন বন্দুকৰ গুলীত অশেষ ক্ষতি হোৱাৰ সম্ভাৱনা বৰ্ত্তমান ; হিংস্ৰজন্তুক বধ কৰি আনক ৰক্ষা কৰিবলৈ গুলী নিৰ্দ্দিষ্ট দিক্ সম্পন্ন হব লাগিব। পৰমাণু ভাঙি প্ৰভূত



শক্তিৰ উৎপাদন কৰা হ'ল ; এই কাজ সম্পন্ন কৰিলে বিজ্ঞান শাস্ত্ৰত ব্যুৎপত্তি থকা শীৰ্ষস্থানীয় বৈজ্ঞানিকে। ইয়াৰ দিশ নিৰ্ণীত নহ'ল। সেয়েহে আন বৈজ্ঞানিকে এই শক্তিক বোমাৰ ভিতৰত নিৱদ্ধ কৰিলে আৰু শুদ্ধ পথ নিৰ্দৰ্শনৰ অভাৱত ই ধ্বংসকাৰ্য্যত ব্যৱহৃত হ'ল। শুদ্ধ পথ দৰ্শনত এই শক্তি খাদ্য-দ্ৰব্যাদি প্ৰস্তুত কাৰ্য্যত আৰু মানৱ জাতিৰ দুখ-ক্লেশ উপশমৰ কাৰণে ব্যৱহৃত হব ধৰিছে। মানুহক ৰোগমুক্ত কৰিবৰ কাৰণে বৈজ্ঞানিকে ৰোগৰ বীজাণু আৱিষ্কাৰ কাৰ্য্যত মনোনিবেশ কৰিলে কিন্তু দিক্-হাৰা বৈজ্ঞানিকে প্লেগৰোগৰ বিজাণু মানুহক হত্যাৰ কাৰণে ব্যৱহাৰ কৰিলে। সুদক্ষ ৰাজনীতিবিদে দেশৰ মানুহৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি যুদ্ধত জপিয়াই পৰে, ফলত অলেখ লোকৰ প্ৰাণহানি হয়। এনে ৰক্তপিপাসু নেতাকেই কোনো এক সময়ত কোনো এক চাম মানুহে প্ৰশংসা কৰে—বিকৃত মনোভাৱৰ ফলত। অৰ্থনৈতিক চতুৰালিৰ দ্বাৰা দৰিদ্ৰ বেচি দৰিদ্ৰ হৈছে ; ধনবান বেচি ধনী হৈছে। পৰিপূৰ্ণ জীৱনৰ জ্ঞানৰ অভাৱত কলাৰ নামত মানুহৰ মন কলুষিত হৈছে, সমাজৰ অশেষ অনিষ্ট সাধিত হৈছে। প্ৰত্যেকেই নিজৰ বা দহৰ হিত ভাবিহে কাম কৰে ; কিন্তু পৰিণাম বিপৰীত হয়। ইয়াৰ কাৰণ হৈছে 'হিত'ৰ সূত্ৰ বিভিন্ন লোকৰ মানসিক ক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰি বেলেগ ৰূপ ধাৰণ কৰে। জীৱনৰ সৰ্ব্বজন সন্মত সনাতন মূল্যৰ সূত্ৰৰ অভাৱ। মানুহ দেহ, মন, আত্মাৰ সমষ্টি। দেহ, মনৰ উৎকৰ্ষ সাধনৰ দ্বাৰাই আত্মাৰ পৰিপুষ্টি সাধন নহয়। দেহ মনৰ উৎকৰ্ষতাই শক্তি উৎপাদন কৰে, দিশ্ নিৰ্ণয় নকৰে। আত্মাৰ উৎকৰ্ষ সাধনেইহে শুদ্ধ দিশৰ সন্ধান দিয়ে। বিৱৰ্ত্তনৰ ফলত প্ৰথমতে জড়পদাৰ্থৰ উৎপত্তি হয় আৰু সময়ত প্ৰাণৰ সঞ্চাৰ হয়। প্ৰাণৱন্ত পদাৰ্থ বা জীৱে নৈসৰ্গিক ক্ৰমবিকাশৰ ফলত বিকশিত হৈ শেষত মনযুক্ত জীৱ হ'লগৈ। এই স্তৰলৈকে বিকাশত জীৱৰ নিজৰ কোনো অৰিহণা নাথাকে। মনবিশিষ্ট স্তৰৰ যি বিকাশ হয় সি মানৱ জাতিৰ নিজৰ হাতত ন্যস্ত। শুদ্ধ পথত পৰিচালিত হলে মানুহ অনন্ত আনন্দৰ গৰাকী হব পাৰে, নহলে ধ্বংস প্ৰাপ্ত হোৱা নিশ্চিত। শুদ্ধ দিশৰ নিৰ্ণয় হব পাৰে কেৱল পৰিপূৰ্ণ জীৱনৰ জ্ঞানেৰে।

জগতত সুখ-শান্তিয়ে বিৰাজ কৰিবলৈ হলে, সঙ্কট সমস্যাৰ সমাধান আৰু বিনাশ কৰিবলৈ হলে, শুদ্ধ পথ সন্ধানী মানুহৰ প্ৰয়োজন। এনে মানুহ গঠন কৰিবলৈ বৰ্ত্তমান শিক্ষাৰ আমূল পৰিবৰ্ত্তনৰ আৱশ্যক। শুদ্ধ শিক্ষা এনে হোৱা উচিত যে ই শিক্ষাৰ্থীক পৰিপূৰ্ণ জীৱনৰ বিভিন্ন অনুভূতিবোৰক বিবেক বিবেচনাৰ দ্বাৰা সম্যকভাৱে অৱগত হবলৈ যোগ্যতা অৰ্জন কৰাত সহায় কৰে ; নিষিদ্ধ আজ্ঞাৰ দ্বাৰা মনক পঙ্গু নকৰি শিক্ষাৰ্থীৰ অনুভূতিবোৰক মুক্ত কৰে। তেতিয়াহে মানুহে মহাপুৰুষসকলৰ অমৰ গ্ৰন্থৰাশিৰ সাৰমৰ্ম্ম উপলব্ধি কৰি সত্য পথৰ সন্ধানৰ পথত মুক্ত মনেৰে অগ্ৰসৰ হব পাৰিব।

---

শান্তি এক অবাস্তৱ বস্তু আৰু যুদ্ধ অপৰিহাৰ্য্য—সেই কথা ভবাৰ প্ৰয়োজন নাই। আমাৰ লক্ষ্য হ'ল, পৃথিৱীত শান্তি স্থাপন কৰা। আমি এনে এক শান্তিপূৰ্ণ বিশ্ব গঠনৰ চেষ্টা কৰিছোঁ, য'ত দুৰ্ব্বল নিৰাপদে থাকিব আৰু সবল হ'ব ন্যায় পৰায়ণ।"

—জন কেনেডী

---



# ডিবুৰুত দুৱৰা

—সুনীল কুমাৰ বৰঠাকুৰ

দ্বিতীয় মহাসমৰ শেষ হোৱাৰ লগে লগে ১৯৪৫ চনত ডিব্ৰুগড় কলেজ স্থাপন হয়। পিচলৈ এই কলেজেই কানৈ কলেজ নামেৰে প্ৰসিদ্ধি লভে। পৰৱৰ্ত্তী কালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অঙ্কুৰ বহন কৰা এই কলেজখনৰ অৱস্থা প্ৰথমতে বৰ স্বচ্ছল নাছিল। ৰাইজৰ দান-বৰঙনিৰে কেইজনমান শিক্ষানুৰাগী লোকে কলেজখন চলাই আছিল, তেওঁলোকৰ কেইবাজনেও অবৈতনিক ভাৱে শিক্ষাদান কৰিছিল। ছাত্ৰসকলো ঘাইকৈ আছিল চাকৰিয়াল আৰু উচ্চ শিক্ষা বিচাৰি দূৰলৈ যাবলৈ সংস্থান নথকা মানুহ। এনেকৈ কেইবছৰমান চলাৰ পিচত কবি দুৱৰাৰ আগমনে কলেজৰ নাম আৰু সন্মান অভাৱনীয় ভাৱে বৃদ্ধি কৰিলে। ছাত্ৰ ভৰ্ত্তিকৰণৰ বাবে বাতৰি কাকতলৈ দিয়া বিজ্ঞাপনত যতীন দুৱৰাৰ নাম বিশেষভাৱে উল্লেখ হবলৈ ধৰিলে।

দুৱৰাই ডিব্ৰুগড়ত শিক্ষকতা কৰা এয়াই প্ৰথম নহয়। তেওঁ ১৯১৭ চনৰ পৰা চাৰি বছৰ কাল ইয়াৰ জৰ্জ ইনষ্টিটিউটত কাম কৰিছিল। তেওঁৰ ছাত্ৰসকলৰ মাজত জ্যোতিপ্ৰসাদ আগৰৱালাও আছিল। জৰ্জ ইনষ্টিটিউটৰ পৰা গৈ তেওঁ পুনৰ কলিকতাৰ স্কটিচ চাৰ্চ কলেজিয়েট স্কুলত শিক্ষকতা কৰে। কলিকতা বিশ্ববিদ্যালয়ত অসমীয়াৰ এম. এ শ্ৰেণী খোলাত দুৱৰাও তাৰ অন্যতম অধ্যাপক নিযুক্ত হয়। তেওঁ তাত অবৈতনিক ভাৱে কাম কৰিছিল। ১৯৪৭ চনত অসুস্থতাবশতঃ তেওঁ শিৱসাগৰলৈ গুচি আহিল। তেওঁ হেনো লেডীকীন কলেজৰ পৰা আমন্ত্ৰণ পাইছিলো, কিন্তু ছোৱালীৰ কলেজ বুলি লাজতে তালৈ নগ'ল। দুৱৰাৰ ইচ্ছাৰ কথা গম পাই কানৈ কলেজৰ কৰ্তৃপক্ষই ভালেই পালে, উপাধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্তই একপ্ৰকাৰ জোৰ কৰিয়েই তেওঁক ডিব্ৰুগড়লৈ লৈ আহিল।

১৯৪৮ চনত দুৱৰা কানৈ কলেজৰ অসমীয়া বিভাগৰ মুখ্য অধ্যাপক নিযুক্ত হয়। তেওঁৰ আগতে সাহিত্যিক বেনুধৰ ৰাজখোৱা অসমীয়াৰ অধ্যাপক আছিল। দুৱৰাৰ কাৰ্য্যকালতে কানৈ কলেজৰ অসমীয়া বিভাগত ডঃ উপেন্দ্ৰনাথ গোস্বামী, তফজ্জুল আলি আদি বিখ্যাত অধ্যাপকসকল আছিল। ১৯৬০ চনলৈকে দুৱৰাই এই কলেজত অধ্যাপনা কৰে আৰু তাৰে কেইবছৰমান তেওঁ কলেজৰ ছাত্ৰাবাসৰ অধ্যক্ষও আছিল। শেষৰ কেইবছৰমান বাৰ্দ্ধক্যৰ হেতু তেওঁ ভালকৈ শিক্ষাদান কৰিব পৰা নাছিল। ১৯৬০ চনৰ জুলাই মাহত আমি যেতিয়া কানৈ কলেজৰ চাকৰিত সোমাওঁ, দুৱৰাৰ তেতিয়া থৰকবৰক অৱস্থা, কথা বৰকৈ পাহৰে। পিঞ্চন-উৰণত কিন্তু তেতিয়াও বৰ চিক্‌চাক্। তাৰ কিছুদিন পাচতেই তেওঁ নিজৰ ঘৰ শিৱসাগৰলৈ যায়গৈ। কেই মাহমান পাচত শিৱসাগৰৰ পৰা অনাই এই কবি-শিক্ষকজনক কলেজৰ এখনি গাম্ভীৰ্য্যপূৰ্ণ সভাত অনুষ্ঠানিক ভাৱে বিদায় দিয়া হয় (১২ জানুৱাৰী ১৯৬১ চন)। বিদায় বেলা ছাত্ৰ-



সকলৰ প্ৰতি দিয়া ভাষণখনেই তেওঁ নিজ হাতেৰে লিখিব পৰা নাছিল, অন্য কাৰোবাৰ হতুৱাই লিখাই আনিছিল।

কলিকতাৰ পৰা আহি শিৱসাগৰ বা ডিবুৰু কোনো ঠাইতে কবিৰ মন বহা নাছিল। স্বাভাৱিকতে মন নবহিবৰ কথাই। জীৱনৰ সৰহ ছোৱা কাল কলিকতাত কটাই দুৱৰা মহানগৰীৰ জীৱনযাত্ৰাৰ সৈতে অভ্যস্ত হৈ পৰিছিল। কলিকতা আৰু ডিব্ৰুগড়ৰ মাজত আকাশ পাতাল পাৰ্থক্য। ডিব্ৰুগড় সৰু ঠাই, প্ৰত্যেকে প্ৰত্যেকক চিনি পায়, ইয়াত লুকাই থাকিবলৈ সুবিধা নাই। তদুপৰি অসমৰ অন্য ঠাইৰ নিচিনা, এই নগৰতো দুৱৰা সৰ্ব্বজনজ্ঞাত ডাঙৰ কবি, ডাঙৰ মানুহ, সকলোৰে শ্ৰদ্ধাভাজন লোক। ইয়ালৈ আহি বাধ্যত পৰি তেওঁ কলিকতীয়া জীৱনৰ অনেক বিলাসিতা বাদ দিব লগা হ'ল। কলিকতাত হেনো তেওঁ সঘনে থিয়েটাৰ, চিনেমা চাই আৰু অন্যান্য উপায়েৰে প্ৰবাসী জীৱনৰ নিঃসঙ্গতাৰ বোজা পাতলাইছিল। কলিকতাৰ জনসমুদ্ৰৰ বুকুত কবিয়ে যিহকে নকৰক লাগে তাৰ পৰা অসমত ইতিমধ্যে গঢ়ি উঠা তেওঁৰ ভাবমূৰ্ত্তিৰ কোনো হৰণ-ভগন হোৱা নাছিল। কিন্তু ডিব্ৰুগড়ত তেনে কৰিবলৈ সময় সুবিধা দুয়োটাৰে অভাৱ আছিল। ফলত যতীন দুৱৰা হৈ পৰিল এটা অনুষ্ঠান, নিঃসঙ্গতাই তেওঁৰ লগ নেৰা হ'ল। ইয়াত বন্ধু বুলিবলৈ কোনো নাছিলেই। তেওঁৰ ওচৰত মানুহৰ যথেষ্ট সমাগম হৈছিল কিন্তু গুণগ্ৰাহী লোক, ছাত্ৰ-ছাত্ৰী আৰু কবিৰ মাজত ব্যৱধান এটি সদায়ে ৰৈ গৈছিল।

ডিব্ৰুগড়ৰ পৰা ডাঙৰ ঠাই এখনলৈ যাবলৈ কবিৰ মন সদায়ে চট্‌ফটাই আছিল। কানৈ কলেজত সোমোৱাৰ কিছুদিনৰ পাচতহে তেওঁ স্কটিচ চাৰ্চ কলেজিয়েট স্কুলত পদত্যাগপত্ৰ দাখিল কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত কাম কৰিবলৈকো তেওঁৰ প্ৰবল হেপাহ থকাৰ কথা জনা যায়। দুই এজন ভদ্ৰলোকৰ উদগনিত তেওঁ যত্নও কৰিছিল কিন্তু বিশেষ একো ফল নধৰাত তেওঁ ডিব্ৰুগড়ৰ পৰা অন্য ঠাইলৈ যাবলৈ চেষ্টা নকৰা হ'ল।

কানৈ কলেজলৈ অহাৰ কিছুদিনলৈকে তেওঁৰ আত্মীয়া গৌৰী প্ৰভা চলিহাৰ ঘৰতে দুৱৰাই থাকিবলৈ লৈছিল। পাচত কলেজৰ ছাত্ৰাবাসৰ অধ্যক্ষৰ বাব পাই বাসস্থান সলনি কৰিলে। তেতিয়া ছাত্ৰাবাসটো আছিল আমোলাপট্টিৰ চাৰি আলিৰ কাষত। ছাত্ৰাবাসৰ ওচৰতে দুৱৰাৰ বাসস্থান। বৰ্ত্তমানে সেই ঠাইত পেট্ৰলপাম্প এটা হৈছে। দুৱৰাৰ বাসস্থানৰ চিন-চাব নাই। তাৰ ওচৰতে থকা কানৈ কলেজৰ শিক্ষকসকলৰ হেষ্টেল ঘৰটো পিচে এতিয়াও আছে। তাত এতিয়া অন্য মানুহ থাকে। দুৱৰাৰ বাসস্থানৰ পৰা তেতিয়াৰ কলেজ আধা মাইলমান উত্তৰে আছিল। ১৯৫৯ চনৰ পৰা কলেজৰ বিভিন্ন শাখাবিলাক নতুনকৈ সজা ঘৰলৈ উঠি যায়। পুৰণি ঘৰত ডিব্ৰুগড় সঙ্গীত বিদ্যালয় আৰু আমোলাপট্টি ছোৱালী হাইস্কুল বহিছে। দুৱৰাই কলেজলৈ খোজ কাঢ়ি বা ৰিক্সাত উঠি গৈছিল।

দুৱৰাৰ লগত থাকে কলিকতাৰ পৰা লৈ অহা সাধন নামেৰে বঙালী ল'ৰা এজন। সাধন দুৱৰাৰ পুত্ৰৰ দৰে আছিল। তেওঁৰ লগত থাকিয়েই সাধন ডেকা হ'ল, বিয়াও কৰালে। ৰন্ধা-বঢ়া আৰু বজাৰ-সমাৰ কৰা, কানি-কাপোৰ, কাগজ-পত্ৰ ঠিকঠাক কৰি দিয়া কাম সাধনেই কৰিছিল। শেষৰ পিনে টকা-পইচাৰ ছাবি-কাঠিও সাধনেই পাইছিল। মুঠতে তেওঁ আছিল দুৱৰাৰ কণাৰ লাখুটি। সাধনক দুৱৰাই বৰ মৰম কৰিছিল, কোনোবাই তেওঁক চাকৰৰ দৰে ব্যৱহাৰ কৰিলে দুৱৰাই মনত বেজাৰ পাইছিল। ১৯৬০ চনত ভাষা আন্দোলনৰ সময়ত সাধন কলিকতালৈ গৈ আৰু ঘূৰি নাহিল। প্ৰথমতে গ'ল ঘৈণীয়েক; কলিকতীয়া কাগজত অসমৰ বিষয়ে চাঞ্চল্যকৰ খবৰ পঢ়িবলৈ পাই বিচলিত হৈ ঘৈণীয়েকে সাধনকো মাতি লৈ গ'ল। সাধন যোৱাৰ পাচত কিছু দিন দুৱৰাৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। তেওঁৰ টকা-পইচা সোপাকে সাধনে সৰকালে বুলি মানুহে কয়। দুৱৰাই সেই সময়ত কথা বৰকৈ পাহৰিছিল। কোনে কি কৰিছিল, ঘৰ কেনেকৈ চলিছিল কব নোৱাৰে। সেই দুৰ্যোগৰ সময়ত কানৈ কলেজৰ অফিচ পিয়ন মনিৰাম দাসে চাউল-পাত গোটাই তেওঁক ৰান্ধি-বাঢ়ি খুৱাইছিল।

তেওঁৰ এনে অৱস্থাৰ কথা গম পাই চুবুৰীয়া পৰিয়াল বিলাকেও তেওঁক মাতি নি খুৱাইছিল। এনে সময়তে দুৰৰাক ভতিজাকহঁতে শিৱসাগৰলৈ লৈ গ'ল। ১৯৬০ চনৰ জুলাই কি আগষ্ট মাহৰ পৰা দুৰৰা কানৈ কলেজলৈ নোযোৱা হ'ল, কিন্তু তেওঁক কলেজৰ কামৰ পৰা অব্যাহতি দিয়া হ'ল তাৰো কেইমাহমানৰ পিচতহে।

কবি বুলিলে ব্যৱহাৰিক জীৱনৰ প্ৰতি উদাসীন, পিন্ধন-উৰণলৈ মন-কাণ নকৰা আউল-বাউল চুলিৰ মানুহ এজনৰ মূৰ্ত্তি মনলৈ আহে। দুৰৰা কিন্তু বৰ চৌখিন আৰু পৰিপাটি আছিল। তেওঁৰ বেশভূষাৰ বিষয়ে কানৈ কলেজৰ গ্ৰন্থাগাৰিক পূন্যধৰ ৰাজ-খোৱাই কৈছে: "ধুতিখন ধুনীয়াকৈ পিন্ধি ঠোৰটি কুচি কুচি কৰি ওভোটাই লৈ কঁকালত খুচি ৰাখিছিল। ধুনীয়াকৈ ইস্ত্ৰি কৰা কামিজ বা পাঞ্জাবী পিন্ধিছিল। জাৰৰ দিনত আলোৱান এখন গাত মেৰিয়াই লৈছিল। গৰমৰ দিনত হলে কামিজটোৰ ওপৰত বাওঁপিনে কান্ধত চাদৰ এখন জাপি পেলাই লৈছিল। জাৰ; দিনত কেতিয়াবা মাখন ৰঙৰ নাইবা ডাঠ চকলেট ৰঙৰ গৰমকোট পিন্ধিছিল। তেখেতৰ পামচুৰ বং সদায়ে আইনাৰ দৰে চিকমিকাই আছিল। কেতিয়াবা হাতত এডাল শকত বেতৰ লাখুটি লৈ ফুৰিছিল। তেখেতে বাটৰ কাষে কাষে গৈছিল। তেখেতৰ ভাল লগা ৰং আছিল বগা, মাখন ৰং, বাদামী আৰু ডাঠ চকলেট ৰং।"

"আগপিনৰ বাৰান্দাত এখন কাঠৰ সৰু আৰামী বেঞ্চ। মাজৰ বহা কোঠাটোত এখন ডাঙৰ আৰামী চকী, তাৰ কাষতে এখন হাঁহকণীয়া মেজ। এইবিলাক পুৰণি হৈছিল। ইয়াতে বহি পুৱা বেলাত বাতৰি কাকত আদি পঢ়িছিল। সোঁপিনৰ কোঠাত এখন ধুনীয়া পালেং ধুনীয়াকৈ পাৰি থোৱা। সোমাই যাওঁতে বাওঁপিনলৈ এটা সৰু আলমাৰীত থোৱা বস্তু আৰু বাচন-বৰ্ত্তন কেইটা। সোঁপিনৰ চুকলৈ কাপোৰ থোৱা আলনা। মাজতে এখন ডাঙৰ আৰ্চীৰে সজাই থোৱা মেজখন। তাৰ বিপৰীতেই তেওঁ পঢ়া মেজখন।"

কলিকতাৰ পৰা মগাই অনা ডাগেট এণ্ড ৰামছ্ডেল কোম্পানীৰ প্ৰসাধন সামগ্ৰী দুৰৰাই ব্যৱহাৰ কৰিছিল। প্ৰসাধন কৰোঁতে তেওঁৰ সময়ো যথেষ্ট লাগিছিল। ধুনীয়াকৈ কাপোৰ-কানি পিন্ধি, পাউডাৰ স্নো ঘঁহি, অৱশিষ্ট চুলিকেইডাল ফণিয়াই লৈহে তেওঁ হেনো কামলৈ বা আলহীৰ আগলৈ ওলাইছিল। নিজৰ চেহেৰাৰ প্ৰতি তেওঁ অতি সচেতন আছিল। কানি-কাপোৰ বেয়া হৈছে বুলি সাধনে ধেমালিতে কলেও মুখ ওফোন্দাই দিছিল। ঘৰত এনেয়ে থাকোঁতে লুঙী আৰু পাঞ্জাবী পিন্ধিছিল। খোৱা বোৱাত তেওঁ নিয়মীয়া আছিল যদিও মিঠাবস্তু বেচি ভাল পাইছিল। পুৱা পাউৰুটি কমলাৰ মাৰ্মালেডৰ সৈতে সানি খাইছিল। তাৰ পাচত দাড়ি চিকুনাই, গা পা ধুই দিনটোৰ বাবে সাজু হৈ লৈছিল। দুপৰীয়া অলপ জিৰণি লোৱা অভ্যাস আছিল। আবেলি কেতিয়াবা সাধনৰ সৈতে ফুৰিবলৈ বা বজাৰ কৰিবলৈকো গৈছিল। সাধনৰ ঘৈণীয়েকৰ লগতো ফুৰিছিল। তেওঁ ৰাতিপুৱাতে উঠিছিল। ৰাতি ভাত খাই উঠি কিছু সময় এনেয়ে বহি বা কথা-বতৰা পাতিহে শুবলৈ যোৱাৰ অভ্যাস। ইয়াৰ মাজতে পঢ়া-শুনা কৰিছিল। ইতিহাস, দৰ্শন আৰু ধৰ্ম্মমূলক কিতাপ সততে পঢ়িছিল। উডহাউছৰ কিতাপবিলাক তেওঁৰ প্ৰিয় আছিল। তাৰ আমোদজনক গল্পবিলাক আনক কৈও আনন্দ পাইছিল। তেওঁ নিজে উপহাৰ পোৱা বত্ৰিশখন কিতাপ কলেজৰ পুথি-ভঁৰালত আছে।

দুৰৰাই ছাত্ৰ-ছাত্ৰীসকলক বৰ মৰম কৰিছিল। শিক্ষক হিচাবে তেওঁ সফল হৈছিল। সাহিত্যৰ অধ্যাপনা কৰিছিল যদিও তেওঁৰ ইতিহাসৰ জ্ঞান গভীৰ আছিল। তেওঁৰ মুখেৰে কবিতাৰ ব্যাখ্যা শুনিবলৈ ছাত্ৰসকলৰ আগ্ৰহৰ অন্ত নাছিল। তেওঁৰ ব্যক্তিগত জীৱনৰ ভিতৰুৱা কথা জানিবলৈ স্বাভাৱিকতে ছাত্ৰসকলৰ মাজত বিৰাট কৌতূহল হৈছিল। ছাত্ৰসকলৰ মাজত এটা দৃঢ় ধাৰণা আছিল যে বিফল প্ৰেমেই তেওঁৰ চিৰ-কুমাৰ জীৱনৰ কাৰণ। শিক্ষক জীৱনৰ শেষৰ কেইবছৰ কেতিয়াবা দুই এজন অত্যুত-



সাহী ছাত্ৰই তেওঁৰ মৰমীয়াল স্বভাৱ আৰু বাৰ্দ্ধক্যজনিত দুৰ্বলতাৰ সুযোগ লৈ পোন-পতীয়াকৈ শ্ৰেণীতে তেওঁক সুধিছিল তেওঁৰ প্ৰেয়সী গৰাকী কোন আছিল বুলি। তেনে প্ৰশ্ন কৰিলে দুৰৰা লাজতে ৰঙা পৰি গৈছিল। অন্য প্ৰসঙ্গৰ অৱতাৰণা কৰিছিল কিন্তু প্ৰশ্নৰ উত্তৰ নিদিছিল। ছাত্ৰ মহলত সেই নাৰী গৰাকী সমন্ধে এটা বদ্ধমূল ধাৰণা বৈ গৈছিল। ছাত্ৰসকলে পঢ়াৰ লগতে এটা নহয় এটা অজুহাত উলিয়াই কলিকতা নাইবা বেজবৰুৱাৰ সাধু শুনিছিল। পঢ়োৱাৰ মাজতে কেতিয়াবা গল্পও কৈছিল। পিচৰ জীৱনত স্মৃতিশক্তি কমি অহাত একেটা গল্পকে বাৰে বাৰে কৈছিল আৰু সেইটোৱেই ছাত্ৰসকলৰ বাবে বৰ আমোদৰ বস্তু হৈ পৰিছিল। তেওঁৰ প্ৰিয় গল্পটো হেনো আছিল এনেকুৱা—"গাঁৱৰ ল'ৰা এজন চহৰত পঢ়িবলৈ গ'ল। বিহুত এবাৰ ঘৰলৈ আহোঁতে বাপেকে তেওঁক সুধিলে "বোপাই তইনো কি পঢ়িছ?" পুতেকে তেতিয়া উত্তৰ দিলে "দেউতা মই ল পঢ়িছোঁ।" সেই কথা শুনি বাপেকে হতাশ হৈ কলে "ইমান বছৰ পঢ়ি পঢ়ি তই এতিয়া কৰ পৰা লহে পাইছগৈ?" ল'ৰাই বাৰে বাৰে একেটা গল্পকে শুনি হাঁহে। ল'ৰাৰ হাঁহিয়ে দুৰৰাৰ হাঁহি আৰু উজ্জ্বল কৰি তোলে। কেতিয়াবা হেনো চুলুং ল'ৰাই তেওঁক শ্ৰেণীত জোকাই কন্দুৱাই-ছিলোঁ। কিন্তু পিচলৈ তেওঁৰ অৱস্থা দেখি পতৌ লাগি তেনে ধৰণৰ তামাচা কৰিবলৈ এৰি দিছিল। দুৰৰাৰ উৎপতীয়া ছাত্ৰসকলেই তেওঁক ৰিক্সাৰ পৰা নমাই দিয়া, শ্ৰেণীলৈ নিয়া, ৰিক্সাত উঠাই দিয়া, হাজিৰা বহী আনি দিয়া আদি কাম আনন্দমনেৰে কৰিছিল। তেওঁৰ নিচিনা বিখ্যাত লোকৰ তলত পঢ়িবলৈ পাই ছাত্ৰসকলে গৌৰৱ বোধ কৰা দেখা গৈছিল। দুৰৰাইও পঢ়োৱাত বিশেষ যত্ন লৈছিল আৰু পাঠ্য-পুথিত নোহোৱা লাগতিয়াল কথাৰ টোকা দিছিল। ছাত্ৰসকলক তেওঁ সততে উৎসাহ দিছিল আৰু কলেজৰ সভা-সমিতিতো যোগদান কৰিছিল। নিজে কলিকতা ভাল পাইছিল যদিও কলিকতাত যে অসমীয়া ছাত্ৰৰ স্বাৰ্থ ৰক্ষা নপৰে সেই বিষয়ে তেওঁ সচেতন আছিল। সেই কাৰণে ছাত্ৰসকলক কলিকতাৰো সিফালে যাবলৈ উদগনি দিছিল।

কানৈ কলেজৰ কালছোৱাক কবিৰ অৱসৰৰ সময় বুলি কলেও অত্যুক্তি কৰা নহয়। কাব্যজীৱনৰ ফালৰপৰা এইছোৱা কাল ফলপ্ৰসূ নহয়। কানৈ কলেজত থাকোঁতেই তেওঁৰ "বনফুল" ছপা হৈ ওলায় আৰু তাৰ বাবে তেওঁ সাহিত্য একাডেমীৰ বঁটা লাভ কৰে। আন এখন কবিতা পুথি "আপোন সুৰ" এই সময়তে প্ৰকাশ হয়। কিন্তু দুয়োখন সঙ্কলনৰ সৰহ ভাগ কবিতাই আগৰ ৰচনা। ডিব্ৰুগড়ত তেওঁ বৰ বিশেষ উল্লেখযোগ্য একো লিখা নাই। বাস্তৱিকতে কলিকতাতে তেওঁৰ কাব্য জীৱনৰ সামৰণি পৰিল বুলিব পাৰি। ডিব্ৰুগড়ৰ বছৰ কেইটা মাথোন কলিকতাত স্মৃতিৰ ৰোমন্থন। তেওঁৰ ওচৰলৈ যোৱা গুণগ্ৰাহী লোক বা ছাত্ৰ-ছাত্ৰীকো সেই ৰোমন্থনৰ ভাগ দিবলৈ কবিয়ে ভাল পাইছিল। কাব্যৰ বিষয়ে কথা পাতিও তেওঁ আনন্দ পাই-ছিল। কোনো কোনো ছাত্ৰই তেওঁৰ কবিতা আবৃত্তিও শুনিবলৈ গৈছিল। ওমৰ তীৰ্থ ৰচনাৰ ইতিহাসো তেওঁ প্ৰায়ে কৈছিল। দুই এক ঘটনাই তেওঁৰ জীৱনৰ গতানু-গতিকতাত ছেদ পেলাইছিল। মাজে মাজে তেওঁ গুৱাহাটীলৈ গৈছিল। ১৯৫৪ চনত তেওঁ অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ সভাপতিত্ব কৰে। অভিভাষণখনিত আধুনিক কবিসকলৰ প্ৰতি কিছু নিন্দা বাক্য থকাৰ কাৰণে তেওঁৰে এসময়ৰ কানৈ কলেজৰ সহকৰ্ম্মী কবি মহেন্দ্ৰ বৰাই চোকা বাক্যৰে তেওঁক সমালোচনা কৰিছিল। দুৰৰাই আধুনিকতাৰ নামত প্ৰচলিত কাব্যৰীতিৰ বিৰুদ্ধে বিদ্ৰোহ কৰাটো ভাল পোৱা নাছিল। তেওঁ হেনো কেইজনমান ৰক্ষণশীল লিখকৰ উচতনিতহে আধুনিক কবিৰ প্ৰতি ইমান ৰূঢ় হৈছিল। সি যি নহওক দুৰৰাৰ চেষ্টাতে এই ঘটনাৰ আলম লৈ আৰু অপ্ৰীতিকৰ পৰিস্থিতি হবলৈ নাপালে।

দুৰৰাই কানৈ কলেজত মুঠতে বাৰ বছৰ কাল অধ্যাপনা কৰে। সামৰণিৰ কেই-বছৰত তেওঁৰ স্মৃতিশক্তি কমি আহিছিল। আনে সোঁৱৰাই নিদিলে শ্ৰেণীত একে পাঠকে বাৰে বাৰে পঢ়াইছিল। ডিব্ৰুগড়ত তেওঁক চাবলৈ-চিতিবলৈ নিজৰ মানুহ

নথকাত শিৱসাগৰৰ নিজা ঘৰলৈ যায়গৈ। কলেজৰ বিদায় সভাত দিয়া ভাষণখনত কবিৰ ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্ম্মীসকলৰ প্ৰতি অকৃত্ৰিম মৰম প্ৰকাশ পোৱাৰ উপৰিও তেওঁৰ কাব্যৰ মূল সুৰ আৰু ব্যক্তিগত জীৱনৰ বৈশিষ্ট্যও ছাঁয়াময়াকৈ ধৰা পৰিছে। শেষত তেওঁ লিখিছে :

মেলানি মাগিলোঁ আজিলৈ
আন্ধাৰ পুৰীত থাকি
আন্ধাৰ সপোন দেখি
আন্ধাৰৰ ছবি আঁকি লৈ
উৰি উৰি যাওঁ দূৰলৈ ।।

দুৰৱাৰ সংস্পৰ্শলৈ অহা মানুহ ডিব্ৰুগড়ত অনেক আছে। তেওঁৰ কথা এতিয়াও তেওঁলোকৰ মনত সজীৱ হৈ আছে। তেওঁলোকৰ সৈতে কথা পাতিলে কবিৰ ব্যক্তিত্বৰ বিষয়ে বহুতো কথা জানিব পৰা যাব।

---

"দেশবাসীৰ হৃদয়ত স্বদেশ-প্ৰেম জগাব নোৱাৰিলে দেশে একতাৰ মোল নুবুজে। যেই কোনো দেশৰে একতা নাথাকিলে সেই দেশৰ মানুহে কোনো প্ৰকাৰে কোনো দিন উন্নতি সাধিব নোৱাৰে, ই বেদ-বাক্য। আত্ম-সন্মানৰ মূল্য নুবুজা জাতিক আন আন উন্নত জাতিয়ে কুকুৰৰ তুল্য জ্ঞান কৰে। এনে জাতি পৃথিবীৰপৰা একেবাৰে অন্তৰ্দ্ধান হোৱাও ভাল। লাজ-অপমান জ্ঞান যি জাতিৰ নাই, সেই জাতি মনুষ্য জাতিৰ ভিতৰত গণ্য নহয়। এইবিলাক কথা ভাবি আমি যেয়ে যিমান পাৰোঁ স্বাৰ্থ ত্যাগ কৰি স্বদেশৰ কল্যাণ সাধন কৰিবলৈ চেষ্টা কৰোঁ, আহা।"

—**৺কমলাকান্ত ভট্টাচাৰ্য্য**

---

# আধুনিক শিক্ষাব্যৱস্থাত লাইব্ৰেৰীৰ ব্যৱহাৰ

**অজিতকুমাৰ তালুকদাৰ**

মুষ্টিমেয় বুদ্ধিসম্পন্ন লোকেহে শিক্ষাৰ সুবিধা পোৱা নীতি মানৰ সমাজত অতীতৰ পৰা চলি আহিছে। আমাৰ দেশত সেই প্ৰথাৰ সম্পূৰ্ণ বিলোপ ঘটা বুলি এতিয়াও সতকাই কব নোৱাৰি। এনে মনোবৃত্তিয়ে ৰাজনীতি আৰু অৰ্থনৈতিক দিশত প্ৰভাৱ পেলাই সমাজৰ প্ৰগতিত বিলম্ব ঘটাইছে। ইয়াৰ আশু উন্নতিৰ বাবে সকলো নাগৰিকে মুকলিভাৱে শিক্ষাৰ সুবিধা পোৱা উচিত।

জন গাৰ্ডনাৰৰ মতে উচচ শিক্ষানুষ্ঠানৰ ঘাইকৈ তিনিটা দায়িত্ব থকা উচিত—গৱেষণা, শিক্ষা প্ৰদান আৰু সমাজৰ প্ৰতি কৰ্ত্তব্যজ্ঞান। শিক্ষক আৰু শিক্ষাৰ্থীয়ে জ্ঞান আহৰণত সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰিব পাৰিব লাগে। শিক্ষাৰ্থীক আত্মনিৰ্ভৰশীল কৰি সৃজনীশক্তি বঢ়াই আত্মবিকাশৰ সুযোগ দিব পাৰিলেই প্ৰকৃত শিক্ষা লাভ হোৱা বুলি কব পাৰি। এৰিষ্টটল আৰু লকেও চিত্তৰ উৎকৰ্ষ সাধন আৰু মানসিক শক্তিৰ বিকাশ শিক্ষাৰ মূল লক্ষ্য হোৱা উচিত বুলি কৈছে।

প্ৰাচ্যৰ শিক্ষাপদ্ধতি আধ্যাত্মিক আৰু নৈতিক ভাৱধাৰাত প্ৰতিষ্ঠিত। সেয়ে শিক্ষা সাং কৰি শিক্ষাৰ্থীয়ে কৰ্ম্মক্ষেত্ৰত দিশহাৰা হৈ পৰে। জীৱনৰ সৈতে বাস্তৱ পৃথিৱীখনৰ পৰিচয় হবলৈ শিক্ষাৰ আৱশ্যক। পৃথিৱীৰ অন্যান্য দেশবোৰৰ লগত খোজ মিলোৱাৰ প্ৰয়াসেৰে প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত গ্ৰহণীয় নীতি উদ্ভাৱন হোৱাত উদ্যোগ আৰু বিজ্ঞানৰ প্ৰতি ধাউতি ক্ৰমাৎ বাঢ়িছে।

ভাৰতীয় সমাজত অভিনৱ পদ্ধতিৰ লাইব্ৰেৰী নিচেই কম। তাকৰীয়া সংখ্যাৰ যিখিনি আছে, তাৰ ব্যৱহাৰ লক্ষ্য কৰিলেও সন্তুষ্ট হোৱাৰ সম্ভাৱনা নাই। এনে হোৱাৰ মূলতে হ'ল আমাৰ শিক্ষা ব্যৱস্থা উচচ মহলালৈকে পাঠদানতেই আবদ্ধ। জ্ঞান আহৰণ বা অন্বেষণত যথোচিত গুৰুত্ব দিয়া নহয়। শিক্ষকে পঢ়ায়, শিক্ষাৰ্থীয়ে পঢ়ে আৰু বছেৰেকৰ মূৰত পৰীক্ষা দিয়ে। এনে ব্যৱস্থাত বিদ্যাৰ্থীয়ে নিজাকৈ জ্ঞান আহৰণৰ কৌশল আয়ত্ত কৰিব নোৱাৰে।

স্কুল কলেজৰ শিক্ষা ব্যৱস্থাত জ্ঞান আহৰণৰ বাবে শিক্ষকে মাথোন বাটহে দেখুৱাই দিব পাৰে। সেইমতে শিক্ষাৰ্থীয়ে অধ্যৱসায় আৰু কঠোৰ সাধনাৰ ফলত জ্ঞানৰ সন্ধান পাব পাৰে। জ্ঞানৰ ভঁৰালত প্ৰবেশ কৰিবলৈ স্কুল বা কলেজীয়া শিক্ষা একোচা চাবি, লাইব্ৰেৰী অনুষ্ঠান জ্ঞানৰ ভঁৰাল।

আজিৰ এই আন্তৰ্জাতিক প্ৰতিযোগিতাৰ যুগত সকলো দেশৰ বৈজ্ঞানিকে নতুন আবিষ্কাৰৰ বাবে অহৰহ গৱেষণা চলাই আছে। গৱেষণালব্ধ জ্ঞানৰ চানেকি বাতৰি কাকত আৰু আলোচনীৰ জৰিয়তে প্ৰচাৰ হয়। নিৰ্দ্দিষ্ট বিষয় একোটা লৈ আলো-

চনা কৰা প্ৰবন্ধসমূহ আৰু আলোচনীবোৰৰ তালিকা প্ৰস্তুত কৰিবলৈ "ডকুমেণ্টেশ্যন" প্ৰথাৰ উদ্ভাৱন কৰিছে। ইয়াৰ ফলত ন গৱেষকসকলে অমূল্য সময় অযথা খৰচ নকৰাকৈয়ে থুপতে গৱেষণাৰ বিষয়ৰ প্ৰবন্ধ-পাতিৰ শুং-সূত্ৰ বিচাৰি লব পাৰে। সমপৰ্য্যায় বা একেটা বিষয়ত গৱেষণা কৰা বৈজ্ঞানিকসকলে সদ্য আবিকৃত জ্ঞানৰ সংবাদ পায় আৰু সেই জ্ঞানৰ সহায়ত কম সময়তে নতুন তথ্য আবিকাৰ সহজসাধ্য হৈ পৰে। পশ্চিমীয়া দেশবোৰত 'মাইক্ৰোফিল্ম'ৰ সহায়ত আখৰৰ আয়তন এশভাগৰ এভাগলৈ ৰূপান্তৰিত কৰি নিচেই কম ঠাইতেই আতি-গুৰি লগাই জ্ঞানৰ সমল সজোৱা থাকে। বৈদ্যুতিক 'কম্পিউটাৰ'ৰ সহায়ত এটি মাথোঁ বুটাম টিপিলেই নিমিষতে একোটা নিৰ্দ্দিষ্ট বিষয়ৰ আনুসঙ্গিক সকলো তথ্যৰ সন্ধেদ পোৱাৰ এয়া এক অভিনৱ উপায়। প্ৰয়োজন বুজি দূৰবৰ্ত্তী লোকলৈ 'মাইক্ৰোফিল্ম' নতুবা 'ফটোষ্টেটকপি'বো যোগান ধৰা হয়। ইউনেস্কোৰ কাৰিকৰী সাহায্যত ১৯৫২ চনত দিল্লীত নৱপ্ৰতিষ্ঠিত "ইন্‌সডক্"য়েও* ভাৰতীয় বিজ্ঞানৰ গৱেষণা আৰু অগ্ৰগতিত অতুলনীয় ভূমিকা গ্ৰহণ কৰি আহিছে।

কুৰি শতিকা মানৱ জাতিৰ প্ৰতিভাৰ অন্তহীন গৌৰৱৰ যুগ। ই এটি বিজ্ঞান আৰু বিশেষজ্ঞৰ যুগ। বিশ্বজ্ঞানৰ প্ৰতি আঁহে আঁহে লুকাই আছে নতুন জ্ঞানৰ সন্ধান, অজান অমৃতৰ ভাণ্ডাৰ। ধাৰাবাহিক অনুশীলন আৰু অক্লান্ত শ্ৰমৰ মৰ্য্যাদাৰে এই অমৃত পান সম্ভৱ হ'ব পাৰে। বিজ্ঞানৰ নিত্য-নতুন আৱিষ্কাৰ হৈয়েই আছে। পৃথিৱীৰ বিভিন্ন দেশত আবিষ্কৃত জ্ঞান আৰু বিজ্ঞানৰ বিষয়ে জানিবলৈ হ'লে কিতাপ আৰু আলোচনী পঢ়াৰ প্ৰয়োজন। সেইবোৰ পঢ়াৰ সজুঁলি লাইব্ৰেৰীত চকুপচাৰতে পাব পৰাকৈ বিজ্ঞানসন্মতভাৱে নিয়াৰিকৈ সজোৱা থাকে। জ্ঞান বিস্তাৰৰ বাবে লাইব্ৰেৰীৰ কিতাপ সজোৱা কোঠালৈ মুকলি প্ৰবেশৰ নিয়ম প্ৰচলিত হৈছে। পঢ়ুৱৈসকলে নিজ ইচ্ছাৰে আৱশ্যকীয় কিতাপ উলিয়াই লৈ পঢ়িব পাৰে। জ্ঞানৰ ভাণ্ডাৰৰ পৰা অজানিতে আঁতৰি থকা লোকক প্ৰয়োজনীয় আন্তৰিক প্ৰচেষ্টা আৰু ত্যাগৰ মহিমাৰে জ্ঞানৰ সন্ধান দিবলৈ লাইব্ৰেৰী কৰ্ম্মচাৰী সদায় সাজু থাকে। শিক্ষাব্ৰতীসকলে অবাধে সেই সুবিধা গ্ৰহণ কৰা উচিত।

আমাৰ সমাজত পঢ়া জীৱন শেষ হোৱাৰ লগে লগে কিতাপৰ জ্ঞানৰ লগত সম্পৰ্ক সম্পূৰ্ণ বিচ্ছেদ হৈ যায়। অধিক সংখ্যক লোকেই সৰু-সুৰা চাকৰিত সোমাই গতানুগতিক অহা-যোৱা জীৱন যাপন কৰে। অলাগতিয়াল আলোচনাৰে আজৰি সময়ৰ অপব্যয় হয়। এনে অভ্যাসে মানসিক চিন্তাৰ পৰিসৰ ঠেক কৰি আনে। অনৈতিকতাই লাই পায়। তেতিয়া সমাজখনো সীমাবদ্ধ হৈ পৰে। সমাজৰ সাধাৰণ মানদণ্ডৰ আৰু সৰ্ব্বাঙ্গীন উন্নতি সাধিবলৈ হলে এই শ্ৰেণীৰ মানুহে আজৰি সময়ত জ্ঞান আহৰণ কৰি মানসিক উৎকৰ্ষ সাধন আৰু সমাজ গঠনৰ বাবে সজাগ হ'ব লাগিব, দেশ-বিদেশৰ বা-বাতৰিৰে নিজক সদায় সময়োপযোগী কৰি ৰাখিব লাগিব।

ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত সৰ্ব্ববৃহৎ গণতান্ত্ৰিক দেশ। অৰ্হতাসম্পন্ন সকলোলোকৰ বাবে সমাজত শিক্ষালাভৰ ব্যৱস্থা নাথাকিলে গণতন্ত্ৰ কৃতকাৰ্য্য আৰু স্থায়ী হ'ব নোৱাৰে। মৌলিক চিন্তা আৰু ধাৰাবাহিক অনুশীলন অবিহনে শিক্ষাত বিভ্ৰাট ঘটা স্বাভাৱিক। বৰ্ত্তমান সমাজ ব্যৱস্থাৰ প্ৰতি অসন্তোষ আৰু অনাস্থাৰ ফলতে দেশত ছাত্ৰশক্তি আন্দোলনমুখী হৈছে। ইয়াৰ প্ৰতিকাৰ কৰিবলৈ হলে, পঢ়ুৱৈৰ মনত শিক্ষাৰ প্ৰতি প্ৰগাঢ় ধাউতি আৰু অনুসন্ধিৎসা বঢ়াবলৈ সমাজসেৱী আৰু শিক্ষাবিদসকল তৎপৰ হব লাগিব। শিক্ষক আৰু লাইব্ৰেৰীৰ সহায় লৈ বিদ্যাৰ্থীয়ে জ্ঞান আৰু গৱেষণাত মনোযোগ দিলে বিক্ষোভকাৰী ছাত্ৰশক্তিৰ মেধা সৎকামত নিয়োজিত হব, সমাজৰ মৰ্য্যাদা আৰু শিক্ষাৰ মান অচিৰে উন্নত হোৱাৰ প্ৰধান অন্তৰায় আঁতৰিব। এতিয়া শিক্ষিতৰ সংখ্যাতকৈ শিক্ষাৰ গুণাগুণৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ সময় হ'ল।

*INSDOC—Indian National Scientific Documentation Centre.

# স্মৃতিৰ দাপোণত

## ডিব্ৰুগড় হনুমান বক্স সুৰুযমল কানৈ মহাবিদ্যালয়

অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

স্মৃতিৰ দাপোণ। সঁচাকৈয়ে ই এক অদ্ভুত বস্তু। কত মানুহৰ মুখ-ছবি, কত সুখ-দখ এই দাপোণত প্ৰতিবিম্বিত হয়। আনন্দৰ দিনত ই আনন্দ বঢ়ায়, দুখৰ দিনত দুখ দূৰ কৰে।

কানৈ মহাবিদ্যালয়ৰ ছবিখন সেই দাপোণৰ বুকত উজ্জ্বল হৈ আছে। ১৯৪৫ চনৰপৰা আৰম্ভ কৰি ১৯৬৫ চনলৈকে এই দুই দশকৰো বেচি দিনৰ কত স্মৃতি মনৰ দাপোণত প্ৰতিফলিত হৈছেহি--যেন পৰিচিত সহৃদয় মুখবোৰৰ এক বিৰাট শোভাযাত্ৰা চলিছে। মহাকবি মিল্টনৰ উক্তিৰ ভাবানুবাদ কৰি কবলৈ ইচ্ছা যায় যে প্ৰাণৰ আবেগবোৰ প্ৰকাশৰ আকুলতাৰে অধীৰ হৈ পৰিছে।[1] এটা মাথোন প্ৰবন্ধৰ জৰিয়তে সেই বিৰাট শোভাযাত্ৰাৰ বৰ্ণনা সম্ভৱপৰ নহয়। ডিব্ৰুগড়লৈ আহি কানৈ মহাবিদ্যালয়ৰ সেৱাত আত্মনিয়োগৰ কালছোৱাত স্মৃতিৰ দাপোণত যি ছবি আৰু ঘটনা প্ৰতিফলিত হৈছে, তাৰেই দুই এটা কথা কবলৈ চেষ্টা কৰা যাওক।

প্ৰথমতেই কব লাগিব, অসমৰ ভূতপূৰ্ব্ব শিক্ষামন্ত্ৰী ৺ছৈয়দুৰ ৰহমান চাহাবৰ কথা। তেখেতৰ লগত যোগাযোগ যেন এক অদ্ভুত কথা। কাৰণ তেখেত মুছলীম লীগৰ সদস্য আছিল আৰু মোৰ বদনাম আছিল "Gandhi blind" বুলি। তেখেতে স্বদেশী উচ্চ ইংৰাজী বিদ্যালয়ৰ নতুন কৰ্ম্ম আঁচনিত মোৰ লিখনী আৰু অঙ্কন ইত্যাদিৰ পুৰস্কাৰ স্বৰূপে মোক ডিব্ৰুগড় চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়লৈ ইংৰাজীৰ শিক্ষক হিচাবে লৈ অহাটো তেখেতৰ গুণগ্ৰাহিতাৰ এক অপূৰ্ব্ব উদাহৰণ।

১৯৪৫ চনৰ ১ চেপ্তেম্বৰত মোৰ জীৱন পথত ডিব্ৰুগড় অধ্যায়ৰ প্ৰথম সূচনা হয়। প্ৰথমতেই যিজনৰ চিত্ৰ সেই অধ্যায়ত অঙ্কিত হৈছে, তেখেত হ'ল শ্ৰীভৱেশ চন্দ্ৰ মুখোপাধ্যায় মহোদয়। তেখেতৰ পৰাই শুনিবলৈ পালোঁ, অলপতে স্থাপিত হোৱা ডিব্ৰুগড় কলেজৰ অধ্যক্ষ শ্ৰীযোগীৰাজ বসু, উপাধ্যক্ষ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, অধ্যাপক উমাপ্ৰসন্ন দে, নিৰ্ম্মল কুমাৰ বসু আৰু সুশীল চন্দ্ৰ দত্ত আদিৰ কথা। মনৰ দাপোণত তেওঁলোকৰ অস্পষ্ট চেহেৰা যেন প্ৰতিফলিত হ'ল। অস্পষ্ট। কাৰণ তেওঁলোকৰ প্ৰত্যক্ষ সান্নিধ্যলৈ অহাৰ সুযোগ তেতিয়ালৈ পোৱা নাই; অথচ এটা আকাংক্ষা জাগি উঠিছে অৱচেতন মনত। ইয়াৰ কাৰণো মনৰ গভীৰতম স্থানত নীৰৱে লুকাই আছিল। অধ্যাপকৰ যোগ্যতা লাভৰ বাবেই জানো আশৈশৱ সামাজিক আৰু অৰ্থনৈতিক অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি জীৱনটো গঢ়ি তোলা নাই? যিজন পূজনীয় অধ্যাপকৰ প্ৰথম দৰ্শনৰ পৰাই মোৰ অন্তৰত সেই আকাংক্ষা জাগি উঠিছিল, সেই মহান শিক্ষা গুৰুদেৱৰ[2] সৌম্যকান্তি চেহেৰাটি মনৰ দাপোণত এই প্ৰসঙ্গত ভাস্কৰ হৈ উঠিছে। তেখেতলৈ সকৃতজ্ঞ প্ৰণাম নিবেদন কৰিছোঁ।

১। Teeming thoughts are knockling at the portal of my lips.
২। কুমিল্লা ভিক্টোৰিয়া কলেজৰ ইংৰাজী সাহিত্য বিভাগৰ অধ্যক্ষ ৺জ্যোৎস্নাময় বসু।

ঈশ্বৰৰ বিধান অবোধ্য। ডিব্ৰুগড় কলেজ আৰু তাৰ কৰ্তৃপক্ষৰ সান্নিধ্যৰ সুযোগ নিজে নিজেই উপস্থিত হ'ল। অধ্যক্ষ যোগীৰাজ বসু মহোদয় অসুস্থ হৈ মিহিজামলৈ গ'ল বিশ্ৰাম আৰু চিকিৎসাৰ বাবে। অধ্যাপক উমাপ্ৰসন্ন দে মহোদয় কলিকতাত গৈ থাকিব লগা হ'ল বিশেষ জৰুৰী ঘৰুৱা কামত। নতুনকৈ ইংৰাজী পঢ়ুওৱা মানুহ নাই। গতিকে নিতান্ত অপ্ৰত্যাশিতভাৱে আমন্ত্ৰণ আহিল কলেজৰ সম্পাদক আৰু সংগঠক শ্ৰীঅশ্বিনী চৰণ চৌধুৰীৰপৰা সম্পূৰ্ণ অবৈতনিকভাৱে কলেজক সহায় কৰি দিবলৈ—ইংৰাজী আৰু লগতে বঙলা সাহিত্যৰ অধ্যাপনাৰ দ্বাৰা। এইদৰে ডিব্ৰুগড় মহাবিদ্যালয়ে এজন দীন সেৱকক নিজৰ সেৱাত নিযুক্ত কৰি ল'লে আৰু মহাবিদ্যালয়ৰ সৈতে পৰিচয়ৰ মহূৰ্তৰ পৰাই মহাবিদ্যালয়লৈ মোৰ সকলো প্ৰীতি, সকলো মৰম আৰু সেৱা অধিকাৰ কৰি ল'লে। এই আপোন কৰি লোৱাৰ কৃতিত্ব মোৰ নহয়, ই কলেজৰ পৰিবেশ, ছাত্ৰবৃন্দ আৰু মৰমিয়াল সহকৰ্ম্মীবৃন্দৰ। মোৰ প্ৰথম দিনৰ প্ৰথম পৰিচয় স্মৃতিৰ দাপোণত আজি জিলিকি উঠিছে। শ্ৰেণীত ১৮ জন বিদ্যাৰ্থী, প্ৰায় সকলোৱেই অফিচত কাম কৰি পঢ়ে, ৰাতিপুৱা মহাবিদ্যালয়ত বহে। ছাত্ৰসকল প্ৰায় মোৰ বয়সীয়াই। কিন্তু জ্ঞানাৰ্থী, ভদ্ৰ, বিনয়ী। জৰ্জ ইনষ্টিটিউচনৰ একেবাৰে পূব ফালৰ কোঠাত আমাৰ মহাবিদ্যালয়।

১৯৪৫ চনৰ ২৭ নৱেম্বৰ। ডিব্ৰুগড় কলেজৰ লগত প্ৰথম পৰিচয়ৰ প্ৰথম ক্ষণত অধ্যাপক হিচাবে সুলভ উপদেশ বিতৰণ নকৰি এই অধ্যাপনাৰ সৌভাগ্য বিধাতাৰ দান বুলি গ্ৰহণ কৰিছিলোঁ আৰু বিদ্যাৰ্থীসকলৰ সহযোগিতাৰ কামনাৰে প্ৰথম যি বক্তৃতা দিছিলোঁ, তাৰ প্ৰতিটো আখৰলৈকে মোৰ স্মৃতিৰ দাপোণত চিৰদিনৰ কাৰণে অঙ্কিত হৈ আছে। ছাত্ৰসকলৰ প্ৰতিখন মুখেই যেন আজি আকৌ নতুনকৈ দেখিছোঁ। মৌন ভাবেৰে তেওঁলোকক শুভেচ্ছা জনাইছোঁ। মোৰ আজি আত্ম-গৌৰৱৰ সীমা নাই। কাৰণ এই প্ৰথম বছৰৰ ছাত্ৰসকলৰ প্ৰায় সকলোৱেই জীৱনৰ নানা ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছে।

কিছুদিনৰ পিচতেই আছিল সৰস্বতী পূজা। যুৱক ছাত্ৰবন্ধু সকলৰ লগত যুৱক শিক্ষকৰ আত্মনিয়োগত আয়োজিত হ'ল প্ৰদৰ্শনী। এই প্ৰদৰ্শনীত আমাৰ হাতে অঙ্কিত নানা ছবি আৰু নাৰিকলৰ পৰা তৈয়াৰ কৰা বিচিত্ৰ ফুল যি ফুলত লিখা আছিল— "Not to be touched but to be tested" প্ৰদৰ্শিত হৈছিল। আৰু সেই উপলক্ষে অসমৰ ভূতপূৰ্ব্ব চীফ ইঞ্জিনীয়াৰ শ্ৰীৰমেশ চন্দ্ৰ মহোদয়ৰ পৰা উপহাৰ স্বৰূপে পোৱা 'মগন চৰখাত' দুই ভৰিৰে পেডেল মাৰি দুই হাতেৰে সূতা কটা প্ৰদৰ্শন কৰি লিখকে সকলো ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃপক্ষৰ প্ৰশংসা লাভ কৰিছিল।

ডিব্ৰুগড় মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষৰ অনুৰোধ আছিল বিদ্যালয়ৰ সেৱাত নিজৰ ভাগ্যক সম্পূৰ্ণভাৱে জড়িত কৰি দিবলৈ। চৰকাৰী চাকৰি এৰি সেই অনুৰোধ ৰক্ষা কৰিলোঁ। ডিব্ৰুগড়ৰ বিশেষকৈ কানৈ মহোদয়ৰ নামাঙ্কিত কলেজখনৰ স্বৰ্ণ সূত্ৰেৰে যি বান্ধ খালোঁ, সেই বান্ধোন গোটেই জীৱন ফুলৰ মালাৰ বন্ধনৰ নিচিনাকৈয়ে মনোৰম হৈ থাকিব। দুই এপাহ ফুলৰ ভিতৰত একোপাহক কীটে দংশন কৰিলেও সেই পুষ্পহাৰৰ সৌৰভ সৌন্দৰ্য্য জীৱন পথত পোৱা প্ৰথম পুৰস্কাৰ মই গ্ৰহণ কৰিছিলোঁ।

পৰশমণিৰ স্পৰ্শত লো সোণলৈ ৰূপান্তৰিত হোৱাৰ দৰে কানৈ মহোদয়ৰ সংস্পৰ্শত এসময়ৰ ডিব্ৰুগড় কলেজে হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয় নামেৰে নতুন জীৱন লাভ কৰিলে। মহাবিদ্যালয়ৰ আৰ্থিক আৰু সাংস্কৃতিৰ ক্ৰমোন্নতিৰ পথ প্ৰশস্ত হৈ উঠিল। আৰু লগতে ছাত্ৰ-শিক্ষকৰ সহৃদয় আত্মীয়সুলভ এটা আদৰ্শ সম্বন্ধ গঢ়ি উঠিছিল। মন দাপোণৰ ওপৰত চকু দিওঁতেই দেখিছোঁ, চাং বঙলাৰ (পূৰ্ব্বৰ বালিকা বিদ্যালয়) প্ৰাঙ্গনত অনুষ্ঠিত হোৱা সৰস্বতী পূজা আৰু ইয়াৰ পিচত প্ৰতিমা শোভা-যাত্ৰাৰ কথা। কাক দেখিছোঁ? অধ্যক্ষ-উপাধ্যক্ষ আৰু অধ্যাপক নিৰ্ম্মল বসু প্ৰমুখ্যে অধ্যাপক বৃন্দ নহয়নে? কোনে খোল বজাই কীৰ্ত্তন কৰি গৈ আছে ছাত্ৰ-ছাত্ৰীসকলৰ লগত? কোন সেয়া? লেখকৰ নিজৰ মুখখন যেন দাপোণত ভাহি উঠিছেহি। আৰু ছাত্ৰসকল? তেওঁলোকে অকৃত্ৰিম সহৃদয়তাৰে কীৰ্ত্তন কৰি যোৱা



নাইনে? নক'লেও বোধকৰোঁ হ'ব যে এনে এজন ছাত্ৰৰ ছবি স্মৃতিৰ দাপোণত প্ৰতি-ফলিত হোৱা নাই যিয়ে অদ্ভুত চিঞৰ-বাখৰ কৰি আই সৰস্বতীৰ প্ৰতি বিন্দুমাত্ৰ অসৌজন্য প্ৰকাশ কৰিছে। হায়! ক'ত হেৰাই গ'ল সেই দিনবোৰ!

কেৱল মাত্ৰ সৰস্বতী পূজাই নহয়; আমাৰ কৰ্ম্ম প্ৰচেষ্টা আছিল বহুমুখী। ছাত্ৰ আৰু শিক্ষকৰ সম্বন্ধ আছিল অতি ঘনিষ্ঠ। মনৰ দাপোণত ভাঁহি উঠিছে জৰ্জ ইন্‌ষ্টি-টিউচনৰ খেল পথাৰৰ ছবিখন। Tag of war অৰ ছবি। ৰচীডালৰ দুইফালে গুৰি ধৰোঁতা অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়। আমি অধ্যাপকসকলে দুই দলত বিভক্ত হৈ ৰচি টানিবলৈ ধৰিলোঁ। কোৱা বাহুল্য উপাধ্যক্ষৰ দলৰ জয় জয়কাৰ। দৌৰ, ক্ৰিকেট খেল ইত্যাদিতো অধ্যাপক সকলে অংশ গ্ৰহণ কৰিছিল। অধ্যাপক (সকল) কল্যাণ বৰুৱা, নবীন দত্ত, আয়াৰ, উপাধ্যায় প্ৰভৃতি আৰু লেখকৰ দৌৰ প্ৰতিযোগিতাত অংশ গ্ৰহণে সেই দিনবোৰত বহুদৰ্শকৰ আনন্দ আৰু হাঁহিৰ খোৰাক যোগাইছিল।

আৰু দুটা অনবদ্য চিত্ৰ মনৰ দাপোণত ভাঁহি উঠিছে। এটা হ'ল নতুন কলেজ ভৱনলৈ অহাৰ পিচত Mock parliament অৰ অনুষ্ঠান। ইয়াৰ বাবে কৃতিত্ব দাবী কৰিব পাৰে অধ্যাপক কমলাক্ষ ভট্টাচাৰ্য্য আৰু অধ্যাপক বিষ্ণু চক্ৰৱৰ্ত্তী আদিয়ে। লেখকেও যে সক্ৰিয় অংশ ল'ব পাৰিছিল সেই ভাবি আজিও মন আনন্দেৰে ভৰি উঠে। আনটো চিত্ৰ আৰু মধুৰ। এই লিখকে এটাৰ পাচত এটাকৈ যোগাসন দেখুৱাই শেষত গৰুড়াসনত নমস্কাৰ জনাই আছে আৰু অধ্যাপক আয়াৰে শীৰ্ষাসনত বহি এটাৰ পিচত এটা সংস্কৃত শ্লোক গাই আছে।

মনৰ দাপোণত ভাঁহি উঠিছে ১৯৫৮ চনৰ ২৯ ডিচেম্বৰৰ দিনটো। সিদিনাৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ সৌম্য মূৰ্ত্তি আৰু অগণন নৰ-নাৰীৰ মিচিল। দুকাণত বাজি আছে অপূৰ্ব্ব বক্তৃতাৰ প্ৰতিটি শব্দ। ভাঁহি আছে তাৰ আগৰাতিটো যিটো ৰাতিত এই লিখকে আল্পনা আঁকি আঁকি উজাগৰি যামিনী যাপন কৰিছে।

দাপোণত প্ৰতিবিম্বিত হৈছে মোৰ সহকৰ্ম্মীসকল। তেওঁলোকৰ বহুতো এতিয়াও শিক্ষাদান কাৰ্য্যত নিযুক্ত হৈ আছে। কিছুমানে ইয়াতেই, কিছুমানে বাহিৰৰ অইন অইন শিক্ষানুষ্ঠানত। কেইগৰাকীমান আমাৰ মাজৰ পৰা আঁতৰি গৈছে চিৰদিনৰ বাবে। সিসকলৰ ভিতৰত ডিব্ৰুগড়ৰ কৃতী সন্তান ৺বেনুধৰ ৰাজখোৱা দেৱ। সদা হাস্যময় ৺দীনেশ চন্দ্ৰ তামূলী, কবিবৰ ৺যতীন্দ্ৰ নাথ দুৱৰা। আনন্দ কৌতুক প্ৰিয় ৺ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ আকস্মিক মৃত্যুত যেন এটি উজ্জ্বল জ্যোতিকৰ পতন হ'ল। আজীৱন দুখ কষ্টৰ লগত যুজি যুজি, সিদিনা মাথোন এই মহাবিদ্যালয়ৰে পৰা কৃতিত্বৰে (১ম শ্ৰেণীৰ ২য় স্থান) সংস্কৃতত স্নাতকোত্তৰ পৰীক্ষা পাছ কৰি অধ্যাপক ৰূপে কামত সোমোৱাৰ মাত্ৰ ছমাহ পিচতে দুৰাৰোগ্য ৰোগে আমাৰ মাজৰ পৰা নিলে অধ্যাপক ৺নীলকণ্ঠ চক্ৰৱৰ্ত্তীক। ই বৰ কৰুণ। পণ্ডিত প্ৰৱৰ, মিঠা হাঁহি মুখেৰে আশুতোষ বিশ্বাস আমাৰ মাজৰ পৰা আঁতৰি গ'ল। মৃত্যুৰ পিচত লাভ কৰিলে ডক্টৰেট ডিগ্ৰী। এই আনন্দ জীৱন কালত উপভোগ কৰি যাব নেপালে। বিশ্বাস অকল পণ্ডিতেই নহয়, তেখেত আছিল ভাল ক্ৰিকেট খেলুৱৈ।

১৯৫৬ চনত ইউৰোপৰ পৰা উভতি আহি সংস্কৃত নাটকৰ আয়োজন কৰিলোঁ মই। স্মৃতিৰ দাপোণত "ক্ষুত ক্ষেমিয়ম্" নামেৰে নাটকখন যেন এই মুহূৰ্ত্তত মঞ্চস্থ হোৱা দেখিছোঁ। মই বিদুষক ৰূপেৰে বিশেষ কৌতুক ভঙ্গীৰে বিশ্বাস ডাঙৰীয়াক সুধিছোঁ, "স্বাগতং ব্ৰাহ্মণস্য। অপিনিমন্ত্ৰিত ভবান?" আৰু ব্ৰাহ্মণৰূপী তেখেতে পৰম আনন্দত উত্তৰ দিছে। তেখেতক আকৌ দেখিছোঁ যমৰাজ বেশেৰে। দেখিছোঁ অধ্যাপক আয়াৰ মহোদয়ক, অধ্যাপক উপাধ্যায় ডাঙৰীয়াক, গ্ৰন্থাগাৰিক পুণ্যধৰ ৰাজ-খোৱাদেৱক আৰু ইংৰাজীৰ অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্যদেৱক। আৰু যি দুই এবাৰ সংস্কৃত একাঙ্ক নাটক মঞ্চস্থ কৰা হ'ল তাত সদায় পৰম সহায়ক ৰূপে দেখিছোঁ—অধ্যাপক আয়াৰক, অধ্যাপক উপাধ্যায় আৰু সৰ্ব্বোপৰি অধ্যাপক বিশ্বাস মহোদয়ক।

নাটকৰ চিত্ৰখন চাওঁতেই আৰু এখন চিত্ৰ যেন ভাঁহি উঠিছে। কি নাটক ? Macbeth ? হয় । কিন্তু Shakespearৰৰ Macbeth নহয় । অভিনয়ত মোৰ লগত এজন মাত্ৰ ছাত্ৰৰ মুখ স্পষ্টভাৱে চিনিব পৰা হৈছে সেয়া হ'ল—শ্ৰীমান বনোৱাৰী-লাল হানচাৰিয়াৰ ।

ইউৰোপ ভ্ৰমণলৈ ওলোৱা সময়ত মোৰ ছাত্ৰসকলে গম পালে যে এই দুখীয়া অধ্যাপকজনে বৰ কষ্টেৰে ইউৰোপলৈ যাবলৈ ওলাইছে। তেওঁলোক মোৰ ওচৰ চাপি ধন সংগ্ৰহৰ অনুমতি বিচাৰিলে। মই অভিভূত হ'লোঁ। Morning Glow নামৰ গ্ৰন্থ এখন লিখি তেওঁলোকৰ হাতত দিলোঁ। তাকে বিক্ৰি কৰি মোক প্ৰায় এমাহ চলিব পৰাকৈ টকা যোগাৰ কৰি দিলে। স্থানাভাৱত সিসকলৰ নামোল্লেখ সম্ভৱ নহ'ল। অধ্যাপক আয়াৰে অধ্যাপক সকলৰ পৰা বৰঙনি তুলি এটি ধনৰ মোনা বিদায় সম্বৰ্দ্ধনা সভাত মোৰ হাতত দিলে। সেই সভাখন মোৰ বাবে চিৰস্মৰণীয়, কাৰণ তাত উপস্থিত আছিল মোৰেই শিক্ষাগুৰু শ্ৰীঅতুল চন্দ্ৰ বন্দোপাধ্যায় বিদ্যাৰত্ন ।

এই প্ৰসঙ্গত বিদেশত থকা কালৰ ছবি ভাঁহি উঠিছে। বিদেশতো প্ৰতিটো কৰ্ম্মৰ, প্ৰতিটো প্ৰচেষ্টাৰ মাজতে এটা আকাঙ্ক্ষা লুকাই আছিল। সি হ'ল কেতিয়া ডিব্ৰুগড়লৈ উভতি আহিম কেতিয়া দেখিমহি মহাবিদ্যালয়ৰ নতুনকৈ সাজি তোলা ভৱন। কি গভীৰ আকৰ্ষণ ডিব্ৰু আৰু তাৰ পাৰত প্ৰতিষ্ঠিত হোৱা এই মহা-বিদ্যালয়ৰ! লণ্ডনৰ পৰাও যে ক্ষণে ক্ষণে মনটো উৰি আহিছে কল্পনা লোকৰ ভৱনটোলৈ। কাৰণ ভৱনটোৰ নিৰ্ম্মাণ কাৰ্য্য চলিয়ে আছিল ।

দেশলৈ উভতি অহাৰ পিচত এটা শুভক্ষণত কানৈ মহাবিদ্যালয় বৰ্ত্তমান সুন্দৰ ভৱনলৈ স্থানান্তৰিত কৰা হ'ল। ইয়াত আমাৰ উৎসাহ নানা ভাৱে সক্ৰিয় হ'ল। এইখিনিতে দুই চাৰিটি ছবি বেচি জিলিকি উঠিছে। শ্ৰীমান দুৰ্গাপ্ৰসাদ মজুমদাৰ প্ৰভৃতি কেইজনমান ছাত্ৰক লৈ কৰা নাটক "rising of the moon" অত। পগলা-বেশে বিপ্লৱী মই আৰু পুলিচ ছাৰ্জেণ্ট ৰূপী দুৰ্গা মজুমদাৰৰ পিঠিত পিঠি দি ৰহি পলাতক বিপ্লৱী নেতাৰ পলায়নৰ বাট সুগম কৰি দিবলৈ আইৰিচ্ বিপ্লৱী বিলাকক নিন্দা কৰিছোঁ। আৰু এখন ছবি মঞ্চৰ ওপৰত। অধ্যাপক সুনীল বৰঠাকুৰ আৰু কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠিত কৰা "Abu Hassan pays his debt" নামৰ পাৰস্যৰ ঘটনা লৈ লিখা এখন একাঙ্ক নাটিকা। বৃদ্ধ চুলতানৰূপে এই লেখকৰ তাত আবিৰ্ভাৱ। মনটো উৰি গৈছে সেই অতীতৰ দিনবোৰলৈ ।

সেয়া অতীতৰ দিনবোৰ। কি আনন্দ, কি অনুপ্ৰেৰণা যোগাইছিল এই মহাবিদ্যা-লয়খনে। সেই আনন্দানুভূতি আজিও হৃদয় ব্যাপ্ত হৈ আছে। সেই সময়ত কৰ্তৃপক্ষ আৰু অধ্যাপক সকল আৰু ছাত্ৰৰ মাজত যি ভাতৃত্ব, বন্ধুত্ব জাগি উঠিছিল, সি আমৃত্যু সেউজবুলীয়া হৈ ৰব।

স্মৃতিৰ দাপোণত আজি ভাঁহি উঠিছে আইথান ভ্ৰমণৰ ছবি। এই ভ্ৰমণত লক্ষ্মী-প্ৰসাদ দত্তৰ নেতৃত্ব, অধ্যক্ষ বসুৰ শান্ত হাঁহি ভৰা বচন ভঙ্গী, অধ্যাপক বসুৰ সুমিষ্ট বাক্যবিন্যাস, সুশীল দত্তৰ উদাত্ত কণ্ঠৰ খোলা হাঁহি, ৺ভূপেন চৌধুৰী, কল্যাণ বৰুৱা, হাছান, নবীন দত্ত, দুৰ্গা চক্ৰৱৰ্ত্তী আদিৰ আনন্দোৎসাহ, নৰেন চৌধুৰীৰ বাস্তৱ বুদ্ধি প্ৰকাশকাৰী বিশিষ্টভঙ্গীৰ মৃদুভাষণ, উপেন্দ্ৰ গোস্বামীৰ বহুক্ষণ স্থায়ী হাঁহি, ৺আশু বিশ্বাসৰ পাঁচ মহলীয়া হাঁহি আৰু বিষ্ণু চক্ৰৱৰ্ত্তী, শৈলেন বৰুৱাৰ হাস্য পৰিহাসৰ ছবিয়ে দাপোণত ভিৰ কৰিছেহি। ইয়াৰ উপৰিও আমনি কৰি আছে বাৰে বাৰে শ্ৰীউমাপ্ৰসন্ন দে, চানক্য সদৃশ বুদ্ধিদীপ্ত মনীন্দ্ৰ চক্ৰৱৰ্ত্তী, আজন্ম সংগ্ৰামী সংগ্ৰাম ৰয়, তীক্ষ্ণধী কমলাক্ষ ভট্টাচাৰ্য্য, মধুভাষী সুগায়ক তফজুল আলি আদিৰ ছবিবোৰে।

এয়া অগণন ছাত্ৰ-ছাত্ৰীৰ মুখচ্ছবিয়ে মনৰ দাপোণত ভিৰ তুলিছেহি। এওঁলোকৰ ছবিবোৰ উজ্জ্বল। এয়া মই স্পষ্ট দেখিছোঁ দিনৰেই হওঁক বা ৰাতিৰেই হওঁক শ্ৰেণীত যে ৰেখা আৰু চিত্ৰৰ সহায়েৰে নিৰস গদ্যক সৰস পদ্যৰ দৰে তোমালোকক বুজাই দিবলৈ চেষ্টা কৰিছোঁ। তোমালোকে যেন বুজিছা। কেতিয়াবা ব্যঙ্গৰে তোমালোকক সমালোচনা কৰিলেও যেন তোমালোকে মোক বেয়া পোৱা নাই, বৰং আনন্দৰে প্ৰকাশ কৰিছা। তোমালোকৰ মৰম, তোমালোকৰ সহযোগিতাৰ বাহিৰে কোনো বেয়া ভাবৰ অভিব্যক্তিৰ কোনো অভিজ্ঞতা মোৰ স্মৃতিৰ দাপোণত ভাঁহি উঠা নাই। ষাঠি চনত তোমালোকে নিশা মোক দলবান্ধি ঘৰত থৈ যোৱা ছবি জানো মছ খাব পাৰে ? তোমা-লোকৰ সেৱাই মোৰ ঈশ্বৰৰ সেৱা—এই ভাবেৰে মই শ্ৰেণীলৈ গৈছিলোঁ। সেয়ে আজিও মই কৃতজ্ঞ যে মোৰ প্ৰকৃত কাৰ্য্যত তোমালোকে উদগনি যোগাই আহিছা। জীৱনৰ নানা স্থানত প্ৰতিস্থা লাভ কৰাৰ পিচতো আজি যেনি যাওঁ তেনিয়ে তোমালোকৰ মৰম সহায়ে মুগ্ধ কৰে। দূৰণিৰ পৰা আহি লগোৱা এষাৰ মাতে স্বৰ্গ নমাই আনে। আন-হাতে দুই এজনে বেয়া কামত লিপ্ত হোৱা দেখিলে মনত দুখ পাওঁ গভীৰ ভাৱে।

আৰু এখন ছবি—মনৰ দাপোণৰ। মোৰ বিভাগটোৰ। জিলিকি উঠিছে প্ৰতিজন সহকৰ্ম্মীৰ ছবি। ব্ৰজেন দাস, সুধাকৰ পাণ্ডে, প্ৰভুনাথ সিং, সুনীল বৰঠাকুৰ, যাদৱ বৰুৱা, মোৰেই কৃতী ছাত্ৰী-পদ্মিনীৰ সহায় সাৰথিৰ কথা চিৰদিন ৰৈ যাব মনৰ মাজত।

এই প্ৰসঙ্গ এতিয়ালৈ ইমানতে সামৰা হ'ল। হে ছাত্ৰ সমাজ। তোমালোক মোৰ হৃদয় জুৰি আছা। এই মহাবিদ্যালয় মোৰ জীৱনৰ পুণ্যতীৰ্থ ক্ষেত্ৰ। আজিও ইয়াৰ সেৱক ৰূপে আত্মতৃপ্তি লভো।

আজি এই ৰূপালী জয়ন্তীৰ পুণ্যক্ষণত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ—আদৰ্শ অধ্যাপক, অধ্যাপিকা সকলৰ পাণ্ডিত্যপূৰ্ণ সেৱাৰে পূত আৰু শত শত কৃতী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাদীপ্ত, পুণ্য প্ৰচেষ্টা, ধন্য হে হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়, তুমি উত্তৰোত্তৰ শ্ৰীবৃদ্ধি লাভ কৰা, জীৱনৰ শেষ মূহূৰ্ত্তলৈকে পুণ্যতীৰ্থৰূপে তুমি মোৰ হৃদয়ত অধিষ্ঠিত হৈ থাকা।

মই জানো—

"Whenever I go  
Thy genuine image oh Kanoi College !  
Will dwell with me to heighten joy,  
And cheer my mind in sorrow.

---

"আমাৰ কবিতাৰ প্ৰেৰণা যোগাবলৈ যদি ভল্গা নহলে নহয়, নাৰী সৌন্দৰ্য্যৰ বৰ্ণনা দিবলৈ যদি হেলেন-ক্লিয়পেট্ৰা নহলে নহয়, ৰত্নগৰ্ভা, অন্নদায়িনী, প্ৰাণদায়িনী মাতৃ বসুন্ধৰাক বন্ধ্যা পৃথিৱী নুবুলিলে যদি পৃথিৱীৰ প্ৰতি উপযুক্ত সম্বোধন নহয়, তেন্তে সেই কবিতাই, সেই সাহিত্যই আমাৰ মনত কি গভীৰ সাঁচ বহুৱাব ? কবিতাৰ আধুনিক —পৌৰাণিক নাই, ৰোমাণ্টিক ইলিয়টী নাই। য'ত কবিতাৰ সন্মোহিনী গুণ আছে, সেয়ে কবিতা।"

—অতুল চন্দ্ৰ হাজৰিকা

# “ডিব্ৰুগড়ৰ ‘টাইমচ্ অব্’ আৰু বশম্বদ মিত্ৰ”

—ভীমকান্ত কোঁৱৰ

এই শিতানত—অসমৰ সাংবাদিকতাৰ বুৰঞ্জীলৈ ডিব্ৰুগড়ৰ কেইটিমান উল্লেখনীয় অৱদান, ৰাধানাথ চাংকাকতি, “টাইনচ্ অব্ আসাম’, আৰু বশম্বদ মিত্ৰৰ চমু জীৱনী আৰু প্ৰতিভা সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হ’ব।

অসমৰ সংবাদ-পত্ৰৰ বুৰঞ্জী আলোচনা কৰি চালে দেখা যাব বিংশ শতাব্দীৰ দ্বিতীয় দশকলৈকে সম্পূৰ্ণ ইংৰাজীত আৰু বিশেষকৈ দীৰ্ঘকাল স্থায়ী হোৱা কোনো সাপ্তাহিক, পষেকীয়া বা মাহেকীয়া কাকত ওলোৱা নাছিল। এই ক্ষেত্ৰত অসমক নেতৃত্ব দিছিল ডিব্ৰুগড়ে। সু অতীত ১৮৮৮ খৃষ্টাব্দতে ডিব্ৰুগড়ৰপৰা সম্পূৰ্ণ ইংৰাজীত সাপ্তাহিক টাইমচ্ অব্ আসাম’ কাততৰ জন্ম হৈছিল। ইয়াতকৈও মন কৰিবলগীয়া বিষয়, এই যে কাকতখন একেজন প্ৰশাসক, স্বত্বাধিকাৰী আৰু সম্পাদকে একেৰাহে ৩৫ বছৰ কাল সণ্চালনিকৈ চলাইছিল আৰু ই খণ্ডা নিছিগাকৈ সুদীৰ্ঘ ৬২ বছৰ কাল প্ৰকাশিত হৈ আছিল। এই কাকতখনৰ বাদে অসমৰ সংবাদপত্ৰৰ বুৰঞ্জীত ইমান দিন প্ৰকাশিত আৰু প্ৰচলিত হৈ থকা আন কোনোখন বাতৰি কাকতহে নালাগে আলোচনী কাকতৰো উদাহৰণ দিবলৈ নাই। এই কাকতখনে প্ৰথম সংখ্যাৰেপৰা বন্ধ হ’বৰ দিন (১৯৫০) লৈকে নিজা ছপাশাল গৰকিহে বাজলৈ ওলাইছিল।

প্ৰথমে সাপ্তাহিক আৰু পাচত দৈনিক ৰূপে সুদীৰ্ঘ প্ৰায় ৫৩ বছৰ কাল প্ৰকাশিত হৈ থকা কিন্তু সদ্যহতে হৃদক্ৰিয়া বন্ধ হোৱা “নতুন অসমীয়া’ৰো (তেতিয়াৰ ‘সাদিনীয়া অসমীয়া’) জন্ম ডিব্ৰুগড়তে। ১৯১৮ চনত চন্দ্ৰকুমাৰ আগৰৱালাই নিজে সম্পাদনা কৰি ‘সাদিনীয়া অসমীয়া’ প্ৰকাশ কৰিছিল। এইখন কাকতেও নিজা ছপাশাল (‘অসমীয়া প্ৰেছ’)ত সাজ-পাৰ পিন্ধিছিল। ১৯২৫ চনলৈকে এইজনী ডিবুৰুপৰীয়া জীয়াৰীহে আছিল।

১৯২৮ চনতে গুণগোবিন্দ বৰুৱাই প্ৰতিষ্ঠা কৰা ডিবুৰুপৰীয়া ‘বৰুৱা প্ৰেছ’ত ১৯৩৯ চনৰ চেপ্টেম্বৰত ছপা হৈ ওলাইছিল সাপ্তাহিক ইংৰাজী ‘আসাম ট্ৰিবিউন’। সোমেশ্বৰ বৰুৱা আৰু শ্ৰীৰাধাগোবিন্দ বৰুৱা এই কাকতৰ প্ৰকাশক। স্বনামধন্য শ্ৰীৰাধাগোবিন্দ বৰুৱা আজি অসমৰ এটি ভোটাতৰা। এই সাপ্তাহিক ইংৰাজী কাকতখন দৈনিক কৰাৰ প্ৰকল্প দৃঢ়ভাৱে ডিব্ৰুগড়তেই লৈছিল আৰু গুৱাহাটীৰপৰা শ্ৰদ্ধেয় বৰুৱাদেৱে তাক কাৰ্য্যত পৰিণত কৰিছিলগৈ মাত্ৰ। এইখন কাকতৰ গুৰিটোৰ পৰাই আজি সৰ্বাধিক প্ৰচলনৰ সাপ্তাহিক ‘অসম বাণী” আৰু ‘দৈনিক অসম’ৰ দৰে প্ৰখ্যাত কাকতৰ জন্ম হৈছে।



অসম প্ৰখ্যাত মাহেকীয়া ‘আলোচনী’ কাকতখন ১৯১০ চনৰ পৰা ১৯১৭ চনলৈকে ডিব্ৰুগড়ৰ পৰাই প্ৰকাশিত হৈছিল। ডিবুৰুৰ আলোচনী ক্লাবৰ মুখপত্ৰ ‘আলোচনী’খনৰ কেইগৰাকীমান প্ৰখ্যাত সম্পাদক হ’ল—প্ৰসন্নকুমাৰ বৰুৱা, ৰাধানাথ চাংকাকতি, বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আদি।

ডিব্ৰুগড়ৰ ছপাশাল আৰু প্ৰকাশ প্ৰতিষ্ঠানসমূহৰ ভিতৰত শিৱনাথ ভট্টাচাৰ্য্যৰ ‘ভট্টাচাৰ্য্য এজেঞ্চি’, ১৯০৫ চনতে প্ৰতিষ্ঠা হোৱা। নন্দেশ্বৰ চক্ৰবৰ্তীৰ ‘সদাশিৱ প্ৰেছ’, ১৯১০ চনতে প্ৰতিষ্ঠা হোৱা। ভদ্ৰসেন বড়াৰ ‘আহোম প্ৰেছ’ অসম প্ৰখ্যাত। এই অনুষ্ঠান কেইটা প্ৰাচীন গ্ৰন্থ আৰু পুথি-পাঁজি প্ৰকাশৰ অনুষ্ঠান হিচাবে সকলোৰে বিদিত জেমচ্ ৱাৰেণ কোম্পানীৰ Albion Press, জাগৰণ প্ৰেছ (১৯২৬); সূৰ্য্যধৰ বাজখোৱাৰ ‘ব্ৰহ্মপুত্ৰ প্ৰেছ’ (১৯১৪); ‘হিন্দুস্তান প্ৰেছ’ (১৯৩৯); কনক চন্দ্ৰ শৰ্মাৰ ‘পশু-পালন’; ‘ৰণৰ বাতৰি’ (১৯১৪); ঔপন্যাসিক সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ‘অসম প্ৰদীপিকা’; ডাঃ হৰিকৃষ্ণ দাসদেৱৰ ‘আসাম বান্ধৱ’; তপেশচন্দ্ৰ বাগচী আৰু অবিনাশ চন্দ্ৰ সিংহৰ ‘জাগৰণ’; তোষেশ্বৰ ঢেকিয়াল ফুকনৰ ‘সত্যবাদী’; তৰুণ ভট্টাচাৰ্য্যৰ ‘তৰুণ অসম’; ভোলানাথ গোহাঁঞিৰ ‘অসম ৰাইজ’; শ্ৰীহেমচন্দ্ৰ কোঁৱৰৰ ‘যুগৰ পথত’; শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্তৰ “The Public Voice” (১৯৪৮); শ্ৰীঅৰুণ ভট্টাচাৰ্য্যৰ ‘মজদুৰ’; শ্ৰীলক্ষ্মীকান্ত দত্তৰ ‘জেউতি মৰল’; শ্ৰীমতী পদ্মকুমাৰী গোহাঞিৰ মহিলা আলোচনী ‘সাৰথি’—আদি ডিব্ৰুগড়ৰ উল্লেখনীয় কেইটিমান প্ৰেছ আৰু আলোচনী বাতৰি কাকত।

‘টাইমচ্ অব্ আসাম’ৰ প্ৰখ্যাত প্ৰকাশক আৰু সম্পাদকজনেই হ’ল ৰাধানাথচ াং-কাকতি। চাংকাকতি ডিব্ৰুগড়ৰ এজন প্ৰবীণ বাসিন্দা। তেখেতৰ দেউতাক আৰু মাকৰ নাম হ’ল ক্ৰমে দুতিৰাম চাংকাকতি আৰু ৰূপহী চাংকাকতি। ডিব্ৰুগড়ৰ পুৰণা আমোলাপটিত সম্ভৱতঃ ১৮৫৬ চনত তেখেতৰ জন্ম হয়। তেখেতে যথাসময়ত এণ্ট্ৰেঞ্চ পৰীক্ষাত কৃতকাৰ্য্য হৈ আদালতৰ চাকৰিত সোমাইছিল যদিও আদালতৰ চাকৰি কৰিবলৈ তেখেতৰ মন নাছিল। ১৮৮০।৮১ চন মানৰ পৰাই তেখেতে ডিব্ৰুগড়ৰ পৰা এখন ইংৰাজী বাতৰি কাকত উলিয়াবৰ বাবেহে যত্ন কৰিছিল। তেখেতৰ সহজাত দৃঢ় মনোবল, প্ৰবল উদ্যম, আশাশুধীয়া অধ্যৱসায় আৰু উছাহকেই মূলধন হিচাবে লৈ এই কৰ্ম্মলৈ আগবাঢ়িল। এই উদ্দেশ্যে তেখেতে যেনে তেনে ৫০০.০০ টকাৰ যোগাৰ কৰি ১৮৮১ চনত ডিব্ৰুগড়ত প্ৰথমে ফুলস্কেপ আকাৰৰ ‘ৰাধানাথ’ নামৰ কাঠৰ ছপাশালটো প্ৰতিষ্ঠা কৰিলে। অলপ দিনৰ পাচতেই কোনোবাই জুই লগাই দিয়াত খেৰী ঘৰটোৰে সৈতে কাঠৰ ছপাশালটো ভস্মীভূত হ’ল। চাংকাকতিৰ দৃঢ় মনোবল কিন্তু হ্ৰাস কৰিব নোৱাৰিলে। তেখেতে সেই ঠাইতে ১৮৮৩ চনত পুনৰ এটি ডিমাই আকাৰৰ লোৰ ছপাশাল পাতিলে আৰু উইলিয়াম টেইলৰ নামৰ এজন ইংৰাজ লোকক কাগজ উলিওৱাৰ মানসেৰে প্ৰেছত ৰাখিলে। ডিব্ৰুগড় তথা সদৌ অসমৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰা ব্ৰিগেড চাৰ্জন ডাঃ জ’ন বেৰীহোৱাইটৰ কাৰ্য্যকৰী উপদেশ আৰু উদ্‌গণি; লগতে আমগুৰি চাহ বাগিচাৰ মেনেজাৰ জেমচ্ বাকিংহাম, ডিব্ৰু-সদিয়া ৰেল’ৰ প্ৰতিষ্ঠাপক উইলিয়ামচন আদি বিশিষ্ট ইংৰাজ ব্যক্তিসকলৰ সাহায্যেৰে চাংকাকতিয়ে এখন ইংৰাজী বাতৰি কাকত উলিয়াবলৈ যত্ন পৰিকৰ হ’ল। এই উদ্দেশ্যে তেখেতে অৰ্থ সংগ্ৰহৰ বাবে প্ৰচেষ্টা চলালে। কিন্তু সৰহভাগ ঠাইৰ পৰাই সাহায্য নাপালেও শেষত শ্ৰীশ্ৰীআউনীআটীয় সত্ৰৰ একাদশজনা অধিকাৰ দেৱদত্তদেৱ প্ৰভুৰ পৰা দুশ টকা, শ্ৰীশ্ৰীবৰপেটা সত্ৰৰ কীৰ্ত্তনঘৰ পুঁজিৰ পৰা পোৱা এশ টকা, গুৱাহাটীৰ মহেশ্বৰ গোস্বামী আৰু কালিচৰণ সেনৰ পৰা পোৱা তিনিশ টকা মুঠ ছশ টকাকে মূলধন হিচাবে লৈ ব্যৱসায় বুদ্ধিৰে বলীয়ান চাংকাকতিদেৱে ১৮৮৮ চনত ডিমাই আকাৰৰ ৪ পিঠিৰ ‘টাইমচ্ অব্ আসাম’ৰ জন্ম দিলে ডিবুৰুৰ ‘ৰাধানাথ প্ৰেছ’ৰ পৰা। এই সময় ছোৱাত ইংৰাজে সুপৰিকল্পিত ভাৱে প্ৰতিষ্ঠাৰ হকে নানান ব্যৱস্থা গ্ৰহণ কৰিছিল। অসমৰ উজনিত তেল খন্দা, কয়লা খন্দা, ৰেল আলিৰ স্থাপন, জাহাজ চলাচল, আৰু বিশেষকৈ চাহ বাগিচা পতাৰ ধুম উঠিছিল— এই ছোৱা কালত। এনে অৱস্থাত এখন ইংৰাজী

কাকতে কেনেধৰণে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হ'ব পাৰে সেই কথা চাংকাকতিয়ে ঢুকি পাইছিল। তাতে ইংৰাজ ব্যৱসায়ীসকলে তেখেতক নানান ধৰণেৰে উদগণি দিছিল। এনে অৱস্থাত ইংৰাজ ব্যৱসায়ীদল আৰু চৰকাৰী কৰ্মচাৰীবৃন্দৰ শুভেচ্ছাৰে 'টাইমচ্ অব্ আসাম'ৰ সৃষ্টি হ'ল। এই কাকতৰ পলিচি নিৰ্দ্ধাৰণ কৰি দিলে ইংৰাজ মেনেজাৰে। এই কাকতলৈ অকুণ্ঠ সহায় আগবঢ়ালে অসংখ্য বিজ্ঞাপনেৰে—চাহ বাগিচাৰ মেনেজাৰসকলে। আনকি চীফ কমিচনাৰ উইলিয়াম ৱাৰ্ডে অসমতে কৰিব পৰা চৰকাৰী সকলো ছপাকাম টাইমচকে দিছিল। এডৱাৰ্ড গেইটে টাইমচখন অসম উপত্যকাৰ সকলো মহকুমাধিপতি আৰু জিলাধিপতিলৈকে পঠাবৰ বাবে সুবিধা দিছিল। মুঠৰ ওপৰত সেই সময়ৰ ইংৰাজ ব্যৱসায়ীসকল আৰু কৰ্মচাৰীসকলৰ পৃষ্ঠপোষকতাত 'টাইমচ্ অব্ আসাম'এ অভূতপূৰ্ব্ব কৃতকাৰ্য্যতা লভিবলৈ সমৰ্থ হৈছিল। টাইমচৰ প্ৰচলন অধিক হ'ল, টাইমচৰ ধনৰে চাংকাকতিৰ অৱস্থা জয়জয়-ময়ময় হ'ল আৰু টাইমচৰো মাৰোৱাৰী ৰোডত নিজা পকীঘৰ হ'ল। টাইমচৰ কলেবৰো ৰয়েল ১৪ পিঠিলৈকে বহল হ'ল। টাইমচ প্ৰতি শনিবাৰে প্ৰকাশ হৈছিল। চাংকাকতিৰ জীৱিত কালত ইয়াৰ এদিনো ব্যতিক্ৰম হোৱা নাছিল। এবাৰ চাংকাকতিৰ একমাত্ৰ ল'ৰাজনৰ (বয়স ১২ বছৰ) বসন্ত ৰোগত শুক্ৰবাৰে মৃত্যু হ'ল—সেইবাৰো পিচৰ শনিবাৰে কাগজখন ওলাইছিল। চাংকাকতিৰ এনে দৃঢ় মনোবল আৰু কাকতখনৰ প্ৰতি থকা এনে অনুৰাগৰ বাবেই টাইমচে আচৰিত ধৰণেৰে প্ৰখ্যাতি লভিবলৈ সমৰ্থ হৈছিল।

'টাইমচ্ অব্ আসাম'ৰ কথা আলোচনা কৰোঁতে এই টাইমচৰ আৰু এজন বিশিষ্ট কৰ্মীৰ কথা অৱশ্যেই সুঁৱৰিব লাগে। সেইজন হ'ল মহম্মদ আব্দুল্লা। এখেতৰ জন্ম ডিব্ৰুগড়ত ১৮৮৮ খৃঃত। ১৯০৬ চনত আব্দুল্লাই টাইমচ্ প্ৰেছত কম্পজিটৰ হিচাবে সোমায়। ১৯১৫ চনত এখেতেই টাইমচ্ প্ৰেছ আৰু কাকতৰো উন্নতিৰ হকে বিশদ আঁচনি লয়। ১৯০৮ চনত আব্দুল্লাক মুদ্ৰক আৰু প্ৰকাশকৰ দায়িত্ব দিয়া হৈছিল। ১৯২২ চনৰ ১৪ অক্টোবৰত তেখেত টাইমচৰ মেনেজাৰ নিযুক্ত হয়। এই সময়ত অব্দুল্লা চাংকাকতিৰ একমাত্ৰ বিশ্বস্ত আৰু নিৰ্ভৰযোগ্য লোক আছিল আৰু এক প্ৰকাৰ কৰ্ণাৰ লাখুটি স্বৰূপ আছিল। ১৯২৩ চনত চাংকাকতিয়ে মৃত্যুৰ শয্যাৰপৰা আব্দুল্লাৰ ওপৰতেই প্ৰেছ সমন্বিতে নিজৰ পৰিয়ালৰো সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰি যায়। ১৯২৫ চনৰ ৩০ অক্টোৱৰত চাংকাকতিৰ বিধৱা পৰিবাৰে আব্দুল্লাকেই ছপাশালাৰ সকলো দায়িত্ব অৰ্পণ কৰিছিল। ১৪ বছৰ সেই দায়িত্বত থকাৰ পাচত, ১৯৩৯ চনৰ ৬ জুনত কাগজখনৰ সম্পাদকৰ ভাৰো আব্দুল্লাৰ ওপৰতেই দিয়া হৈছিল। ১৯৪০ চনৰ শেষ ভাগত তেখেতে স্বাস্থ্য-ভঙ্গৰ বাবে কামৰপৰা অৱসৰ লয় আৰু তাৰ ১১ বছৰৰ পাচত ১৯৫১ চনৰ ২০ ডিচেম্বৰত নিজা ঘৰত পৰিবাৰ আৰু ১১ জন সতি-সন্ততিক এৰি শেষ নিশ্বাস পেলায়। একুৰি চৌধ্য বছৰকাল বিভিন্ন দায়িত্ব সেৱা কৰা এইজন বিশিষ্ট কৰ্মীৰ অৱিহণা 'টাইমচ্'ৰ জীৱনীত এক অবিচ্ছেদ্য অঙ্গ 'টাইমচ্' ককতৰ স্বৰূপ।

'টাইমচ অব্ আসাম'ৰ সম্পাদকসকল হ'ল—একাদিক্ৰমে— ৰাধানাথ চাংকাকতি, শ্ৰীলক্ষ্মীনাথ ফুকন, (১৯২৩-২৬), শ্ৰীপ্ৰবোধ চন্দ্ৰ দত্ত (ভূঞা) (১৯২৬-২৭), তিলকচন্দ্ৰ শৰ্ম্মা, কেদাৰনাথ গোস্বামী, মহম্মদ আব্দুল্লা (১৯৩৯-৪০), শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্ম্মা, শ্ৰীইন্দুভূষণ চক্ৰৱৰ্তী, শ্ৰীসাৰদাশঙ্কৰ প্ৰসাদ দত্ত(১৯৪৬-৪৮), জীৱনৰাম ফুকন (১৯৪৮-৫০)। টাইমচৰ জীৱনীত আৰু ৰাধানাথ চাংকাকতিৰ জীৱনত ৰেখাপাত কৰা আন এজন উল্লেখযোগ্য ব্যক্তি হ'ল যোগেন্দ্ৰনাথ চাংকাকতি। এখেত চাংকাকতিৰ নিজা ভাগিন। পুত্ৰহীন হৈ পৰা চাংকাকতিয়ে এখেতকে পোষ্যপুত্ৰ হিচাবে লৈছিল। এখেতৰ ডেকাকালতেই মৃত্যু হ'ল। এটি ল'ৰা, এজনী ছোৱালী আৰু পৰিবাৰক এৰি চাংকাকতিৰ মৃত্যু আসন্ন কৰি যোগেন্দ্ৰনাথে দেহা এৰিছিল। তেখেতক প্ৰেছ আৰু কাকতৰ তত্বাৱধানত দি সেই কাৰ্য্যত চাংকাকতিয়ে ভাগিনক পটু কৰি তুলিছিল।

প্ৰসিদ্ধ 'টাইমচ্ অব্ আসাম'ৰ, ১৯৫০ চনৰ অক্টোবৰ মাহৰ ২২ তাৰিখে সমাজ-কৰ্মী স্বনামধন্য জীৱনৰাম ফুকনৰ ব্ৰহ্মপুত্ৰৰ বুকুত সলিল সমাধি ঘটাৰ লগে লগে,



চিৰদিনৰ বাবেই হয়তো নাম নুমাল। ডিব্ৰুগড়ৰ ব্যৱসায়ী মহাবীৰ তুলসীয়ান ডাঙৰীয়াৰ সম্পত্তিলৈ টাইমচৰ সকলো এই সম্পত্তি চনতেই হস্তান্তৰিত হ'ল।

ৰাধানাথ চাংকাকতিৰ পৰিবাৰৰ নাম আছিল পদ্মাৱতী দেৱী চাংকাকতি। এখেত-সকলৰ ৩ জন ল'ৰাৰ ভিতৰৰ দুজন সৰুতেই ঢুকায়—ডাঙৰজনো (ডালিমচন্দ্ৰ) ১২ বছৰ বয়সত বসন্ত ৰোগত ঢুকায়। তিনিগৰাকী ছোৱালীৰ ভিতৰৰ ১ম গৰাকী সৰুতেই ঢুকায়। মাজু গৰাকীৰ নাম আছিল ইন্দুমতী (কুন্তী)। এখেত খ্যাতনামা শিল্পী শ্ৰীপ্ৰভাত শৰ্মাৰ মাতা আৰু কণকচন্দ্ৰ শৰ্মাৰ পত্নী। সৰু গৰাকী শ্ৰীমতী লাৱণ্য দেৱী চাংকাকতি এতিয়া ডিব্ৰুগড়তে আছে। ৰাধানাথ চাংকাকতিয়ে ডিব্ৰুগড়ত পৌৰ-সভাৰ জন্মৰ আগতেই 'নগৰ সমিতি' গঠন কৰি সভাপতি হৈছিল। ১৮৭০ চনৰ বেঙ্গল মিউনিচিপেল অধিনিয়ম অনুসৰি ১৮৭৩ চনৰ ১৬ জুলাই তাৰিখে ডিব্ৰুগড় নগৰ সমিতিখনকে ২য় শ্ৰেণীৰ পৌৰ-সভালৈ ৰূপান্তৰিত কৰে। ১৮৮৭ চনলৈকে এই সভাই কৰ-কাটল তোলাৰ সুবিধা পোৱা নাছিল। ১৮৮৯ চনৰ ২৮ মাৰ্চৰ পৰা ১৯০০ চনৰ ২৯ নৱেম্বৰলৈকে চাংকাকতি ডিব্ৰুগড় পৌৰসভাৰ উপসভাপতি আছিল। ১৯১৫ চনৰ ১৫ ফেব্ৰুৱাৰীত চাংকাকতিয়ে সভাপতি হিচাবে নীতিগতভাৱে পৌৰসভাৰ দায়িত্ব লয়। ১৯১৮ চনৰ মে' মাহৰ ২৮ তাৰিখলৈকে এই দায়িত্ব তেখেতে পালন কৰিছিল। ৰাধানাথ চাংকাকতি অসমৰ, সৰ্বপ্ৰথম ছোৱালী বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। ১৮৮৪ খৃঃত এই বিদ্যালয়খন স্থাপন কৰা হয়। এইখনেই ক্ৰমে সম্পূৰ্ণ উচ্চ মাধ্য-মিক বিদ্যালয়লৈ পৰিণত হৈছিলগৈ। হেমপ্ৰভা দাস, কুন্তী ফুকননী আদি বিশিষ্টা মহিলা কৰ্মীৰ নাম এই ক্ষেত্ৰত শ্ৰদ্ধাৰে সোঁৱৰণযোগ্য।

চাংকাকতিয়ে ১৮৮৫ খৃঃৰ ২৮ ডিচেম্বৰ তাৰিখে পুণা চহৰত বহা ইণ্ডিয়ান নেচ-নেল কংগ্ৰেছৰ প্ৰথম অধিবেশনত যোগদান কৰিছিল। তেখেতে ১৯১২ চনত দিল্লীত অনুষ্ঠিত ৫ম জৰ্জ্জৰ অভিষেক উৎসৱত বিশেষভাৱে আমন্ত্ৰিত হৈ যোগদান কৰিছিলগৈ। তেখেতে কলিকতাত ৰয়েল অপিয়ম কমিচনৰ আগতো সাক্ষী দিছিলগৈ। ডিব্ৰুগড়ত নাট্য আৰু মঞ্চৰ প্ৰতিষ্ঠাতো তেখেতৰ অৱদান অসীম। মুঠতে ৰাধানাথ চাংকাকতি এজন প্ৰসিদ্ধ সন্তান। অসম তথা ভাৰতৰো এজন প্ৰখ্যাত ব্যক্তি।

ৰাধানাথ চাংকাকতিৰ 'টাইমচ্ অব্ আসাম' আৰু ডিব্ৰুগড়ৰ প্ৰখ্যাত ফৌজদাৰী উকীল বশম্বদ মিত্ৰৰ মাজৰ সম্বন্ধ অতি নিবিড়। 'টাইমচ্' বা 'টাইমচ্ অব্' বা 'টাইমচ্ অব্ আসাম'ৰ কথা ওলালেই বশম্বদ মিত্ৰলৈ ঘপৰাই মনত পৰিবই। টাইমচৰ গুৰি কথা, টাইমচৰ জীৱনী আৰু টাইমচৰ মহিমা সকলোতে সংশ্লিষ্ট হৈ আছে বশমম্বদ মিত্ৰৰ জীৱনৰ পৰশ। টাইমচৰ প্ৰকৃত মালিক ৰাধানাথ চাংকাকতিৰ দেহাৱসান ঘটাৰ পাচতো মিত্ৰ জীয়াই আছিল দীৰ্ঘ ২৫ বছৰ কাল (১৯২৩-৬৯৪৮)। ইয়াৰ ভিতৰতে ৬ বছৰ কাল সৰ্ব্বতোভাৱে আৰু শয্যাশায়ী নোহোৱালৈকে বাকীখিনি বছৰতো মিত্ৰ টাইমচৰ লগত জড়িত হৈ আছিল। টাইমচৰ সম্পাদকীয়সমূহৰ সৰহভাগেই মিত্ৰইহে লিখিছিল। আনকি ডিব্ৰুগড়ৰপৰা আঁতৰি থকা সময়ছোৱাতো মিত্ৰই টাইমচলৈ সম্পাদকীয় পঠাইছিল। টাইমচৰ জন্মৰেপৰা প্ৰথম তিনিবছৰ সম্পাদনা কৰিলে বশম্বদ মিত্ৰই অপ্ৰ-কাশ্যভাৱে। অপ্ৰকাশ্যভাৱেই সম্পাদকীয় লিখি গ'ল প্ৰায় গোটেই জীৱন জুৰি। এখন বাতৰি কাকতত অপ্ৰকাশ্যভাৱে ইয়াতোকৈ অধিক সেৱা কৰাৰ কথা ভাবিব নোৱাৰি। টাইমচৰ গোটেই জীৱন কালত (১৮৮৮-১৯৫০) কিজানি ১২।১৫ বছৰমানহে বশম্বদ মিত্ৰই টাইমচৰ লগত সম্পৰ্ক ৰাখিব পৰা নাছিল। মিত্ৰৰ সম্পাদকীয় আৰু প্ৰৱন্ধ সমূহ টাইমচৰ প্ৰকৃত সামগ্ৰী আছিল। পাণ্ডিত্যপূৰ্ণ সম্পাদকীয় স্তম্ভ আৰু দাৰ্শনিক প্ৰৱন্ধ সমূহে টাইমচক বিদ্বান আৰু শিক্ষিত সমাজৰ অতি আদৰণীয় কৰি তুলিছিল। মন কৰিবলগীয়া যে কোনো সময়তেই মিত্ৰ টাইমচৰ পকা-বন্ধা সম্পাদক নাছিল। সেইদৰেই খিতাপি পৰিচালক বা প্ৰকাশকো নাছিল। কিন্তু মিত্ৰই ছপাখানাত শোধন-পত্ৰ ছোৱাকে ধৰি সম্পাদকীয় লিখাৰপৰা প্ৰবন্ধ যোগোৱালৈকে সকলো কাম কৰিছিল। মিত্ৰই কাছাৰীৰপৰা বাজে বাজেই প্ৰতি শুক্ৰবাৰে টাইমচ্ ছাপাখানালৈ গৈ সম্পাদকীয় লিখিছিলগৈ আৰু তাৰ শোধনপত্ৰও চাই-চিতি বহুত দেৰিকৈহে ঘৰলৈ

উলটিছিল। আদবাটৰ পৰা উভতি গৈও শব্দ, বাক্যৰ ঠাঁচ আদি পৰিবৰ্ত্তন কৰিছিলগৈ। এই কথা ডিব্ৰুগড়ৰ ৪০ বছৰ বয়সৰ ওপৰৰ সকলো লোকেই কয়। এইদৰে টাইমচৰ লগত একেবাৰে নিবিড়ভাৱে মিত্ৰ দীৰ্ঘ ৩০ বছৰ কাল ১৯২৯ চনলৈকে জড়িত হৈ আছিল। টাইমচ্ প্ৰচলনৰ কেইবছৰমানৰ পাছত মিত্ৰই টাইমচৰ সঙ্গ এৰি আহি ডাঃ উমেশ চন্দ্ৰ মুখোপাধ্যায়ৰ লগত লগ হৈ ডিব্ৰুগড়ৰপৰা সাদিনীয়া 'Eastern Herold' নামৰ বাতৰি কাকতখন উলিয়ালে। যুটীয়াভাৱে কাগজখন কিছুদিন চলোৱাৰ পাচত মিত্ৰই এবছৰতকৈও অধিক কাল অকলশৰেই চলালে। এই কাগজখন আঢ়ৈ বছৰ মান চলিছিল বুলি অনুমান হয়। এইখন কাকতৰ পাচত মিত্ৰই যুটীয়াভাৱে আন এখন সাদিনীয়া বাতৰি "Citizen" উলিয়ালে। কলিকতাৰপৰা কালীনাথ ৰায়ক আনি এই কাকতৰ সম্পাদনাৰ ভাৰ দিলে, অৱশ্যে প্ৰথমে এবছৰতকৈও অধিক কাল মিত্ৰই এইখন কাকত নিজেই সম্পাদনা কৰিছিল। কালীনাথ ৰায় পিচত প্ৰখ্যাত 'লাহোৰ ট্ৰিবিউন'ৰ সম্পাদক হৈছিলগৈ। কালীনাথ ৰায় ১৯০৫ চনত ডিব্ৰুগড় এৰি কলিকতালৈ যায়গৈ। 'চিটিজেন'ৰ আয়ুস ৫ বছৰমান আছিল। বশম্বদ মিত্ৰই এই দুখন কাগজতো নানান দাৰ্শনিক প্ৰবন্ধ লিখিছিল। মুঠৰ ওপৰত অসমত সংবাদপত্ৰৰ প্ৰচলন আৰু সাংবাদিকতাৰ অগ্ৰগতিত মিত্ৰৰ অৰিহণা অতি মহান। এগৰাকী পণ্ডিত, প্ৰখ্যাত উকিল, খ্যাতনামা সাংবাদিক, প্ৰবীণ সমাজকৰ্মী হিচাবে বশম্বদ মিত্ৰ অসমৰ এগৰাকী মহান নাগৰিক আছিল।

বশম্বদ মিত্ৰৰ দেউতাক আৰু মাকৰ নাম হ'ল ক্ৰমে মহেন্দ্ৰনাথ মিত্ৰ আৰু অন্নদা সুন্দৰী দেৱী। বঙ্গদেশৰ ২৪ পৰগণা জিলাৰ দত্তপুকুৰত ১৮৫৪ খৃঃত বশম্বদ মিত্ৰৰ জন্ম হয়। তেওঁৰ প্ৰিয়ম্বদ মিত্ৰ নামৰ এজন ককাইদেৱেক আছিল। মহেন্দ্ৰনাথ মিত্ৰই 'ইণ্ডিয়ান জেনেৰেল ষ্টিম নেভিগেচন' আৰু 'ৰিভাৰ ষ্টিম নেভিগেচন কোম্পানী'ত চাকৰি কৰিছিল। তেওঁ সেই কোম্পানীৰ ডাক্তৰ আছিল। প্ৰিয়ম্বদ মিত্ৰও এজন ডাক্তৰ আছিল। পিছে তেওঁৰ ডেকাকালতে মৃত্যু হোৱাত দেউতাক মহেন্দ্ৰনাথ মিত্ৰই বৰ বেজাৰ পাই পৈতৃক ভূমি এৰি নগাঁৱত বসবাস কৰিলে। মহেন্দ্ৰনাথ মিত্ৰই তেজপুৰৰ বিশ্বনাথৰপৰা এখন ইংৰাজী বাতৰি কাকত উলিয়াইছিল। বশম্বদ মিত্ৰই নগাঁৱতেই প্ৰাথমিক আৰু উচ্চ মাধ্যমিক শিক্ষা লৈ এণ্ট্ৰেঞ্চ পৰীক্ষাত কৃতকাৰ্য্য হয় আৰু উচ্চ শিক্ষাৰ বাবে কলিকতালৈ গৈ তাৰ চিটি কলেজত অধ্যয়ন কৰে। সেই কলেজৰ পৰাই তেওঁ ইংৰাজী আৰু দৰ্শন দুয়োটা বিষয়তে সন্মান লাভ কৰি স্নাতক হয় আৰু তাতেই দৰ্শনত স্নাতকোত্তৰ শিক্ষাও গ্ৰহণ কৰে। দুবছৰৰ পাচত দৰ্শনত ২য় শ্ৰেণীৰ ১ম স্থান লাভ কৰি তাত কৃতকাৰ্য্য হয় আৰু সেই মহাবিদ্যালয়তেই অধ্যাপনা কৰে। কিছুদিনৰ পাচত তেওঁ ৰিচ মহাবিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয় আৰু সেইখিনি সময়তেই আইনৰ স্নাতক মহলাত উঠে ১৮৮৬ খৃষ্টাব্দত। তেতিয়া তেওঁ অধ্যাপনা এৰি সেই চনতেই কলিকতাৰ আলিপুৰত ওকালতিত যোগদান দিয়ে। বশম্বদ মিত্ৰই ১৮৮৭ চনত দেউতাকৰ ইচ্ছা অনুযায়ী কলিকতা এৰি আহি ডিব্ৰুগড়ত ওকালতি কৰেহি। কলিকতাত পঢ়োতে শ্ৰীসত্যেন্দ্ৰ মোহন লাহিড়ীৰ পিতৃ মহেন্দ্ৰ মোহন লাহিড়ী আৰু লক্ষীমপুৰ জিলাৰ প্ৰথম স্নাতক শিৱৰাম শৰ্মা বৰদলৈৰ সহপাঠি আছিল। বিশ্ববিখ্যাত দাৰ্শনিক আচাৰ্য্য ব্ৰজেন্দ্ৰ শীল বশম্বদ মিত্ৰৰ গুৰু আছিল। নগাঁৱত তেওঁ পদ্মহাস গোস্বামীৰ ছাত্ৰ আছিল।

১৮৪২ চনত ডিব্ৰুগড় লক্ষীমপুৰ জিলাৰ সদৰ হোৱাত ডিব্ৰুগড়ত সদৰ আদালত আৰম্ভ হ'ল। তেতিয়া আদালতৰ মাধ্যম আছিল আঞ্চলিক ভাষা আৰু ডিব্ৰুগড়ত তেতিয়া কোনো উকিল নাছিল। ১৮৭২ খৃষ্টাব্দত ডিব্ৰুগড়ৰ সৰ্ব্বপ্ৰথম ইংৰাজী মাধ্যমৰ উকিল জন হ'ল প্ৰখ্যাত হৰিশচন্দ্ৰ বাগ্চী। ১৮৯৭ চনৰ মে' মাহমানৰপৰা ডিব্ৰুগড়ত উকিল সংস্থাৰ আৰম্ভ হ'ল। সেই সময়ৰ এই সংস্থাৰ সদস্য সকল আছিল হৰিশচন্দ্ৰ বাগ্চী বি-এল, ৰাধিকাচৰণ মিত্ৰ বি-এল, ধৈৰ্য্যনাৰায়ণ দাস বি-এল, বশম্বদ মিত্ৰ বি-এল, শিৱৰাম শৰ্মা বৰদলৈ বি-এল, চন্দ্ৰকান্ত চক্ৰবৰ্ত্তী বি-এল, প্ৰফুল্ল চন্দ্ৰ বাগ্চী বি-এল, ভূধৰ শৰ্ম্মা, মুঞ্চি কেফায়ৎ উল্লা, আমিৰ হাজি, উমাকান্ত শৰ্ম্মা।



এতিয়াও উকিল সংস্থা থকা ঘৰটো ১৯৩৮ চনমানত সংস্থাই সম্পূৰ্ণৰূপে পায় আৰু এই ঘৰৰ পূৰ্বৰ নাম আছিল Mc William Hall বশম্বদ মিত্ৰ ডিব্ৰুগড়ৰ এগৰাকী প্ৰবীণ ফৌজদাৰী উকিল আছিল। তেওঁ অতি নিৰ্ভীক আৰু বহল হৃদয়ৰ আছিল। তেওঁ জীৱনৰ শেষ বয়সলৈকে মৃত্যুৰ অলপদিনৰ আগলৈকে সুদীৰ্ঘ প্ৰায় তিনিকুৰি বছৰ কাল ওকালতি কৰিলে। তেওঁ সেই সময়তেই যেই কোনো মোকৰ্দ্দমাত থিয় হবলৈ হলেই এশ টকা লৈছিল। আৰু প্ৰায়ে তেওঁ মোকৰ্দ্দমাত তেওঁৰ পক্ষ লোৱা দলক জিকাইছিল। তেওঁ সেই সময়ৰ ইংৰাজ বিচাৰক সকললৈও বা উপায়ুক্তকে ধৰি উচ্চ বিষয়া সকললৈও কেৰেপ নকৰিছিল। কোনো মোকৰ্দ্দমাৰ বিচাৰৰ সময়ত প্ৰয়োজন হ'লে আইনৰ কিতাপ আদি বিচাৰকলৈ দলিয়াইহে দিছিল। উকিল খানাত বহোঁতে ঘূৰঘূৰিত ধপাত খাইছিল। এবাৰ Mr. Grunning লক্ষীমপুৰ জিলাৰ বিচাৰক থাকোঁতে মিত্ৰই কলিকতা উচ্চন্যায়ালয়লৈ যাবৰ বাবে এখন প্ৰমাণপত্ৰ বিচাৰিছিল। সেই প্ৰমাণপত্ৰত তেওঁক 'hot tempered' বুলি উল্লেখ কৰাত মিত্ৰই সেইখন চিৰাচিৰ কৰি ফালি এজলাচতে বিচাৰকৰ গালৈকে দলিয়াই থৈ গুচি আহিল। এসময়ত তেওঁ ঘোঁৰাত উঠি বাগানৰ মাজেদি যাওঁতে খাৰজান বাগিছাৰ মেনেজাৰজনে তেওঁক বঙলাৰ ওপৰৰ পৰাই 'Who are you ?' বুলি প্ৰশ্ন কৰাত তেওঁ তপৰাই উত্তৰ দিছিল—'I am your death' মিত্ৰ একুৰা জুইৰ দৰে আছিল—যেয়ে সেয়ে তেওঁৰ সন্মুখীন হ'ব নোৱাৰিছিল।

বশম্বদ মিত্ৰৰ পৰিবাৰৰ নাম আছিল সুৰেন্দ্ৰবালা মিত্ৰ। এওঁলোকৰ তিনিজন ল'ৰা আৰু এজনী ছোৱালী আছিল। ছোৱালীজনী ঢাকাত কলেজত পঢ়ি থকা অৱস্থাত মৃত্যু হয়। ডাঙৰ ল'ৰা ভূপতি প্ৰসাদ মিত্ৰই বেৰীহোৱাইট মেডিকেল স্কুল (১৮৯৮–১৯৪৬)ত পঢ়ি ডাক্তৰী পৰীক্ষাত কৃতকাৰ্য্য হৈছিল। তেওঁ প্ৰখ্যাত আগৰৱালা পৰিয়ালৰ বিখ্যাত তামোলবাৰী চাহ বাগিছাত ডাক্তৰৰূপে আছিল। দ্বিতীয়জন ল'ৰাৰ নাম আছিল নৃপতিপ্ৰসাদ মিত্ৰ। তেওঁ ১৯১৪ চনত দশমমান শ্ৰেণীত পঢ়ি থাকোঁতেই প্ৰথম মহাসমৰত সৈন্যবাহিনীত যোগ দিছিল। পিচত ভাৰতীয় সৈন্য বাহিনীতো তেওঁ যোগদান কৰিছিল। তাৰ পাচত তেওঁ ডিব্ৰুগড়ত ডিব্ৰু-শদিয়া ৰেল আৰু জাহাজ কোম্পানীতো চাকৰি কৰিছিল। এওঁৰে ডাঙৰ ছোৱালী হিৰণবালা (ভানু) মিত্ৰ আগেয়ে প্ৰেচিডেঞ্চি জেনেৰেল হস্পিটেলত আৰু বৰ্ত্তমান কোচবিহাৰ হস্পিটেলত ধাত্ৰী। সৰু ছোৱালী সুনীতিবালা কলিকতাত বিয়া হ'ল। মাজু একমাত্ৰ ল'ৰাজন বৰ্ত্তমান দত্তপুকুৰৰ পুৰণি ঠাইতে আছে। তেওঁৰ নাম পৰেশ নাথ মিত্ৰ। বশম্বদ মিত্ৰৰ সৰু ল'ৰাজনৰ নাম শ্ৰীপতি প্ৰসাদ মিত্ৰ। তেওঁ কটন কলেজৰ এজন প্ৰতিভাবান ছাত্ৰ আছিল। এওঁৰ ইংৰাজী সঙ্গীতৰ জ্ঞান ব্যাপক আছিল। নিজে মানুহৰ অন্তৰ আৰু মন জয় কৰিব পৰাকৈ বাঁহী বজাব পাৰিছিল। সঙ্গীতত ৰাপ থকা শ্ৰীপতিৰ লাহে লাহে মন পাতল হ'ল। তেওঁ পঢ়া-শুনাত মন নিদিয়া হ'ল। শেষত তেওঁক ডিব্ৰুগড়লৈ আনি চিকিৎসা কৰা হ'ল—কিন্তু কোনো গুণ নধৰিলে। ভূপতি প্ৰসাদে ভায়েকক আৰোগ্য কৰিবৰ বাবে নানান যত্ন কৰিলে। শেষত শ্ৰীপতিক লৈ কলিকতালৈ গ'ল। কলিকতাত বহুতদিন চিকিৎসা কৰা হ'ল—আৰোগ্য কিন্তু নহ'ল। ভায়েকৰ লগত থাকোঁতে ককায়েক ভূপতিও পগলা হ'ল। কিছুদিনৰ পাচত দুয়োকে ডিব্ৰুগড়ৰ ঘৰলৈ লৈ অহা হ'ল। দুটা পগলা ডেকাক লৈ মিত্ৰ মহাবিপদত পৰিল। এনে অৱস্থাত মিত্ৰই কলিকতাৰ পৰা নিজৰ পৰিয়ালৰ শ্ৰীহৰিনাৰায়ণ মিত্ৰক আনি লগতে ৰাখিলে। কিছু বছৰৰ পাচত ভূপতিপ্ৰসাদৰ মৃত্যু হ'ল। শ্ৰীপতিপ্ৰসাদ কিন্তু আৰোগ্য হ'ল। তেওঁ পাচত 'আপাৰ আসাম ফাৰ্মেচী'ত চাকৰি কৰিছিল। ইংৰাজী উপন্যাসবোৰ তেওঁ খুব পঢ়িছিল। 'বিৰাজ' আশ্ৰমৰ গ্ৰন্থাগাৰৰ ইংৰাজী কিতাপবোৰ এখন এখনকৈ পঢ়ি শেষ কৰিছিল।

বশম্বদ মিত্ৰই পৰিবাৰ হিচাবে ৰখা আনগৰাকী তিৰোতাৰ নাম হ'ল যোগেশ্বৰী। এওঁক মানুহে যোগেশ্বৰী মেম বুলি জানিছিল। এওঁক প্ৰথমে এজন ইংৰাজ চাহাবে ৰাখিছিল। মিত্ৰই এওঁক কলিকতাৰ লেডি ডাফ্‌ৰিণ কলেজৰ পৰা ধাত্ৰী-বিদ্যাৰ শিক্ষা দি অনাইছিল।

অৱশ্যে বশম্বদ মিত্ৰৰ দৰে এজন আঢ্যৱন্ত উকিলৰ পত্নী হিচাবে তেওঁ তেওঁৰ বিদ্যাক ব্যৱসায়ৰূপে লব লগা নহ'ল। অৱশ্যে বহুতো দুখীয়া দুৰ্গত লোকক এওঁ সময়ত সহায় কৰিছিল। এওঁৰ কোনো সতি-সন্তান নাছিল। এওঁৰ নিজাকৈ এটি ঘৰ আছিল আৰু তাতেই থাকি ভালেমান অনাথ শিশুক প্ৰতিপালন কৰিছিল। তেওঁ তোলা কেইবাগৰাকীও কন্যাসন্তান এতিয়াও ডিব্ৰুগড়ত আছে। বৰ্ত্তমান যি ঠাইত কেথলিক গীৰ্জ্জা ঘৰটো আছে ঠিক সেই ঠাইতেই তেওঁৰ ঘৰটো আছিল। বশম্বদ মিত্ৰৰ সা-সম্পত্তিবিলাক এৱেঁই চকু দিছিল। পৰিয়ালটোৰো বহুদায়িত্ব এওঁ পালন কৰিছিল। এওঁৰ পূৰ্ব্বৰ ঘৰ গোলাঘাটৰ ঢেকিয়াল গাঁৱঁত আছিল।

বৰ্ত্তমান গীৰ্জ্জা ঘৰ থকা ডিব্ৰুগড়ৰ গাভৰু পথাৰ ৱাৰ্ডত বশম্বদ মিত্ৰৰ মাটি আছিল প্ৰায় ৪০ বিঘা। কদমনিৰ বৰ্ত্তমান বেলৰ কাৰখানাৰ দক্ষিণফালেও এওঁৰ ৪৫ বিঘা মাটি আছিল। সেইদৰেই খলিহামাৰী গাঁৱতো ৭ বিঘাৰ অধিক মাটি আছিল। বহুতো লোকে কয় যে এই মাটি বিলাকৰ ভালেখিনি ইংৰাজ চাহাবৰপৰা পোৱা যোগেশ্বৰীৰহে মাটি আছিল। এতিয়াৰ বিচপৰ বঙলাটো আদিতে বশম্বদ মিত্ৰৰহে আছিল। সেই বঙলাটোৱেই সেই ঠাইত আটাইতকৈ পুৰণি আৰু আটক-ধুনীয়া বঙলা আছিল। মিত্ৰই প্ৰায় ২৫ হেজাৰমান টকা খৰচ কৰি ১৯১২।১৩ চনমানত সেই বঙলাটো সজাইছিল। দুমহলীয়াকৈ সজোৱা বঙলাটো মিত্ৰই সম্পূৰ্ণ কৰা নাছিল। সেই ঘৰটো সমুদায় মাটিৰে সৈতে মিত্ৰই ১৯৩৫।৩৬ চন মানত বাইশ কি পঁচিশ হাজাৰ টকা লৈ নদীৰ পাৰৰ তিনিকোণীয়াৰ ওচৰত থকা এটা বঙলা আৰু মাটিৰে সৈতে কেথলিক গীৰ্জা কৰ্ত্তৃপক্ষৰ লগত সলালে। মাটি সলোৱাৰ আগতেই যোগেশ্বৰী এই ঠাইতেই ঢুকাল। যোগেশ্বৰীৰ তোলতে প্ৰথমতে যোৰহাট নৰ্মাল স্কুলত শিক্ষকতা আৰু পাচত ডিব্ৰুগড় চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা গোলাঘাটৰ বেনী দুৱৰা আছিলহি। এখেত যোগেশ্বৰীৰ সম্পৰ্কীয় আছিল। যোগেশ্বৰী থাকোতেই দুৱৰাক এই ঠাইৰ কেই বিঘামান মাটি দি যায়। দুৱৰাই আনি লোৱা ভনীয়েক এগৰাকী এতিয়াও ইয়াতেই আছে। দুৱৰাই তোলনীয়া হিচাবে লোৱা এজন লোকো এই ঠাইত আছে। বশম্বদ মিত্ৰৰ লগত থকা আৰু তেওঁৰে সম্বন্ধীয় ভতিজা শ্ৰীহৰিনাৰায়ণ মিত্ৰও বৰ্ত্তমান (১৯৭১) 'লিট্‌ল ফ্লাৱাৰ' স্কুলৰ সমুখৰ খলিহামাৰী গাঁৱৰ মাটিতে আছে। তেওঁ এজন প্ৰবীণ তৰুণ।

গাভৰু পথাৰৰ মাটিয়ে ঘৰে সলোৱাৰ পাচত মিত্ৰই পৰিয়ালেৰে সৈতে বৰ্ত্তমান তিনিকোণীয়াৰ প'ল' গ্ৰাউণ্ডৰ উত্তৰলৈ ব্ৰহ্মপুত্ৰৰ পাৰত পেৰি চাহাবৰ নামেৰে থকা 'পেৰি পাৰ্ক'ৰ পূৱে থকা পকীঘৰ এটাত থাকিবলৈ লয়। এই ঠাইতেই ৰোহিনী বৰুৱা-দৰৰো ঘৰ আছিল আৰু তাতেই ৰসৰাজ বেজবৰুৱাই শেষ নিশ্বাস ত্যাগ কৰিছিল। মিত্ৰই এই ঘৰটোত থাকোতেই তেওঁৰ প্ৰথমা পৰিবাৰ সুৰেন্দ্ৰবালাৰ আৰু শেষত ১৯৪৮ চনৰ ১৫ ডিচেম্বৰ তাৰিখে মিত্ৰৰো দেহাৱসান ঘটিল। ১৯৫৪ চনৰ গড়া-খহনীয়াত তিনিকোণীয়াৰ সেই ঘৰটো ভাগিলত মিত্ৰৰ পৰিয়াল স্থানান্তৰিত হৈ এতিয়াৰ গীৰ্জ্জা ঘৰটোৰ সমুখতে থকা (আৰু বৰ্ত্তমান গীৰ্জ্জাৰে সম্পত্তি) মিত্ৰৰ সম্বন্ধীয় মামাক গণেশচন্দ্ৰ ঘোষৰ ঘৰটোতে আছিলহি। বলাই চাহ বাগিছা আৰু গড়পাৰা চাহ বাগি-ছাৰ জমাদাৰ গণেশ ঘোষে মৃত্যুৰ আগেয়ে সেই ঘৰটো আৰৈ কঠা মাটিৰে সৈতে বাঁৰী জীয়েক প্ৰমদা মঞ্জৰী বসুৰ নামত উইল কৰি গৈছিল। প্ৰমদা মঞ্জৰীৰ দুবছৰমানৰ আগতে দুৰ্ঘটনাত মৃত্যু হ'ল। গণেশ ঘোষৰ পুত্ৰ শ্ৰীঅৰবিন্দ আৰু ৰণেন্দ্ৰ ঘোষ বৰ্ত্তমান ডিব্ৰুগড়তে আছে। এই ঠাইতেই মিত্ৰৰ সৰু পুতেক শ্ৰীপতিৰ কেইবছৰমানৰ আগতে মৃত্যু হ'ল।

বশম্বদ মিত্ৰই বুৰঞ্জীমূলক চাৰিওটা প্ৰখ্যাত ধৰ্ম্ম—হিন্দু, ইচলাম, বৌদ্ধ আৰু খৃষ্টান ধৰ্ম্মৰ মতবাদসমূহ বিতংকৈ আৰু গভীৰভাৱে অধ্যয়ন কৰিছিল। এই ধৰ্ম্মবিলাকৰ যুক্তি আৰু মতবাদসমূহ বিজ্ঞান সন্মত দৃষ্টি-ভঙ্গী আৰু লগতে আইন সঙ্গত দৃষ্টি-ভঙ্গীৰে চালি-জাৰি চাইছিল। যিবিলাক এই দুয়োটা দৃষ্টিৰে প্ৰতিষ্ঠা কৰিব নোৱাৰি, সেইবিলাক মানিবলৈ তেওঁ নাৰাজ আছিল। তাত বাদেও তেওঁ পশ্চিমীয়া আদৰ্শেৰে অনুপ্ৰাণিত



হৈছিল। পশ্চিমৰ আদৰ্শ, পশ্চিমৰ সংস্কৃতিৰ বহুতো দিশত তেওঁৰ অশেষ শ্ৰদ্ধা আছিল। তেওঁ নিজকে এজন 'ৱেষ্টাৰ্ণাইজড্ হিন্দু' বুলি চিনাকি দিছিল। ডাৰউইনকে ধৰি পশ্চিমৰ যুগনায়ক সকলৰ মতবাদসমূহ অতি নিষ্ঠাৰে অধ্যয়ন কৰি সেইবিলাকৰ সকলো তত্বৰ লগত নিজক সম্যকভাৱে পৰিচিত কৰিছিল। ইয়াৰ উপৰিও তেওঁ ইংৰাজী আৰু ইউৰোপীয় প্ৰখ্যাত কবি-সাহিত্যিক সকলৰ কৃতিসমূহ বহলভাৱে অধ্যয়ন কৰিছিল। গতিকে এজন বিদগ্ধ দাৰ্শনিক পণ্ডিত হিচাবে হিন্দুধৰ্ম্মৰ সকলোবোৰ মতৰ লগত, দৃষ্টিভঙ্গীৰ লগত তেওঁৰ যিদৰে বিস্তৃত পৰিচয় আছিল, সেইদৰেই আছিল চেইণ্ট-প'ল, আগষ্টে কাষ্টে, হেগেল, ৰেণান, ৰ'চো, কাণ্ট, জ'ন ষ্টুৱাৰ্ট মিল, হাৰ্বাৰ্ট পেন্‌চাৰ আদি মনীষী সকলৰ মতবাদৰ লগতো তেওঁৰ সুপৰিচয়। ইউৰোপীয় সভ্যতাৰ শ্ৰেষ্ঠতম ফল খৃষ্টান ধৰ্ম্মৰ নীতিসমূহ তেওঁ অতি বহলাই বিচাৰ কৰিছিল। ইচলাম ধৰ্ম্মমতকো সুন্দৰকৈ চৰ্চ্চা কৰিছিল। হিন্দুৰ সকলো দাৰ্শনিক গ্ৰন্থ খৰচি মাৰি পঢ়িছিল। . নিজে এজন পশ্চিমীয়া হিন্দু' হিচাবে হিন্দু ধৰ্ম্মৰ অবৈজ্ঞানিক আৰু আইন অসঙ্গত নীতি-নিয়মবোৰৰ মূলত কুঠাৰাঘাত কৰিছিল আৰু নানান চোকা ভাষাৰে সেইবোৰক সমালোচনা কৰিছিল—নানান অকাট্য যুক্তিৰে। বৰ্ত্তমান যুগটোক তেওঁ ধৰ্ম্মনিৰপেক্ষতা আৰু সামাজিক কৰ্ম্মৰ যুগ বুলি বিবেচনা কৰিছিল। ধৰ্ম্মজগতত বিশ্বাস কৰাৰ দৰে জগতখন কোনো ঈশ্বৰে সৃষ্টি কৰিছে বুলি তেওঁ বিশ্বাস কৰিবলৈ টান পাইছিল। জগতখন প্ৰাকৃতিক বিজ্ঞানৰ নিয়মানুসাৰে সৃষ্টি হোৱা বুলিহে ভাবিবলৈ ভাল পাইছিল। আত্মমা, পৰজন্ম, অশৰীৰী-স্থিতি আদিত বিশ্বাস কৰা নাছিল। সেইবাবেই তেওঁ সত্য, ন্যায়, প্ৰেম আদি ধাৰ্ম্মিক স্থিতিৰ সাধাৰণ সূত্ৰবিলাকৰ সামাজিক জীৱন যাত্ৰা প্ৰণালীৰ লগতহে সম্পৰ্ক বিচাৰি পাইছিল। সেইদৰেই তেওঁ ভাৰতীয়সকলে পশ্চিমীয়া সকলৰ সকলো নতুনকেই হিংসাৰ চকুৰে চোৱাটো আত্মঘাতী বুলিছে। physical science আৰু practical artৰ ক্ষেত্ৰত ভাৰতে পশ্চিমৰ ভৰিত লৰিছে কিন্তু moral আৰু religious lifeত তেওঁলোকৰ পৰা শিকিবলৈ একোৱেই নাই বোলা কথাত তেওঁৰ খং উঠিছিল। একে-দৰেই 'The west has advanced in material affairs and the east in spiritual matters' বুলি কোৱা কথাটোও তেওঁ বিশ্বাস নকৰিছিল। তেওঁ ৰুচোৰ 'ইন-ডিভিজুৱেলজইজম্' মতবাদৰ প্ৰশংসাও কৰিছে। হিন্দুৰ গীতাৰ মাহাত্ম্য স্বীকাৰ কৰিছে যদিও, তেওঁ শ্ৰীকৃষ্ণৰ শিকনিসমূহো 'ইনডিভিজুৱেলিষ্টিক' হ'ল বুলি কৈছে। তেওঁ বহুতো ঠাইত খৃষ্ট ধৰ্ম্মৰ প্ৰশংসা কৰিছে। আধুনিক সভ্যতাক কৰা সমালোচনাক তেওঁ একে সময়তে একাষৰীয়া (one sided) আৰু তৰাং (shallow) বুলিছে। এই-দৰে তেওঁৰ পশ্চিমৰ ধৰ্ম্ম, সমাজনীতি, মতবাদ, আধুনিক সভ্যতা আদিৰ প্ৰতি থকা সহানুভূতি আৰু ভাৰতীয় সমাজ আৰু ধৰ্ম্মৰ মাজত থকা বিৰূপ মতবাদ সমূহৰ প্ৰতি বিতৃষ্ণা প্ৰকাশ পাইছিল। এসময়ত মিত্ৰৰ এনে খং উঠিল যে তেওঁ হিন্দুধৰ্ম্মৰ সকলো-বোৰ পুথি, দাৰ্শনিক গ্ৰন্থ ফালি-চিৰি জুইত পুৰি পেলালে আৰু এই ধৰ্ম্মত বিশ্বাস হেৰু-ৱাই ইচলাম ধৰ্ম্মত দীক্ষিত হ'ল। তেওঁ ইচলাম ধৰ্ম্মৰ ধৰ্ম্মীয় অনুষ্ঠান বিলাকত মুকলি-ভাৱে যোগ দিবলৈ ধৰিলে আৰু এজন মুছলমানৰ দৰে সাজপাৰ কৰিবলৈ ধৰিলে। সেই সাজেৰেই ডিব্ৰুগড়ত অনুষ্ঠিত আলোচনা সভা আদিত যোগদান কৰিছিল। তেওঁ যেতিয়া ইচলাম ধৰ্ম্মৰ মতবাদ আৰু তত্ত্ব সমূহৰ ব্যাখ্যা দিয়ে, তেতিয়া এই ধৰ্ম্মৰ বহুতো ধৰ্ম্ম প্ৰবক্তাইও তাক অনুসৰণ কৰিব নোৱাৰিছিল। এই ধৰ্ম্মমতত কিছুদিন চলাৰ পাচত যেতিয়া অতি সাধাৰণ মানুহবোৰো তেওঁৰ ঘৰত অবাধে সোমাবলৈ ধৰিলে তেতিয়া এই ধৰ্ম মত পুনৰ এৰি পেলাবলৈ মন কৰি যাতে এই ধৰ্মৰ গোড়া বিশ্বাসী বিলাকৰ প্ৰৱেশ নিষেধ হয়—তাৰ বাবে তেওঁৰ পদুলিতে দুটা গড়ালত দুটা গাহৰি বান্ধি থলে। কিয়নো তেওঁ যদিও ইচলাম ধৰ্ম্ম গ্ৰহণ কৰিছিল, তথাপি তেওঁ গোড়ামীৰ সদায় বিৰোধী আছিল। বশম্বদ মিত্ৰই প্ৰকাশ্যে খৃষ্টান হৈছিলনে নাই কব নোৱাৰি যদিও তেওঁ খৃষ্টধৰ্ম্মক সন্মানৰ দৃষ্টিৰে চাইছিল আৰু খৃষ্ট ধৰ্ম্মৰ বৈজ্ঞানিক মত সমূহত পূৰ্ণ আস্থা ৰাখিছিল। মানৱতাৰ সেৱাৰ মহিমাৰে মহিমান্বিত খৃষ্টধৰ্ম্মক তেওঁ অন্তৰেৰে ভাল পাইছিল। এই ধৰ্ম্মৰপৰা বহুতো কথা অন্য ধৰ্ম্মসমূহে শিকিব লাগে বুলিও ভাবিছিল। মিশ্যনেৰীসকলৰ বহুতো

প্ৰৰোচনামূলক কথাক হেয়জ্ঞান কৰিছিল যদিও, মিশ্যনেৰীসকলৰ আদৰ্শ আৰু খৃষ্টধৰ্ম্মৰ অমূল্য উপদেশসমূহত পূৰ্ণ আস্থা আছিল। খৃষ্ট ধৰ্ম্মক ইউৰোপীয় সভ্যতাৰ শ্ৰেষ্ঠতম ফল বুলিছে। মিত্ৰই ৰাজনৈতিক মুক্তি, সামাজিক সাম্য আৰু সমাজ সেৱাত পূৰ্ণ বিশ্বাস ৰাখিছিল। স্বদেশানুৰাগ তেওঁৰ ধৰ্ম্মৰ অঙ্গ স্বৰূপ আছিল।

সামাজিক সাম্যত অটল বিশ্বাস ৰখা মিত্ৰই সমাজ সেৱাৰ কৰ্ম্মত নিজক নিয়োগ কৰিছিল। প্ৰতি শনিবাৰেই তেওঁ ডিব্ৰুগড়ৰ চৌকাষৰ পিচপৰা ঠাই বিলাকলৈ গৈছিল আৰু বহুতো ঠাইত বাহৰ আদি পাতিও সমাজক সকলো বিষয়তে উদগনি দিছিলগৈ। তেওঁ বহুতো উদাসীন লোককো এনে কামত খটাইছিল। চাবুৱাৰপৰা আগলৈ বালিজান চাইডিঙত এনে উদ্দেশ্যেৰে মিত্ৰই নিৰ্ম্মাণ কৰোৱা মন্দিৰ এটা এতিয়াও আছে। তেওঁ দুখীয়া-দুৰ্গত লোকক মুক্তহস্তে দান কৰিছিল। টকা-পয়চা, খাদ্য, কাপোৰ-কানি আদি দুখীয়াক দান কৰিছিল। তেওঁৰ কাষচপা সকলোকেই সহায় কৰিছিল। মিত্ৰ আৰু যোগেশ্বৰীয়ে বহুতো ঘাট-মাউৰা, নিথৰুৱা ল'ৰা আৰু ছোৱালীক নিজৰ ঘৰতে ৰাখি ডাঙৰ-দীঘল কৰিছিল। তেওঁৰ তোলত উঠা কেইবাজনো লোক আৰু কেইবা গৰাকীও তিৰোতা এতিয়াও ডিব্ৰুগড়ত আছে। ৰাজ্যিক পথ পৰিবহন নিগমৰ ডিব্ৰুগড়ৰ গাড়ী চালক আৰু এসময়ৰ ডিব্ৰুগড়ৰ টাউন ক্লাবৰ ভাল গ'ল ৰক্ষক শ্ৰীনগেন্দ্ৰ নাথ পাল সেই সকলৰে এজন। এইদৰে সমাজ সেৱক মিত্ৰৰ নাম ডিব্ৰুগড়ৰ পুৰণি প্ৰায়-সকলো লোকেই জানে। ডিব্ৰুগড়ৰ উকিল সংস্থাৰ কাৰ্য্যবিৱৰণীৰ সেই সংস্থাৰ প্ৰধান সমাজ-সেৱী সদস্য সকলৰ ভিতৰত মিত্ৰৰ নামকেই জয়জয়তে উল্লেখ কৰা হৈছে। এই সংস্থাৰ আন কেইগৰাকীমান প্ৰসিদ্ধ সমাজ সেৱক হ'ল ক্ৰমে খানবাহাদুৰ চয়িদুৰ ৰহমান, মৌলবী ফৈজনুৰ আলি, ভীমবৰ দেউৰী, লক্ষেশ্বৰ বৰুৱা, যোগেশচন্দ্ৰ গোহাঞি ৰায়বাহাদুৰ সদানন্দ দুৱৰা, জীৱনৰাম ফুকন, লোকেশ্বৰ ফুকন আদি। মিত্ৰ আছিল এগৰাকী মহান বিদ্বানলোক। তেওঁৰ আইনৰ জ্ঞান আছিল অপৰিসীম। সকলো ধৰ্ম্মমত, ধৰ্ম্ম-শাস্ত্ৰ, বিশিষ্ট বৈজ্ঞানিক, দাৰ্শনিক, আৰু কবি-সাহিত্যিক সকলৰ বিশিষ্ট মতবাদ সমূহৰ চৰ্চ্চা আৰু জ্ঞান আছিল সুদূৰ প্ৰসাৰী। আধুনিক জগতৰ বিশিষ্ট থূল বিলাকৰ সকলো চিন্তাধাৰাৰ লগত নিজক অভিজ্ঞ কৰি তুলিছিল। অনুসন্ধিৎসু, চিন্তা-বিদ আৰু দাৰ্শনিক পণ্ডিত হিচাবে মিত্ৰৰ সমকক্ষ ভাৰতত কমেইহে আছিল। বশম্বদ মিত্ৰ সম্পাদনা কাৰ্য্যৰ এগৰাকী মহান অভিজ্ঞ পুৰুষ আছিল। 'টাইমচ্ অৱ্ আসাম', 'ইষ্টাৰ্ণ হেৰাল্ড', চিটিজেন আদি কাকত সম্পাদনাত তেওঁৰ প্ৰতিভা ওপৰত আলোচনা কৰা হৈছে। মিত্ৰই প্ৰকাশ কৰা একমাত্ৰ দাৰ্শনিক ককিতাপখন হ'ল 'টু এচেজ'। এইখন কিতাপ ১৮৯৯ খৃষ্টাব্দত ডিব্ৰুগড়ৰ Albion Pressৰ পৰা মুদ্ৰক উইলিয়ম এচ্ টেইলৰে প্ৰকাশ কৰিছিল। গ্ৰন্থখনত (১) The religious consciousness of the nineteenth century আৰু (২) 'Cdeal Eastern and Western' নামৰ দুখন সুদীৰ্ঘ ৰচনা আছে। ইয়াত লিখকৰ নাম দিয়া হৈছে—By a 'Western Hindu' বুলি। গ্ৰন্থখনৰ সম্পৰ্কত লিখকে কৈছে—"The contents of this volume are a reprint of some articles contributed by the writer to a local weekly, during the time of Mrs Besants' visit to India in 1894,. . . .They were written in the leisure hours of an otherwise busy life and with but a few books of reference in hand" সেই দৰেই কৈছে—'The following pages attempt to definitely indicate the grave character of the issues involved in the present dispute between the orthodox revivalists and their opponents the "Westernised Hindues" of Mrs Besant and the anthor will find his work amply rewarded if the following pages help in inducing some worthier and abler men to take up the subject." এই ৰচনা দুখন মিত্ৰৰ প্ৰতিভাৰ স্বাক্ষৰ স্বৰূপ। ইয়াত তেওঁ পূব আৰু পশ্চিমৰ দাৰ্শ-নিক ভাৱধাৰাৰ এটি সম্যক পৰিচয় দিছে। উল্লিখিত তিনিওখন সাপ্তাহিক কাকতত প্ৰকাশিত তেওঁ লিখা প্ৰবন্ধ আৰু সম্পাদকীয়বোৰ গোটালেও আৰু কেইবাখনো গ্ৰন্থ



হ'লহেঁতেন। মুঠতে এজন প্ৰসিদ্ধ সংবাদসেৱী, এজন প্ৰখ্যাত আইনজীৱী, এজন খ্যাতনামা সাহিত্যিক, এজন বৰেণ্য সমাজকৰ্ম্মী, এজন লেখত লবলগীয়া চিন্তাবিদ দাৰ্শ-নিক হিচাবে মিত্ৰৰ প্ৰতিভা আছিল আকাশলংঘা। তেওঁ সোম্যমূৰ্তিৰ সভা শুৱনি পুৰুষ আছিল। ৰায়বাহাদুৰ জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱাই আৰম্ভ কৰা 'অসম এচোচিয়েচন'ৰ লগত মিত্ৰ ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। আমৃত্যু তেওঁ অসম আৰু অসমীয়া সমাজৰ এগৰাকী হিতৈষী ব্যক্তি হিচাবে চিনাকি দিব পাৰি-ছিল। তাৰ উপৰিও মিত্ৰই অসমত সাংবাদিকতাৰ জন্ম আৰু প্ৰগতিত অবিস্মৰণীয় অৱদান দি থৈ গৈছে।

মিত্ৰ এজন আপোনভোলা লোক আছিল। তেওঁ ধপাত, ভাং আৰু কানিও পান কৰিছিল। কানি-নিবাৰণী আন্দোলনৰ তেওঁ বিৰোধিতা কৰিছিল। সেই কানি নিবাৰণী সমিতিয়ে তেওঁক এৰুৱাবলৈ আৰু সেই বিষয়ে তেওঁৰ মত পৰিবৰ্ত্তন কৰাবলৈ অসমৰ্থ হৈছিল। সাংবাদিক অসমীয়া শ্ৰীলক্ষ্মীনাথ ফুকন 'টাইম্চ অৱ্ আসাম'ৰ সম্পা-দক থকা সময়ত মিত্ৰই কানি নিবাৰণী আন্দোলনৰ বিৰোধিতা কৰি সম্পাদকীয় যুগুত কৰি দিছল— কিন্তু শ্ৰীফুকনে প্ৰকাশ নকৰাত মিত্ৰই বেয়া পাইছিল। অৱশ্যে 'প্ৰাপ্ত' বুলি সেই প্ৰবন্ধটো পাচত প্ৰকাশ কৰিছিল। উকিলখানাতো মানুহে তেওঁৰ ব'ম-ভোলা ৰূপ দেখিবলৈ পাইছিল। কোনোদিন ভাং-কানি খাই ব'ম হৈ পৰিও আছিল কাছাৰীতে। বোধহয় ভাং-কানিৰ অধিকভাৱে আশ্ৰয় লোৱাৰ কাৰণ এটি—সেয়ে হ'ল —মিত্ৰৰ বুঢ়াকালছোৱা পাৰিবাৰিক ক্ষেত্ৰত হতাশা আৰু নানান অসুখ-অশান্তিত তল-ওপৰ লাগিছিল। বৃদ্ধ বয়সত সেই বাবেই তেওঁ এইবোৰৰ অধিক আশ্ৰয় লৈছিল।

এইদৰেই সুদীৰ্ঘ ৯৪ বছৰ কাল জীৱন ভোগ কৰি প্ৰবীণ আইনজ্ঞ, পণ্ডিত বশম্বদ মিত্ৰদেৱে অসমত আইন ব্যৱসায় আৰু সংবাদ পত্ৰৰ প্ৰচলন আৰু সাংবাদিকতাৰ অগ্ৰ-গতিলৈ অপৰিমেয় অৱদান আগবঢ়াই অসম ভূমিতে লৌহিত্যৰ দক্ষিণ তীৰৰ ডিবুৰু-পাৰতে মানৱী জীৱনৰ সামৰণি মাৰিলে, ১৯৪৮ চনৰ ১৫ ডিচেম্বৰ তাৰিখে ৰাতি। পুৱা সেই খবৰ সকলো ঠাইতে সদৰি হ'ল। দনৰ আগভাগতে আদালত, স্কুল, কলেজ, কাৰ্য্যালয় সমূহ প্ৰেছ আদি বন্ধ দিলে জিলা কৰ্তৃপক্ষই। মৃতদেহ শোভাযাত্ৰা কৰি লুইতৰ পাৰলৈ নগৰৰ প্ৰধান পথেদি কঢ়িয়াই নিয়া হ'ল লক্ষেশ্বৰ বৰুৱাদেৱৰ নেতৃত্বত নগৰৰ সকলো গণ্য-মান্য ব্যক্তি, কাৰ্য্যালয়ৰ কৰ্ম্মচৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিলে। অসমবাসী ৰাইজে মিত্ৰলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে।

মিত্ৰৰ মৃত্যুৰ ২৩ বছৰৰ পাচত আৰু জন্মৰ ১১৭ বছৰৰ পাচত যুগুতোৱা এই বিক্ষিপ্ত জীৱন আলচাটিৰেই পবিত্ৰ মহান স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। অসমৰ সাংবাদিকতালৈ ডিবুৰুৰ উল্লেখনীয় অৱদানৰ এটি চমু আভাষ দাঙি ধৰিলোঁ। ডিব্ৰুগড়ত স্থায়ী দৈনিক বাতৰি কাকত এখনৰ অনতি বিলম্বে জন্মৰ কামনা কৰিলোঁ।

---

"আমাক এনেকুৱা নেতা লাগে-- যি সকলে তেওঁলোকৰ নেতৃত্ব বজাই ৰাখিবলৈ সদায় হেপাহ নকৰি, প্ৰকৃত সত্য প্ৰচাৰ কৰিবলৈ আৰু আমাৰ সমস্যাবোৰৰ প্ৰকৃত সমাধান কৰিবলৈ সদায় প্ৰস্তুত থাকে।"

—**ডঃ ৰাধাকৃষ্ণণ**



# পুৰণি আলোচনীৰ পাত লুটিয়াই

মহাবিদ্যালয় আলোচনী এখনক অনুষ্ঠানটোৰ বছৰেকীয়া ইতিহাস বুলিয়েই কব পাৰি। মহাবিদ্যালয়ৰ জীৱনৰ এটা বছৰৰ প্ৰায় সকলো ঘটনাকে ইয়াত লিপিবদ্ধ কৰা হয়। বিষাদ আৰু আনন্দৰ, নৈৰাশ্য আৰু আশা, বিফলতা আৰু সাফল্য, লজ্জাৰ লগতে গৌৰৱৰ ইতিহাসত সন্নিবিষ্ট হোৱাৰ লগতে ইয়াক চহকী আৰু আকৰ্ষণীয় কৰে প্ৰবীন আৰু নবীন দুদল লিখকে লিখা ভিন্ন ভিন্ন ধৰণৰ লিখনীয়ে। কাৰৈ মহাবিদ্যালয়ৰ পুৰণি আলোচনীৰ পাত লুটিয়ালেও আপুৰুগীয়া, সোৱাদলগা আৰু ভিন্নমুখী বিবিধ ৰচনাৰ চানেকি দেখিবলৈ পোৱা যায়। সৰহ ভাগ ভাৰগধুৰ প্ৰৱন্ধই অৱশ্যে শিক্ষকসকলৰ বৰঙনি — ছাত্ৰ-ছাত্ৰীসকলে বেচি ভাগ ক্ষেত্ৰতে তেওঁলোকৰ চৰ্চা গল্প কবিতাৰ মাজতেই আৱদ্ধ ৰাখে। কাৰণ গল্প কবিতাৰ মোহে এই বয়সৰ ছাত্ৰ-ছাত্ৰীসকলক যিদৰে আকৰ্ষণ কৰে, ৰসহীন ভাৰগধুৰ প্ৰৱন্ধৰ তেনে আকৰ্ষণীয় শক্তি নাই।

পুৰণি আলোচনীৰপৰা ইয়াত দিয়া সংগ্ৰহবোৰৰ বাছনিৰ বিষয়ে দুটামান কথা প্ৰথমেই কৈ থোৱা ভাল। ইয়াত সংগ্ৰহকৰ যিহক ভাল লাগিছে তাকেই দিয়া হৈছে। আৰু তাকে কৰোঁতে বহুতো ভাল প্ৰৱন্ধপাতিৰ প্ৰতি-যে সুবিচাৰ কৰা হোৱা নাই, সি নিশ্চিত। কাৰণ বহুতো আপুৰুগীয়া ইংৰাজী ৰচনাৰ অংশবিশেষ ইয়াত সন্নিবেশ কৰা হোৱা নাই। কাৰণ তেনে ৰচনা ইয়াত অন্তৰ্ভুক্ত কৰিবলৈ হ'লে এই প্ৰৱন্ধৰ (লগতে এই স্মৃতিগ্ৰন্থৰ) ভাষাৰ লগত সামঞ্জস্য ৰাখি সেইবিলাক ভাষান্তৰিত কৰি ল'ব লাগিব যিটো কাম সচাকৈয়ে দুৰূহ। প্ৰৱন্ধৰ ক্ষেত্ৰত ছাত্ৰ-ছত্ৰীৰ বৰঙনি আছে যদিও সেইবিলাক বিশেষ উল্লেখযোগ্য নহয়। বেছি ভাগ ক্ষেত্ৰতে এই বিলাকৰ বিষয়বস্তু গতানুগতিক আৰু এই বিলাকৰ মৌলিকতাৰ সীমা অনুধাৱন কৰাটো সহজ নহয়।



তাতে এই প্ৰৱন্ধৰ আকাৰ সীমিত কৰি ৰাখিবলগীয়া হোৱাৰ বাবেও ছাত্ৰ-ছাত্ৰীৰ ৰচনাৰ উদ্ধৃতি বেচিকৈ দিবপৰা নাযাব।

এইটো সহজে চকুত পৰিব যে ১৪ শ সংখ্যাৰপৰা ২৫ শ সংখ্যা আলোচনী সমূহৰ কোনো ৰচনাৰ অংশ বিশেষে ইয়াত ঠাই পোৱা নাই। ইয়াৰ কাৰণ এয়ে যে সম্পাদকৰ মনঃপুত হোৱা, বা আপুৰুগীয়া বা অগতানুগতিক বিষয় বস্তুৰ কোনো অসমীয়া ৰচনাই এইকেইটা সংখ্যাত দেখা পোৱা নগ'ল।

আলোচনীৰ দ্বিতীয়-তৃতীয় সংখ্যাত প্ৰকাশিত হোৱা ৰূপকোৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱে মহাবিদ্যালয়ৰ সংগীত সন্ধিয়া উপলক্ষে দিয়া এটি ভাষণ অন্যত্ৰ হুবহু পুনৰ্মুদ্ৰিত হৈছে।

১৯৪৭ চনৰ প্ৰথম সংখ্যা আলোচনীত 'মৰণৰ বিভীষিকা' কবিতাত অধ্যাপক বেণুধৰ ৰাজখোৱাই মৰালৈ ভয় কৰাৰ পৰিৱৰ্ত্তে সিপুৰীত ইতিমধ্যে থাকিবলৈ লোৱা অনেক কৃতিপুৰুষক লগ পাবলৈ হোৱা নিজৰ ব্যাকুলতাৰ কথাহে প্ৰকাশ কৰিছে ঃ

সিপুৰীত কেনে আহা, পূৰ্ণিমা জোনাক ;
বিৰাজে কতনো কৃতী পুৰুষ প্ৰবৰ।
আছে গুণ-অভিৰাম শান্ত সৌম্য মূৰ্ত্তি—
দেখিলে ৰঙতে মোৰ নাচিব অন্তৰ।

নিশ্চল নিৰ্ভীক ভাবে বীৰ পৰ্শুৰাম ;
লগে লগে ফণিধৰ স্বাধীন-চিতীয়া।
দেখিম গৈ পদ্মনাথ কবি সৰস্বতী ;
আৰু তাতে চিৰী-নাথ সৰৱৰহীয়া।

শোভিছে বৰুৱা বেজ গোবিন্দ সাহসী,
শিৱ প্ৰসাদকো পাম মোহন গম্ভীৰ।
আৰু আছে লক্ষ্মীনাথ সাহিত্য-সম্ৰাট ;
কনক বৰুৱা তাতে প্ৰশান্ত সুস্থিৰ।

দেখা পাম ইসকল পুৰুষ প্ৰধান—
কেনে সুখ-দিন, আহা, হ'ব সমোদিত !
সতৃষ্ণ নয়নে আছোঁ তালৈ বাট চায় ;
মহা শান্তি পাব মোৰ পৰাণ তৃষ্ণি।

কিন্তু কবিওতো তেজ মঙহৰেই মানুহ। মায়াৰ বন্ধন ছিঙা ইমানেই সহজনে? ল'ৰা-ছোৱালী পৰিবাৰ, মিতিৰ কুটুমেৰে ভৰা এখন সংসাৰ এৰি যোৱাটোতো সহজ নহয়, তেহেলৈ সিপুৰীত যিমানেই আকৰ্ষণ নাথাকক। কবিয়ে লিখিছে ঃ

যাবলৈ ওলালোঁ মই কেহেলি কেন্দেলি।
কোনবাটে যাব লাগে, জনা-শুনা নাই।
সমূলি যাবৰ মন নাই নাই মোৰ।
একোকে নেজানো হাঁয় কেনে সেই ঠাই।

নিজ ঘৰ-বাৰী এৰি কিয় যাম মই ?
যদি যাব লাগে, ঘৰ সাজিছিলোঁ কিয় ?
ইয়ালৈকে গৃহস্থালি পাতিছিলোঁ নেকি ?
ক'ত পৰি ৰল মোৰ পৰিজন প্ৰিয় !

খিলিলিং—লিং কৰে ধনৰ মোনাটো।
তথাপি নিদিয়ে মোক বাটৰ খোৰাকি।
ভাবোঁ, যাওঁ কিয় মই নিঠৰুৱা হ'ই।
নাযাওঁ, ভুঞ্জিম সুখ ইয়াতেই থাকি।

কিন্তু বিধিৰ বিধান কোনে খণ্ডাব ? কবিয়েও মৰণৰ হাত সাৰিব নোৱাৰিলে। যম নগৰী পালত কৰ্ম্মফলৰ বিচাৰ হ'ল। কৰ্ম্মফল সুবিধাজনক নাপাই, তাতে কবিৰো কাকুতি-মিনতিত কুমলি যমে কি কলে কবিৰ ভাষ'তে শুনক ঃ

সৰল প্ৰাণেৰে মই অনুতাপ কৰি,
ৰজাৰ পাৱত পৰি কান্দিলোঁ অশেষ।
কুমলি যমৰ বজ্ৰ-হিয়া এটিবাৰ—
কলে 'শুন্, দুৰ্ভগীয়া, ই মোৰ আদেশ ঃ—

সঁচাকই যদি তই হৈছ অনুতপ্ত,
অহাবাৰ আচৰিবি সুনীতি ধৰম
ঘূৰি যাগৈ পৃথিৱীলৈ এৰিলো ইবাৰ ;
ইচ্ছামতে পৃথিৱীত লভিবি জনম।''

(অন্তিম যাত্ৰা, ২য় সংখ্যা পৃঃ ৮,৯)

প্ৰথম সংখ্যাৰ 'শংকৰৰ ধৰ্ম্ম' প্ৰৱন্ধত অধ্যাপক সৰ্ব্বেশ্বৰ গোস্বামীয়ে শংকৰ দেৱৰ ধৰ্ম্মৰ লগত ইচ্‌লাম্ ধৰ্ম্মৰ মিল দেখুৱাই লিখিছে ঃ

''শঙ্কৰদেৱৰ ভাগৱতী ধৰ্ম্ম আৰু হজৰৎ মহম্মদৰ ইছ্‌লাম্ ধৰ্ম্মৰ ভিতৰত কেবা ঠাইতো মিল দেখা যায় ; আৰু সেই কাৰণেই বোধহয় চান্দ, চাহ প্ৰভৃতি মুছলমান সকলেও এই ধৰ্ম্ম সাদৰি লৈছিল। ইছ্‌লামৰ মত—''লা ইলাহা ইল্লাল্লাহ মহম্মদ ৰছুল আল্লাহ''—এক আল্লাত বাহিৰে আন কোনো নাই, তেওঁকেই কেৱল পূজা কৰা উচিত। মহম্মদ তেওঁৰ দূত মাথো। শঙ্কৰে কয়—''কৃষ্ণ বিনে আন নাহি দেৱ'', আৰু শঙ্কৰ —''দাসৰো দাস।'' হজৰতে কয়—''কোনো ধৰ্ম্মক বেয়া নুবুলিবা, খোদাৰ মহিমা কীৰ্ত্তন কৰিবা, খোদা কাৰো একচেতীয়া সম্পত্তি নহয় ; সকলোৰে সৃষ্টি পালন কৰ্ত্তা ৰচচুনল আলমীন। তেওঁ আদি, তেওঁৱেই অন্ত।'' ভাগৱতী ধৰ্ম্ময়ো সেই একে কথাকে শিকায়—''নিনিন্দিবা, নবন্দিবা। হৰিৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা, মুখে ৰাম বোল কৰ্ণে শুনা কৃষ্ণ কথা।'' (পৃঃ ৩৫)

মহাবিদ্যালয় আৰম্ভ হোৱা বছৰ স্বীকৃতিলাভত বিফল হোৱা বাবে নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে একে শ্ৰেণীতে দুবছৰকৈ থাকিবলগীয়া হোৱাত



তেওঁলোকৰ লগতে বিনা বেতনে শিক্ষাদান কৰা কেইবাগৰাকীও শিক্ষকৰ কথা যতীন হাজৰিকাই "ৰবাগী-গীতত" (২য় সংখ্যা ১৯৪৮-৪৯) কিদৰে উল্লেখ কৰিছে চাওক ঃ

অধ্যক্ষ হিচাবে বসু গুৰু আহিলে
ৰাইজৰ হকে ঐ লাগি—মোৰ গুৰু ঐ
বিনা বেতনেৰে শিক্ষাদান কৰিলে
ধৰ্ম্মতত্ত্ব জ্ঞান লভি—মোৰ গুৰু ঐ
সুশীল, সুৰেন, পাত্ৰ ৰাজখোৱা দত্ত,
দেৱপূজ্য সকলে আহি—মোৰ গুৰু ঐ
কৰিলে আৰম্ভ শিক্ষাৰ মহলা
জৰ্জ্জ শিক্ষালয়ত ৰহি—মোৰ গুৰু ঐ
লক্ষ্মী স্বৰূপিনী সৰলা আইদেৱে
প্ৰথমে ভৰ্ত্তি হৈ—মোৰ গুৰু ঐ
গোটাব ধৰিলে শিষ্যৰ সংখ্যা
নিজে টানি-টুনি লৈ—মোৰ গুৰু ঐ
দ্বিতীয় বাৰ্ষিকৰ মান্যবন্ত সকলে
অক্লান্ত কৰ্ম্ম কৰি—মোৰ গুৰু ঐ
নিজৰ জীৱনৰ বছৰেক ত্যজিও
ৰাখিলে নিৰলে ধৰি—মোৰ গুৰু ঐ....ইত্যাদি (পৃঃ ৩৪)

৬ষ্ঠ সংখ্যা (১৯৫২) আলোচনীৰ 'কৱি-প্ৰকৃতি' প্ৰৱন্ধৰ যোগেদি অধ্যাপক উপেন্দ্ৰ নাথ গোস্বামীয়ে কবিতা ৰচনাৰ মূলতে অন্তৰৰ কি অনুভূতিৰ প্ৰয়োজন সেই বিষয়ে ক'বলৈ গৈ লিখিছে ঃ

কবিতা আমি বলেৰে লিখিব নোৱাৰোঁ। আৰু ইচ্ছা কৰি কবি হ'বও নোৱাৰোঁ। ''কবি জন্মেহে, কবি সাজিব নোৱাৰি।'' জগতৰ বহুতো কথা পৰিশ্ৰমৰ জৰিয়তে আয়ত্ব কৰিব পৰা যায়। কিন্তু হৃদয়ত কাব্যৰ অঙ্কুৰ নাথাকিলে কাব্যৰূপী গছজোপা ফুলে ফলে জাতিষ্কাৰ হৈ উঠিব নোৱাৰে। সেইদৰে অকল অঙ্কুৰ থাকিলেই নহয়, তাক ভালদৰে প্ৰতিপালনো কৰিব লাগিব। অৰ্থাৎ কাব্যৰ চৰ্চা ৰাখিব লাগিব....কিন্তু কবিতাৰ মূল উৎস হৈছে কবিৰ অভিনৱ অনুভূতি। অৰ্থাৎ কোনো এটা বিশেষ সময়ত কোনো এটা বস্তু দেখিলে বা কোনো এটা কথা শুনিলে কবিৰ অন্তৰত যি তীব্ৰ অনুভূতিৰ সঞ্চাৰ হয়, তাৰ প্ৰকাশতেই কবিতাৰ জন্ম। কবিৰ সই অৱস্থাটোক 'দৈৱী শক্তি', 'মুড' বা 'ভাবানন্দ' বা 'আলোক ক্ষণ' (moments of illumination) আখ্যা দিয়া হৈছে। তেনে মুহূৰ্ত্তত কবিৰ কোনো নিজত্ব নাথাকে। তেওঁ সাধাৰণ 'ব্যক্তিৰ' স্তৰৰ পৰা 'বিশ্ব'ৰ স্তৰত উপনীত হয়। অৰ্থাৎ তেওঁৰ অনুভূতি ব্যক্তিগত নহৈ সাৰ্ব্বজনীন অনুভূতিত বিলীন হৈ পৰে। উদাহৰণ স্বৰূপে কামাসক্ত ক্ৰৌঞ্চ পখীটিৰ নিৰ্ম্মম হত্যাত বাল্মীকিৰ অন্তৰত যি আঘাত লাগিল, সি ''মা নিষাদ প্ৰতিষ্ঠাং'' ৰূপে কবিৰ অন্তৰৰপৰা নিজৰি ওলাল ; আৰু তেওঁৰ ব্যথা বিশ্বৰ ব্যথাত পৰিণত হ'ল।....আদি কবিয়ে আগেয়ে ভৱা নাছিল যে তেওঁ এনে ধৰণৰ শ্লোক এটা লিখিব। তমসাৰ তীৰলৈ গা ধুবলৈ যাওঁতে এনে এটা ঘটনা ঘটিল আৰু কবিৰ অন্তৰৰপৰা আপোনা-আপুনি 'শ্লোক-ছন্দ' ব্যক্ত হ'ল। কবিসকলে এইদৰে অজ্ঞাত অনুভূতিৰ বশৱৰ্ত্তী হৈ অমৰ কাব্য ৰচনা কৰে। সেয়েহে কোৱা হয় যে কবিয়ে কাব্য নিজে নিলিখে ; কোনো দৈব শক্তিয়ে কবিৰ হতুৱাই লিখায়।'' (পৃঃ ১৬-১৭)। বৰ্ত্তমানৰ বহুতো অৰ্থ উলিয়াব নোৱাৰা কবিতা লিখি তথাকথিত কবি হিচাবে নাম

কিনিব খোজা সকলৰ প্ৰতি লিখকৰ কটাক্ষ লক্ষ্য কৰক : "আজিকালি কবি নাম পোৱাৰ লিপ্সা ইমানেই বাঢ়িছে যে দুই চাৰি-আষাৰ কথা লাগ-বান্ধ নোহোৱাকৈ ইফালে-সিফালে লিখি ছপালেই এজন ডাঙৰ কবি হৈ পৰিল। সেইবোৰে কবিতাৰ আখ্যা পোৱাৰতো অধিকাৰ নায়েই, পদ্য বুলিবও নোৱাৰি। গদ্যৰ সাঁচতো সি নপৰে। ৰসহীন, অনুভূতিহীন, মাধুৰ্য্যবিহীন, আন্তৰিকতাশূন্য এনে ৰচনাবোৰক কবিতাৰ উপাধি দি কাউৰীক ম'ৰা চৰাই সজোৱাহে হৈছে। আমাৰ কিছুমান জনা-বুজা লোকে আৰু বাতৰি কাকতবোৰেও গ্ৰাহকৰ সংখ্যা বঢ়োৱাৰ আশাত তেনে লিখকসকলক কবিবৰ, কবিসম্ৰাট আদি উপাধিৰে বিভূষিত কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত কিমান খিনি বাধা দিছে সি ভাবিবলগীয়া।" (পৃঃ ১৯)।

৮ম সংখ্যাৰ আলোচনীত আধুনিক কবিতাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বাখ্যা দি অধ্যাপক **মহেন্দ্ৰ বৰাই** অন্যহাতে লিখিছে এইদৰে : "সময়ৰ ঘড়ীত যেতিয়া যুগান্তৰৰ ইঙ্গিত পোৱা যায়, কাব্যত তেতিয়া ৰূপান্তৰ ঘটে। সোণৰ কাঠিৰ পৰশত যেতিয়া সাধু কথাৰ ৰাজকুঁৱৰীৰ সপোন ভাগিছিল, তেতিয়াৰ কবিতা আছিল ছন্দমুখৰ। জীৱনৰ সাতৰঙী বৰ্ণালীৰ অপূৰ্ব্ব প্ৰতিলিপি পাওঁ, সেই যুগৰ কবিতাত। আজিৰ মানুহবোৰে আকৌ জীৱনটো জুখি চায় কফিৰ চামুচেৰে। কবিতাবিলাকো হৈ পৰিল আচহুৱা ধৰণৰ....আগৰ সেই আফিং মিহলি সপোনৰ আমেজ আজিৰ কবিতাত নাই। মানুহৰ চিন্তাধাৰাৰ ওপৰত সময়ৰ নখৰ আঁচোৰ পৰে। একেবোৰ অনুভূতিয়েই যুগে যুগে মানুহৰ চকুত বেলেগ ধৰণেৰে প্ৰতিভাত হয়। কবিতাত ৰূপ আৰু ভাবৰ সমন্বয় থাকিব লাগে। সেইবোৰ ভাবৰ সলনি ঘটাৰ লগে লগে ৰূপ আৰু ৰচনা-শৈলীৰো পৰিবৰ্ত্তন ঘটে। ছন্দই কবিতা তৈয়াৰ নকৰে, কবিতাই হে ছন্দৰ ৰূপ দিয়ে। কুৰি শতিকাৰ জীৱন ব্যস্ততাৰ জীৱন ; যন্ত্ৰ-দানৱৰ অত্যাচাৰত লাঞ্চিত জীৱন। সমসাময়িক জীৱন যেতিয়া 'অকাব্যিক' শব্দেৰে পৰিপূৰ্ণ, তেতিয়া সেই জীৱনৰ মুক্ত-প্ৰকাশো 'অকাব্যিক' শব্দৰ মাজেদিহে হ'ব পাৰে। সেই বাবেই আধুনিক কবিতাত সুৰৰ সমাবেশ নাই—বিজ্ঞানৰ ক্ষিপ্ৰ প্ৰগতি তাৰ বাবে দায়ী। কুৰি শতিকাৰ আৰম্ভণিৰেপৰা নতুন চিন্তাধাৰাই মানুহৰ মন চঞ্চল কৰি তুলিলে। মাৰ্ক্সীয় আৰু ফ্ৰয়েডীয় চিন্তাধাৰাৰ বিপুল বিস্তাৰ আৰম্ভ হ'ল, এই কালছোৱাৰ ভিতৰতে। মানুহৰ মন বুৰাই দিলে নতুন চিন্তাধাৰাৰ জোৱাৰে। মাৰ্ক্সে বুৰঞ্জীক নতুন দৃষ্টিভঙ্গীৰে পঢ়িবলৈ শিকালে আৰু ফ্ৰয়ডে মনৰ নিবিড় তলিৰ ওৰণি দাঙি চাবলৈ শিকালে। জীৱনৰ এটা বাওঁফাল আছে। মাৰ্ক্স আৰু ফ্ৰয়ডে জীৱন আৰু জীৱিকাৰ এই বাওঁ ফালটোৰ ওপৰত আলোক সম্পাত কৰিলে। আমাৰ চিৰ পৰিচিত মানুহৰ এটা নতুন আৰু বিস্ময়কৰ ৰূপ তেওঁলোকৰ চকুত ভাঁহি উঠিল। মাৰ্ক্সৰ প্ৰভাৱৰ ফলস্বৰূপে আধুনিক কবিয়ে নিজৰ ব্যক্তিগত আশা-নিৰাশাৰ কথাকে প্ৰকাশ কৰি কবিতাক এটা ঘৰুৱা-ঘটনা কৰি নোতোলে। আধুনিক কবিতাসমষ্টি জীৱনৰ সুখ-দুখৰ, আশা-নিৰাশাৰ সাহিত্য।"

"উগ্ৰ সমাজ-চেতনা," তীক্ষ্ণ মানসিক দ্বন্দ্ব, গভীৰ মননশীলতা আৰু প্ৰখৰ বুৰঞ্জীবোধ এই যুগৰ মানুহৰ চিন্তাধাৰাৰ বৈশিষ্ট্য। সেই কাৰণেই আজিৰ যুগৰ কবিতাত পাওঁ, জীৱনৰ প্ৰতি এটা বৈপ্লৱিক দৃষ্টিভঙ্গী আৰু এটা প্ৰতিবাদৰ কণ্ঠস্বৰ।

....আধুনিক কবিতাৰ বিপক্ষে ভালেমান অভিযোগ আছে। তাৰে কিছুমান সচা ; কিছুমান ভাৱ-প্ৰৱণতাৰপৰা ওপজা। নতুন বস্তু এটাক সংৰক্ষণশীল মনে সহজে গ্ৰহণ কৰিব নোৱাৰে। কিন্তু কিছুমান অভিযোগৰ সম্বন্ধে আধুনিক কবিসকলো উদাসীন হলে নচলিব। আটাইতকৈ ডাঙৰ অভিযোগ হৈছে, কবিতাবোৰ দুৰ্ব্বোধ্য। হয়তো অতি-বোধিত্বই ইয়াৰ কাৰণে কিছুদূৰ দায়ী। তাৰ উপৰিও, ইলিয়ট অনুগামী কবিসকলৰ ধাৰণা, আমাৰ সভ্যতাটো জটিল আৰু বিচিত্ৰ। এই জটিল আৰু বৈচিত্ৰ্য-ময় জীৱনৰ প্ৰতিফলন কবিমানসত জটিল আৰু বিচিত্ৰ ধৰণেই হ'ব। আধুনিক কবিতাবোৰত অতিপাত বৈজ্ঞানিক শব্দ, অভিধানত নথকা মামৰে খোৱা শব্দৰ প্ৰয়োগ



বেচি হোৱাৰ কাৰণে কবিতাবোৰ অস্পষ্ট যেন লাগে। এই অভিযোগ অসমীয়া কবিতাত নাখাটে বলিয়েই ধাৰণা। (পৃঃ ৩৪)।"

....আধুনিক কবিতাত দৃষ্টিৰ গভীৰতা আহিছে। কিন্তু আধুনিক কবিয়ে জীৱনৰ সমগ্ৰতাক উপলব্ধি কৰিবলৈ অক্ষম হৈছে। ৰোমাণ্টিক কবিৰ দৃষ্টি অস্পষ্ট হ'ব পাৰে, কিন্তু তেওঁলোকে জীৱনৰ আংশিক উপলব্ধি বিচৰা নাছিল কাৰণেই জীৱনৰ সমগ্ৰতাক উপলব্ধি কৰিছিল। তেওঁলোকৰ মানসপটত ভাহি উঠা জীৱন ধুৱলি-কুৱলি হ'ব পাৰে, কিন্তু সি জীৱনৰ সমগ্ৰতাৰ অখণ্ড প্ৰতিচ্ছবি। আধুনিক কবিৰ জীৱন-বোধ স্বচ্ছ যদিও, সি জীৱনৰ এটুকুৰা মাথোন। আধুনিক কবিতাৰ প্ৰধান দুৰ্ব্বলতা হয়তো এইখিনিতে। (পৃঃ ৩৫—৩৬)।

....কোনো কবিতাকে ধৰা-বন্ধা নিয়ম কিছুমানেৰে পৰীক্ষা কৰিব নোৱাৰি। যুগে যুগে নতুন প্ৰতিভাৰ বিকাশ ঘটে। সেই প্ৰতিভাক জুখি চাবৰ কাৰণে নতুন তুলাচানীৰ প্ৰয়োজন হয়। তাৰ উপৰিও, আধুনিকতা প্ৰথম কথা নহয়। কবিতাহে প্ৰথম কথা। ভাল কবিতা চিৰ আধুনিক। (পৃঃ ৩৬)।

ভাষাৰ জন্ম **সম্পৰ্কে** মেক্সমূলাৰে আগবঢ়োৱা তথ্যৰ ওপৰত ভৰ দি অধ্যাপক উপেন্দ্ৰ **নাথ** গোস্বামীয়ে "ভাষাৰ জন্ম আৰু বিকাশ" প্ৰৱন্ধত (৮ম সংখ্যা) এইদৰে লিখিছে :

মানুহ স্বাভাৱিকতেই অনুকৰণশীল। সেই হেতুকে আদিম মানৱেও তেওঁৰ আশে-পাশে থকা পশু-পক্ষী আৰু প্ৰকৃতি জগতৰ আন আন বস্তুবোৰৰ ধ্বনি অনুকৰণ কৰিয়েই কিছুমান শব্দৰ স্বষ্টি কৰিলে। কুলিয়ে কু-উ-কু-উকৈ মাতে। সেই বাবেই ইংৰাজীত 'কাকু' বোলা হ'ল। মেকুৰীয়ে ম্যাউ ম্যাউ কৰে কাৰণে চীনা ভাষাত মেকুৰীক 'মিঅউ' (mioou) আৰু অসমীয়াত মেকুৰী বোলে। গছৰপৰা পাত সৰিলে 'পতু' শব্দ শুনা যায়। তাৰ পৰা সংস্কৃতৰ 'পত' ধাতুৰ স্বষ্টি হল আৰু সিয়ে সৰিপৰা অৰ্থ বুজালে। সেইদৰে চিক্-চিক্ শব্দৰপৰা চিকা আৰু ঝিঁ-ঝিঁ শব্দৰপৰা জিলি শব্দ হোৱাটো অসম্ভৱ নহয়। এই তথ্যৰে আমি কোনো ভাষাৰ আটাইবোৰ শব্দ পাব নোৱাৰোঁ। গতিকে আমি আন এটি মতলৈ যাবলগীয়াত পৰোঁ। ইয়াকে বিস্ময়-বোধক তথ্য ( Pooh Pooh or Interjectional Theory ) বোলা হৈছে। মানুহৰ অন্তৰত আনন্দ, শোক, আশ্চৰ্য্য আদি ভাবৰ যেতিয়া আতিশয্যই দেখা দিয়ে, তেতিয়া স্বাভাৱিকতেই মুখৰপৰা নানা শব্দ ওলায় ; যেনে—বাহ-বাহ, হায়-হায়, আহ, উহ, ধেৎ, ছিঃ ইত্যাদি। এনেকৈয়ো কিছুমান শব্দ পোৱা গৈছে। (পৃঃ ৩, ৪)

অসমীয়া ভাষাৰ বিকাশ **সম্বন্ধে** এইজন লিখকেই ১১ শ সংখ্যা আলোচনীত এইদৰে লিখিছে :

"সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে কোনো ঠাই এডোখৰৰ সাংস্কৃতিক কেন্দ্ৰৰো সলনা-সলনি হয়। তাৰ লগে লগে আঞ্চলিক উপভাষাবোৰেও প্ৰাধান্য লভে। সেই-কাৰণেই এসময়ত যিটো উপভাষাই ভাষাৰ ঠাই লয়, সেই উপভাষাটো পুনৰ উপভাষাত পৰিণত হ'ব পাৰে। বৰ্ত্তমান অসমীয়া ভাষাটো ( Standard Assamese ) শিৱসাগৰ অঞ্চলত কোৱা অসমীয়া উপভাষাটোৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠিছে। এই উপভাষাটোৱে খৃঃ ১৭ শতিকাৰপৰা প্ৰাধান্য লাভ কৰিবলৈ উপক্ৰম কৰে। নামনি অসমত কোঁচ ৰাজ্য ধ্বংস হোৱাত এই সময়তেই আহোম ৰজাসকলৰ তত্ত্বাৱধানত তেওঁ-লোকৰ ৰাজধানী শিৱসাগৰ জিলা অঞ্চল সাংস্কৃতিক কেন্দ্ৰত পৰিণত হয়। তাৰ ফলত এই অঞ্চলৰ লোকসকলে সাহিত্য সেৱাৰো সুবিধা পায়। ১৮৩৬ চনত আমেৰিকাৰ বেপ্টিষ্ট মিছনৰ দুগৰাকী ভদ্ৰলোক ব্ৰাউন আৰু কটৰে নিজৰ পৰিয়ালবৰ্গক লৈ অসমত পদাৰ্পণ কৰে। তেওঁলোকে লগত এটা ছপাখানাও লৈ আহে। শিৱসাগৰ অঞ্চলকে মিছনাৰীসকলে নিজ কাৰ্য্যৰ কেন্দ্ৰস্থল হিচাবে লয়। এই অঞ্চলৰ উপভাষা শিকি

তেওঁলোকে তাত কিতাপ-পত্রও ৰচনা কৰিবলৈ ধৰে। ১৮৪৬ চনত তেওঁলোকে অসমীয়া প্ৰথম মাহেকীয়া কাকত 'অৰুণোদয়' চলায়। এই মিছনাৰীসকলৰে প্ৰভাৱত স্থানীয় লিখকসকলৰ এটা দল গঢ়ি উঠে আৰু অসমৰ পূব অঞ্চলৰ কিতাপ-পত্ৰ আলোচনী আদিৰ সংখ্যা বাঢ়ি আহে। এইদৰে আহোম ৰজা সকলৰ পৃষ্ঠপোষকতা আৰু মিছনাৰীসকলৰ সাহায্যত অসমৰ পূব অঞ্চল অৰ্থাৎ শিৱসাগৰ অঞ্চলৰ ভাষাই গোটেই অসম দেশখনৰে লিখিত ভাষাৰূপে পৰিগণিত হ'ল। অৰ্থাৎ অসমীয়া ভাষাৰ পূব অঞ্চলৰ উপভাষাটোৱে আন আন অঞ্চলৰ উপভাষাৰ ওপৰত সাংস্কৃতিক আৰু সাহিত্যিক প্ৰাধান্য লাভ কৰিলে। (পৃঃ ২৯-৩০)"

একাঙ্কিকা আৰু পূৰ্ণাঙ্গ নাটকৰ পাৰ্থক্য দেখুৱাই অধ্যাপক তফজ্জুল আলিয়ে ১১শ সংখ্যা আলোচনীৰ 'একাঙ্ক নাটিকা' শীৰ্ষক প্ৰবন্ধত লিখিছে: "একাঙ্কিকা নাটিকাবোৰত এটি মাত্ৰ বিশেষ ঘটনা বা ঘটনাংশ সংক্ষিপ্ত পৰিধিৰ মাজত এটি বিশেষ ভাব সৃষ্টিৰ সহায়কৰূপে পৰিকল্পিত হয়। পূৰ্ণাঙ্গ নাটকত এটা বা একাধিক ঘটনা থাকিব পাৰে, বহু চৰিত্ৰ সমাবেশ কৰি বিভিন্ন অঙ্ক আৰু গৰ্ভাঙ্কৰ মাজেৰে নাটকীয় ঘটনাৰ বিকাশ ঘটোৱা হয়; কিন্তু একাঙ্কিকাৰ ঠেক পৰিসৰৰ মাজত সেইটো সম্ভৱ নহয়। ইয়াত কেৱল এটি ক্ৰমবিকশিত অবিচ্ছিন্ন দৃশ্য, এটি বিশেষ পৰিবেশ আৰু এটি মাত্ৰ চৰিত্ৰকেই কেন্দ্ৰ কৰি নাটকীয় ঘটনাই চৰম পৰিণতি লাভ কৰে। চুটি গল্পৰ দৰে জীৱনৰ বিস্তৃত ৰূপ অঙ্কন কৰাৰ সুবিধা ইয়াত নাই; কিন্তু জীৱনৰ আংশিক ৰূপ বা কোনো উল্লেখযোগ্য বিশেষ ঘটনাৰ প্ৰতিচ্ছবি ইয়াত থাকিব পাৰে।.. সেইকাৰণেই বিস্তৃত নহৈয়ো একাঙ্কিকা স্বয়ং সম্পূৰ্ণ। এটা বিশেষ ভাবানুভূতি (Impression) সৃষ্টিয়েই ইয়াৰ লক্ষ্য—সেয়েই অপূৰ্ণতাৰ অতৃপ্তি ইয়াত নাথাকে। (পৃঃ ৩৪)"

একাঙ্কিকাৰ চৰিত্ৰৰ বিষয়ে অধ্যাপক আলিয়ে আকৌ লিখিছে: "একাঙ্ক নাটিকাৰ ঘটনাৱলী শান্ত বা বিক্ষুব্ধ দুয়োটাই হ'ব পাৰে। কিন্তু আৰম্ভৰ লগে লগেই যেন দৰ্শকে বুজিব পাৰে যে ঘটনাৰ সন্ধিক্ষণ উপস্থিত, আৰু ক্ষন্তেক পিচতেই সি চৰম পৰিণতি লাভ কৰিব। একাঙ্কিকাত একাধিক চৰিত্ৰ থাকিলেও, তাৰে এটি বিশেষ চৰিত্ৰৰ বিকাশ সাধনহে তাৰ প্ৰধান উদ্দেশ্য বুলি পৰিগণিত হয়। একাধিক চৰিত্ৰৰ ওপৰত সমানেই গুৰুত্ব দিলে একাঙ্কিকাৰ গাঁথনি শিথিল হৈ পৰে; যাইকৈ নায়ক বা নায়িকাৰ অন্তৰ আৰু বহিৰ্দ্বন্দ্বৰ চিত্ৰ ক্ৰমে সুপৰিস্ফুট হৈ ঘটনাক পৰিণতিৰ পিনে আগবঢ়াই লৈ যাব। অন্যান্য চৰিত্ৰৰ ক্ষীণ দ্বন্দ্ব-স্ৰোতে নাটকীয় ঘটনাৰ সোঁত তীব্ৰতৰ কৰি তোলে। প্ৰয়োজন অনুসৰি অপ্ৰত্যাশিত বা আকস্মিক ঘটনাৰ সমাবেশেৰে নাটকীয় ঘটনাক ঘনীভূত কৰি চৰম পৰিণতি ঘটাব পাৰি; কিন্তু তেনে কৰিবলৈ যাওঁতে যাতে সাহিত্যিক সম্ভাৱনাৰ সীমা পাৰ হৈ বিষয়-বস্তু হাস্যকৰ অবাস্তৱতালৈ ৰূপান্তৰিত নহয়। (পৃঃ ৩৫)।

ওমৰখায়াম আৰু তেওঁৰ জীৱন দৰ্শনৰ বিষয়ে ওমৰতীৰ্থৰ ৰচক অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাই ৯ম সংখ্যাৰ আলোচনীত কি লিখিছিল তাৰ কিয়দাংশ পঢ়ক:

"কিছুমানে কয় যে সৃষ্টিৰ গুৰিতে ঈশ্বৰৰ মঙ্গলময় শক্তি নিহিত আছে আৰু সৃষ্টিৰ প্ৰত্যেক ঘটনাতে সেই শক্তিৰ বিকাশ দেখিবলৈ পোৱা যায়। ..ই যদি মঙ্গলময় শক্তি হয়, divinity হয়, তেন্তে ইয়াৰ কামবোৰ মঙ্গলময় নহব কিয়? জগতত অনাদি কালৰেপৰা কিয় এই ধ্বংসৰ লীলা চলি আহিছে? দুখুনী বাৰীৰ আশ্ৰয় স্থল চকুৰ মণি একেটি পুতেকক মাৰি নি সেই দুখিনীক জগতত একেবাৰে নিৰাশ্ৰয় কৰি এৰি দিয়াৰ উদ্দেশ্য কি? দিনে দিনে জগতত এই বিৰাট হত্যাৰ অভিনয় কিয়? ইয়াতো কি দেৱতাৰ মঙ্গলময় উদ্দেশ্য লুকাই আছে? আন কিছুমান দাৰ্শনিকে কয় যে ই এক, অচেতন প্ৰেৰণা মাথোন। কোন অনন্তৰ সুদূৰ লক্ষ্য ধিয়াই এই অন্ধশক্তি মহাপ্ৰতাপেৰে উদাসভাৱে চলিব লাগিছে, ক'ত তাৰ শেষ কোনেও নাজানে। ই একোকে নুবুজে, একোকে নুশুনে। সংসাৰৰ কৰুণ কান্দোনে ইয়াৰ কঠুৱা হিয়া কোমলাব নোৱাৰে। মৃত্যুৱেই জীৱনৰ শেষ পৰিণাম। তাৰ হাত সাৰিব উপায় নাই। মিছা সেই শক্তিৰ ওচৰত কাতৰ প্ৰাৰ্থনা, মিছা তাৰ কাষত সুখৰ আকুল কামনা, মিছা পুণ্যৰ পুৰস্কাৰ, মিছা পাপৰ প্ৰায়শ্চিত্ত।

তেন্তে ই কি সঁচাকৈয়ে অচেতন শক্তি? ওমৰ খৈয়ামে কয় যে এই শক্তি অচেতন নহয়, অজ্ঞান নহয়; ই এক সজাগ শক্তি। জগতৰ এক স্বেচ্ছাচাৰী অভিনেতা—নিজৰ ইচ্ছাৰে ভাঙ্গিছে, গঢ়িছে,—নিজৰ ইচ্ছামতে ৰং-ধেমালি কৰিছে, নিজক লৈয়ে নিজে মত্ত আছে। ই যদি এক অচেতন শক্তি হ'লহেঁতেন, তেন্তে সৃষ্টিৰ চেতনাৰ সঞ্চাৰ নাথাকিলহেঁতেন আৰু এনে শৃঙখলা বিৰাজ নকৰিলেহেঁতেন। অচেতন শক্তিয়ে কেনেকৈ সৃষ্টিৰ ভিতৰত এনে সৌন্দৰ্য্যৰ সমাবেশ কৰিব? তটিনীৰ কুলু কুলু সুৰ, বিহগৰ মধুৰ সঙ্গীত, শৰতৰ শুভ্ৰ মেঘমালা, পূৰ্ণিমাৰ জোনাক-জেউতিয়ে কাৰ প্ৰাণত আনন্দৰ লহৰী তুলি নিদিয়ে? জগতত কোন এনে দিনকণা আছে যি প্ৰকৃতিৰ সৌন্দৰ্য্যত মোহ নাযায়? অচেতন শক্তিৰ সাধ্য কি প্ৰাণৰ মাজত চেতনাৰ সঞ্চাৰ কৰে? জ্যোতিৰ্ব্বিদ ওমৰে এই শক্তিক কেতিয়াও অচেতন বুলি নকয়। তেওঁ কয় এই সৌন্দৰ্য্যময়ী সৃষ্টি, জগতৰ এই লীলা-বৈচিত্ৰ্য স্ৰষ্টাৰ নিজৰ সুখৰ কাৰণে, তোমাৰ মোৰ কাৰণে নহয়। আমি তেওঁৰ পুতলা মাথোন। কুমাৰৰ চাকত দিনে-ৰাতিয়ে হাজাৰে হাজাৰে কত মাটিৰ পাত্ৰ তৈয়াৰ হ'ব লাগিছে, তাৰ ভিতৰত কেইটা ভাগিছে, কেইটা দেখিবলৈ অভজা হৈছে, কুমাৰে জানো তাৰ হিচাব ৰাখিছে বা তাৰ কাৰণে কিবা ভাবিছে? তাৰ ভঙা-ছিঙাৰ লেখৰ কি প্ৰয়োজন? হাজাৰৰ ভিতৰত যি কেইটা থাকি যায় সেয়ে যথেষ্ট। আমিও সেই বিশ্বখনিকৰৰ মাটিৰ পুতলাৰ দৰে। আমাৰ সুখ-দুখৰ কাৰণে তেওঁৰ ভাবিবৰ আৱশ্যক কি? আমাৰ দুখৰ কৰুণ কান্দোনে তেওঁৰ প্ৰাণ ভেদিব নোৱাৰে। ইপুৰী সিপুৰী সকলো মিছা, ই কবিৰ কল্পনা, মাথোন অলীক সপোন। (পৃঃ ২, ৩)।

....সেই কাৰণে পৰলোকৰ সুখৰ আশাত জীৱনক এই জগতত বঞ্চিত নকৰিবা। প্ৰতি মুহূৰ্ত্তে আনন্দ কৰা, স্ফূৰ্ত্তি কৰা। প্ৰতি মুহূৰ্ত্তকে টানি আনি উপভোগ কৰা, পলে পলে জীৱন যাবই লাগিছে, এই জীৱন সাৰ্থক কৰা। অতীতৰ অনুশোচনাত একো লাভ নাই। বৰ্ত্তমানক টানি জীৱনক আনন্দৰ লগৰী কৰি লোৱা। ভৱিষ্যৎ সুখৰ আশাত বা সিপুৰীত সৰগৰ সুখৰ কাৰণে যিসকলে বৰ্ত্তমানত কষ্ট ভোগ কৰে, তেওঁলোকৰ মাথোন ছাঁৰ পাছে পাছে লৰোতেই জীৱন যায়, আচল সুখ চকুৰ আগতে ফাঁকি দি পলাই যায়, ধৰিবই নোৱাৰে। (পৃঃ ৪)।

মানুহৰ অন্তিম অৱস্থাৰ কথা ভাবিলে কি হ'ব, এদিন নহয় এদিন জীৱনৰ অভিনয় শেষ হ'বই।

"আহিলে মৰণ যাবই লাগিব  
আন্ধাৰ পুৰীৰ কোনোবা দেশ।  
নাই য'ত সুৰা নাই য'ত গান  
অজান দেশৰ ক'তনো শেষ॥"

তেন্তে যি কেইদিন জীয়াই থাকা বৰ্ত্তমানক উপভোগ কৰা।

"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা  
জীৱন মদিৰা ভৰাই দিয়া।  
অতীত ভৱিষ্য শোক দুখ ভয়  
আজিৰ ভাবনা উটাই নিয়া॥  
আজিয়েই দিয়া কালিলই কিয়  
কোনে জানে মোৰ কালি কি হ'ব।  
হাজাৰ হাজাৰ বছৰ বিয়পা  
হয়তো অতীতে সামৰি থব॥" (পৃঃ ১০)

---

অধ্যাপক শৰত বৰবৰাৰ দ্বাৰা সংকলিত।



# চাহ মজদুৰ সমাজৰ ফকৰা যোজনা

—নাৰায়ণ ঘাটোৱাৰ,
প্ৰাক্তন ছাত্ৰ

কি উন্নত কি অনুন্নত সকলো সমাজতে ফকৰা যোজনা বা অভিজ্ঞতা-সঞ্চিত উক্তি আৱহমান কালৰে পৰা মানুহৰ মুখে মুখে চলি আহিছে। এই উক্তিবিলাকৰ অন্তৰালত এটা জাতিৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সামাজিক, অৰ্থনৈতিক অৱস্থা আৰু মানসিক উৎকৰ্ষ সম্পৰ্কে বহু কথা সোমাই থাকে। কোনো কথাত জোৰ দিবৰ কাৰণেই ফকৰা যোজনাবিলাকৰ ব্যৱহাৰ হয় যেন লাগে। বহুতো ফকৰা যোজনাৰ জৰিয়তে সকলো দেশৰ, সকলো সময়ৰ আৰু সকলো মানুহৰ জীৱন কথা জনা যায়। প্ৰত্যেকৰে ভাষা বেলেগ হলেও অৰ্থৰ বিচাৰ কৰিলে সেইবিলাকৰ সাৰ্ব্বজনীনতা বা বিশ্বজনীনতা ওলাই পৰে। অসমবাসী চাহ মজদুৰ সমাজৰো এনে বহুতো ফকৰা যোজনা সিঁচৰিত হৈ আছে। তাৰে কিছুমানৰ বিষয়ে এই প্ৰৱন্ধটিত আলোচনা কৰা হৈছে।

এনে কিছুমান লোক আছে যিসকলক কিবা এটি বস্তু যাচিলে লবলৈ টান পায়, যাচি দিয়া সোণৰো মূল্য নাই বুলি ভাবি। কিছুমানে লওঁ নলওঁ কৰে। কিন্তু সেইবোৰ মানুহেই পিচত নিজেই সেই বস্তুটো লবলৈ আগবাঢ়ি আহে। তলৰ ফকৰা যোজনাটিত এই কথা সুস্পষ্ট হৈ আছে।

যাঁচলে জামাই ক্ষীৰ নাই খায়,
পিছে হাঁড়ি শালকে খায়।

এই ফকৰা যোজনাটিৰ লগত উড়িয়া আৰু বঙালী ফকৰা যোজনাৰ সাদৃশ্য আছে। তলত যথাক্ৰমে উড়িয়া আৰু বঙালী যোজনাটি উল্লেখ কৰা হ'ল।

( ১ )

যাচিলে ন ৰুচে মণ্ডা গঁইঠা।
মাগি খাউথাএ বাসি অঁইঠা॥

( ২ )

যাচিলে জামাই খায় না পোনা মাছেৰ মূড়া।
শেষে জামাই পায় না ঢেঁকিশালেৰ কুঁড়া॥



অসমীয়াত নাই মোমাইতকৈ কণা মোমাই ভাল বুলি এটি ফকৰা যোজনা আছে। ইয়াৰ অৰ্থ এয়ে যে একেবাৰে নোহোৱাতকৈ অলপ পৰিমাণেই ভাল। ইংৰাজীতো Half a loaf is better than no loaf বুলি কোৱা হয়। চাহ মজদুৰ সমাজে এই একে অৰ্থৰ এটি যোজনা ব্যৱহাৰ কৰে। যোজনাটি এই—

নাপাবাকে নাতি ভাতাৰ।

দেখা-দেখিকৈ কৰা শত্ৰুতাৰ পৰা ৰক্ষা পোৱাৰ উপায় আছে। কিন্তু তলে তলে শত্ৰুতা বৃদ্ধি হলেহে বিপদ। চুকত থাকি যদি বুকুত গোৰ মাৰে তেতিয়া একো উপায় নাথাকে অৰ্থাৎ একেটা নলীত পানী খোৱা মানুহেই যদি শত্ৰুতা কৰে তেন্তে অধিক বিপদ-বিঘিনিৰ সম্ভাৱনা থাকে। চাহ মজদুৰে প্ৰকাশ কৰে ইয়াকে এই বুলি— ঘৰ ভেদে ৰাৱন নষ্ট।

স্বাৰ্থৰ অনুকুল হলেই ভাল পোৱাটো মানুহৰ স্বভাৱ। ইয়াৰ ব্যতিক্ৰম যদি হয় তেন্তে মানুহে বেয়া বুলি কয়। খাবলৈ পালে সকলোৰেই আপোন। নাপালে পৰ। তলৰ যোজনাটি তাৰেই মূৰ্ত্ত প্ৰকাশ।

খাতে পালে মাসি-পিসি।
নাই পালে নিৰবংশী॥

লাই দিলে কুকুৰে গললৈকে জপিয়ায়। এইদৰে সুধীজনে কাৰোবাক লাই দি পিচত অনুশোচনা কৰিব লগীয়াও হয়। ইয়াকে 'পসল কুকুৰ কাটে খজে' বুলি চাহ-মজদুৰ সমাজে কয়। উড়িয়া ভাষাতো 'কুকুৰকু মুহঁ দেলে উপৰকু চঢ়ে' বুলি কোৱা হয়।

হাতত নাই কণটো, ৰৰ সবাহলৈ মনটো। এইয়া অসমীয়া ভাষাত প্ৰচলিত এটি যোজনা। শক্তি অনুসৰিহে ভক্তি কৰা উচিত। সামৰ্থ্য অনুযায়ীহে যি কোনো কাম কৰিব লাগে। নহলে একো লাভ নাই। সামৰ্থ্যহীন মানুহক অসম্ভৱ এটি কাম কৰা দেখিলে মানুহে কোৱা-কুই কৰে এই বুলি—

ঘৰে নাই লাতা।
যায় খজে কলকাতা॥

Where there is a will, there is a way বুলি ইংৰাজীত এটি প্ৰবচন আছে। প্ৰৱল ইচ্ছা বা আগ্ৰহ থাকিলে মানুহে যি কোনো কামেই সহজসাধ্য কৰি তুলিব পাৰে। হাজাৰ বাধা-বিঘিনিয়েও তেওঁৰ কৰ্ত্তব্য-পথৰ হেঙাৰ হব নোৱাৰে। সেই কাৰণে চাহমজদুৰ সমাজে কয়—

চললে চল্লিশ বুদ্ধি।
নাই চললে এক নাই॥

লোকৰ কল-পিঠাৰে সবাহ পতা মানুহ কিছুমান আছে। তেওঁলোক সাধাৰণতে পৰমুখাপেক্ষী বিধৰ। আনৰ ওপৰত নিৰ্ভৰ কৰিয়েই নিজৰ কাম আদায় কৰি লয়। এই স্বভাৱটো ভাল নহয়। এয়া সুধীজনৰ মতামত। তেনে স্বভাৱৰ লোকক 'পৰেক ভৰসায় বৰেক বাপ' বুলি চাহমজদুৰ সমাজে কয়।

ক্ষুদ্ৰ মগজেৰে বা কম বিদ্যা-বুদ্ধিৰে বৰ ডাঙৰ এটি দায়িত্ব লবলৈ যোৱাটো হাস্যস্পদ। তেনে লোকক ইতিকিওঁৰ সুৰত কোৱা হয়।

বড় বড় উঁট বহাই যায়।
গাধা বলে কেতনা পানী॥

নিজেও নকৰে আৰু আনকো কৰিবলৈ নিদিয়া এবিধ মানুহ আছে। তেওঁলোকৰ পৰা ব্যক্তিগত বিশেষকৈ সামাজিক লাভ একোৱেই নহয়। এনে বিধৰ মানুহক—

'হাগৰ' নাই কৰে।
বাট নাই ছড়ে।। বুলি কোৱা হয়।

মানুহে খায় কিয়? স্বাস্থ্যটো অটুট ৰাখিবলৈ। স্বাস্থ্য ভালে নাথাকিলে সকলো মিছা। কাৰণ দেহা থাকিলেহে বেহা। এই স্বাস্থ্য নিৰ্ভৰ কৰে খোৱাৰ ওপৰত। সেই কাৰণে উপদেশৰ সুৰত সজ্জনে মানুহক কয়—

পেট ভৈৰ খাবে।
খাঁইট ভৈৰ মৰবে।।

দুখ কৰিলেহে মুখ ভৰে। জীৱনটো সুখ-স্বাচ্ছন্দ্যেৰে পাৰ কৰিবলৈ হলে প্ৰথমতে দুখ-কষ্ট নুৰ পাতি লবই লাগিব। অন্যথা সুখ অলীক সপোন মাত্ৰ। আহাৰ শাওন মহীয়া পথাৰত অশেষ কষ্ট কৰি খেতি-বাতি কৰিলেহে আঘোন মাহত পেট ভৰাই এমুঠি খাবলৈ পোৱা যায়। তলৰ যোজনাটিয়ে তাৰেই ইংগিত দিয়ে।

আষাঢ় শাওন খাটবে।
আঘনে পেট ভৈৰ খাবে।।

'মাক ভালে জীয়েক জাতি' বুলি অসমীয়াত এটি যোজনা আছে। ইংৰাজীতো like father, like son বুলি কোৱা হয়। চাহ মজদুৰসকলেও নিম্নোক্ত যোজনাটিৰে এই কথাটি স্পষ্ট কৰি দিছে।

মায়া গুণে ধিয়া।
বাপা গুণে পুতা।।

ধুন-পেচ মৰাটো কিছুমান মানুহৰ চখ। খাবলৈ দুবেলা দুমুঠি পাওক বা নেপাওক ধুন-পেচৰ প্ৰতি তেওঁলোক বৰ সতৰ্ক। ইয়াকে কয়—

অন্ন বিনো যশ-কশ।
ফুল বিনো বেহাল।।

সকলো সুখ-স্বাচ্ছন্দ্য থকা সত্বেও কিছুমান মানুহে অনাই বনাই ঘূৰি ফুৰে। কোনোবাই হয়তো দুৰ্দ্দিনৰ হেতুকে এনে কৰিবলগীয়া হয়। নতুবা আনৰ কথাত ভুল গৈয়ো সুখ-শান্তিৰ পৰা বঞ্চিত হৈ নানা ৰকমৰ লাঞ্চনা ভোগ কৰে। তেনে লোকক উদ্দেশ্য কৰিয়েই তলৰ যোজনাটি প্ৰয়োগ কৰা হয়।

সুখে খাতে, ভূতে কিলায়।

এইদৰে চাহ মজদুৰ সমাজত বহুতো যোজনা, পটন্তৰ আদি আছে। সেইবোৰ মুখে মুখে চলি অহা লোক-সাহিত্য। এইবিলাকৰ এক স্বকীয়া বৈশিষ্ট্য আছে। সময়ত লিপিবদ্ধ কৰিব পাৰিলে উক্ত সমাজখনৰ বিষয়ে বহুতো কথা জনাত আমাৰ সুবিধা হব।

+ +



# অসম তথা পূৰ্ব্বাঞ্চলৰ প্ৰগতিৰ পৰিপ্ৰেক্ষিতত

ডঃ দিলীপ বৰুৱা

প্ৰগতিয়ে দুটা অৰ্থ সূচাব পাৰে। ই আমাৰ পাৰিপাৰ্শ্বৰ কোনো ধৰণৰ উন্নতি, অথবা মানৱজাতিৰ সাধাৰণভাৱে হোৱা মানসিক উন্নতিৰ কথাও বুজাব পাৰে। এই ৰচনাত আমি প্ৰগতিৰ ব্যাখ্যা পাথিৱ আৰু মানসিক ৰূপান্তৰৰ সংমিশ্ৰ পৰিণাম হিচাবেই দিব খুজিছোঁ। অৰ্থাৎ আমাৰ পাৰিপাৰ্শ্বত হোৱা যিকোনো পৰিবৰ্ত্তনেনো আমাৰ চিন্তাধাৰা আৰু অনুভূতিৰ ওপৰত কেনে প্ৰভাৱ পেলায় বা বাস্তৱৰ মুখামুখি হৈ আমি গ্ৰহণ কৰা বিধি ব্যৱস্থা—যিবিলাকক আমি আমাৰ সাংস্কৃতিক ব্যৱহাৰ বুলি কওঁ—এই সকলোৰে ওপৰত কিদৰে প্ৰভাৱ বিস্তাৰ কৰে তাৰ বিচাৰ কৰা। এই সাংস্কৃতিক ব্যৱহাৰসমূহ সদায়েই অতীতৰ গাত ভেঁজা দি ৰয়—আমি পূৰ্ব্বপুৰুষৰপৰা আহৰণ কৰা নীতিবোধ, আচৰণ-প্ৰণালী, আবেগ-অনুভূতি আৰু উচ্চাকাংক্ষা আদি সকলো ইয়াৰ লগত নিহিত হৈ থাকে। এই হিচাবে সংস্কৃতি হ'ল 'জীৱিতৰ ওপৰত গঢ় লৈ উঠা মতৰ এখন সাম্ৰাজ্য, যি সাম্ৰাজ্যৰ পৰিসৰ ১৯শ শতিকাৰ ফৰাচী দাৰ্শনিক আগুষ্ট কঁটৰ ( Auguste conte ) মতে যুগে যুগে বৃদ্ধি পায়। গতিকে বিগত যুগৰ এই ক্ৰমবৰ্দ্ধমান সাম্ৰাজ্য যেতিয়া বৰ্ত্তমানৰ দ্ৰুত অৰ্থনৈতিক আৰু সামাজিক প্ৰসাৰৰ যুগত, বাস্তৱৰ দাবীৰ সৈতে মুখামুখি হয়, তেতিয়া সংঘাতৰ সৃষ্টি হয়। এটা জাতিৰ স্বাস্থ্য আৰু উদ্যম এই বিপৰীতধৰ্ম্মী দুটা শক্তিৰ মাজত হোৱা সুস্থ বুজা বুজিৰ ওপৰতে সাধাৰণতে নিৰ্ভৰশীল। এইটো উনুকিয়াই দিব পাৰি যে সংস্কৃতি সদায়েই বৰ্দ্ধনশীল, গতিকে যি সংস্কৃতি বাস্তৱৰ লগত ভাৰসাম্য ৰাখি আগবাঢ়ি যাব নোৱাৰে, সেই সংস্কৃতি মৃত বুলি ধৰিব লাগিব।

এই পৰিস্থিতিৰ ফলত আধুনিক ভাৰতত কি ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু আমাৰ সাংস্কৃতিক ব্যৱহাৰৰ কিমানখিনিনো এই পৰিবৰ্ত্তনৰ হেঁচাৰ ফলস্বৰূপে সম্ভৱ হৈছে তাক আমি পৰীক্ষা কৰা উচিত।

আমাৰপ্ৰতি সহানুভূতিশীল বহু বিদেশী সমালোচকৰ মতে, অতি কম সময়ৰ ভিতৰতে দ্ৰুত উন্নতিৰ বাবে চেষ্টা কৰা বাবেই ভাৰতৰ আজিৰ এই বিশৃঙখল বা অস্থিৰ অৱস্থা। মধ্যযুগীয় অতীতৰ লগত দৃঢ়ভাৱে সাঙোৰ খাই থকা এখন সমাজৰ কুৰি শতিকাৰ মাজভাগৰ, প্ৰতিদিনে ন ন বৈজ্ঞানিক আৱিষ্কাৰৰ ফলত গঢ় লৈ উঠা এখন উদ্যোগ মুখী সমাজলৈ ৰূপান্তৰিত কৰাটো সহজ নহয়। কিন্তু ডঃ ৰাধাকৃষ্ণণে এসময়ত এইদৰে কৈছিল যে ভাৰতৰ পূৰ্ব্বৰ ইতিহাসে "আমাক এইদৰে বিশ্বাস কৰিবলৈ উদ্‌গনি দিয়ে যে ভৱিষ্যতৰ যি কোনো সংকটৰ সন্মুখীন হবলৈ ভাৰত সমৰ্থ হ'ব, সি আমাৰ

চিন্তাধাৰাৰ ক্ষেত্ৰতেই হওক বা ইতিহাসৰ ক্ষেত্ৰতেই হওক।”[1] আমাৰ দেশৰ নেতা-সকল ৰাধাকৃষ্ণণৰ এই মতৰ দ্বাৰা প্ৰভাৱান্বিত। তথাপি এই সম্পৰ্কে থকা সন্দেহ আৰু বিশ্বাস—এই দুই মেৰুৰ মাজত ভাৰতৰ বৰ্ত্তমান ইতিহাস ৰচিত হৈছে। ভাৰতক আধুনিক ভাৱে গঢ়ি তুলিবলৈ আমি লোৱা প্ৰতিশ্ৰুতিৰপৰা আমি আঁতৰি আহিব নোৱাৰোঁ। কিন্তু আমাৰ সাংস্কৃতিক গঠনৰ অনমনীয়তাৰ হেতু আমাৰ গতি সময়ে সময়ে কিছু মন্থৰ হ'ব বা বাহিৰৰ প্ৰতিকূল অৱস্থাৰপৰাও পৰিবৰ্ত্তনৰ গতিত বাধা পৰিব। তদুপৰি ভাৰতবৰ্ষ বিশেষকৈ ভাৰতৰ এই উত্তৰ-পূব অঞ্চলটো ইমান বেচি সামাজিক গোট আৰু জাতি-প্ৰজাতিৰে গঠিত যিবিলাক সামাজিক-সাংস্কৃতিক, ধৰ্ম্মীয় আৰু অন্যান্য ক্ষেত্ৰত ইমান বেচি পৃথক আৰু ভিন্ন পৰ্য্যায়ত প্ৰতিষ্ঠিত যে এনেক্ষেত্ৰত সামাজিক-অৰ্থনৈতিক উন্নয়নৰ প্ৰভাৱটো আৰু বেচি বিচিত্ৰ আৰু আতঙ্কজনক হোৱাৰ সম্ভাৱনা। এই সকলোবিলাক সমস্যা সম্পূৰ্ণৰূপে অনুধাৱন কৰা মোৰ পক্ষে সম্ভৱ নহয়, কাৰণ মই নৃ-তত্ববিদ বা সমাজ-তত্ববিদ নহওঁ। তথাপি মই কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰি মোৰ সীমাৱদ্ধ জ্ঞান আৰু উপলব্ধিৰে তথা ব্যৱহাৰিক অভিজ্ঞতাৰে তাৰ সাধ্যানুযায়ী ব্যাখ্যা দিবলৈ চেষ্টা কৰিম।

নতুন ভাৱধাৰা বা আদৰ্শ বা পাৰিপাৰ্শ্বৰ লগত সংযোগজনিত সমাজৰ যি পৰিবৰ্ত্তন ঘটে, সি ঘাইকৈ নিৰ্ভৰ কৰে সমাজখনে সেই পৰিৱৰ্ত্তনখিনি গ্ৰহণৰ বাবে কৰা প্ৰস্তুতিৰ ওপৰত। গতিকে আমাৰ প্ৰথম প্ৰশ্ন হ'ব এটা জাতি হিচাবে, ঔদ্যোগীকৰণ আৰু চহৰমুখী পৰিৱেশৰ বিস্তাৰৰ যোগেদি যি এটা নতুন পাৰিপাৰ্শ্বৰ সৃষ্টি কৰা হৈছে, সেই পাৰিপাৰ্শ্বৰ প্ৰতি কিদৰে সহাঁৰি দিবলৈ আমি প্ৰস্তুত? ইউৰোপৰ ইতিহাসত আমি পাওঁ যে সুদূৰ অতীতৰপৰা নহলেও অন্ততঃ ষোড়শ শতিকাৰপৰা ইউৰোপৰ বুকুৱেদি অগণন সামাজিক আৰু সাংস্কৃতিক বিপ্লৱ পাৰ হৈ গৈছে যাৰ ফলস্বৰূপে মধ্য-যুগীয় ইউৰোপৰ লগত বৰ্ত্তমান ইউৰোপৰ সমন্ধৰ জৰিডাল একেবাৰে চিগি গৈছে। তেতিয়াৰ মধ্যযুগীয় অলৌকিক, অবিধবিদ্যক (metaphysical) আৰু ধৰ্ম্মতত্বমূলক দৃষ্টিভঙ্গীৰপৰা ক্ৰমাৎ যুক্তিসংগত, সুস্থ আৰু বাস্তৱৰ প্ৰতি বৈজ্ঞানিকসুলভ দৃষ্টিভঙ্গী লৈ ইউৰোপৰ উত্তৰোত্তৰ বিকাশ লক্ষ্য কৰিব পাৰি। এনে কোনো পৰিৱৰ্ত্তন ভাৰতত ঘটা নাই। বৃটিচৰ শাসনকালত ইংৰাজী শিক্ষাৰ প্ৰসাৰ ঘটিছিল যদিও, ইয়াৰ সাংস্কৃতিক প্ৰভাৱ আছিল অনুল্লেখযোগ্য। ভাৰতৰ আধুনিকীকৰণ বৃটিচৰ লক্ষ্য নাছিল। বৃটিচ শাসনকালৰ এজন বুৰঞ্জীবিদে উল্লেখ কৰাৰ দৰে: “উদাৰতাবাদীসকলৰ সদৃশীকৰণ কৰাৰ প্ৰচেষ্টাক অৰ্থাৎ ইংৰাজী ভাৱাপন্ন কৰা কাৰ্য্যক প্ৰতিৰোধ কৰিছিল। শাসক-বৰ্গৰ গোষ্ঠীয়ে যিসকলে ৰক্ষণশীল চিন্তা নায়ক ৱাৰ্কৰ (Burke) মোহেৰে, স্মৃতিৰ অতীতকালৰেপৰা চলি অহা সমাজ ব্যৱস্থাসমূহ স্বাসৰূদ্ধ কৰিবলৈ দ্বিধাবোধ কৰিছিল আৰু সামন্তবাদী নীতি আৰু অতীত ঐতিহ্যত উদ্বুদ্ধ হৈ নিজৰ আবেগিক আত্মীয়তাৰে সেইবোৰ অটুট ৰাখিবলৈ সচেষ্ট হৈছিল। ভাৰতীয় শাসন নীতিৰ গঢ় দিয়াৰ ক্ষেত্ৰত এনে ধৰণৰ ৰক্ষণশীলতাই বেচি দৃঢ় ভাবে খোপনি পুতি লব পাৰিছিল, কাৰণ ইংলণ্ডত উদ্যোগমুখী সমাজ এখন গঢ় লৈ উঠাৰ বাবে ৰক্ষণশীলতা আন্তঃসাৰশূন্য হৈ পৰিছিল।”[2]

ইংৰাজী শিক্ষাই যে আমাক মাত্ৰ এটা কেৰাণী জাতি কৰিহে তুলিলে বুলি সমা-লোচনা কৰা হয়, ই এই ক্ষেত্ৰত সঁচা বুলি কব লাগিব। কাৰণ আমি এনেকুৱা এটা শিক্ষা পালোঁ যিয়ে আমাক এটা উপকৰা জ্ঞান লাভ কৰাৰহে সুযোগ দিলে, কিন্তু জ্ঞানৰ প্ৰচেষ্টাত সামূহিকভাৱে নিমজ্জিত হোৱাৰ সুবিধা নিদিলে। তাৰ ফলত আমাৰ মানসিক সংগঠন অপৰিবৰ্ত্তনীয় হৈয়ে ৰল। যিহেতু আমাৰ সাম্ৰাজ্যবাদী প্ৰভুসকল সম্পূৰ্ণ আধুনিকীকৰণৰ পক্ষে নাছিল, গতিকেই, যিসকল ভাৰতীয় লোক শাসন কাৰ্য্যত জড়িত আছিল, সেই সকলেও এই শাসনৰ প্ৰতি এটা মিশ্ৰিত ভাব পোষণ কৰিছিল। ইংৰাজৰ শিক্ষাপ্ৰাপ্ত সমাজৰ শিৰোমণি ( elte ) সকল বেচিভাগেই এই বিভাজিত মানসিক

১। Hindu view of life.

২। The English Utilitarians all and India

Dr. Eric Stokes. P.X.VI 1959



(Schizophrenic) অৱস্থাত আক্ৰান্ত হয়। স্বাধীনতা লাভৰ কাৰণে কোৱা জাতীয় আন্দোলনে ইয়াৰ শক্তিসঞ্চাৰৰ বাবে সাংস্কৃতিক ঐতিহ্যৰ পুনৰুত্থানৰ ওপৰত যি গুৰুত্ব দিলে, তাৰ ফলস্বৰূপে আমাৰ জাতীয় ঐতিহ্যৰ লগত খাপ খাব পৰা আধুনিকতাৰ আদৰ্শ গঢ় দিয়াৰ সমস্যাটো সমাধান নোহোৱাকৈ ৰৈ গ'ল।

হিন্দুসকল এসময়ত এটা ইউৰোপীয় জাতি আছিল বুলি প্ৰতিষ্ঠা কৰিব খোজা নীৰোদ চৌধুৰীৰ দৰে লিখকেও পাশ্চাত্য আদৰ্শৰ অনুকৰণত ভাৰতৰ আধুনিকীকৰণ কোনো বিশিষ্ট আদৰ্শ নিশ্চিতভাৱে সামৰি লব পৰা নাই। তেওঁৰ মতে চাৰ্চিৰ মোহ-জালৰ প্ৰভাৱৰপৰা মুক্তি পোৱাৰ পথ আমাৰ বাবে ৰূদ্ধ। নীৰোদ চৌধুৰীৰ সকল্প শ্লেষাত্মক মন্তব্যৰ প্ৰতি মই সম্পূৰ্ণ সমৰ্থন আগবঢ়াব নোৱাৰোঁ; কিন্তু তেওঁৰ পাশ্চাত্যৰ প্ৰতি থকা বিক্ষিপ্ত বা বিভক্ত (shizophrenic) মনোভাৱ—যি মনোবিকাৰ ভাৰতীয় উদাৰতাবাদী ( liberal ) ঐতিহ্যৰ পৰা প্ৰাপ্ত, তাৰ প্ৰতি অনুকম্পা মোৰ আছে। এইখিনি কথাৰ পটভূমিত এতিয়া বৰ্ত্তমানৰ সামাজিক-অৰ্থনৈতিক উন্নয়নৰ ঘটনাৱলী আৰু আমাৰ দেশ-বাসীৰ সাংস্কৃতিক ব্যৱহাৰৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা যাওক।

সামাজিক-অৰ্থনৈতিক উন্নয়নৰ দ্বাৰা মই প্ৰধানতঃ দুটা কথাই বুজাইছোঁ: উদ্যোগী-কৰণ আৰু চহৰমুখীকৰণ। দুয়োটাৰে সহাৱস্থান লক্ষ্য কৰা যায়। সুসংবদ্ধ গঞা সম্প্ৰদায়ৰ লগত নিজৰ সকলো সম্বন্ধৰ মূলোৎপাটন কৰি চামে চামে মানুহ চহৰ আৰু মহানগৰীলৈ প্ৰব্ৰজন হবই লাগিছে। এই গঞাঁ সম্প্ৰদায় সমূহত প্ৰচলিত নীতিবোধ, ৰীতি-নীতি ঐতিহ্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ইয়াত এজনৰ লগত আন এজনৰ সম্বন্ধ ব্যৱহাৰিক হোৱাৰ পৰিবৰ্ত্তে আছিল নিতান্তই সাম্প্ৰদায়িক। সম্প্ৰদায়ৰ লগত থকা এই সমন্ধ কম সচেতন যদিও ই আছিল সৰ্ব্বাত্মক। মহানগৰীৰ শিল্পাঞ্চলৰ পট-ভূমিত জীৱনৰ গতি হ'ব দ্ৰুত, পৰিশ্ৰমৰ সময় আৰু বিৰতিৰ সময়ো ইয়াত হ'ব নিৰ্দ্দিষ্ট আৰু নিৰ্দ্ধাৰিত; এজনৰ লগত আন এজনৰ সম্বন্ধ ব্যৱসায়িক পৰিচয় আৰু সচেতন শ্ৰেণী অন্তৰ্ভূক্তিৰ যোগেদিহে অনুভৱ কৰিব পাৰিব। এনে এখন সমাজত মানুহ ব্যক্তি-কেন্দ্ৰিক আৰু আত্মসজাগ হোৱাটো স্বাভাৱিক আৰু ফলস্বৰূপে তেওঁৰ বোধশক্তিৰ ক্ষেত্ৰতো পৰিবৰ্ত্তন অৱশ্যম্ভাৱী। মহানগৰীৰ বাসিন্দাসুলভ কেইটামান গুণ, যেনে, মাৰ্জিত ৰুচি, মাৰ্জিত চালচলন, আচাৰ-ব্যৱহাৰ, দেখনিয়াৰ হোৱাৰ আগ্ৰহ আদি সকলো চহৰীয়া শব্দটোৰ দ্বাৰা প্ৰকাশ কৰিব পৰা যায়। ইয়াৰ বিপৰীত হ'ল 'গ্ৰাম্যতা'। এইটো স্বাভাৱিক যে চহৰীয়া হোৱাৰ লগে লগে আমাৰ সাংস্কৃতিক ব্যৱহাৰৰ ক্ষেত্ৰত উল্লেখ-যোগ্য পৰিবৰ্ত্তন আহে। ইয়াৰ অনিবাৰ্য্য ফলস্বৰূপে ই আমাৰ ভাব প্ৰকাশৰ বিভিন্ন দিশতো পৰিবৰ্ত্তন আনিব। নাগৰিকতাত অৱশ্যে সামান্য কৃত্ৰিমতাৰ প্ৰলেপো আছে। দুজন একেবাৰে অচিনাকি মানহ প্ৰথম আলাপ-আলোচনাৰ যোগেদি চিনাকি হওঁতে সৌজন্য প্ৰকাশ বা কৃতজ্ঞতা প্ৰকাশ কৰাটো বাঞ্চনীয় আৰু এনে কাৰ্য্যত যদি কৃত্ৰিমতাৰ সামান্য গোন্ধ পোৱাও যায় তেন্তে সি প্ৰয়োজনীয় বুলিয়েই ক'ব লাগিব। আপোনালোকে কিমানে এই কথাটো ব্যক্তিগত-ভাৱে অনুভৱ কৰিছে নাজানো; কিন্তু মই দেখিছোঁ যে সম্পূৰ্ণ অসমীয়া পৰিৱেশত হোৱা আলাপ-আলোচনাত ইংৰাজী 'থেংকয়ুৰ' সলনি ব্যৱহাৰ কৰা 'ধন্যবাদ' শব্দটোও খুব কৃত্ৰিম যেন লাগে। বজাৰে-হাটে, চিটি বাছত, য'ত মানুহে সহজ স্বাভাৱিকভাৱে কথা-বতৰা কয়, মই এই শব্দটো স্বতস্ফূৰ্ত্তভাৱে হোৱা শুনা নাই। মই ভাবোঁ যে মহানগৰীৰ বাসিন্দাৰ ভাবৰ আদান-প্ৰদানৰ উপযুক্ত মাধ্যম হিচাবে অসমীয়া ভাষাক আমি এতিয়াও গঢ়ি তুলিব পৰা নাই। ইয়াক অন্যভাৱে এইদৰেও ক'ব পাৰি যে নাগৰিকতাই অসমত এতিয়াও গভীৰভাৱে শিপাব পৰা নাই, যাৰ ফলত অসমীয়া ভাষাই নগৰাঞ্চলৰ ভাব আদান-প্ৰদানৰ উপযুক্ত বাহন হিচাবে গঢ় লৈ উঠিব পৰা নাই।

চহৰমুখী জীৱন আৰু উদ্যোগীকৰণে এটা সুশৃঙ্খল জীৱন পথৰ সন্ধান দিয়ে। সভ্য সমাজক ফৰাচী সকলে 'people police' বুলি অভিহিত কৰে। ই একে সময়তে মাৰ্জিত ৰুচি আৰু বাহ্যিক নিয়মানুবৰ্ত্তিতাৰ প্ৰতি শ্ৰদ্ধাশীল সমাজৰ অৰ্থ সূচায়। এইবিলাক গুণৰ অবিহনে নাগৰিক জীৱন অচল হৈ পৰাৰ সম্ভাৱনা। কাৰখানাৰ

ভিতৰতে হওঁক বা চহৰৰ বাট-পথতে হওঁক আমি যদি নিয়মানুবৰ্ত্তিতাৰ শাসন মানি নচলোঁ, তেন্তে আধুনিক সমাজ জীৱন নিৰ্ব্বাহ কৰা সম্ভৱপৰ নহব। গতিকে উদ্যোগ-মুখী সভ্যতাৰ ক্ষেত্ৰত যদিও মানুহ ব্যক্তিসত্বাৰ প্ৰতি অধিক সচেতন হয়, তেওঁ নিজকে ক্ৰমাৎ নিঃসঙ্গ অনুভৱ কৰে আৰু ব্যক্তি হিচাবে নিজকে গুৰুত্বহীন বা অপদাৰ্থ বুলি ধৰি লবলৈ আৰম্ভ কৰে। এই নিঃসঙ্গতা দূৰ কৰিবলৈ তেওঁ যিমান সোনকালে পাৰে এটা গোষ্ঠী বা শ্ৰেণীৰ অন্তৰ্ভূক্ত হৈ সুখী হোৱাৰ চেষ্টা কৰে। এই সচেতন মিলিত জীৱন যাপন কৰাৰ যি বাধ্যতামূলক প্ৰয়োজনীয়তা, তাক চৰিতাৰ্থ কৰিব পাৰি বিভিন্ন সংঘ, খেলা-ধূলা, বিভিন্ন ধৰণৰ আমোদ-প্ৰমোদৰ ব্যৱস্থা, আকৰ্ষণীয় ভোজনশালা, উদ্যান আদি সহজলভ্য ব্যৱস্থাবোৰৰ যোগেদি। এইটো উল্লেখ নকৰিলেও হ'ব যে এনে পৰিবেষ্টনিত যাপন কৰা জীৱনে আমাৰ বোধশক্তিৰ যথেষ্ট পৰিবৰ্ত্তন ঘটাব আৰু লগতে আমাৰ সামাজিক গাঁথনিটোতো অস্থিৰতা পৰিলক্ষিত হ'ব। বৰ্ণ বা সামাজিক জাত বিভাজনৰ বৈষম্যমূলক মনোভাৱ বাঢ়ি গৈ থকাৰ সনাতন নিয়মক আমি বৰ্ত্তমান যুগৰ এই উদ্যোগমুখী আৰু নগৰমুখী সমাজত অনিৰ্দ্দিষ্ট কাললৈ প্ৰশ্ৰয় দি থাকিব নোৱাৰোঁ। উদ্যোগীকৰণে আমাৰ দৈনন্দিন জীৱনলৈ যি কোনো ধৰণে যান্ত্ৰিকতাৰো প্ৰভাৱ আমদানি কৰিব। ইয়াৰ ফলত আমাৰ দেশৰ বৰ্ণ ব্যৱস্থাৰ আনুষ্ঠানিক ভিত্তিটোক দুৰ্ব্বল কৰি তুলিব পৰা যাব। যন্ত্ৰই সকলো কাৰ্য্যকে সন্মানযোগ্য কৰি তুলিব আৰু দৈহিক পৰিশ্ৰমৰ প্ৰতি থকা আমাৰ বৰ্ণবৈষম্যমূলক বিতৃষ্ণা ক্ৰমাৎ আঁতৰি যাব। এইটো এই কাৰণেই প্ৰয়োজনীয় যে আমি আইন প্ৰণয়নৰ দ্বাৰা আমাৰ মাজৰ বৰ্ণ বিভাজন অন্ত পেলাব নোৱাৰোঁ। গতিকেই কাৰ্য্যৰ সকলো স্তৰতে পৰিশ্ৰমৰ উচিত মৰ্য্যাদা দি ইয়াৰ মূল উচ্ছেদ কৰিব লাগিব। এইটো আমি মনত ৰাখিব লাগিব যে বৰ্ণব্যৱস্থা বৰ্ত্তমানে এটা ধৰ্ম্মসম্পৰ্কীয় বিষয়-বস্তু হৈ থকা নাই বা সামাজিক সংস্কাৰৰ প্ৰশ্ন হৈও থকা নাই। আৱহমান কালৰেপৰা চলি অহা এনে ব্যৱস্থাই ইয়াক আমাৰ হাড়ে-হিমজুৱে এনেদৰে শিপাই পেলাইছে যে উদ্যোগমুখী এখন সমাজতো ই বিভিন্ন পথেৰে মূৰ দাঙি উঠিবলৈ চেষ্টা চলাব। এই কাৰ্য্যত ই যিমান দিনলৈ ফলৱতী হ'ব, সিমান দিনলৈ আমাৰ আত্মাৰ প্ৰাণ-শক্তিয়ে মুক্তি লাভ কৰিব নোৱাৰিব।

আমাৰ সমাজৰ বাবে এইটোকে মই আটাইতকৈ আৱশ্যকীয় আহ্বান বুলি ভাবোঁ। আমি যদি সমাজিক আৰু অলৌকিক ভয়ৰ প্ৰভাৱৰ পৰা মুক্ত শুদ্ধ আধ্যাত্মিকতাৰ তেজৰ সোঁত আমাৰ শৰীৰৰ মাজেদি প্ৰৱাহিত কৰাব নোৱাৰোঁ, সমাজৰ একো উন্নতি সাধন কৰিব নোৱাৰোঁ। মই কেতিয়াবা ভাবো যে গণতন্ত্ৰই আমাক ইতিহাসৰ এক অচল অৱস্থাত পেলাইছেহি। সমাজখনত পৰিবৰ্ত্তন আনিব পাৰোঁ বুলিয়েই আমাৰ বদ্ধমূল ধাৰণা যদিও, শাসনযন্ত্ৰ হস্তগত কৰা বৰ্ত্তমান যি অৱস্থা, প্ৰচলিত সেই ব্যৱস্থাই আমাক যি কোনো কাম কৰাৰ বাবে অক্ষম কৰি তোলে। গতিকে সমাজত বিপ্লৱাত্মক কোনো পৰিৱৰ্ত্তন আনিবলৈ যদি বিচৰা হয়, তেন্তে সেই পৰিবৰ্ত্তন আহিব লাগিব সমাজবিদ, ঔপন্যাসিক, নাট্যকাৰ, কবি, কলাকাৰ, সমালোচক আদিৰ সমবেত চেষ্টাৰ যোগেদিহে, যিসকলে আমাৰ জাতীয় জীৱনৰ বিচিত্ৰ আপাত বিৰোধী সত্যৰ প্ৰতি আমাৰ দেশবাসীৰ সচেতনতাক জাগ্ৰত কৰি তুলিব পাৰিব। জীৱনৰপ্ৰতি অতিন্দ্ৰিয়বাদী মনোভাবৰ বাবেই বোধকৰো আমাৰ ব্যক্তিগত জীৱনৰ অসঙ্গতিবোৰৰ প্ৰতি আমাৰ চকু নপৰে। দুয়োটা জীৱন একত্ৰভাৱে সংলগ্ন হৈ থকাটো আমি নিবিচাৰোঁ। গতিকে এজন বৈজ্ঞানিকৰ প্ৰতি তেওঁৰ পৰীক্ষাগাৰত থকা সত্বাটোক, তেওঁৰ ধৰ্ম্মীয় সত্বাৰপৰা পৃথক কৰি ৰখাটো সম্ভৱ। সেই একেদৰেই এজন ব্যৱসায়ীয়ে তেওঁৰ ব্যৱসায়িক লেনদেনক তেওঁৰ নীতিবোধৰপৰা, আন এজন ৰাজনীতিজ্ঞৰ বাবে তেওঁৰ ব্যক্তিগত জীৱনক নিজৰ প্ৰকাশ্য ঘোষিত আদৰ্শৰ পৰা পৃথক কৰি ৰখাটো সহজ। বৰ্ত্তমান অৱস্থাত আমাক লাগে এটা বিৰাট আলোড়ন, যিটোৱে আমাৰ চিন্তা আৰু কাৰ্য্যৰ মাজত আৰু জীৱন আৰু পৰিবেশৰ মাজত সম্বন্ধ গঢ়ি তুলিবলৈ বাধ্য কৰিব।

দুখ লাগে, আমাৰ লিখক চিন্তাবিদসকলে এতিয়াও আমাৰ ঐতিহ্যমণ্ডিত নৈতিক মানখিনিৰ ওপৰতে সৰ্ব্বতোভাৱে নিৰ্ভৰ কৰিবলৈ বিচাৰে। সেই গুণেই আমাক নীৎসেৰ



(Nietzsche) নিচিনা এনে চিন্তানায়কৰ দৰকাৰ হৈছে, যি নিজৰ মানসিক ভাৰসাম্য হেৰুওৱাৰ সম্ভাৱনা আগত লৈ হ'লেও সাহসেৰে সকলো নৈতিক মানৰ মূল্যাঙ্কন কৰিবলৈ আগবাঢ়িব পাৰে। আমাৰ গৌৰৱোজ্জ্বল অতীতৰ বিষয়ে বিজয় ডঙ্কা বজাই নাথাকি আমি বৰ্ত্তমান জাতীয় জীৱনৰ যি শূন্যস্থান তাৰ প্ৰতিহে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাত ব্ৰতী হ'ব লাগিব। নিজকে নিজে তোষামোদ নকৰি আমি আমাৰ পুতৌজনক নৈতিক আৰু আধ্যাত্মিক অৱস্থাটো পৃথিৱীক দেখুৱাই দিয়াটো বৰঞ্চ ভালৰ কথা হ'ব। তেওঁৰ আত্মজীৱনীৰ কোনো এঠাইত নেহৰুৱে লিখিছে যে আমি নিজকে এটা আধ্যা-ত্মিক জাতি হিচাবে যে বিজ্ঞাপন দিওঁ, সি হৈছে আমাৰ নীচাত্মিকাবোধ আতৰোঁৱাৰ এটা কৌশল মাথোন ; কাৰণ যিহেতু আমাৰ পাৰ্থিৱ জগতত উল্লেখযোগ্য একো বিশিষ্ট আহৰণ হোৱা নাই। সেইবাবে আমি ধৰি লওঁ যে ইয়াৰ ফলত আমাৰ আত্মা বা চেতনাক আধ্যাত্মিক চিন্তাৰপৰা অন্যমনস্ক নকৰাকৈ ৰখাটো সম্ভৱপৰ হৈছে। কিন্তু দৰাচলতে কোনো জাতিৰ যদি পাৰ্থিৱ ক্ষেত্ৰত যথাৰ্থ সাফল্য নাথাকে, তেন্তে সেই জাতি ডাঙৰ জাতি হ'ব নোৱাৰে। পৃথিৱীৰ বুৰঞ্জীয়ে আমাক সকীয়াই দিয়ে পাৰ্থিৱ ক্ষেত্ৰত অগ্ৰগতিৰ যুগতেই আধ্যাত্মিক জগততো তুমুল আলোড়ন উঠিছিল। গতিকে আমি আমাৰ আধ্যাত্মিক অতীতৰ কথাকে সুঁৱৰি জাগতিক প্ৰগতিৰ ফালে পিঠি দি থাকিলে নহ'ব—কাৰণ প্ৰগতিৰ পদক্ষেপ প্ৰথমে পৰিব পাৰ্থিৱ ক্ষেত্ৰতেহে।

জাতীয় পৰিকল্পনা সমূহৰ ফলত হবলগীয়া উন্নয়নসমূহে সম্ভৱতঃ আমাৰ মনত আগতকৈ বেচি পৰস্পৰ নিৰ্ভৰশীলতা আৰু সংহতিৰ ভাব আনি দিব। বৰ্ত্তমান অৱ-স্থাত ভাৰতৰ সকলো অংশই সমানে অগ্ৰসৰ হব নোৱাৰা বাবে বিভিন্ন অঞ্চলৰ মাজত সহজেই সন্দেহ আৰু অসূয়াৰ বীজ গজি উঠা সম্ভৱ, কিন্তু আমাৰ নেতাসকলৰ পক্ষে নিষ্ঠা আৰু সততাৰ দ্বাৰা বা শুভবুদ্ধিৰ দ্বাৰা এইবিলাক দূৰ কৰাটো সম্ভৱ। গণতান্ত্ৰিক জীৱনৰ মূল ভিত্তিটোৱেই হৈছে যুক্তিসংগত চিন্তা-ধাৰাৰ প্ৰতিষ্ঠা ; কিন্তু দুৰ্ভাগ্য-বশতঃ ক্ষণিকৰ সামান্য লাভৰ আশাত আমি আমাৰ আবেগিক অৱস্থাক বেচি প্ৰশ্ৰয় দিওঁ। গতিকে পঢ়াশলীয়া দিনৰে পৰা যদি আমি বিচাৰশক্তি বা যৌক্তিকতাৰ বীজ অন্তৰত গজাই তুলিব নোৱাৰোঁ বা আমাৰ শিক্ষাক যুক্তিসংগত মনোবৃত্তিৰ বিস্তাৰৰ ক্ষমতা দিব নোৱাৰোঁ, তেন্তে আমি আইনৰ অনুশাসন মানি চলা আৰু সেইমতে জীৱন ধাৰণ কৰা শৃঙখলাবদ্ধ জাতিৰ সৃষ্টি কৰিব নোৱাৰোঁ। যি কোনো অজুহাততে আমাৰ জাতীয় নেতাসকল প্ৰগলভ হৈ পৰে আৰু আমাক আমাৰ ঐতিহ্য আৰু আধ্যাত্মিকতাৰ অনু-ভূতিৰে উদ্বুদ্ধ কৰি তুলিবলৈ বিচাৰে। কিন্তু এনে ধৰণৰ আবেগিক প্ৰতিক্ৰিয়াবোৰ চিন্তাৰ প্ৰতিকল্প মাথোন। যি মস্তিষ্কত খন্তেকৰ উত্তেজনাৰ বুৰবুৰণি সৃষ্টি কৰিয়েই মাৰ নিয়ায় আৰু তাৰ ফলত কোনেও নিজৰ ত্ৰুটি-বিচ্যুতি শুধৰণীৰ চেষ্টা নকৰে। আবেগিক আবেদন-নিবেদনৰ দ্বাৰা বা প্ৰাৰ্থনা বা উপদেশৰ বাবে বিস্তৰ জাতীয় উপলক্ষ্য সৃষ্টি কৰিয়েই যদি আমি শাসন কাৰ্য্য পৰিচালনা কৰিব বিচাৰোঁ, আৰু ইয়াৰ ফল-স্বৰূপে যদি দেশবাসীয়ে সকলো সময়তে যুক্তিসংগত জ্ঞান-বুদ্ধিৰে সহাঁৰি দিবলৈ অপাৰগ হয়, তেন্তে আমি তেওঁলোকক নিশ্চয় দোষী কৰিব নোৱাৰোঁ।

আধুনিক ভাৰত এখন গঢ়ি তোলাত আমাৰ বিশ্ববিদ্যালয়বোৰেও যে সুস্থ আৰু উল্লেখযোগ্য একো ভূমিকা গ্ৰহণ কৰা নাই 'সেইটো নুই কৰিব নোৱাৰি, কাৰণ যদিও আমি শিক্ষা সম্পৰ্কে মৌখিক শ্ৰদ্ধা নিবেদন কৰোঁ, শিক্ষাৰ যুক্তিসংগত ক্ৰমোন্নতিৰ বাবে আমিতো প্ৰকৃততে প্ৰতিজ্ঞাবদ্ধ হৈ একোৱেই কৰিব পৰা নাই। যি শিক্ষাই জীৱনত সংযোগ সাধন কৰিবলৈ শিকায় বা এজনক নিজৰ পৰিবেশ ভাল দৰে বুজি পোৱাত সহায় কৰে তেনে শিক্ষাৰ আমি এতিয়াও বহুত দূৰৈত। আমাৰ সকলো বৰ্ণৰে মাজত শিপাই থকা প্ৰাঞ্জলত্বৰ অনুধাৱনৰ আকাঙক্ষাৰে প্ৰকাশক হিচাবে, উচ্চতৰ শিক্ষাৰ প্ৰতি থকা আমাৰ যি শ্ৰদ্ধাবিমিশ্ৰিত মনোভাৱ সি বিশ্ববিদ্যালয়ৰ শিক্ষাক শোভা-প্ৰদ এবিধ অলঙ্কাৰ কৰিহে তুলিছে, ব্যৱহাৰিক ক্ষেত্ৰত সি একেবাৰে প্ৰয়োজনহীন। আমি এই শিক্ষা ব্যৱস্থাৰ গত সলনি কৰিবলৈও সংকোচ কৰোঁ, কাৰণ আমাৰ শিক্ষাবিদ সকল নিজৰ ওপৰত এনেদৰে আস্থাহীন যে পুৰণিকলীয়া পাঠ্যক্ৰমৰ বহুল তন্ত্ৰ তৰি

তাত চমকপ্রদ খেল-কৌশল প্ৰদৰ্শন কৰিব নোৱাৰা পৰ্য্যন্ত তেওঁলোকে সন্তোষ লাভ কৰিব নোৱাৰে। আমাৰ শিক্ষা সেইবাবে সদায়েই অব্যৱহাৰিক বা তাত্ত্বিক হৈয়ে আছে আৰু বাস্তৱৰ লগত ইয়াৰ যোগাযোগ সামান্যতম, তথা নায়েই। আমাৰ পণ্ডিতসকল তথ্যসংকলন কৰা কৰ্য্যতে ব্যস্ত থাকে—কিন্তু এইবিলাক বাস্তৱ ঘটনাৰ পুংখানুপুংখ বিশ্লেষণ কৰিবলৈ বা অন্তৰ্দৃষ্টিৰে অনুধাৱন কৰিবলৈ তেওঁলোক অসমৰ্থ। স্নাতকোত্তৰ শ্ৰেণীত উপস্থিতিৰ শতকৰা হাৰৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীসকলে শুনিবলগীয়া বক্তৃতাৰ সংখ্যাৰ ওপৰত কঠোৰতাৰে আৰোপ কৰা গুৰুত্ব সঁচাকৈয়ে বিৰক্তিজনক। স্নাতকোত্তৰ শ্ৰেণীত শিক্ষাদান হোৱা উচিত মানসিক আদান-প্ৰদানৰ ভিত্তিত। ই যান্ত্ৰিকভাৱে ছাত্ৰৰ মূৰত নিজৰ কোনো অধ্যৱসায় নথকাকৈ শিক্ষা সুমুৱাই দিয়া কেন্দ্ৰ হব নালাগে। নিজৰ অধ্যৱসায় নথকাকৈ যি শিক্ষা লাভ কৰা হয়, সেই শিক্ষা ব্যক্তিগত জীৱনৰ ক্ষেত্ৰত হব অপ্ৰাসঙ্গিক। আমাৰ শিক্ষাৰ সবাতোকৈ ডাঙৰ অসুবিধা হৈছে যে ব্যক্তিগত লাভালাভ আৰু সামাজিক অৰ্থপূৰ্ণতাৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসঙ্গিকতা দিনে দিনে দুৰ্ব্বোধ্য হৈহে পৰিছে। শ্ৰেণীত আমি যি শিকাওঁ আৰু সেই শিক্ষাই ছাত্ৰৰ পৰিবৰ্ত্তনশীল পাৰিপাৰ্শ্বিক অৱস্থাত যি অৰ্থ সূচায় এই দুয়োৰে মাজত আমি যদি সমন্বয় ঘটাব নোৱাৰোঁ, তেন্তে সামাজিক অৰ্থনৈতিক উন্নয়নে কোনো ধৰণৰ পাৰস্পৰিক ক্ৰিয়া ঘটাব নোৱাৰে।

উপৰোক্ত মন্তব্যখিনি আমাৰ ভৈয়ামৰ অধিবাসীসকলৰ কথা মনত ৰাখিয়েই কৰা হৈছে ; কিন্তু একেখিনি কথাই পাহাৰৰ লোকসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। কাৰণ, তেওঁলোকো তেওঁলোকৰ জনজাতীয় সামাজিক সংগঠনৰ পৰা চহৰমুখী বা উদ্যোগমুখী সমাজ এখনলৈ ফাটি যাবলৈ উন্মুখ। খাচীসকলৰ মাজৰ শিক্ষিত শ্ৰেণীটোলৈ লক্ষ্য কৰিলেই আমি দেখা পাম যে আধুনিকতাই, বিশেষকৈ পাশ্চাত্যসুলভ আধুনিকতাৰ বতাহ ছাটিয়ে ভৈয়ামৰ লোকসকলতকৈ বহু আগতেই আৰু কম আয়াসতে অধিবাসী-সকলক চুই যাব পাৰিছে। গতিকেই মূলতঃ খৃষ্ট ধৰ্ম্মাৱলম্বী আৰু পাশ্চাত্য জীৱন ধাৰাৰ প্ৰতি প্ৰায় অবিভক্ত মনোভাব থকা এই পাহাৰৰ অধিবাসী সকলে কেনেদৰে প্ৰধানতঃ হিন্দু ঐতিহ্যৰ প্ৰতি সজাগ ভাৰতবৰ্ষৰ লগত একেলগে বাট বুলিব সি আমাৰ যুগৰ মন কৰিবলগীয়া বিষয় হ'ব। পাহাৰৰ অধিবাসী সকলৰ লগত আত্মীয়তাৰে একেলগে বাস কৰা সমস্যাটোৱে অন্ততঃ দুটামান শতকলৈ আমাৰ জাতীয় জীৱনৰ যথেষ্ট প্ৰচেষ্টা বিচাৰিব। যদি ভাৰতবৰ্ষই এটা একতাবদ্ধ জাতীয় দৃষ্টিভংগী গঢ়ি তুলিব পাৰে তেন্তে হিন্দু সভ্যতা এটা নতুন অভিজ্ঞতাৰ দ্বাৰা পৰিপুষ্ট হ'ব। অৰ্থাৎ এই সভ্যতাই বিভিন্ন অহিন্দু সম্প্ৰদায় সমূহক বৰ্ণব্যৱস্থাৰ যোগেদি মানসিক ভাৱে গ্ৰাস বা নিঃশেষ কৰাৰ চেষ্টা নকৰি সেইবিলাকৰ স্বকীয়তা আৰু সংহতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ শিকিব। যদি ভাৰতে সামাজিক অৰ্থনৈতিক আদি সকলো দিশতে উন্নয়নৰ যোগেদি অগ্ৰগতি লাভ কৰিবলৈ বিচাৰে আমি এটা প্ৰকৃত ধৰ্ম্মনিৰপেক্ষ মানৱীয় বিশ্বাসৰ ভাৱ দেশবাসীৰ অন্তৰাত্মাত উদ্বুদ্ধ কৰি তুলিব লাগিব। আমি যদি আমাৰ নৱলব্ধ উদ্যোগমুখী আৰু চহৰমুখী পাৰিপাৰ্শ্বৰ পৰা উপযুক্ত উপসংহাৰ বিচাৰিবলৈ যাওঁ, যদি আমি আমাৰ ধৰ্ম্মনিৰপেক্ষতাক হিন্দু সাৰ্ব্বজনীনত্ব বা উদাৰতা বা অন্য ধৰ্ম্মৰ প্ৰতি থকা সহনশীলতাৰ সহজলব্ধ অভিজ্ঞতাৰ উৰ্দ্ধত তুলিবলৈ চেষ্টা কৰোঁ আৰু আমাৰ গতানুগতিক ধৰ্ম্ম আৰু বিশ্বাসৰ মুকলি আলোচনা কৰাৰ প্ৰতি সন্মতি প্ৰদান কৰোঁ তেন্তে এই কাৰ্য্য অপৰিহাৰ্য্য। গতিকে মই বিশ্বাস কৰোঁ যে দ্ৰুতগতিত আধুনিকী-কৰণৰ যোগেদিহে ভাৰতবৰ্ষৰ ঐক্য সম্ভৱ হ'ব আৰু এই ঐক্যৰ পথত স্থায়ী প্ৰতি-বন্ধকতাৰ সৃষ্টি কৰা হ'ব যদিহে আমি পুনৰুত্থানকামী শক্তিবোৰক, হিন্দু, মুছলমান, খ্ৰীষ্টান, যিয়েই নহওঁক লাগিলে—এই শক্তিবোৰক যদি প্ৰশ্ৰয় দিওঁ।

---

মূল ইংৰাজীৰ পৰা অধ্যাপক শৰৎ বৰবৰাৰ দ্বাৰা ভাষান্তৰিত।
এই অপ্ৰকাশিত প্ৰবন্ধটি ১৯৬৮ চনত লিখা।



# প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ চিঠি-পত্ৰ

কানৈ মহাবিদ্যালয়ৰ (আগৰ ডিব্ৰুগড় মহাবিদ্যালয়) ৰূপালী জয়ন্তী উপলক্ষে প্ৰাক্তন শিক্ষক, শিক্ষাৰ্থী আৰু উদ্যোক্তা, হিতাকাঙক্ষী সকলৰ খা-খবৰ গোটাবলৈ অধ্যক্ষ মহোদয়ে বেলেগ বেলেগ সময়ত তিনিবাৰকৈ বিভিন্ন বাতৰি কাকতত বিজ্ঞাপন দিছিল। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা সমাপ্ত কৰি কোনে কি কৰি খাইছে, কোন ক'ত আছে এই বিষয়ে জানিবলৈ হ'লে তেওঁলোকে নিজে আমালৈ নিলিখিলে উপায় নাই। বিজ্ঞাপনৰ উত্তৰত দিয়া চিঠিৰপৰা তেওঁলোকে এতিয়া কিৰূপে সাংসাৰিক আৰু সামাজিক দায়িত্ব পালন কৰিছে সেই বিষয়ে কিছু আভাস লাভ কৰাটোও আমাৰ উদ্দেশ্য আছিল। অধ্যক্ষৰ হাতত পিছে চিঠি তিনিকুৰিৰ অলপ বেচিহে পৰিল। তাৰে পাঁচখন প্ৰাক্তন শিক্ষক সম্পৰ্কীয় আৰু বাকীকেইখন প্ৰাক্তন ছাত্ৰই দিয়া চিঠি। অস-মীয়া মানুহে চিঠিৰ উত্তৰ দিয়াতো আৱশ্যকীয় কাম বুলি নাভাবে এই কথা তাহানিতে জ্ঞানদাভিৰাম বৰুৱাই খেদ কৰি কৈ গৈছে। তেনে স্থলত বিজ্ঞাপনৰ উত্তৰ কেনেকৈ আশা কৰিব পাৰি ? তদুপৰি আমি অসমীয়া জাতিটোৱেই কাম পিচলৈ পেলাই থোৱা বিধৰ। নিজৰ বিষয়ে কবলৈকো অলপ দ্বিধা ওপজে। তথাপি এলাহ কাতি কৰি থৈ যিসকলে কলেজৰ মৰম পাহৰিব নোৱাৰি অধ্যক্ষলৈ চিঠি দিলে তেওঁলোকৰ আন্তৰিকতাৰ সলাগ লৈছোঁ।

চিঠি কেইখন পঢ়ি দেখা গ'ল যে প্ৰাক্তন ছাত্ৰসকলৰ প্ৰায় ৩০ জন মানেই শিক্ষক-তাকে জীৱিকা হিচাবে গ্ৰহণ কৰিছে। মধ্য ইংৰাজী বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলালৈকে বিভিন্ন পৰ্য্যায়ত তেওঁলোকে শিক্ষাদান কৰি আহিছে। বাকী-খিনিৰ কেইজনমান এতিয়াও শিক্ষাৰত অৱস্থাত, পুলিচ বিভাগৰ উচ্চ পদস্থ কৰ্ম্মচাৰী তিনি জন, চিকিৎসক ২ জন, অফিচ সহকাৰী ৫ জন। বাকীসকলৰ আবকাৰী বিভাগ, পৰিকল্পনা বিভাগ, ৰেলৱে আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগত একোজনকৈ আছে। ২ জন ইঞ্জিনীয়াৰ, কেইজনমান উকীল; সঙ্গীত জগতত উজ্বল হৈ থকা কেইজনমান, অভিনেতা দুজন, যাদুকৰ হিচাবে খ্যাতি লাভ কৰা এজন। ইয়াৰ উপৰিও এগৰাকী আমাৰ প্ৰাক্তন ছাত্ৰ অসমৰ ৰাজ্যিক মন্ত্ৰী। এওঁলোকৰ চমু চিনাকি তলত দিয়া হ'ল।

### শিক্ষক হিচাবে জীৱিকা নিৰ্ব্বাহ কৰা সকল ঃ

শ্ৰীধনীৰাম বৰশইকীয়া—ৰাজগড় হাইস্কুলৰ সহকাৰী শিক্ষক।
" বীৰেন্দ্ৰ নাথ বৰুৱা—মাহমৰা-ডিপ্লিং হাইস্কুলৰ সহকাৰী শিক্ষক।
" গুণকান্ত গগৈ—উত্তৰ লক্ষীমপুৰৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ শিক্ষক ।
" বুদ্ধীন্দ্ৰ নাথ বৰঠাকুৰ—চকীমুখ হাইস্কুলৰ সহকাৰী শিক্ষক।
" শৈলজা ভৰালী—গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ অধ্যাপক।

শ্ৰীদেৱ কুমাৰ বৰুৱা—প্ৰধান শিক্ষক, কনকলতা আদৰ্শ ছোৱালী হাইস্কুল।
" আক্ৰামুল ইছলাম ওৰফে শ্ৰীবণানী চৌধুৰী, সাহিত্যিক, দিচাংমুখ হাইস্কুলৰ শিক্ষক।
" পুষ্পধৰ চাংমাই—উপদেষ্টা, খোৱাং বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ।
" গহীন চুতীয়া—নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যাপক।
" পুৰু ভূঞা, ডিব্ৰু কলেজৰ অধ্যাপক।
শ্ৰী জি, চি, শৰ্ম্মা, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক।
শ্ৰীঅতুল চন্দ্ৰ শৰ্ম্মা, ডিগবৈ সৌমাৰ বিদ্যাপীঠৰ সহকাৰী শিক্ষক।
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য, অধ্যাপক, কানৈ মহাবিদ্যালয়।
শ্ৰীপ্ৰফুল্ল কুমাৰ গগৈ, নেফাৰ জিৰ' উচ্চমাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক।
এখেতৰ স্ত্ৰী শ্ৰীমতী ৰেণু বৰাও আমাৰ প্ৰাক্তন ছাত্ৰী।
শ্ৰীধৰ্ম্মেশ্বৰ হাজৰিকা, ৰবদলনি হাইস্কুলৰ সহকাৰী শিক্ষক।
শ্ৰীপি, চি, দিহিঙ্গীয়া, নাহৰকটীয়া হাইস্কুলৰ সহকাৰী শিক্ষক
শ্ৰীভৱপ্ৰসাদ চলিহা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক।
শ্ৰী চি, জে, সুবেদী—ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক।
শ্ৰীসুশীল দেৱ—প্ৰধান শিক্ষক, দিল্লীনগৰ হাইস্কুল।
শ্ৰীসৰ্ব্বেশ্বৰ বুঢ়াগোহাঞি—নিতাইপুখুৰী হাইস্কুলৰ সহকাৰী শিক্ষক।
শ্ৰীজিতেন বৰুৱা—সাপেখাতী হাইস্কুলৰ সহকাৰী শিক্ষক।
শ্ৰীসোণেশ্বৰ বৰুৱা—বিপিন বড়া এম, ই, স্কুলৰ শিক্ষক।
শ্ৰীজলধি ৰাম চেলেং—প্ৰধান শিক্ষক, টিংখাং হাইস্কুল।
শ্ৰীতিলেশ্বৰ কোচ—নেফাৰ হেইনলিয়াং এম, ই, স্কুলৰ শিক্ষক।
শ্ৰীগোপী অমূলী—দুলিয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক।
শ্ৰীনৃগেন শৰ্ম্মা—ডিব্ৰুগড় নৈশ মহাবিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক।
শ্ৰীমোহিনীমোহন বুঢ়াগোহাঞি—গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক।
শ্ৰীশৰৎ বৰকাকতি—ডিব্ৰু মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক।
শ্ৰীদুৰ্গা বুঢ়াগোহাঁঞি-নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক।
আমাৰ প্ৰাক্তন ছাত্ৰ কেইজনমান এতিয়াও অধ্যয়ন ৰত।

শ্ৰীঅৱনী কুমাৰ বৰঠাকুৰ আৰু শ্ৰীকৃষ্ণ কুমাৰ গোহাঁই—এওঁলোক ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ আইনৰ ছাত্ৰ। শ্ৰীমধুৰাম পেগুৱে আমাৰ মহাবিদ্যালয়ৰপৰা প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণীত উত্তীৰ্ণ হৈ এতিয়া পাচিঘাট মহাবিদ্যালয়ত পঢ়ি আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগত মনিৰাম দিহিঙ্গীয়া, অসমীয়া বিভাগত শ্ৰীতুলসী প্ৰসাদ শইকীয়া, শ্ৰীহেম চন্দ্ৰ বৰা, শ্ৰীভীমকান্ত বৰগোহাই আৰু ৰাজনীতি বিজ্ঞান বিভাগত শ্ৰীনবীন চন্দ্ৰ গোহাঁইয়ে পঢ়ি আছে। পৰিসংখ্যা বিভাগত আছে শ্ৰীশিৱপ্ৰসাদ দত্ত।

শ্ৰী পি, এল, চৌধুৰীয়ে বোম্বাইত চাৰ্টাৰ্ড একাউণ্টটেণ্ট হৈ নিজাকৈ ফাৰ্ম খুলি ব্যৱসায় কৰিছে। চাহ বনুৱাৰ উন্নতি কল্পে চাহ মজদুৰ সংঘৰ লগত জড়িত থকা, চাহ মজদুৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা নাৰায়ণ ঘাটোৱাৰে সাহিত্য চৰ্চ্চা কৰি আছে।


অসমৰ সঙ্গীত জগতত অৰিহণা যোগাই আহিছে আমাৰ ছাত্ৰ জ্যোতিষ ভট্টাচাৰ্য্য প্ৰশান্ত বৰদলৈ, কল্পনা বৰদলৈয়ে আৰু কানৈ কলেজৰ প্ৰবীন গোস্বামী, প্ৰিন্স, ভৱেশ গোস্বামী, ৰাজেন গোহাঁই, হেমন্ত দত্ত আদিয়ে আন কেইগৰাকীমানৰ লগত লগ হৈ 'কুইভাৰ্চ' গোষ্ঠীৰ জন্ম দিছে। 'কুইভাৰ্চ' অসমৰ খ্যাতনামা বাদ্যযন্ত্ৰী গোষ্ঠী। নাট্য-কলাত পাৰদৰ্শিতা দেখুৱাই বোলছবি জগতৰ লগত জড়িত হৈ পৰা শ্ৰীপুৰু ভূঞা আৰু ননীগোপাল চাংকাকতি।

কৃষি বিষয়া হিচাবে আছে আবু নেইম চালেহ উদ্দিন হাজৰিকা। আমাৰ ছাত্ৰ অভিযন্তা হৈ আছে—শ্ৰীৰবিন্দ্ৰ নাথ গগৈ, ৰিয়াজুল হুচেইন। চিকিৎসা, বিভাগত অৰিহণা যোগাই আহিছে ডঃ বিপিন্দ্ৰ নাথ কাকতি, ডঃ হিৰেন্দ্ৰ নাথ গগৈ, ডঃ ইনামুল হুচেইন আৰু ডঃ ইকৰামুল হুচেইন, ডঃ এম, এচ, ইস্কন্দৰ আলি। সহকাৰী জেইলৰ







১৯৬০ চনত শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কানৈ কলেজত ভাষণ দিয়া দেখা গৈছে।



বিদায় সভাত যতীন্দ্ৰ নাথ তুৰবা
(১২ জানুৱাৰী ১৯৬১ চন)।




ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউট, ইয়াতে ১৯৪৫ চনৰ ১৫ জুন তাৰিখে কলেজৰ প্ৰথম শ্ৰেণী খোলা হয়।



আমোলাপট্টী ছোৱালী হাইস্কুল, ১৯৪৫ চনতে চৰকাৰী ছোৱালী হাইস্কুল স্থানান্তৰিত হোৱাত ইয়াতে মহাবিদ্যালয়ৰ কাৰ্য্য আৰম্ভ হয়।




ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই কানৈ কলেজ পৰিদৰ্শন কৰিছে। (বাওঁফালে) লগত ডি-পি-আই সুৰেশ চন্দ্ৰ ৰাজখোৱা (মাজত) আৰু লক্ষ্মীপ্ৰসাদ দত্ত (সোঁফালে)।



মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নিৰ্মাণৰত নৱভৱনটো পৰিদৰ্শন কৰিছে।

# ১৯৬২ চনৰ চীনা যুদ্ধৰ পটভূমিত

## আমাৰ কলেজৰ অসামৰিক প্ৰতিৰক্ষাৰ তৎপৰতা



কানৈ কলেজৰ ছাত্ৰসকলে ৰাইফল প্ৰশিক্ষণ লৈছে। ছবিত ছাত্ৰসকলে মাটিত পৰি ৰাইফল টোৱোৰা দেখা গৈছে।



উপাধ্যক্ষ (তেতিয়াৰ) শ্ৰীলক্ষ্মী প্ৰসাদ দত্ত।
লক্ষীমপুৰ জিলাৰ অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ অধিনায়ক



আমাৰ ছাত্ৰীসকলে কান্ধত ৰাইফল লৈ মাৰ্চ কৰি যোৱা দেখা গৈছে।



আমাৰ কলেজৰ ছাত্ৰীয়ে যুদ্ধৰ সময়ত বিপদ-সঙ্কুল স্থানৰপৰা ৰজ্জুপথেৰে নামি অহাৰ প্ৰশিক্ষণ লোৱা দেখা গৈছে।

হিচাবে শ্ৰীনিলাম্বৰ দুৱৰা, মহম্মদ চফিকুল হক। আইন ব্যৱসায়ত অধিবক্তা হিচাবে
শ্ৰীঅনিল কুণ্ড, শ্ৰীবিনন্দ বৰুৱা আৰু চৈফুদ্দিন আহমদে খ্যাতিৰে কাম কৰি আছে।
পঞ্চায়ত আৰু সামুহিক উন্নয়ন বিভাগৰ ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী শ্ৰীদেবেন্দ্ৰ নাথ
হাজৰিকা আমাৰেই ছাত্ৰ। বদৰুল হুদা অসমৰ জনসম্পৰ্ক ৰক্ষী বিভাগৰ সেৱাত
নিয়োজিত হৈছে। শ্ৰীগনেশ চন্দ্ৰ ৰাজখোৱাই ই-এ-চি, হৈ জন সেৱাত নিয়োজিত
হৈছে। তেখেতৰ পত্নী শ্ৰীমতী বিজয়লক্ষ্মী গগৈ (এতিয়া ৰাজখোৱা) আমাৰেই ছাত্ৰী।
আবকাৰী বিভাগত পৰিদৰ্শক হিচাবে আছে শ্ৰীসচ্চিদানন্দ বৰুৱা। ৰেল বিভাগত
সেৱা কৰিছে শ্ৰীউমেশ চন্দ্ৰ চাংমায়ে। আৰক্ষী বিভাগত উচ্চপদস্থ বিষয়া হ'ল
শ্ৰীপদ্মেশ্বৰ কোঁৱৰ, শ্ৰীকৰুণা কান্ত দাস, আই-পি-এচ। আমাৰ ছাত্ৰ শ্ৰীকুতুবুদ্দিন
আহমদে "যাদুৰাজ কিউ" সমগ্ৰ অসমতে যাদু খেলত সুখ্যাতি লাভ কৰি আহিছে।
শ্ৰীবিপিন গোস্বামীয়ে কাৰ্য্যালয় সহকাৰী হিচাবে অসম মাধ্যমিক শিক্ষা বোৰ্ডৰ কাৰ্য্যা-
লয়ত কাম কৰি আছে। শ্ৰীমুকুট ভট্টাচাৰ্য্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ
সাহিত্যিক সহকাৰী। মহম্মদ জিয়াউদ্দিন আহমদ ডিগবৈত "ফিল্ড ইলেকট্ৰিক"
বিভাগত পৰিদৰ্শক হিচাবে আছে। ভাৰত চৰকাৰৰ গুপ্ত বাৰ্ত্তা বিভাগত শ্ৰীদিলীপ
চন্দ্ৰ বৰঠাকুৰ এজন দায়িত্বশীল বিষয়াৰ পদত অধিস্থিত হৈ আছে। শ্ৰীমতী বীনাপাণি
দত্ত বৰাই ফুলেশ্বৰী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষয়িত্ৰীৰূপে কাম কৰি এতিয়া বিবাহ-
সূত্ৰে তিনিচুকীয়াত আছেহি। শ্ৰীদিবাকৰ শইকীয়া অসম চৰকাৰৰ উন্নয়ন বিভাগৰ
গৱেষণা বিষয়া। শ্ৰীনবীন চন্দ্ৰ বৰুৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্য্যালয় অধীক্ষক
হিচাবে কাম কৰি আছে।

আমি পোৱা পত্ৰসমূহৰ সহায়ত ওপৰোক্ত আমাৰ প্ৰাক্তন ছাত্ৰ কেইজনৰ নামোল্লেখ
কৰিলোঁ। চিঠি-পত্ৰসমূহত প্ৰতিজন ছাত্ৰই এই কলেজৰ দিনকেইটা মধুৰতাৰে স্মৰণ
কৰিছে। শিক্ষকসকলকো পাহৰা নাই। সাহিত্য, সঙ্গীত, খেলা-ধূলা, অভিনয়,
বিতৰ্ক আদিত অংশ গ্ৰহণ কৰা ছাত্ৰসকলে কলেজীয়া জীৱনৰ কৃতিত্বৰ কথা গৌৰৱেৰে
স্মৰণ কৰিছে। দুই চাৰিজনে কলেজৰ সভা-সমিতি উৎসৱ, অনুষ্ঠান আদিলৈ নিমন্ত্ৰণ
নোপোৱাৰ বাবে আক্ষেপ কৰিছে। এইবোৰ কথাই কলেজখনৰ প্ৰতি থকা তেওঁ-
লোকৰ সদিচ্ছাৰ কথাকে সূচায়।

চিঠি বিলাকৰপৰা কলেজৰ আৰম্ভণিৰ দিনবিলাকৰ সম্ভেদো পোৱা গৈছে।
সেই সময়ত ছাত্ৰ আৰু শিক্ষকসকলৰ মাজত ঘনিষ্ঠ সহযোগ আছিল। অশ্বিনী চৌধুৰী,
যোগীৰাজ বসু, বেনুধৰ ৰাজখোৱা, লক্ষ্মীপ্ৰসাদ দত্ত, সুশীল চন্দ্ৰ দত্ত, যতীন দুৱৰা,
জ্যোতিপ্ৰসাদ, দেবেন হাজৰিকা, বিনন্দ বৰুৱা প্ৰমুখ্যে এই কলেজৰ শুভাকাঙখী,
উদ্দ্যোক্তা, শিক্ষক আৰু ছাত্ৰৰ কথা কেবাজনেও স্মৰণ কৰিছে।

প্ৰাক্তন ছাত্ৰসকলৰ মাজত সমাজত প্ৰতিষ্ঠা লাভ কৰা উচ্চ বেতনধাৰী চাকৰিয়ালৰ
পৰা সাধাৰণ কৰ্ম্মচাৰীলৈকে নানা পৰ্য্যায়ৰ লোক আছে। কোনেও নিজৰ বিষয়
লিখিবলৈ সঙ্কোচ কৰা নাই। কোনোজনে অতি অন্তৰঙ্গ ভাৱেই অধ্যক্ষ ডাঙৰীয়ালৈ
নিজৰ জীৱনৰ বিফলতাৰ (?) কথা লিখিছে। কোনোজনে 'কিবা হ'ম' বুলি ভাবি
শেষত "কিবাহে হলোঁগৈ" বুলিও কৈছে। তথাপি কানৈ কলেজৰ ঐতিহ্য বহন
কৰি নিয়া ছাত্ৰসকলে নিজৰ জীৱিকাৰ উপৰিও সামাজিক দায়িত্ব পালন কৰিছে।
যি উৎসাহেৰে কানৈ কলেজত গান-বাজনা, অভিনয়, খেলা-ধূলা কৰিছিল, সেই উৎসাহেৰে
নিজৰ স্থানীয় অঞ্চলতো কৰিছে। ইয়াৰ কাৰণে কানৈ কলেজে নিশ্চয় গৌৰৱ বোধ
কৰিব পাৰে।

যিসকল ছাত্ৰই কলেজৰ মৰম পাহৰিব নোৱাৰি তেখেতসকলৰ বা-বাতৰি আমাক
জনাইছে, তেখেসকলক আন্তৰিক শলাগ জনাইছোঁ।

—সম্পাদক

# প্ৰাক্তন ছাত্ৰৰ দুখনি চিঠি

ডিব্ৰুগড় হনুমান বক্স কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ অলপতে উদ্‌যাপিত হ'ব বুলি বতৰা পাই এজন প্ৰাক্তন শিক্ষাৰ্থীৰূপে উৎসৱৰ কৃতকাৰ্য্যতা কামনা কৰি শুভইচ্ছা জনালোঁ।

বৰ্ত্তমানৰ হনুমান বক্স কানৈ কলেজে ডিব্ৰুগড় কলেজ হিচাপে জন্ম লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বীজটোও যে লগত আনিছিল সেই সময়ত সেই কথা বহুতেই ভাবিব পৰা নাছিল। এই মহাবিদ্যালয়ৰ ১৯৪৯ চনৰ প্ৰথম বি-এ পৰিক্ষাৰ্থী দলৰ অন্তৰ্ভুক্ত হোৱাৰ গৌৰৱেৰে গৌৰৱান্বিত হোৱা বাবে সঁচাই নিজকে ধন্য মানিছোঁ। বাস্তৱৰ ধানখুমীয়াত শিক্ষা জীৱনৰপৰা বহুতো আঁতৰি আহিলেও আজিও সেই দিনৰ মধুৰ ছাত্ৰ জীৱনৰ কথা সুঁৱৰি মন পুলকিত হৈ পৰে। শ্ৰদ্ধেয় গুৰুদেৱ শ্ৰীযুত যোগীৰাজ বসু, ৺যতীন্দ্ৰ নাথ দুৱৰা, ৺বেনুধৰ ৰাজখোৱা--দেৱৰ দৰে পণ্ডিত লোকসকলৰ পিতৃসুলভ শিক্ষাদানৰ সোৱাদ পোৱা ডিব্ৰুগড় মহাবিদ্যালয়ৰ ছাত্ৰসকলে সঁচাই গৌৰৱ অনুভৱ কৰিব পাৰে। শ্ৰদ্ধেয় শ্ৰীযুত অশ্বিনী চৌধুৰী দেৱৰ দৰে কেইজনমান কৰ্ম্মানুৰাগী পুৰুষৰ চেষ্টাত প্ৰতিষ্ঠিত হোৱা আৰু শ্ৰীযুত লক্ষীপ্ৰসাদ দত্ত দেৱৰ অপূৰ্ব্ব সাংগঠনিক প্ৰতিভাত জীপ লোৱা এই মহাবিদ্যালয়ৰ জন্মক্ষণ অতি শুভ আছিল বুলিয়েই কব লাগিব।

১৯৪৫ চনতে জন্ম লোৱা এই মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ সৰহ ভাগেই চাকৰিয়াল আছিল; আৰু উচচশিক্ষাৰপৰা বঞ্চিত হোৱা এই লোকসকলেই মহাবিদ্যালয়ৰ প্ৰাণ স্বৰূপ আছিল। ১৬ বছৰৰপৰা ৫০ বছৰ বয়সলৈকে থকা ছাত্ৰসকলে মহাবিদ্যালয়ত এক বিচিত্ৰ বাতাবৰণৰ স্থষ্টি কৰিছিল। ১৯৪৭ চনত তৃতীয় বাৰ্ষিক শ্ৰেণী খোলাত আমি ১৫ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হওঁ; তাৰে ৮জন ছাত্ৰ আৰু ৭ গৰাকী ছাত্ৰী আছিল। কাম কৰা ছাত্ৰসকলৰ স্থবিধাৰ বাবে পুৱা ৬ বজাৰপৰা ৯॥ বজালৈকে শ্ৰেণী বহিছিল।

আমি পঢ়া সময়ছোৱাত কলেজৰ সাংস্কৃতিক অনুষ্ঠান, তৰ্ক সভা, আলোচনা-চক্ৰ আদি মহা উৎসাহেৰে অনুষ্ঠিত হৈছিল। কলেজৰ সভাবোৰত প্ৰায়েই সেই সময়ৰ বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ লোক ৺ফৈজনুৰ আলি ডাঙৰীয়াই সভাপতিত্ব কৰিছিল। ছাত্ৰ কংগ্ৰেছৰ এটা শাখাও বিদ্যালয়ত আছিল; আৰু তাৰ সভাপতি ময়েই আছিলোঁ। আৰু শ্ৰীবিনীতা দাস নামেৰে এগৰাকী ছাত্ৰী সম্পাদিকা আছিল। ১৯৪৮ চনৰ ১৪ নৱেম্বৰৰ দিনা পণ্ডিত জৱহৰলাল নেহৰুৰ জন্মদিন পতাৰ লগতে এই ছাত্ৰ কংগ্ৰেছৰ অধিবেশন এখনিও মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। সেই উপলক্ষে পণ্ডিত নেহৰুৰ এখনি ছবি মহাবিদ্যালয়লৈ আগবঢ়োৱা হৈছিল। অধিবেশনৰ মূল সভাত সভাপতিত্ব কৰিছিল শ্ৰদ্ধেয় ফৈজনুৰ আলি ডাঙৰীয়াই আৰু সাংস্কৃতিক অধিবেশনৰ সভাপতি আছিল ৺যতীন্দ্ৰ নাথ দুৱৰা দেৱ। শ্ৰদ্ধেয় ৺জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে সাংস্কৃতিক অধিবেশন উদ্বোধন কৰিছিল। মহাবিদ্যালয়ৰ তৰ্ক সভাবোৰ প্ৰায় নিয়মীয়াকৈ বহিছিল। অধ্যাপকসকলৰ ভিতৰত এইবোৰ তৰ্ক সভাত শ্ৰীযুত নিৰ্ম্মল কুমাৰ বসু, অধ্যাপক বীৰেন ভট্টাচাৰ্য্য, অধ্যাপক মেথিউ আৰু ছাত্ৰসকলৰ ভিতৰত ৺তাৰাপ্ৰসন্ন দাস, শ্ৰীদেবেন হাজৰিকা, শ্ৰীবিনন্দ বৰুৱা আদিয়ে নিয়মিতভাৱে অংশ গ্ৰহণ কৰিছিল। বিৰোধী পক্ষৰ নেতা হিচাপে তৰ্কত অংশ গ্ৰহণ কৰিবলৈ মোৰো প্ৰায়েই সৌভাগ্য হৈছিল। বি-এ পৰীক্ষা দিবলৈ বহোঁতে কলেজৰ কৰ্তৃপক্ষৰ ফালৰপৰা চাহ, মিঠাইৰ যোগান ধৰি আৰু গুৰুদেৱ যোগীৰাজ বসুদেৱে ঋষিসুলভ গাম্ভীৰ্য্যৰে আমাক আশীৰ্ব্বাদ কৰি কৃতকাৰ্য্যতা কামনা কৰা কথাখিনি সুঁৱৰি আজিও পুলকিত হৈ পৰোঁ।

ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে প্ৰকাশ হবলগীয়া সোঁৱৰণী গ্ৰন্থখনৰ বাবে প্ৰাক্তন ছাত্ৰসকলৰ চমুজীৱনী বিচাৰি সম্পাদকে দিয়া বিজ্ঞাপন দেখা পাইছোঁ। জীৱনী লেখিব পৰা শক্তি আমাৰ এতিয়াও নৌহয় এথোন। আমাৰ স্মৃতিৰ কথা সুঁৱৰি মহাবিদ্যালয়ৰ প্ৰতি শুভেচ্ছাৰে দুশাৰীমান লেখি পঠাইছোঁ। সম্পাদক ডাঙৰীয়াই চালি-জাৰি উচিত বিবেচনা কৰিলে তাৰ পৰাই তুলি দিব পাৰে। বৰ্ত্তমান মই অসম চৰকাৰৰ আবকাৰী পৰিদৰ্শক হিচাপে কাম কৰি আছোঁ।

শেষত অশেষ শুভেচ্ছাৰে ৰূপালী জয়ন্তী উৎসৱৰ কৃতকাৰ্য্যতা কামনা কৰিলোঁ। শ্ৰদ্ধাৰে। ইতি--

আপোনাৰ
**শ্ৰীসচ্চিদানন্দ বৰুৱা**

## ॥ ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজ ॥

মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ পটভূমিত প্ৰথম কেইগৰাকী শিক্ষাৰ্থীৰ ভিতৰত ময়ো অন্যতম। সেয়া ১৯৪৬ চনৰ নৱেম্বৰ কি ডিচেম্বৰ মাহ। মোৰ স্মৃতিত আজিও জিলিকি আছে প্ৰথম নৱাগত আদৰণি উৎসৱৰ দিনটো। আদৰণি উৎসৱত পৌৰোহিত্য কৰে তেতিয়াৰ লক্ষীমপুৰ জিলাৰ উপায়ুক্ত মহোদয় আই, মজিদে। বিশিষ্ট অতিথি হিচাবে উপস্থিত আছিল তেতিয়াৰ ডিব্ৰুগড় সমষ্টিৰ এচেম্বলিৰ সদস্য শ্ৰীযুক্ত ঘনকান্ত গগৈ এম-এ, দেৱ। মহাবিদ্যালয়খনিৰ কাৰ্য্যকৰী সমিতিৰ প্ৰথম সম্পাদক হিচাবে শ্ৰীযুক্ত অশ্বিনী কুমাৰ চৌধুৰী দেৱে নৱাগত শিক্ষক আৰু শিক্ষাৰ্থী সকলক আদৰণি জনায়।

উক্ত নৱাগত আদৰণী উৎসৱত "শৰাধ" নামৰ স্বৰচিত এখনি একাঙ্কিকা নাটকৰ সাৰ্থক ৰূপায়ণ কৰি মই সকলোৰেপৰা প্ৰশংসা পাইছিলোঁ।

শিক্ষানুষ্ঠানখনি প্ৰতিষ্ঠা কৰাত আমি শিক্ষাৰ্থী হিচাবে যি কেইগৰাকী শিক্ষকক পাইছিলোঁ সেই সকলৰ ভিতৰত অধ্যক্ষ যোগীৰাজ বসু, উপাধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্ত, অধ্যাপক বেনুধৰ ৰাজখোৱা, অধ্যাপক সুশীল চন্দ্ৰ দত্ত, অধ্যাপক নিৰ্মল কুমাৰ বসু, অধ্যাপক পৰশু সোনোৱালৰ নাম বিশেষ উল্লেখযোগ্য। এই সকল শ্ৰদ্ধেয় শিক্ষাবিদৰ নিঃস্বাৰ্থ শিক্ষা দানৰ ফলস্বৰূপেই আজি মহাবিদ্যালয়খনি এখনি আদৰ্শ আৰু প্ৰথম শ্ৰেণীৰ শিক্ষানুষ্ঠান হিচাবে পৰিগণিত হৈছে।

অধ্যাপক সুশীল চন্দ্ৰ দত্ত (বৰ্ত্তমান অধ্যক্ষ) আৰু অধ্যাপক নিৰ্মল বসু অধ্যক্ষ, কমাৰ্চ কলেজ) দেৱে সেই সময়ত চৰকাৰী উচচ পদ ত্যাগ কৰি সামান্য বেতনত শিক্ষকতা কৰিবলৈ অহাটো নিঃস্বাৰ্থ দেশ প্ৰেমৰেই এক জ্বলন্ত উদাহৰণ বুলি কব পাৰি। কানৈ পৰিয়ালৰ দানেৰে অনুষ্ঠানটিৰ প্ৰাসাদোপম ভৱনে সেই সময়ৰ উপাধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্ত দেৱৰ অক্লান্ত পৰিশ্ৰমৰ কথাকে সোঁৱৰাই দিয়ে। সামৰণিত কব লাগিব যে প্ৰাক্তন শিক্ষক আৰু শিক্ষাৰ্থীসকলেও এই অনুষ্ঠানটিক প্ৰতিষ্ঠা কৰাত যথেষ্ট অৰিহণা যোগাইছিল। শেষত অনুষ্ঠানটিৰ উন্নতিৰ কামনা কৰি সামৰণি মাৰিলোঁ।

**শ্ৰীউমেশ চন্দ্ৰ চাংমাই**
প্ৰাক্তন শিক্ষাৰ্থী।

# অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিলৈ আহোমসকলৰ অৱদান

**ডঃ নিৰ্ম্মল কুমাৰ বসু**

একেৰাহে ছয় শ বছৰ ৰাজত্ব কৰা আহোমসকলে এই কালছোৱাত অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিলৈ দি যোৱা অৱদান কালজয়ী হৈ থাকিব। আহোম ৰাজত্বৰ কালছোৱা প্ৰকৃতপক্ষে আটাইকেইটা দিশতে এক তাৎপৰ্য্যপূৰ্ণ যুগ। এই কালছোৱাত সামাজিক উন্নতি ইমান দ্ৰুতগতিত আগবাঢ়িছিল যে তাৰ এটা মাত্ৰ চমু আভাসহে আমি পাব পাৰোঁ।

স্বৰ্গদেউ চুকাফাৰ দিনতেই অসমলৈ এচাম আহোম আহি এই দেশতেই চিৰস্থায়ীকৈ খোপনি পুতিলে। এওঁলোকৰ পিচৰ বংশধৰসকলে এখন বিশাল সাম্ৰাজ্য গঢ়ি তোলে আৰু প্ৰায় ছয় শতিকা কাল ৰাজত্ব চলায়। ৰাজনৈতিকভাৱে খণ্ড-বিখণ্ড হৈ থকা এই ৰাজ্যখনক এটা সৱল, স্থায়ী শাসনৰ তললৈ আনি এক নতুন গঢ় দিয়া হয়। বাৰে বাৰে মুছলমানসকলে অসম আক্ৰমণ কৰা সত্বেও দেশৰ স্থিৰতা, শান্তি আৰু সমৃদ্ধি অটুটৰূপে বিৰাজিত। এই সময়ছোৱাত খণ্ড ৰাজ্যসমূহ ভৌগোলিক আৰু ৰাজনৈতিক ভিত্তিত একগোট কৰি এখন অখণ্ড ৰাজ্য সৃষ্টি কৰা হয়। সিয়েই অসম দেশ। আহোমসকল যে অকল ৰাজ্য জয় কৰিয়েই ক্ষান্ত আছিল এনে নহয়, তেওঁলোকে জনসাধাৰণৰ লগত সামাজিক সম্বন্ধও স্থাপন কৰিছিল। তেওঁলোক দূৰদৰ্শী আছিল। সেয়েহে হিন্দু আৰু আন আন অনা-অসমীয়া পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি তেওঁলোকৰ জনসংখ্যা বৃদ্ধি কৰিছিল। এই সময়ছোৱাতে কিছুমান অনা-আহোম পৰিয়ালক আহোম কুললৈ দীক্ষিত কৰি এনে লোকক যথেষ্ট সা-সুবিধা দিছিল; আনকি প্ৰশাসনীয় কামতো নিয়োগ কৰিছিল। সময়ৰ লগে লগে আহোমসকল হিন্দু ধৰ্ম্মৰ আচাৰ-নীতিৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। হিন্দু ধৰ্ম্মীয় সামাজিক ৰীতি-নীতি গ্ৰহণ কৰি প্ৰজাবৰ্গৰ অসমীয়া ভাষাকে নিজৰ ভাষাৰূপে আদৰি ললে। আহোমসকলে মুছলমানৰ আক্ৰমণ প্ৰতিৰোধ কৰি অসমত ইচলাম ধৰ্ম্মৰ প্ৰচাৰ কাৰ্য্য ৰোধ কৰি তেওঁলোকে নিজকে হিন্দু ধৰ্ম্মৰ ৰক্ষক হিচাবে পৰিচয় দিছিল। এইদৰে সামাজিক, ভাষিক, আৰু ধৰ্ম্মীয় সংহতি অনাৰ পিচতেই অসমৰ সাংস্কৃতিক জীৱনত এক নতুন অধ্যায়ৰ সূচনা হয়; সিয়েই ৰাজনৈতিক আৰু ভৌগোলিক একতা আনে আৰু জাতীয়তাবাদ গঠনত সহায় কৰে।

আহোম ৰজা আৰু আন আহোমসকলৰ হিন্দু ধৰ্ম্মলৈ ক্ৰমে দীক্ষিত হোৱাৰ পদ্ধতিটো বেছ মন কৰিবলগীয়া। চুদাংফা ওৰফে বামুণী কোঁৱৰৰ ৰাজত্ব কালছোৱাতেই আহোম



ৰাজসভাত হিন্দু ধৰ্ম্মই শিপায় আৰু ই ঘাইকৈ প্ৰতাপ সিংহৰ দিনতে বহুল প্ৰচাৰেৰে শীৰ্ষস্থান লাভ কৰে। স্বৰ্গদেউ জয়ধ্বজ সিংহই হিন্দু ব্ৰাহ্মণ্য ধৰ্ম্মৰ প্ৰতি আনুগত্য স্বীকাৰ কৰিছিল যদিও, শেষত তেওঁ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে ল'ৰাৰজাৰ সময়লৈকে বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। গদাধৰ সিংহৰ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি বিশ্বাস নথকা হেতুকে শাক্ত ধৰ্ম্মীসকলৰ ওপৰত ৰাজকীয় পৃষ্ঠপোষকতা প্ৰদান কৰিছিল; কিন্তু ৰুদ্ৰসিংহ ইয়াৰ বিপৰীতপন্থী আছিল আৰু বৈষ্ণৱ ধৰ্ম্মীসকলৰ প্ৰতিহে সহিষ্ণুতাৰ পৰিচয় দিছিল। শিৱসিংহ, প্ৰমত্তসিংহ, ৰাজেশ্বৰ সিংহ, লক্ষীসিংহ আৰু গৌৰীনাথ সিংহ এই আটাইকেইজনা স্বৰ্গদেউ শাক্ত ধৰ্ম্মৰ সৱল পৃষ্ঠপোষক আছিল আৰু ইয়াৰ মৰ্য্যাদা অক্ষুণ্ন ৰাখিবলৈ চেষ্টা কৰিছিল। আহোম ৰজাসকলে সাধাৰণতে ধৰ্ম্ম মতবাদত বেচি গুৰুত্ব নিদি এক ধৰ্ম্মনিৰপেক্ষ নীতি অৱলম্বন কৰিলে আৰু ইয়াৰ ফলতে এই ৰজাসকল প্ৰজাবৰ্গৰ মাজত প্ৰিয়ভাজন হৈ উঠিল। পৰৱৰ্ত্তী আহোম ৰজাসকল এই ধৰ্ম্মনিৰপেক্ষ নীতিৰপৰা আঁতৰি শাক্ত ধৰ্ম্মৰ প্ৰতি ঢাল খোৱাত আহোম ৰাজ্যত এক অসন্তোষৰ উদ্ভৱ হয়। শাক্ত ধৰ্ম্মৰ দেৱ-দেৱীৰ পূজাৰ্থে মঠ-মন্দিৰ স্থাপন কৰা হয়। আৰু সময়ত ইয়েই হৈ উঠে শাক্ত ধৰ্ম্ম-সংস্কৃতিৰ প্ৰধান স্থান। তাতোকৈ লেখত লবলগীয়া কথা এয়ে যে আহোমসকলে এই সময়তো তেওঁলোকৰ নিজা আহোম ধৰ্ম্মক একেবাৰে কাতি কৰি থৈ দিয়া নাছিল। আহোমসকলৰ ৰাজ্যাভিষেক উৎসৱ হিন্দু আৰু আহোম এই দুই ধৰ্ম্ম-নীতি অনুসৰি চলি আছিল। 'ৰিক্‌বন' উৎসৱো উদ্‌যাপিত হৈছিল। ৰজাসকলৰ নামকৰণ কৰাৰ সময়তো হিন্দু আৰু আহোম এই দুই ধৰ্ম্মৰেই নাম গ্ৰহণ কৰিছিল। আহোমসকলে ইন্দ্ৰৰ উত্তৰাধিকাৰী বুলি নিজকেই বিবেচিত কৰে আৰু এই ৰাজবংশই ইন্দ্ৰবংশ হিচাবে জনাজাত হয়। আহোম ধৰ্ম্মৰ অন্তৰ্গত উপাসনা কৰা দেৱতা আৰু আন ধৰ্ম্মীয় উপাখ্যানবোৰ হিন্দু ধৰ্ম্মৰ লগত সামঞ্জস্য থকা বুলি বিশ্বাস কৰিছিল আৰু সেয়েহে এওঁলোকে অসমীয়া সাংস্কৃতিক জীৱনলৈ এক নতুন গতি প্ৰবাহিত কৰিবলৈ সক্ষম হয়। এওঁলোকে হিন্দু আৰু বৈষ্ণৱ ধৰ্ম্মক একতাৰ দোলেৰে বান্ধিব পাৰিছিল। কিয়নো হিন্দু ধৰ্ম্মৰ গ্ৰন্থসমূহক সন্মান দেখুওৱাৰ উপৰিও ব্ৰাহ্মণসকলক মানি চলিছিল আৰু এইদৰে বৈষ্ণৱ, মহন্ত সকলকো বেছ সমাদৰ কৰিছিল। আহোম ৰজাসকলে হিন্দু ধৰ্ম্মৰ মঠ-মন্দিৰ আৰু বৈষ্ণৱসমূহৰ আশ্ৰম নিৰ্ম্মাণ আদি কাৰ্য্যতো যথেষ্ট দান-বৰঙণি আগবঢ়াইছিল। আহোম পুৰোহিতসকলকো উৎসাহ-উদ্দীপনা যোগাইছিল। এওঁলোকৰ জৰিয়তে বিবাহ, মৃত্যু, শৱ-দাহন, ৰাজ্যাভিষেক আদি কামবোৰ সমাধা কৰিছিল। আনকি মুছলমান ধৰ্ম্মীয় ধৰ্ম্ম-প্ৰাণ লোককো মাটি-বাৰী দি তেওঁলোকৰ ধৰ্ম্মকাৰ্য্য নিয়াৰিকৈ চলাত সহায় কৰিছিল। ধৰ্ম্মনিৰপেক্ষতা আহোম যুগৰ এটা প্ৰধান বৈশিষ্ট্য।

আহোমসকলৰ গৃহীত ভাষা-নীতিয়ে অসমীয়া সংস্কৃতি গঠনত সহায় কৰিছিল যদিও, আদিতে আহোম ভাষাক ৰাজসভাৰ ভাষাৰূপে ৰাখিছিল, অৱশেষত কিন্তু অসমীয়া ভাষাই ইয়াৰ ঠাই ললে আৰু আহোমভাষী লোকসকলে নিজকে অসমীয়াভাষী লোকসকলৰ মাজত মিলাই দিলে। আহোম ভাষাৰ শব্দ, প্ৰকাশভঙ্গী, ভাব আদি বুৰঞ্জী সাহিত্যৰ মাধ্যমেৰে অসমীয়া ভাষা আৰু সাহিত্যৰ অন্তৰ্ভুক্ত হ'ল।

মুছলমানৰ আক্ৰমণে বিভিন্ন দল, উপদল আৰু বিভেদকামী জনসাধাৰণৰ মাজত এক শক্তিশালী ঐক্য, সংহতি গঢ়ি জাতীয় জীৱন গঢ়ি তোলাতহে বৰঙণি আগবঢ়ালে। কোঁচ, কছাৰী, আহোম আৰু অসমীয়াই এক শক্তিশালী ৰজাৰ তলত একগোট হৈ থিয় দিলে আৰু লগে লগে জনসাধাৰণৰ মাজৰপৰা ভিন্ন ভাব আঁতৰি দেশপ্ৰেমৰ ভাবেৰে উদ্বুদ্ধ হৈ অসমীয়া জাতি জাতীয় চেতনালব্ধ হ'ল। আহোম ৰাজত্বৰ আদিতেই ৰাজ্যখনত যে অকল ৰাজকীয় অখণ্ডতাই আছিল এনে নহয়, সামাজিক অৱস্থাও বৰ সন্তোষজনক নাছিল। মানুহবোৰ অদৃষ্টবাদী আৰু কৰ্ম্মৰ প্ৰতি অলস আছিল। কিন্তু মুছলমান আক্ৰমণৰ পিচত এই মানুহবোৰৰ চকু মেল খালে আৰু এক কৰ্ম্মময় জীৱনৰ প্ৰতি আগ্ৰহান্বিত হৈ স্বাৱলম্বী আৰু এক সংগঠিত দেশ প্ৰেমৰ কামত অটুট সাহসেৰে আত্মনিয়োগ কৰি চলিত অন্ধ-বিশ্বাসৰপৰা মক্ত হ'ল। মুছলমান আক্ৰমণসমূহে

ভাৰতৰ আন আন ৰাজ্যসমূহৰ লগত অসমৰ সম্বন্ধ স্থাপন কৰাত সহায় কৰিছিল। এই আক্ৰমণবোৰৰ লগতেই মুছলমানসকলৰ বিশেষকৈ জীৱন আৰু চিন্তাধাৰাই অসমত শিপাবলৈ আৰম্ভ কৰিলে।

আহোমসকলে দেশখনক শত্ৰুৰপৰা ৰক্ষা কৰাৰ উপৰিও দেশখনৰ উন্নতিমূলক কাৰ্য্যসমূহ হাতত লৈছিল। আলিবাট, যোগাযোগ, উন্নত ডাক-প্ৰথা, মঠ-মন্দিৰ সজা, চহৰ পতা, নতুন বজাৰ স্থাপন কৰা, নতুনকৈ গাঁও-ভূঁইবোৰ সজোৱা আৰু খেতিয়ক-সকলৰ সামাজিক জীৱনত উন্নতি সধা আদি উল্লেখযোগ্য আঁচনি হাতত লৈছিল। এই কাৰ্য্যবোৰৰ জৰিয়তে দেশখনত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক এই আটাই কেইটা দিশতেই এক বৃহৎ উন্নতি সাধন কৰিছিল। বিস্তৃত বেহা-বেপাৰৰ মাজেৰে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা হয়। বিশেষকৈ এই সময়তেই এক স্থায়ী, সুস্থ অসমীয়া কৃষ্টিৰ বিকাশ সাধন হয়।

আহোম যুগত ধৰ্ম্মীয় অনভূতিশীল সাহিত্যৰ কাষে কাষে ব্যৱহাৰিক বাস্তৱ সাহিত্যই গা ডাঙি উঠে। এই সময়ত ৰচিত ইতিহাসত অনুভূতিতকৈ বাস্তৱ ঘটনাবোৰক সাহিত্যৰ মূল উপাদান হিচাবে লোৱা হয়। যুগৰ বাস্তৱ মনোবৃত্তিয়ে গদ্য আৰু ধৰ্ম্ম-নিৰপেক্ষ সাহিত্য বিকাশত স্থান লোৱাৰ উপৰিও, বৈজ্ঞানিক যুগৰ আদিম পুৰাতে অনু-সন্ধিৎসুৰ উদ্ভৱতো স্থান লৈছিল। এওঁলোক অঙ্ক-শাস্ত্ৰ, ভাস্কৰ্য্য, জ্যোতিৰ্ব্বিদ্যা, আয়ুৰ্ব্বেদ আদিৰ অধ্যয়ন সমূহত ফলৱতী হোৱা দেখা যায়। সাহিত্য অকল ভগৱৎ প্ৰেমতেই সীমিত নাছিল, মানৱীয় প্ৰেমেও ইয়াত স্থান পাইছিল। এই সময়ৰ সাহিত্য বাস্তৱধৰ্ম্মী হৈ পৰিল আৰু ইয়াৰ অৱাস্তৱীয়তাখিনি লাহে লাহে লোপ পালে।

অসমীয়া সংস্কৃতিলৈ দি যোৱা আহোমসকলৰ অৱদান সমূহৰ ভিতৰত বুৰঞ্জী লিখা পদ্ধতিটোৱেই আটাইতকৈ বেচি গুৰুত্বপূৰ্ণ আছিল। সেই কালৰ ৰাজনৈতিক আদান-প্ৰদান আৰু ঘটনাসমূহ নিৰ্ভয় আৰু নিঃস্বাৰ্থভাৱে বুৰঞ্জীত লিপিবদ্ধ কৰা হৈছিল। এই বুৰঞ্জীবোৰেই সেই সময়ৰ আচাৰ-নীতি আৰু নানা তথ্যৰ ভৰাল আৰু এইবোৰেই অনুগামীসকলৰ বাবে এক সাংবিধানিক আহিঁ আছিল। এই বুৰঞ্জীবোৰেই বীৰত্বৰ চানেকি। এই বুৰঞ্জীসমূহেই বৰ্ত্তমানৰ কৰিবলগীয়া কাৰ্য্যকলাপ আৰু ফলাফল সমূহলৈ এক অনুপ্ৰেৰণা যোগাইছিল; আৰু অতীতৰ আচাৰ-নীতিৰ লগত সম্বন্ধ ৰাখি ভৱি-ষ্যতত কৰিবলগীয়া কাম-কাজলৈও অনুপ্ৰেৰণা যোগাইছিল। অতীতৰ দুস্কাৰ্য্যসমূহৰপৰা বিৰত থাকিবলৈ আহ্বান জনাইছিল। অসমৰ ইতিহাস সাহিত্য অকল আহোম ৰজাৰ ঘটনাৱলীক লৈয়েই আবদ্ধ নাছিল, ইয়াত আমি ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ বিভিন্ন জাতি-উপজাতিৰ বিবৰণো পাওঁ। যেনে ত্ৰিপুৰা বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, পাটচাহ বুৰঞ্জী আদিৰ ৰচনাই ইয়াৰ প্ৰমাণ। আহোমসকলে সকলো ধৰণৰ যাৱতীয় তথ্যকে লিপিৱদ্ধ কৰিছিল আৰু বিভাগীয় কৰ্ম্মচাৰীৰ ওপৰত এই কামৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। এনে ধৰণৰ লিখিত বৃত্তান্তসমূহৰ মাজেদি দুৰ্গ নিৰ্ম্মাণ, গৃহ নিৰ্ম্মাণ, ৰাজঘৰীয়া বিষয়াসকলৰ সকলো কাৰ্য্যকলাপৰ উপৰিও হাতী-ঘোৰা, শেন চৰাই আদিৰো এক হুবহু হিচাব ৰখা হৈছিল।

আহোমসকলে অসমক 'সোণৰ সফুৰা'ৰ দেশ বুলি অভিহিত কৰিছিল। সেয়েহে অসমৰ ওপৰত অইন দেশক ৰাজত্ব বিস্তাৰ কৰিবলৈ দিয়া নাছিল। দেশখনত নিৰাপত্তা, শান্তি আৰু সুখ-সমৃদ্ধি বঢ়াবলৈহে ৰাজকীয় শাসনভাৰ গ্ৰহণ কৰিছিল। অসমৰ এই ঐতিহাসিক সুনাম আৰু ইয়াৰ সমৃদ্ধি আৰু স্বাধীনতা ক্ষুণ্ন কৰিবলৈ লোৱা যিকোনো দুষ্কাৰ্য্যকে কঠোৰভাৱে দমন কৰিছিল। দেশত পৰিচালিত নিৰাপত্তা, শান্তি আৰু শৃংখলিত উন্নতি ভঙ্গ হোৱাৰ সন্দেহ কৰি কোনো বিদেশী আক্ৰমণকাৰীকে দেশত সোমাব দিয়া নাছিল। তেওঁলোকৰ এই সতৰ্কমূলক কামবোৰে কোনোপধ্যে সঙ্কীৰ্ণ মনোবৃত্তিৰ পৰিচয় দিয়া নাছিল। বৰং দেশখনৰ স্বাধীনতা আৰু প্ৰকৃত স্বাৰ্থসমূহ ৰক্ষা কৰিবৰ কাৰণে কূটনৈতিক প্ৰচেষ্টা আৰু সতৰ্কতাই এক উদাৰ দেশপ্ৰেমৰ পৰিচয় দিয়ে।

আহোম ৰাজনীতিত এটা সুসংগঠন আৰু সকলোকে আদৰি নিজৰ লগত সাঙুৰি



নিজৰ কৰি লব পৰা উদাৰতা পৰিলক্ষিত হয়। কিন্তু যিলোকে অইন দেশৰ প্ৰতি আনুগত্য স্বীকাৰ কৰি স্বদেশৰ স্বাৰ্থত প্ৰতিবন্ধক জন্মোৱা কাৰ্য্যৰে আশঙ্কাৰ সৃষ্টি কৰিছিল, তেওঁলোকক কঠোৰ দৃষ্টিৰে চাইছিল। আহোম ৰজাসকলৰ এই ৰাজনীতিৰ আভাষ বুৰঞ্জীসমূহত পোৱা যায়। উদাহৰণ স্বৰূপে অসমৰ পূব-প্ৰান্তৰ লোকসকলক আৰু ইউৰোপীয় সকলক ভিন্ন আনুগত্য থকা হেতুকে পিচলৈ সন্দেহৰ চকুৰে চাইছিল। যিহেতু তেওঁলোকে তেওঁলোকৰ কুৎসিৎ কাৰ্য্যৰ দ্বাৰাই মহৎ স্বাৰ্থ ক্ষুণ্ন কৰিব পাৰে। এই নীতি সি সকলৰ মাজত প্ৰযোজ্য নাছিল—যি সকলে হিচাবৰক্ষী, "আৰ্টিজেন", স্থাপত্য শিল্পী, যান্ত্ৰিক শিল্পী, শিল্পী, পুৰোহিত হিচাবে কাম কৰি অসমতেই নিগাজীকৈ বসতি কৰিছিল। আনকি আহোম ৰজাসকলে এওঁলোকক মাটি-বাৰী দান-দক্ষিণা দি উন্নতি সাধিছিল।

সাময়িক অকৃতকাৰ্য্যতাই আহোমসকলৰ পথত হেঙাৰ হৈ উঠা নাছিল, বৰং পুনৰুদ্যমেৰে, সুদক্ষতাৰে ৰাজকীয় কৰ্ত্তব্য পালন কৰি যাবলৈ উদগনিহে দিছিল। "সূৰ্য্য যদি এবাৰ গ্ৰাস হয়, ই পুনৰ গ্ৰাসমুক্ত নহ'বনে ?" এই কথাষাৰ আহোমসকলৰ মাজত বাৰুকৈয়ে প্ৰযোজ্য আছিল, কাৰণ হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ নোহোৱাকৈ নাছিল। আহোম ৰজাসকলৰ দেশপ্ৰেম আছিল গভীৰ। সাতানব্বৈ (৯৭) বছৰীয়া স্বৰ্গদেউ প্ৰতাপ সিংহই নিজৰ বাবে অকণো চিন্তা নকৰাকৈয়ে অকলে নাও বাই দিখৌৰেদি যোৱা কাৰ্য্যই এওঁৰ অসীম সাহস, মনোবল আৰু দেশপ্ৰেমৰ পৰিচয় দিয়ে। এইজনা ৰজাৰ প্ৰতি প্ৰজাসকলৰ থকা আকুণ্ঠ সমৰ্থনৰ চানেকি আমি পাওঁ যেতিয়া এই বয়োবৃদ্ধ ৰজাৰ বাবে নৈৰ দুয়োপাৰে বৈ থকা শতাধিক প্ৰজাই নিজকেই উৎসৰ্গা কৰিবলৈ ওলাইছিল। মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত ৰাজধানী গড়গাঁৱৰ সিংহ-দ্বাৰৰ ফাকেদি নগৰলৈ চাই চাই জয়ধ্বজ সিংহই চকুলো টুকি মাতৃ-ভূমি তিয়াই দিছিল। আহোমসকলৰ ৰাজনীতি, সময় আৰু পৰিস্থিতি সাপেক্ষ হোৱা হেতুকে যি কোনো পৰিস্থিতিতেই খাপ খুৱাই আগ বাঢ়ি যাব পাৰিছিল।

আহোমৰ দিনত প্ৰচলিত খেল-প্ৰথা আৰু বিভিন্ন পৰ্য্যায়ত কৰ্ম্মচাৰীৰ শ্ৰেণীভুক্ত কৰা নীতিয়েই জাতীয় শৃঙখলতা আনে। প্ৰত্যেকজন মুনিহে ৰাজসেৱা, কৃষক, শিল্পী, বনুৱা আদি বিভিন্ন ক্ষেত্ৰত কাম কৰি দেশখনত সৰ্ব্বোতোপ্ৰকাৰে উন্নতি সাধনত সহায় কৰিছিল। এই সময়তেই পাইক শ্ৰেণীৰ সৃষ্টি হয়। পাইকসকল সংৰক্ষিত সৈন্য-বাহিনী আছিল। দেশৰ জৰুৰীকালীন অৱস্থাত আহ্বানক্ৰমে এওঁলোকে দেশ ৰক্ষাৰ কাৰণে যুদ্ধলৈও যাব লাগিছিল। পাইকসকল ইমান শৃঙখলাবদ্ধ আৰু আজ্ঞানু-বৰ্ত্তী আছিল যে খেলদাৰ বা নিম্ন পৰ্য্যায়ৰ যি কোনো বিষয়াৰ এক ইঙ্গিততেই এওঁলোক কৰ্ত্তব্যলৈ দৌৰি গৈছিল।

অৰ্থনৈতিক দিশৰপৰা চালেও আমি দেখা পাওঁ যে দেশখনৰ এক স্বচ্ছল অৱস্থা আছিল। অসমৰ উৰ্ব্বৰা মাটিসমূহত কৃষি উৎপাদন বৰ সন্তোষজনক আছিল। দেশৰ মেহনতি বনুৱা, ৰাজকৰ্ম্মচাৰী আদি সকলো শ্ৰেণীৰ লোককে খাদ্যবস্তু যোগান ধৰাৰ উপৰিও দেশৰ সঙ্কটপূৰ্ণ মুহূৰ্ত্তলৈও মজুত ৰাখিব পৰাকৈ কৃষি উৎপাদন কৰা হয়। একোজন বিষয়াৰ তলত কেইবাজনো পাইক থাকে; আৰু এওঁলোকেই উক্ত বিষয়াৰ অধীনত থকা মাটিসমূহত খেতি বাতি কৰি আৱশ্যকীয় খাদ্যৰ যোগান ধৰে। কৃষক-সকলৰ জীৱন নিৰ্ব্বাহৰ মানদণ্ডৰ ওপৰত এনে এক মন্তব্য দিয়া হৈছে যে ৰাজকুমাৰ সকলৰ ৰাজসিংহাসনৰ লগত জৰিত প্ৰজাপালনৰ দায়িত্বপূৰ্ণ জীৱনতকৈ সহজ-সৰল চহা জীৱনেই শ্ৰেয়ঃ।

আহোম যুগৰ শাস্তি বিহা প্ৰথা মন কৰিবলগীয়া। অপৰাধীক লঘু অপৰাধতেই গুৰু শাস্তি দিয়া হৈছিল, ফলত আইনৰ ওচৰত ভয়াতুৰ হৈ প্ৰজাবৰ্গই গুৰুতৰ অপৰাধ নকৰিছিল বুলিলেও বৰ বেচি কোৱা নহয়।

শেষত আমি এইটোৱেই কব পাৰোঁ যে আহোমসকলে এখন স্থায়ী ৰাজ্য, এখন সমতাপূৰ্ণ সমাজ, এটা স্থিৰ অৰ্থনৈতিক অৱস্থা আৰু সাংস্কৃতিক জীৱনৰ ভেটি স্থাপন কৰি থৈ গ'ল। আহোম যুগৰ কাৰ্য্যকলাপে এক মচিব নোৱাৰা সাঁচ বহুৱাই থলে।

আহোম ৰাজত্বৰ ছয়শ বছৰৰ সময়ছোৱাই এখন পূৰ্ণাঙ্গ সমাজৰ গঢ় দিলে, য'ত সাহিত্য, কলা, নৃত্য, ভাস্কৰ্য্য, শিল্প আদি আটাইকেইটা দিশতেই এক বৃহৎ পৰিবৰ্ত্তন পৰিলক্ষিত হয়। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই আহোম যুগৰ কৃতকাৰ্য্যতাৰ এটা ছবি দাঙি ধৰি এইদৰে কয় যে—" The most distinctive aspects of the period were the geographical and racial unification of the country, stabilisation of the political institutions, organisations of the economic, social and religions systems, and finally the rise of national ... ..." ডঃ সূৰ্য্য কুমাৰ ভূঞাই এইদৰে মন্তব্য কৰে যে—"Ihe Ahoms as a sovereign power have ceased to exist since the year 1826, but visible traces of their rule still exist in different forms.

আহোম যুগত প্ৰদান কৰা উপাধিসমূহ যেনে—ফুকন, বৰুৱা, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, কাকতি, বুজৰবৰুৱা, পাটোৱাৰী, চৌধুৰী আদি আজিকালিও আমাৰ সমাজত ওপৰোক্ত উপাধিকাৰীৰ উত্তৰাধিকাৰীসকলে ব্যৱহাৰ কৰি আহিছে। আহোমৰ দিনতেই সৃষ্টি হোৱা খেল-প্ৰথা আজিও বৰ্ত্তমান। চাৰ ডেভিড স্কটেও ৰাজহ আদায়ৰ সুবিধাৰ্থে উজনি অসমক বিভিন্ন খেলত ভগাই হৈছিল। কামৰূপখনো ২৬টা পৰগণাত ভগাই বন্দোবস্তী প্ৰথা নিয়াৰিকৈ চলাইছিল। একোটা এলেকাত চৌধুৰীসকলক পাটোৱাৰীসকলে আৰু ঠাকুৰীয়াসকলে ৰাজহ আদায়ত সহায় কৰিব লাগিছিল। ৰাজ্যখনত ন্যায় আৰু সুবিচাৰ আনিবলৈও অসমৰ পুৰণি খেল-প্ৰথা একেবাৰে বাদ নিদি ইয়াকেই এক পৰিৱৰ্ত্তিত ৰূপত ব্যৱহাৰ কৰা হৈছিল। আহোমসকলৰ শাসন-প্ৰণালী যে প্ৰশংসনীয় আছিল তাৰ প্ৰমাণ এয়ে যে পুৰন্দৰ সিংহৰ সময়তো আহোমসকলক পুনঃ এবাৰ এটা সীমিত অঞ্চলৰ শাসনভাৰ দি চোৱা হৈছিল। এইটো এটা উল্লেখযোগ্য কথা যে বৃটিচসকলেও শাসনৰ আৰু ৰাজহ আদায়ৰ সুবিধাৰ্থে আহোমৰ কিছুমান মূলনীতি গ্ৰহণ কৰা দেখা যায়। ইয়েই প্ৰমাণ কৰি দিয়ে যে আহোম শাসন কটকটীয়া আছিল আৰু ই প্ৰজাবৰ্গৰ মাজত সমাদৰ লাভ কৰিছিল। আহোম শাসনৰ বুৰঞ্জীও অক্ষয় হৈ আছে। মুঠতে কবলৈ গলে আহোম যুগৰ অসমীয়া জীৱন সংস্কৃতিলৈ দি যোৱা অৱদান অসমীয়া লোকৰ বাবে এক আপুৰুগীয়া সম্পদ।

মূল ইংৰাজীৰপৰা মনোৰঞ্জন শৰ্ম্মাৰ দ্বাৰা অনুদিত।

---

"সুন্দৰ সাহিত্যৰ উদ্ভৱ হয় প্ৰজ্ঞা আৰু নৈতিক জীৱনৰ গভীৰতা আৰু পৰিপূৰ্ণতাৰপৰা, চিন্তা আৰু অনুভূতিৰ এটি শক্তিৰপৰা,—যিটোৰ গঠনত বিশুদ্ধ ধৰ্ম্মৰ দৰে আন একোৱেই সহায় কৰিব নোৱাৰে।"

—**Chaming**

---



# শিক্ষকৰ দুটামান সমস্যা

অধ্যাপক তফজ্জুল আলি

বৰ্ত্তমান আমাৰ দেশত শিক্ষকসকলক গালি পৰা মানুহৰ অভাৱ নাই। প্ৰাথমিক স্কুলৰ শিক্ষকৰ পৰা বিশ্ববিদ্যালয়ৰ অধ্যাপকলৈ কোনোৱেই এনে কটূক্তিৰ হাত সাৰিব পৰা নাই। দেশনেতা, তথাকথিত শিক্ষাবিদ্ আৰু অভিভাৱকৰে পৰা আনকি শিক্ষাৰত ছাত্ৰ-ছাত্ৰীলৈকে সকলোৱেই শিক্ষকৰ সমালোচনাত মুখৰ। ল'ৰা-ছোৱালীয়ে পৰীক্ষাত ভাল কৰিব নোৱাৰিলে শিক্ষক জগৰীয়া, ছাত্ৰ-বিক্ষোভৰ বাবে দায়ী হয় শিক্ষক আৰু আনকি ছাত্ৰ-ছাত্ৰীৰ নৈতিক অধঃপতনৰ দায়িত্বও শিক্ষকৰ কান্ধতেই জাপি দিয়া হয়। কিন্তু এনে নিৰ্ব্বিচাৰ গালি-শপনি খোৱাৰ যোগ্যতা আমি সচাকৈয়ে অৰ্জ্জন কৰিছোঁনে? নাইবা এনে অচিন্তিত সমালোচনাই আমাৰ শিক্ষা-দীক্ষাৰ উৎকৰ্ষ সাধনত কিবা বৰঙনি যোগাব পাৰিছেনে? এজন শিক্ষক হিচাবে এনেবোৰ প্ৰশ্নৰ উত্তৰ মই বিচাৰিছোঁ। কিছু উত্তৰ নিশ্চয় ৰাজনৈতিক প্ৰয়োজনত উদাত্ত আহ্বানেৰে ছাত্ৰ-ছাত্ৰীসকলক মতলীয়া কৰি তোলা জননেতা সকলৰ কাৰ্য্যকলাপৰ মাজত বিচাৰি পোৱা যাব আৰু কিছু উত্তৰ বিচাৰিব লাগিব আমাৰ সমাজখনৰ চাৰিওফালে কুৎসিতভাৱে মূৰ দাঙি উঠা দুৰ্নীতি আৰু নৈতিক পতনৰ আৱৰ্জ্জনাৰ মাজত।

সকিয়ণী :—এইখিনিতে দুটামান কথা পৰিস্কাৰ কৰি থোৱা ভাল হ'ব। প্ৰথমতে মই ক'ব খোজা নাই যে শিক্ষকসকল সমালোচনাৰ উৰ্দ্ধত। বৰঞ্চ আমাৰ মাজত এনে কিছুমান দোষ বা দুৰ্ব্বলতা আছে যিবোৰ প্ৰকৃততে নিন্দনীয় আৰু অবিলম্বে বৰ্জ্জনীয়; কিন্তু এনেবোৰ দোষ শিক্ষকসমাজৰ সামূহিক চৰিত্ৰ নহয়, ব্যক্তিগত দুৰ্ব্বলতাহে। তদুপৰি সৌভাগ্যৰ কথা যে এনে শিক্ষকৰ সংখ্যা এতিয়াও নিতান্ত মুষ্টিমেয়। দ্বিতীয়তে আজিকালি বহুতে শিক্ষকতাক আনবোৰ জীৱিকাৰ উপায়ৰ দৰে কেৱল এটা বৃত্তি বা দৰমহাৰ বাবে কৰা চাকৰি বুলিহে গণ্য কৰে। তাতোকৈ অধিক গুৰুত্ব তাত নাই বুলি ভাবে আৰু কয়। এনে মতবাদী শিক্ষকসকলৰ হৈ মই কৈফিয়ৎ দিব নোৱাৰোঁ। বোধহয় তেওঁলোকে নিজেহে তাৰ ব্যাখ্যা দিব পাৰিব। মই নিজৰ বিষয়ে এইখিনিকেই ক'ব পাৰোঁ যে জীৱনৰ কোনো ক্ষেত্ৰতে হতাশ বা বিমুখ হৈ মই শিক্ষকতাৰ আশ্ৰয় লোৱা নাছিলোঁ। স্বেচ্ছাই এই বৃত্তি গ্ৰহণ কৰিছিলোঁ। আৰু তাৰ বাবে এতিয়ালৈ খেদ কৰিব লগা হোৱা নাই। পোন্ধৰ বছৰৰ আগতেই বিশ্ববিদ্যালয়ৰ পৰা ওলায়েই যেতিয়া কলেজত অধ্যাপনাৰ কামত সোমাইছিলোঁ, তেতিয়া অধ্যাপনা কেৱল জীৱিকা অৰ্জ্জনৰ এটা বৃত্তিতকৈ বহুত গুৰুত্বপূৰ্ণ বুলি ভাবিছিলোঁ আৰু আজিলৈকে মোৰ সেই ধাৰণাৰ সলনি হোৱা নাই। এই কথা ঠিক যে মোৰ এনে মনোবৃত্তিৰ পিচফালে এক প্ৰকাৰৰ আদৰ্শবাদ আছিল, যিটোৰ বাস্তৱিক মূল্য সম্পৰ্কে বহুজনেই সন্দিহান হব

পাৰে ; কিন্তু বৰ্ত্তমানে সময়ৰ পৰিপ্ৰেক্ষিতত মোৰ এই প্ৰত্যয় আৰু দৃঢ় হৈছে যে জীৱনৰ কোনো ক্ষেত্ৰতেই আদৰ্শবাদ হাস্যকৰতো নহয়েই, বৰঞ্চ তাৰ অনুপস্থিতিহে দুৰ্ভাগ্যজনক। যিহেতু এজন ব্যক্তিত্বশালী শিক্ষকৰ প্ৰভাৱ তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ শিশু বা তৰুণ মনত অতি গভীৰ আৰু সুদূৰপ্ৰসাৰী হব পাৰে, সেইবাবেই আন দহোটা বৃত্তিৰ তুলনাত শিক্ষকতাৰ দায়িত্ব তথা গুৰুত্ব বহুত বেচি, এয়ে মোৰ ব্যক্তিগত উপলব্ধি। এনে দৃষ্টিভঙ্গী সমুখত ৰাখি যোৱা পোন্ধৰ বছৰ কলেজত অধ্যাপনা কৰোঁতে মই কেনে-বোৰ সমস্যাৰ সন্মুখীন হৈছোঁ আৰু সেইবোৰে মোৰ মনত কেনে ধৰণে প্ৰতিক্ৰিয়া কৰিছে তাৰে দুটামান আজি উল্লেখ কৰিম।

**শিক্ষকৰ অৱস্থিতি তথা অস্তিত্ব** :—শিক্ষকসকল আমাৰ শিক্ষাব্যৱস্থাৰ এটা অংশ বা অঙ্গ, আৰু মোৰ বোধেৰে মূল অঙ্গ। অন্ততঃ এটা স্তৰলৈ শিক্ষকবিহীন শিক্ষা-ব্যৱস্থা অকল্পনীয়। তথাপি শিক্ষকসকল স্বতন্ত্ৰ বা স্বয়ং সম্পূৰ্ণ নহয়। এটা সৰ্ব্বা-ঙ্গীন শিক্ষা-ব্যৱস্থাৰ এটা অঙ্গ হিচাবেহে তেওঁলোকৰ অস্তিত্ব বৰ্ত্তমান আৰু উক্ত ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ স্থানত শিক্ষকসকলৰ অৱস্থিতি। এই শিক্ষা-ব্যৱস্থাৰ বিভিন্ন অঙ্গৰ সমন্বয়যুক্ত সামূহিক কৰ্ম্মক্ষমতা আৰু কাৰ্যকাৰিতাৰ ওপৰতহে শিক্ষকৰ কৰ্ম্মপটুতা আৰু কাৰ্যকাৰিতা নিৰ্ভৰশীল। সেয়ে আচলতে স্বতন্ত্ৰভাৱে শিক্ষকৰ মূল্যায়ন কৰাটো ভুল। শিক্ষা-ব্যৱস্থাৰ এটা প্ৰশাসন যন্ত্ৰ আছে, য'ত শিক্ষকৰ ভূমিকা অতি নগণ্য ; আৰু আছে এক নিৰ্দ্দিষ্ট পাঠ্যক্ৰম, যাৰ ৰচনাত পাঠ্যক্ৰমৰ সৈতে প্ৰকৃততে জড়িত শিক্ষকসকলৰ প্ৰায়ে কোনো প্ৰত্যক্ষ ৰৰঙনি নাথাকে। আচলতে এই দুয়োটাকেই শিক্ষকসকলৰ ক্ষেত্ৰত ওপৰৰ পৰা জাপি দিয়া হয় আৰু এই দুটা সীমাৰেখাৰ মাজত শিক্ষকৰ ব্যক্তিত্ব আৰু শিক্ষাদান ক্ষমতা আৱদ্ধ হৈ থাকে। তদুপৰি পৰীক্ষামুখী শিক্ষাপ্ৰণালীত ছাত্ৰ-ছাত্ৰীক পৰীক্ষাৰ দেওনাখন পাৰ হোৱাৰ সহায় কৰাই হ'ল ঘাই কথা ; তাৰ মাজত শিক্ষকে বাস্তৱ জীৱনৰ অতি প্ৰয়োজনীয় হলেও আন কথাৰ অৱতাৰণা কৰিবলৈ সুযোগ বা অৱকাশ পায় ক'ত ? ত্ৰুটিপূৰ্ণ শিক্ষা-নীতি আৰু কল্পনাবিহীন পাঠ্যক্ৰমৰ মাজত দহ বছৰ শিক্ষকতা কৰি এজন মেধাৱী আৰু ব্যক্তিত্ব-সম্পন্ন লোকো ক্ৰমে এজন ব্যক্তিত্বহীন জড় ভৰত হৈ পৰিব পৰে। গতানুগতিকতা আমাৰ পাঠ্যক্ৰমৰ প্ৰায় স্বতঃসিদ্ধ নিয়ম হৈ পৰিছে আৰু একেবোৰ বিষয়ৰে শতসহস্ৰবাৰ পুনৰুক্তিৰ পৰা উদ্ভুত বিৰক্তি যে শিক্ষকৰ প্ৰতিভা নিধনৰ মোক্ষম অস্ত্ৰ এই উক্তিৰ সত্যতা বোধহয় কোনো বুদ্ধিমান ব্যক্তিক বুজাই দিয়াৰ প্ৰয়োজন নাই। এযুগ গাড়ী টনালে তেজী আৰবী ঘোঁৰাও গাধত পৰিণত হব পাৰে ; অৱশ্যে এযুগ দানা-পানী খুৱাই নিতৌ তিনিবাৰকৈ বুৰুজ মাৰিও গাধক তেজী ঘোঁৰা কৰিব পাৰিনে নোৱাৰি সেই কথা মোৰ অজ্ঞাত। পাঠ্য বিষয়ৰ সৈতে সম্যক পৰিচয়ৰ অভাৱ নাইবা নতুন শিক্ষকৰ বক্তৃতাত প্ৰাথমিক আৰষ্টতা ইত্যাদি শিক্ষকৰ বাবে অনতিক্ৰম্য বাধা নহয়। কোনো কোনো শিক্ষকে যদি বছৰৰ পিচত বছৰ যদি পাঠ্যবিষয়ক আয়ত্বাধীনলৈ আনি ছাত্ৰ-ছাত্ৰীৰ মনত লগাকৈ দাঙি ধৰিব নোৱাৰে, তেনেহলে দুখেৰে হলেও স্বীকাৰ কৰিব লাগিব যে তেওঁৰ বৃত্তি নিৰ্বাচনত ভুল হ'ল। তেনে শিক্ষকে পাৰিলে সময় থাকোঁতেই অন্যত্ৰ গতি কৰাহে সকলোৰে বাবে মঙ্গলজনক।

**'চিঞৰি চিঞৰি ভাগৰি পৰিলোঁ'** :—বহুতৰে ধাৰণা যে কলেজৰ অধ্যাপকসকলে দিনত দুটা বা তিনিটা 'লেকচাৰ' দি আহি ঘৰত আহি অখণ্ড অৱসৰ উপভোগ কৰি আয়াসত দিন কটায়। এনে ধাৰণা কিমান ভ্ৰমাত্মক বাস্তৱ অৱস্থালৈ অলপ জুমি চালেই গম পাব। কিছুদিনৰ আগতে বহুদিন ধৰি চৰকাৰী পেঞ্চন ভোগ কৰি অহা এগৰাকী খ্যাতনামা প্ৰাক্তন অধ্যাপকৰ লগত বৰ্ত্তমান ছাত্ৰ সমাজত নিয়মানুবৰ্ত্তিতাৰ অভাৱৰ কথা আলোচনা কৰিছিলোঁ। তেখেতে মোক আগৰ সোণালী দিনবোৰ (good old days) কথা কৈ স্মৃতিৰ ৰোমন্থন কৰিছিল। প্ৰসঙ্গক্ৰমে মই তেখেতক সুধিছিলোঁ, --"চাৰ, আপোনালোকৰ দিনত আপুনি কিমান ডাঙৰ ক্লাচ লৈছিল মনত পৰেনে ?" চাৰে মোৰ প্ৰশ্নটোৰ অৰ্থ অলপ আওপকীয়াকৈ ললে যেন পাওঁ আৰু সেয়েহে তেখেতৰ



অভ্যাসগত ইংৰাজী ভাষাতেই ক'লে,—"মিছাতে তোমাৰ মূৰ নঘমাবা ডেকা ল'ৰা, মই যথেষ্ট ডাঙৰ ক্লাচো অনায়াসে নিয়ন্ত্ৰণ (control) কৰিব পাৰিছিলোঁ। শুনি আচৰিত নহ'বা, কেতিয়াবা মোৰ বক্তৃতা শুনিবলৈ অহা আন শ্ৰেণীৰ ছাত্ৰকে ধৰি মোৰ ক্লাচত ৬০ৰ পৰা ৭০ জনলৈ ছাত্ৰ হৈছিল। মই অকণো আচৰিত নহৈ নিৰ্ব্বিকাৰ হৈ থকা দেখি তেখেতে অলপ কৌতূহলী হৈ সুধিলে,--"কিয়, তুমি নিজে কিমান ডাঙৰ ক্লাচ লৈছা কোৱাচোন ?" মই যেতিয়া ২০০ ৰ পৰা ২৫০ লৈকে ছাত্ৰ-ছাত্ৰী থকা আৰু আন বিষয়ৰ কোনো কোনো সহকৰ্ম্মীয়ে ততোধিক ডাঙৰ ক্লাচ লোৱা বুলি ক'লোঁ, শ্ৰদ্ধেয় শিক্ষক জনে অতি বিস্মিত হৈ মূৰ জোকাৰি জোকাৰি স্বগতোক্তিৰ দৰে কেবাবাৰো কৈছিল,--'So many ! oh, so many !! How do you teach them youngman ? How do you manage them ?" এৰা ইমানবোৰ ! তথাপি কিন্তু আমি 'মেনেজো' কৰিছোঁ আৰু একপ্ৰকাৰ শিক্ষাও দি আছোঁ। ছাত্ৰ আৰু শিক্ষকৰ অনুপাতৰ এনে ভীষণ অসমতা যে আমাৰ কাৰণে এটা অতীৱ কঠিন সমস্যা হৈ পৰিছে তাক আজি কোৱাৰ প্ৰয়োজন নাই। আজি অত বছৰে ছাত্ৰ-ছাত্ৰীক পাঠ্য বিষয় বুজাবলৈ চিঞৰি চিঞৰি কণ্ঠস্বৰ বিকৃত কৰিলোঁ, কিন্তু তাৰ ফলাফল কি হৈছে সেইটোহে গম পোৱা নাই। এটা কথা অৱশ্যে অনুমান কৰিব পাৰিছোঁ যে ইমান দিনে মোৰ আয়ুস আৰু লগতে কৰ্ম্মশক্তিও ভালেখিনি টুটিছে।

**মূলনাশী ব্যৱসায়ী বুদ্ধি** :--বৰ্ত্তমানে আমাৰ কলেজসমূহৰ কৰ্ত্তৃপক্ষৰ মাজত এক প্ৰকাৰৰ সৰ্ব্বনাশী মনোবৃত্তিয়ে গা কৰি উঠিছে, সেয়া হ'ল কম খৰচতে বেচি সংখ্যক ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ অনুচিত আৰু অবাস্তৱ ব্যৱসায়ী বুদ্ধি। এই ব্যৱস্থাৰ সমৰ্থক সকলৰ চিন্তাধাৰা এনে ধৰণৰ : এটা শ্ৰেণীত ৫০ জন বা ৬০ জন ছাত্ৰ থকা যি কথা ১০০ জন থকাও একেই কথা, প্ৰয়োজন মাত্ৰ শিক্ষকৰ উচচকণ্ঠ সাধনাৰ। গতিকে এটা শ্ৰেণীত যদি ১০০ জন থাকিব পাৰে, তেনেহলে ১৫০ জন বা ২০০ জন আৰু এতেকে ৩০০ জন ছাত্ৰ থকাও একেই কথা। এনে আচৰিত যুক্তিৰে চালে এয়ে সিদ্ধান্ত হয় যে এজন শিক্ষকে এটা শ্ৰেণীত ৫০ জন ছাত্ৰক পঢ়াব পাৰিলে, ৫০ × ৬ = ৩০০ জন ছাত্ৰকো পাৰিব ; কেৱল তেওঁ নিজৰ মাতটো ছয় সাত গুণ মান ডাঙৰ কৰিব লাগিব। এনে অদ্ভূত অনুসিদ্ধান্তৰ পৰিণাম কি হবগৈ পাৰে সহজেই অনুমেয়।

কিন্তু এইবোৰ চিন্তা কৰিবলৈ আহৰি আছে ক'ত ? দেশৰ নেতাসকলে ভাবে নিতৌ বাঢ়ি অহা ছাত্ৰ-ছাত্ৰীক কৰবাত পঢ়িবলৈ ঠাই দিব লাগিব ; বিশ্ববিদ্যালয়ে ভাবিছে এইবোৰ আলোচনা কৰি অনাৱশ্যক লেঠা ছপাই লোৱাৰ দৰকাৰ কি ? আৰু কোনো কোনো কলেজ কৰ্ত্তৃপক্ষই ভাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱা মানেই কলেজ ডাঙৰ হোৱা আৰু কলেজ ডাঙৰ হোৱা মানেই কৰ্ত্তৃপক্ষৰ গৌৰৱ বৃদ্ধি। গতিকে শিক্ষক সকলে পঢ়োৱাৰ নামত টেটুফালি চিঞৰক তালৈ কোনে কাণ দিয়ে বা নিদিয়ে সেই প্ৰশ্ন নিৰৰ্থক। অথচ শিক্ষকৰ কৰ্ত্তব্য তিমানতে অন্ত নহয়। দৈনিক পাঠ্যৰ প্ৰস্তুতি আৰু শিক্ষাদানৰ লগে লগে তেওঁলোকে (১) 'টিউটৰিয়েল ক্লাচৰ বহী শুধৰাই দিয়ক (২) আভ্যন্তৰীণ মূল্যায়ণ কৰক (৩) সাময়িক পৰীক্ষাবোৰ লওক, আৰু (৪) দমে দমে পৰীক্ষাৰ বহী সযতনে পৰীক্ষা কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা নিৰ্ণয় কৰক, ইত্যাদি ইত্যাদি। তদুপৰি কোনো কলেজত যদি shift ৰ ব্যৱস্থা আছে তেনেহলে কথাই নাই। শিক্ষকসকলে নিজৰ অধ্যয়ন বা গৱেষণা বাদ দিয়ক, সৰ্ব্বপ্ৰকাৰ সামাজিক আদান-প্ৰদান পৰিহাৰ কৰক আৰু ক্ৰমে পাৰিবাৰিক দায়িত্বৰ প্ৰতিও উদাসীন হওক, এয়ে মোৰ পৰামৰ্শ। নহলে গত্যন্তৰ নাই। এনে অৱস্থাৰ বৰ্ণনা অতিৰঞ্জন বুলি ভবাসকলে কলেজ সমূহৰ ভিতৰ চ'বালৈ সোমাই চাওক। এইটো সকলোৱে জানে যে আমাৰ দৰে দুখীয়া দেশ এখনত অসংখ্য স্কুল কলেজ পাতি ল'ৰা-ছোৱালীক উচচ শিক্ষাৰ সুবিধা দিয়াৰ সামৰ্থ্য এতিয়াও হোৱা নাই ; সেই বাবেই আমাৰ শিক্ষানুষ্ঠান সমূহত ভীৰ হোৱাটো অস্বাভাৱিক নহয়। সেই বুলি ওপৰঞ্চি সকলোখিনি বোজা

শিক্ষকসকলে অকলেই বহন কৰিব লাগিব, তাৰ বাবে কোনো যুক্তি মই বিচাৰি পোৱা নাই। শিক্ষক ছাত্ৰৰ অনুপাতত এনে বিৰাট ভাৰসাম্যহীনতাৰ ফলত প্ৰকৃত শিক্ষা-দানতো দূৰৰে কথা, ই শিক্ষক-ছাত্ৰৰ মাজত থকা সম্বন্ধৰ এনে অৱনতি ঘটাইছে যে তাৰ পৰিণতিৰ কথা ভাবিবলৈয়ো ভয় লাগে। আনকি শিক্ষক সংগঠন সমূহেও এই বিষয়ে বিশেষ চিন্তা-চৰ্চা কৰা চকুত পৰা নাই। মুমূৰ্ষু শিক্ষা-ব্যৱস্থাক বচাবলৈ বিশল্যকৰণীৰ সন্ধানত গুৰুদায়িত্বৰ গন্ধমাদন দাঙিব কোনে ?

**দুঃশাসনৰ শাসন** :—অসমৰ কেইখনমান কলেজৰ প্ৰশাসন থুলমূলকৈ সন্তোষজনক বুলি মই শুনিবলৈ পাইছোঁ আৰু দুখনমানৰ কথা ব্যক্তিগত ভাৱে জানিব পাৰিছোঁ। এই কলেজ কেইখনৰ অধ্যাপকসকল সাধাৰণভাৱে সন্তুষ্ট আৰু নিজৰ বৃত্তিত মনোযোগী হোৱাটোৱেই স্বাভাৱিক ; কিন্তু যিবোৰ কলেজত দুঃশাসনৰ শাসন পূৰ্ণ প্ৰয়োভৱেৰে চলি আছে, তাৰ অধ্যাপক সকল 'পঢ়ায়, পঢ়ে, বোৱে পাণ।' প্ৰবচনকে সৰোগত কৰি শান্তিৰে কাম কৰি যাব আৰু কিমান দিন ? কলেজ এখনৰ সুস্থ প্ৰশাসন তথা কল্যাণ যাইকৈ নিৰ্ভৰ কৰে অধ্যক্ষজনৰ ওপৰত। কলেজ পৰিচালনা সমিতিয়ে (Governing Body ) সাধাৰণতে অধ্যক্ষৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰিব লগা হয়, কিয়নো তেওঁৰ বাহিৰে আন কাৰো পক্ষে কলেজখনৰ ভিতৰুৱা কথাবোৰ সম্পূৰ্ণকৈ জনাটো সম্ভৱ নহয়। এই অধ্যক্ষজনা যদি এজন সৎ, ন্যায়নিষ্ঠ, প্ৰকৃত শিক্ষানুৰাগী আৰু ব্যক্তিত্বসম্পন্ন লোক নহয়, তেনেহলে তেওঁ জানি বা নাজানি কলেজখনৰ অশেষ ক্ষতি সাধন কৰিব পাৰে। কলেজৰ ভিতৰুৱা কথা বা সমস্যাবোৰ অধ্যক্ষজনৰ পিচতেই কেৱল অধ্যাপকসকলেহে বহুখিনি জানিব পাৰে আৰু তদুপৰি কলেজখনৰ উন্নতি অধোগতিৰ সৈতে যিসকলৰ কল্যাণ বা অকল্যাণ অতি ঘনিষ্ঠভাৱে জড়িত হৈ থাকে তেওঁলোক হ'ল অধ্যক্ষজন আৰু অধ্যাপকসকল। গতিকে কলেজখনৰ পৰি-চালনাৰ ক্ষেত্ৰতো তেওঁলোকে অগ্ৰাধিকাৰ পোৱাটো কেৱল যুক্তিসঙ্গতেই নহয়, এটা স্বাভাৱিক গণতান্ত্ৰিক পদ্ধতিও। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে কলেজ কৰ্তৃপক্ষই অধ্যাপকসকলক কলেজ প্ৰশাসনৰ পৰা যিমান পাৰে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰে আৰু কোনো কোনো মহিমতলীয়া অধ্যক্ষই আকৌ অধ্যাপকসকলক নিজৰ ঘৰৰ লগুৱাৰ দৰে ব্যৱহাৰ কৰিবলৈও দ্বিধা বোধ নকৰে। বৰ্ত্তমানে কলেজৰ পৰিচালনা সমিতিত অধ্যাপকসকলৰ মাজৰপৰা মাথোন দুজন প্ৰতিনিধি লোৱা হয় ; কিন্তু পৰিচালনা সমিতিৰ কাৰ্য্যকাল তিনি বছৰ হোৱা সত্বেও শিক্ষক প্ৰতিনিধি দুজনক মাত্ৰ এটা বছৰৰ বাবেহে লোৱা হয়, অৰ্থাৎ প্ৰতি বছৰে নতুন নতুন মানুহ অনা হয়। এহাতে সঘন পৰিবৰ্ত্তন আনহাতে নিতান্ত সংখ্যালঘু হোৱাত তেওঁলোকৰ কোনো প্ৰতিবাদ বা প্ৰচেষ্টা ফলপ্ৰসূ নহয়। গতিকে কলেজ প্ৰশাসনৰ বাঘজৰী অধ্যক্ষৰ পৰামৰ্শমতে চৰকাৰৰ দ্বাৰা মনোনীত সদস্য সকল আৰু তেওঁলোকৰ দ্বাৰা নিৰ্ব্বাচিত সদস্যসকলৰ হাতলৈ গুচি যায়। এনে হোৱাৰ ফলত প্ৰায়ে কলেজৰ প্ৰশাসন বা শিক্ষা-ব্যৱস্থা সম্পৰ্কে কোনো জ্ঞান নথকা কিছুমান সুবিধাবাদী লোকে আহি অসৎ আৰু ব্যক্তিত্বহীন অধ্যক্ষৰ লগত হাত মিলাই কলেজ চলোৱাৰ নামত নিজ নিজ স্বাৰ্থ পূৰণত উঠিপৰি লাগি যায়। অধ্যাপকসকলৰ উদাসীনতা বা অনুপস্থিতিত কলেজৰ ৰাজহুৱা ধন, আনকি ছাত্ৰৰ বৃত্তিৰ টকাও আত্মসাতৰে পৰা স্বজনতোষণ, পক্ষপাতিত্ব, অথবা পীড়ন, অন্যায় সুবিধা দান বা গ্ৰহণ আৰু প্ৰতিভাৰ অনাদৰ আদি নানা দুৰ্নীতিৰ দৃষ্টান্ত আমাৰ ৰাজ্যখনত নিচেই বিৰল নহয়। স্বাৰ্থান্বেষীৰ কলুষিত মৈত্ৰীৰে গঠিত এনে পৰিচালনা সমিতিয়ে নিয়োগ, পদোন্নতি, কলেজৰ বৈষয়িক উন্নতি ইত্যাদি সকলো ক্ষেত্ৰতে এনে এক অপবিত্ৰ বাতাবৰণৰ সৃষ্টি কৰে যে সিয়ে দীৰ্ঘকালত শিক্ষকৰ মাজত তীব্ৰ অসন্তোষ, ছাত্ৰ-ছাত্ৰীৰ মাজত বিশৃঙখলা আৰু কলেজৰ কেৰাণিক কৰ্ম্মচাৰীসকলৰ মাজত অসততা আৰু কৰ্ম্মবিমুখতাৰ বিষাক্ত বীজাণু সিঁচি দিয়ে। তাৰ শেষফল এক অৰাজক অৱস্থা অসমৰ একাধিক শিক্ষানুষ্ঠানত দেখিবলৈ পোৱা গৈছে। আমি নেদেখাৰ ভাও জুৰি চকু মুদি থাকিমনে ? মোৰ বোধেৰে কলেজৰ পৰিচালনা সমিতিত কমেও শতকৰা ৫০ জন অধ্যাপক সদস্য থকাটো কেৱল বাঞ্চনীয়েই নহয়, অপৰিহাৰ্য্যও। কলেজৰ



নিচিনা ৰাজহুৱা অনুষ্ঠানবোৰ যেতিয়া কাৰো উত্তৰাধিকাৰ সূত্ৰে পোৱা ব্যক্তিগত সম্পত্তি নহয়, তেনে অৱস্থাত তেনে অনুষ্ঠানৰ সৈতে সকলো ফালৰপৰা ঘনিষ্ঠ সম্পৰ্ক থকা লোকসকলৰ ওপৰতেই এইবোৰ পৰিচালনাৰ ভাৰো প্ৰধানকৈ ন্যস্ত হোৱা উচিত। কলেজৰ ক্ষেত্ৰত অধ্যক্ষৰ পিচতেই অধ্যাপক সকলেই তেনে লোক। গতিকে তেওঁ-লোকক এনে ন্যায় সঙ্গত অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ কোনো যুক্তি নাই। কলেজৰ কল্যাণ সাধনত আগভাগ লোৱাৰ সুযোগ দিয়াৰ লগে লগে তেওঁলোকক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দিয়াও একান্ত সঙ্গত। তাকে নকৰি কলেজৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক নথকা কিছুমান মানুহক মাতি আনি কলেজখনৰ পৰিচালনাৰ ভাৰ তেওঁলোকৰ হাতত তুলি দিলে কলেজৰ প্ৰশাসন হয়তো উদাসীন, নহলে স্বাৰ্থ অনুগামী হোৱা একো আচৰিত নহয়। সেয়েহে দেখা যায় যে সৰহভাগ কলেজতেই পৰিচালনা সমি-তিৰ সদস্য সকলৰ এটা অংশ সভাবোৰত নিয়মীয়াভাৱে অনুপস্থিত থাকে। অৰ্থাৎ কলেজৰ কাৰ্য্যধাৰাৰ প্ৰতি তেওঁলোকৰ কোনো আগ্ৰহ নাই। আনহাতে কিছুমান পাৰত গজা সদস্যই 'কি হলোঁ কিবা নহলোঁ মোৰ ভৈয়াই ঐ'—এনে ভাৱত উত্ৰাৱল হৈ ওভতগোৱে নাচিবলৈ আৰম্ভ কৰে। গতিকে পৰিচালনা সমিতিৰ সদস্য নিৰ্ব্বাচনত চৰকাৰৰ শিক্ষাবিভাগ আৰু সংশ্লিষ্ট লোকসকল এতিয়াতকৈ বহুত বেচি সতৰ্ক হোৱা উচিত। কিন্তু আচলতে পৰিচালনা সমিতি সংগঠনৰ নিয়মাৱলীৰ মৌলিক সংশোধন নহলে কেৱল সদস্য নিৰ্ব্বাচনত সতৰ্কতাই বিশেষ ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা নাই। তদুপৰি কলেজ পৰিচালনাত চৰকাৰৰ শিক্ষাবিভাগে কেৱল অনুদান মঞ্জুৰী আৰু নিয়োগ অনুমোদনৰ ওপৰিও বহুত বেচি সক্ৰিয় অংশ গ্ৰহণ কৰাটো অকল কাম্যই নহয় অতি প্ৰয়োজনীয়ও।

**'এবেলি নিজকে চাওঁ'** :-—সৰ্ব্বশেষত আমি আত্মবিশ্লেষণ আৰু আত্মসমালোচনা কৰি নাচালে আত্মপ্ৰৱঞ্চনা কৰা হব। সমাজৰ এটা বুজন অংশই অধ্যাপক সকলক এলেহুৱা, অবাস্তৱ আৰু অকৰ্ম্মণ্য বুলি ভাবে। আমাৰ কৰ্ম্মপদ্ধতি নজনাৰ বাবে আংশিকভাৱে এনে ধাৰণা হব পাৰে ; কিন্তু এনে ধাৰণাৰ সৃষ্টিত আমাৰ নিজস্ব বৰঙনিও নিচেই নগণ্য নহয়। বৃত্তিগত নিষ্ক্ৰিয়তাৰ পৰা উদ্ভূত আলস্য আৰু এক-প্ৰকাৰৰ আস্থাহীন ( Cynical ) নিস্পৃহতাই আমাক যে বহু পৰিমাণে কৰ্ম্মবিমুখ কৰে, এই সত্যক কেৱল ৰটনা বুলি আমি জানো বুকুত হাত দি কব পাৰোঁ ? দ্বিতীয়তে আমিয়েই আমাৰ দেশৰ সৰ্ব্বোচ্চ শিক্ষাপ্ৰাপ্ত মষ্টিমেয় সৌভাগ্যবানলোক। তথাপি সামাজিক জীৱনত সততাৰে এটা নিম্নতম নৈতিক মানৰ আদৰ্শ দাঙি ধৰাত আমি কিমান-খিনি সাহসৰ পৰিচয় দিব পাৰিছোঁ, সেইটো এটা বিৰাট প্ৰশ্নবোধক চিন হৈয়ে আছে। জীৱনৰ অন্য ক্ষেত্ৰৰ কথা নকওয়েই, অন্ততঃ আমাৰ স্বকীয় বৃত্তিৰ ক্ষেত্ৰতো আমি কিমানদূৰ আন্তৰিকতা আৰু সততাৰে কাম কৰিছোঁ—সেই প্ৰশ্নও অবান্তৰ নহয়। আমাৰ মাজত শিক্ষাদান, পৰীক্ষাৰ বহীৰ মূল্যায়ন ইত্যাদি কামত নিৰ্লজ্জভাৱে ফাঁকি মৰাৰ দৃষ্টান্তও নিচেই তাকৰ নহয়। অৰ্থকৰী কামো বলে নোৱাৰা বিধৰ হলে প্ৰত্যাখ্যান কৰাই যুগুত। বলে নোৱাৰা কাম ওপৰৰ পৰা জাপি দিয়া হলেও, তাৰ প্ৰকৃত অসু-বিধাখিনি যুক্তিযুক্তভাৱে দাঙি ধৰি স্পষ্টভাৱে প্ৰতিবাদ কৰাই প্ৰকৃষ্ট উপায়। তাকে নকৰি মুখ জপাই কামত ফাঁকি দিয়াটো নৈতিক ভীৰুতাৰ বাদে অন্য একো নহয়। আমাৰ মাজতে আমাৰ অধঃপতনৰ কিছুমান বৰ হাস্যকৰ অথচ দুখলগা দৃষ্টান্ত দেখিবলৈ পোৱা যায়। কলেজ শিক্ষকৰ সংগঠনসমূহ অহেতুক বাক-বিতণ্ডা আৰু তৰাং চিন্তাৰ উৰ্ব্বৰ ক্ষেত্ৰ হৈ পৰিছে। কলেজ পৰিচালনা সমিতিলৈ সহকৰ্ম্মী সকলৰ দ্বাৰা নিৰ্ব্বা-চিত শিক্ষক প্ৰতিনিধিয়ে শিক্ষকৰ স্বাৰ্থৰ বিপৰীতে অসৎ মৈত্ৰীত আৱদ্ধ হোৱা আৰু সামান্য লাভৰ আশাত ছলচাই লুটি-বাগৰ মৰা মই স্বচক্ষে কেইবাবাৰো দেখিছোঁ। গতিকে নিজকে লৈয়ে আমাৰ সমস্যা কম নহয়। আমাৰ স্বোপাৰ্জ্জিত দুৰ্ব্বলতাৰ ভঁৰাল উদং নহয়। এনে অৱস্থাত নিজৰ দাপোণত এবাৰ নিজৰ প্ৰকৃত প্ৰতিচ্ছবি চাবলৈ চেষ্টা কৰিলে নিশ্চয় আমাৰ অমঙ্গল নহয়।

+ +



# শিক্ষাত নৈতিকতা

অধ্যাপক—প্ৰিয়াংশুপ্ৰৱল উপাধ্যায়

'শিক্ষাত নৈতিকতা'—বুলিলে কি সূচায় যথাৰ্থতে কোৱা টান। কাৰণ বিষয়টি অতি জটিল। কাৰণ শিক্ষাত নৈতিকতা এই কথাৰ দ্বাৰা বাস্তৱিকতে আমি কি বুজোঁ ই এক অতি ডাঙৰ প্ৰশ্ন। উক্ত কথাষাৰৰ অৰ্থ আমি এনেদৰে বুজিম নেকি যে,—(১) শিক্ষাত নৈতিকতাই আমাৰ কোনো উদ্দেশ্য সাধন কৰে নে? (২) শিক্ষাৰ লগত নৈতিকতাৰ কোনো সম্পৰ্ক আছে নে? (৩) যদি কোনো সম্পৰ্ক আছে, সেই সম্পৰ্ক কেনে ধৰণৰ? (৪) সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে শিক্ষাৰ সৈতে নৈতিকতাৰ সম্পৰ্ক বিচ্ছিন্ন হোৱাটো সম্ভৱ হয়নে নহয়? (৫) বৰ্ত্তমান বিজ্ঞানৰ দ্ৰুত অগ্ৰগতিৰ যুগত শিক্ষাত নৈতিকতাৰ আৱশ্যকতাক মানি চলিলে আজিৰ সমাজত অগ্ৰগতি সম্ভৱ হব নে নহয়? (৬) যদি সি সম্ভৱ নহয়, তেনেহলে শিক্ষাত নৈতিকতাৰ আৱশ্যকতাক মানি লৈ কেনেকৈনো সমাজৰ অগ্ৰগতিক মন্থৰ কৰি দিয়া হব ইত্যাদি কেইবাটাও প্ৰশ্ন মনলৈ আহি আজি আমাৰ মনক সংশয়েৰে আকুল কৰি তুলিছে।

এই অৱস্থাত 'শিক্ষা' আৰু নৈতিকতা' এই শব্দ দুটাৰ অৰ্থ বিচাৰি যাওঁতে প্ৰথমতেই আমি দেখা পাওঁ, যে ছটা বেদাঙ্গৰ নামৰ প্ৰসঙ্গত প্ৰথমতেই 'শিক্ষা' নামটি পোৱা যায়। বেদাঙ্গৰ এই 'শিক্ষা' খণ্ডত বৰ্ণ বা আখৰসমূহৰ উচ্চাৰণৰ স্থান, উচ্চাৰণ-ৰীতি আৰু সেই বিষয়ে সকলো কথা বিস্তৃতভাৱে আলোচিত হৈছে। তদুপৰি, সাধাৰণ বুদ্ধিৰে আমি ইয়াকেই বুজোঁ যে, কোনো অজ্ঞাত বিষয়ক যিয়ে জনাই দিয়ে সেয়েহে হৈছে শিক্ষা। সেই শিক্ষা পিতৃ-মাতৃ আদি গুৰুজনসকলৰ পৰা, কিতাপ আদিৰ পৰা, দৃশ্যজগতৰ পৰা নাইবা শিক্ষকৰ পৰা আমি লাভ কৰোঁ। 'নৈতিকতা' শব্দটো আহিছে নীতি শব্দৰ পৰা। নৈতিকৰ যি ভাব সি নৈতিকতা আৰু নীতি সম্বন্ধীয় যি বিষয় সি হৈছে নৈতিক। নৈতিক শব্দটো নিষ্পন্ন হৈছে নীতি শব্দৰ পৰা আৰু নীতি শব্দটি আকৌ 'নী' ধাতুৰ পাচত ক্তিন্ প্ৰত্যয় যোগ হৈ নিষ্পন্ন হৈছে। 'নী' ধাতুৰ অৰ্থ হৈছে লোৱা, আৰু যিয়ে লৈ যায় সি হৈছে নীতি। এই নীতিয়ে আমাক কলৈ নো লৈ যায় এই প্ৰশ্নৰ উত্তৰত ইয়াকেই মাত্ৰ কব পাৰি যে, যিয়ে আমাক নিৰ্ভুল পথলৈ লৈ যায় সি হৈছে নীতি। এইদৰে 'নয়ন' শব্দৰো ব্যুৎপত্তিগত অৰ্থ চাবলৈ গলে দেখা পোৱা যায়, নী ধাতুৰ পাচত অনট্ প্ৰত্যয় যোগ কৰি নয়ন শব্দটি নিষ্পন্ন হৈছে। নয়ন মানে হৈছে চকু; এই নয়ন বা চকুৰ সহায়েৰে আমি ঠিক পথেৰে আগবাঢ়ি যাব পাৰোঁ। চকু নেথাকিলে গন্তব্য পথলৈ যোৱা আমাৰ পক্ষে কেতিয়াও সম্ভৱ নহলহেঁতেন আৰু প্ৰতি পদক্ষেপতে আমাৰ বিপদৰ সম্ভাৱনা দেখা দিলেহেঁতেন। গতিকে নয়ন বা চকুৱে যেনেকৈ আমাক নিৰ্ভুল পথেৰে যোৱাত



সহায় কৰে নীতিয়েও আমাক ঠিক তেনেকৈ নিৰ্ভুল পথলৈ পৰিচালিত কৰে।

এতিয়া নৈতিক শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ যদি নিৰ্ভুল পথলৈ পৰিচালিত কৰাহে হয়, তেনেহলে শিক্ষাত নৈতিকতাই আমাৰ উদ্দেশ্য সাধন কৰে বুলি আমি মানি লব পাৰোঁ। আগেয়ে কোৱা হৈছে যে, অজ্ঞাত বিষয়ক যিয়ে জনায় সেয়ে হৈছে শিক্ষা। শিক্ষাৰ ফলত অজ্ঞাত কোনো বিষয় জানিব পাৰিলে জ্ঞানৰ পোহৰেৰে আমাৰ অন্তৰ উদ্ভাসিত হয় আৰু আমাৰ মনত এক অপূৰ্ব্ব আনন্দৰ সঞ্চাৰ হয়। অজ্ঞতাৰ আৱৰণৰ পৰা অন্তৰক মুক্ত কৰিবৰ বাবে এই শিক্ষা গ্ৰহণৰ যি সুনিৰ্দ্দিষ্ট পন্থা তাক সাধাৰণতে নীতি আখ্যা দি ৰাজনীতি, অৰ্থনীতি, ধৰ্ম্মনীতি, সমাজনীতি আদি নামেৰে সেই সেই বিষয়ক অভিহিত কৰা হয়। ইয়াত ৰাজনীতি, সমাজনীতি আদিৰ শিক্ষাকো নীতি আখ্যাৰে অভিহিত কৰা হয় যদিও, ইয়াৰ উপৰিও কেৱল নীতি বিষয়ক শিক্ষাকহে নীতিশিক্ষা বোলা হয়। শিক্ষাত নৈতিকতাৰ প্ৰশ্নত সেই নীতিৰ কথাহে আহি পৰে। এই নীতি শিক্ষাই আমাৰ মনক বেয়াৰ ফালৰপৰা নিবৃত্ত কৰে আৰু সৎপথলৈ লৈ যায়। বাহ্য ইন্দ্ৰিয়বোৰৰ সহায়েৰে আমাৰ মন জগতৰ বিষয়ৰ সৈতে সংযুক্ত হৈ বিষয়-সমূহৰ ৰূপৰস আদি ভোগ কৰিবলৈ উন্মুখ হয় আৰু তাৰ কাৰণে স্বভাৱতেই কাম ক্ৰোধ আদিৰ বশীভূত হৈ পৰে। নীতি শিক্ষাই আমাৰ মনক কাম ক্ৰোধ আদিৰ এই দাসত্বশৃঙ্খলৰ পৰা মুক্ত কৰে আৰু মনৰ স্বাধীনতা দান কৰে। মনৰ এই স্বাধীনতা অৰ্জ্জন হে নীতিশিক্ষাৰ অন্যতম মুখ্য উদ্দেশ্য।

এতিয়া, নীতি বিষয়ক শিক্ষাই যেনে আমাৰ মনক ইন্দ্ৰিয়বোৰৰ অধীনতাৰ বন্ধনৰ পৰা মুক্ত কৰি স্বাধীনতা দান কৰে; শিক্ষায়ো আকৌ আমাৰ মনক অজ্ঞতাৰ বন্ধনৰ পৰা মুক্ত কৰি জ্ঞানৰ উন্মুক্ত পথলৈ লৈ যায়, তেতিয়াহলে শিক্ষা আৰু নীতি এই দুয়োৰে ফল প্ৰায় একে ধৰণৰ হোৱাত শিক্ষাৰ লগত নৈতিকতাৰ যে কোনো বিৰোধ নাই আৰু নৈতিকতাই আমাৰ শিক্ষাৰ উদ্দেশ্য সাধন কৰিবলৈ সমৰ্থ এই কথা আমি কব পাৰোঁ। প্ৰসঙ্গক্ৰমে ইয়াত এই কথাও উল্লেখযোগ্য যে, 'বিনয়' শব্দটিও আহিছে 'নী' ধাতুৰ পৰা। যথাৰ্থ শিক্ষাইহে মানুহক বিনয় গুণেৰে বিভূষিত কৰে।

শ্ৰীমদ্ভগৱদ্‌গীতাত শ্ৰীভগৱানে সমদৰ্শিতাৰ কথা প্ৰসঙ্গত বিদ্যাবিনয়সম্পন্ন পণ্ডিত-ব্যক্তিকহে সমদৰ্শী বুলি অভিহিত কৰিছে। সকলো অৱস্থাত এই সমদৰ্শিতা গুণ অৰ্জ্জনেহে হৈছে আমাৰ নীতিশিক্ষাৰ ঘাই উদ্দেশ্য।

এতিয়া সংশয় হব পাৰে যে, অজ্ঞাত বিষয় জনা বা জ্ঞান অৰ্জ্জনেহে শিক্ষাৰ এক-মাত্ৰ উদ্দেশ্য হব নোৱাৰে, শিক্ষাৰ আন এটি মহৎ উদ্দেশ্য আছে। যেনে বৰ্ত্তমান যুগৰ শিক্ষা প্ৰথাই নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বহুতো সুযোগ সুবিধা দিয়ে আৰু জীৱিকা নিৰ্ব্বাহৰ বাবে অৰ্থ উপাৰ্জ্জনৰ ক্ষেত্ৰত বহুতো সহায় কৰে ই আমাৰ প্ৰত্যক্ষ দেখা কথা। তেনেহলে শিক্ষাৰ ক্ষেত্ৰত নৈতিকতাৰ ঠাই নো ক'ত? ইয়াৰ উত্তৰত এয়ে বক্তব্য যে, অৰ্থ উপাৰ্জ্জনৰ দুটা সুস্পষ্ট উপায় আমাৰ আগত বিদ্যমান। এটি সদুপায়, আনটি অসদুপায়। নীতিশিক্ষাই আমাক অসদুপায়েৰে অৰ্থ উপাৰ্জ্জনৰ পৰা নিবৃত্ত কৰে। গতিকে অৰ্থ উপাৰ্জ্জনৰ ক্ষেত্ৰতো নীতিৰ প্ৰশ্ন আহি পৰে আৰু তাতো নীতিশিক্ষা আমাৰ উদ্দেশ্য সাধন কৰে। গতিকে অৰ্থ উপাৰ্জ্জনে যে আমাৰ শিক্ষাৰ মুখ্য উদ্দেশ্য নহয় এইটো শিক্ষিত মানুহে মানি লব বুলি আশা কৰিব পাৰি। অৰ্থোপাৰ্জ্জন কৰিব পৰাটোহে শিক্ষাৰ চৰম উদ্দেশ্য বুলি মানি ললে যিয়ে যিমান বেচি ধনী সিয়ে সিমান বেচি শিক্ষিত এই সিদ্ধান্ত মানি লব লাগিব আৰু তেনে সিদ্ধান্তকাৰী সকলৰ পৰা সন্ত্ৰস্ত মনেৰে পলাই যোৱাৰ বাহিৰে আমি আন একো উপায় দেখা নেপাওঁ।

ইয়াৰ পাচত শিক্ষাৰ লগত নৈতিকতাৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰিব গলে দেখা যায় যে, নীতিশিক্ষাই যিহেতুকে আমাক অসদুপায় অৱলম্বন কৰিবলৈ বাধা দিয়ে আৰু সৎপথলৈ পৰিচালিত কৰে, গতিকে শিক্ষাৰ লগত নৈতিকতাৰ সম্পৰ্ক আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। শিক্ষাৰ লগত এই নৈতিকতা অঙ্গাঙ্গিভাৱে জড়িত হৈ আছে। যেনেকৈ অঙ্গক বাদ দি অঙ্গীৰ পৃথক সত্তা নাইবা অঙ্গীক বাদ দি অঙ্গৰ পৃথক অস্তিত্ব

সম্পূৰ্ণ অবাস্তৱ, ঠিক তেনেকৈ নৈতিকতাক বাদ দি যথোচিত শিক্ষাৰ চিন্তা অবাস্তৱ। গতিকে শিক্ষাৰ সৈতে নৈতিকতাৰ অঙ্গাঙ্গি সম্বন্ধ বিদ্যমান।

সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে শিক্ষাৰ সৈতে নৈতিকতাৰ সম্পৰ্ক বিচ্ছিন্ন হৈ যাব পাৰে নে নোৱাৰে এই প্ৰসঙ্গত ইয়াকে কব পাৰি যে, সময় আৰু স্থানৰ ভিন্নতাত নীতিৰো ভিন্নতা হয় বুলি আমি মানিব লাগিব। কোনো এক সময়ত কোনো এখন দেশৰ সমাজত নীতিৰূপে যি গৃহীত হয়, সি সকলো সময়তে পৃথিৱীৰ সকলো ঠাইতে সমাজত নীতি বুলি গ্ৰহণযোগ্য হব নোৱাৰে। যেনে এই ভাৰতবৰ্ষতে এসময়ত যি অস্পৃশ্যতা সমাজত নীতিৰূপে সমৰ্থিত হৈছিল, অধিক সংখ্যক মানুহৰ অন্তৰত আজি মানৱীয়ত্ববোধ উন্মেষ হোৱাৰ পাচত তাক আৰু নীতি বুলি সমাজে মানি লব নোৱাৰে। কোনো দেশত নিৰামিষ খাদ্য গ্ৰহণৰ নীতি প্ৰশস্ত বুলি জনসমাজত গৃহীত হলেও, বৰফেৰে ঢাক খাই থকা যি দেশত কোনো শস্য নোপজে তাতো নিৰামিষ খাদ্য গ্ৰহণকে নীতি বুলি গ্ৰহণ কৰিব গলে মানুহৰ প্ৰাণসংশয় উপস্থিত হব আৰু তাৰ দ্বাৰা মনুষ্য সমাজৰ অপকাৰ সাধন হব। নীতিশিক্ষাই আকৌ কাৰো একো অনিষ্ট সাধন নকৰে। গতিকে স্থান, কাল আৰু পাত্ৰ এই তিনিওৰে বিভিন্নতা অনুযায়ী ধৰ্ম্মনীতি আৰু সমাজ-নীতি ভিন্ন ভিন্ন হলেও, পৰ্যালোচনা কৰি চালে দেখা যায় যে, মানৱ সমাজৰ কিছুমান নীতি যেনে--আনৰ প্ৰতি শিষ্ট বা ভদ্ৰ ব্যৱহাৰ কৰা, আনৰ অনিষ্ট কৰাৰ পৰা বিৰত থকা, মনৰ সঙ্কীৰ্ণতাখিনি গুচাই দিয়া, স্বাৰ্থপৰতাৰ পৰা নিজৰ মনক মুক্ত কৰা, আনৰ উপকাৰ সাধন কৰা প্ৰভৃতি সকলো দেশতে, সকলো সময়তে, সকলো সমাজতে একেই দৰে নীতি বুলি বিবেচিত হয়--যাক আমি এক কথাত মানৱীয় নীতি বুলি অভিহিত কৰিব পাৰোঁ। এইদৰে মানৱীয় শিক্ষাৰ লগত মানৱীয় নীতিৰ যে ওতঃপ্ৰোত সম্বন্ধ বিদ্যমান সেইটো আমি স্বীকাৰ কৰিবলৈ বাধ্য হওঁ আৰু সেই কাৰণে সময়ৰ পৰিবৰ্ত্তন হলেও মানৱীয় শিক্ষাৰ সৈতে মানৱীয় নীতিৰ কেতিয়াও বিচ্ছিন্নতা নহয় বুলি আমি কব পাৰোঁ।

বৰ্ত্তমান বিজ্ঞানৰ দ্ৰুত অগ্ৰগতিৰ যুগত শিক্ষাত নৈতিকতাৰ আৱশ্যকতা আছে বুলি মানি ললে আজিৰ সমাজত অগ্ৰগতি সম্ভৱ হব নে নহয়--এই প্ৰশ্নত প্ৰথমতেই আমি চাব লাগিব যে, বিজ্ঞানৰ পুনঃ পুনঃ আলোচনা অৰু অনুসন্ধানৰ ফলত যি সকল মনীষীয়ে আজি এই বিশ্বপ্ৰকৃতিক কিছুপৰিমাণে মানুহৰ বশলৈ আনিবলৈ নতুন নতুন উপায় উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে, তেওঁলোকে নীতিগৰ্হিত পথেদি গৈছে নে নাই তাক যথোচিতৰূপে জানিবলৈ হলে সেই মনীষীসকলৰ যথাযথ জীৱনবৃত্তান্ত আমি অধ্যয়ন কৰিব লাগিব। এই ক্ষেত্ৰত বালকসুলভ চপলতা নাইবা সাময়িক চিত্তচাঞ্চল্য আৰু নীতিবিগৰ্হিত আচৰণক আমি যেন সমপৰ্য্যায়ত নেপেলাওঁ। সেই বৈজ্ঞানিক মনীষীসকলৰ সম্বন্ধে আমাৰ যি সামান্য জ্ঞান আছে, তাত কোনো এজনে মানৱীয় নীতিক পদদলিত কৰি বিজ্ঞানৰ সাধনাত আগবাঢ়িব পাৰিছে বুলি আমি নেজানো। গতিকে বৈজ্ঞানিক শিক্ষাৰ সৈতে নীতিশিক্ষাৰ বিৰোধ নাইবা বৈজ্ঞানিক শিক্ষাৰ সৈতে দুৰ্নীতিৰ সমন্বয় সাধন সকলো ৰকমে যুক্তি বিৰুদ্ধ। বৰং বৈজ্ঞানিক শিক্ষাৰ লগত নীতিশিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিলেহে সেই বৈজ্ঞানিক সভ্যতাই মানৱ সমাজৰ কল্যাণ সাধন কৰিব পাৰিব। নহলে বৈজ্ঞানিক শিক্ষাই যে মানৱ সমাজক ধ্বংসৰ পথলৈ আগবঢ়াই নিব পাৰে এইটো আজি যি কোনো চিন্তাশীল ব্যক্তিয়ে মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিবলৈ সক্ষম। গতিকে আজিৰ এই বিজ্ঞান শিক্ষাৰ যুগত শিক্ষাত নৈতিকতাৰ আৱশ্যকতা মানি ললে তাৰ দ্বাৰা মানৱ সমাজৰ অগ্ৰগতিৰ পথ ৰুদ্ধ হব নে মানৱ সমাজৰ কল্যাণ আৰু অগ্ৰগতি সাধিত হব--সেয়া সহজে অনুমান কৰিব পাৰি।

তাৰ পাচত আকৌ শিক্ষাত নৈতিকতাৰ আৱশ্যকতাক অস্বীকাৰ কৰিলে ক্ৰমাৎ এদিন ৰাজ্যশাসনৰ ক্ষেত্ৰতো বিশৃঙ্খলা আহি পৰিব। মানৱ সমাজৰ কিছুমান নীতি মানি নললে কোনো ৰাজ্যশাসনৰ প্ৰৱৰ্ত্তন হব পাৰে নে? আৰু সেই নীতিবোৰ পালনৰ দায়িত্ব ৰক্ষাৰ কাৰণে ৰাজ্যত ন্যায়ালয় বা আদালত প্ৰতিষ্ঠাৰ কোনো যুক্তি থাকিব পাৰে নে? গতিকে গণতন্ত্ৰ হওক, সমাজতন্ত্ৰ হওক, ৰাজতন্ত্ৰ হওক নাইবা যি কোনো



শাসনধাৰাৰ প্ৰৱৰ্ত্তন হওক শাসকসকলে কিছুমান মানৱীয় নীতিৰ অনুশাসন মানি লৈহে ৰাজ্যশাসন বা প্ৰজাপালন কৰিব লাগে। নৈতিকতাবিহীন শিক্ষাৰে ই সম্ভৱপৰ হব নোৱাৰে। এনে ক্ষেত্ৰতো যদি কোনো স্বাৰ্থান্বেষী লোকে শিক্ষাত নৈতিকতাৰ প্ৰয়োজন নুই কৰে, তেনেলোকক পুৰাণ বৰ্ণিত ভস্মাসুৰৰ কাহিনীৰ ওচৰ চাপিবলৈ নকলে ভুল কৰা হ'ব;

যথোচিতভাৱে আলোচনা কৰি চালে অকৌ দেখা যায় যে, সকলো নীতি শিক্ষাৰ মূলতে আছে মানৱীয় নীতি সম্বন্ধে শিক্ষা--যিয়ে এজন মানুহক মানৱীয় গুণেৰে বিভূষিত কৰি সেই মানুহজনক আন যি কোনো মানুহ বা প্ৰাণীৰ প্ৰতি সহানুভূতিসম্পন্ন কৰি তোলে। এই নীতিৰ অনুশাসন নেমানিলে সমাজত মাৎস্যন্যায় প্ৰৱৰ্ত্তিত হব আৰু মানৱসমাজৰ সম্পূৰ্ণ উচ্ছেদ সাধন হব ই নিঃসংশয়। ধৰ্ম্মগুৰু স্বামী বিবেকানন্দই এঠাইত কৈছে—

'The enjoyment of advantage over another is privilege, and throughout ages, the aim of morality has been its destruction.'

প্ৰসঙ্গক্ৰমে ইয়াত প্ৰশ্ন এটা আহি পৰে এই যে, এজন অভাৱগ্ৰস্ত ক্ষুধাৰ্ত্ত মানুহক নীতিশিক্ষা দিব গলে, তাৰ দ্বাৰা সেই মানুহজনৰ নাইবা সেই ক্ষুধাৰ্ত্ত সমাজৰ কোনো উপকাৰ হব নে? ইয়াৰ উত্তৰত কব লগা হয় যে, সেই মানুহজনৰ বা সেই সমাজৰ তেনে দুৰৱস্থাৰ কাৰণে নীতিশিক্ষা দায়ী নহয়। বৰং প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমাজত দুৰ্নীতিয়ে প্ৰশ্ৰয় পোৱাৰ ফলত হে কিছু সংখ্যক মানুহ তথা সমাজ তেনে নিৰ্য্যাতনৰ সন্মুখীন হব লগা হয়। শিক্ষাত নৈতিকতা সম্বন্ধে শিক্ষা-আয়োগসমূহৰ প্ৰতিবেদনত সকলো কথা নিশ্চয় বিস্তৃতভাৱে আলোচনা কৰা হৈছে। ইয়াত সকলো বিষয়ে আলোচনাৰ অৱকাশ নাই। নিজৰ সামান্য বুদ্ধিৰে বুজি পোৱা কেইটামান কথাহে ইয়াত উল্লেখ কৰা হৈছে মাথোন।

উপসংহাৰত আমাৰ বক্তব্য এই যে, আমাৰ এই আলোচ্যস্থলত আমি কেৱল মাত্ৰ কিছুমান বিধি বা নিষেধৰ নিয়ম বা আচাৰ মানি চলাৰ শিক্ষাক (যি নিয়ম বিলাকক ব্যক্তিগত ফল লাভৰ বাবে বা শাসন অথবা শাস্তিৰ ভয়তে মানিব লগা হয়)--নীতিশিক্ষা অৰ্থত গ্ৰহণ কৰা নাই। ইন্দ্ৰিয়সমূহৰ দাসত্ব আৰু সেই দাসত্বজনিত দুখৰ শৃঙ্খলবন্ধনৰ পৰা মনক মুক্তি দান কৰিবলৈ যি সক্ষম, মনৰ সঙ্কীৰ্ণতাৰ সকলো বন্ধন ছিন্ন কৰি মানুহ এজনক (আন মানুহকো) নিজৰ দৰে চাব পৰাৰ দৃষ্টি দান কৰিবলৈ যি সক্ষম--তেনে স্বাৰ্থপৰতাহীন শিক্ষাকহে আমি নীতিশিক্ষা বুলি কওঁ। বিশ্বপ্ৰেমিক আচাৰ্য্য স্বামী বিবেকানন্দই অতি স্পষ্ট ভাষাৰে ইয়াকে কৈছে--

"......the only definition that can be given of morality is this: That which selfish is immoral, and that which is unselfish is moral."

শিক্ষাত নৈতিকতা শব্দৰ এয়ে হৈছে সাৰমৰ্ম্ম। শিক্ষাত এই নৈতিকতা যি কোনো দেশৰ, যি কোনো সময়ৰ, যি কোনো মানুহৰ প্ৰয়োজনীয় আৰু সমাজক সভ্যতাৰ পথলৈ আগবঢ়াই নিয়াত শিক্ষা আৰু নৈতিকতা এই দুয়োৰে সমান দায়িত্ব বুলি আমি ভাবোঁ। ইতি শম্।

\+ +

---

"জ্ঞানীয়ে প্ৰণাম কৰে, মূৰ্খই স্বীকাৰ,
নিজ আচৰণ ব্যৱহাৰ।
কৰ্ম্মশীল জীৱনেই প্ৰকৃত জীৱন;
অন্যৰূপ জীৱন ধিক্কাৰ।"

—৺লক্ষ্মীনাথ বেজবৰুৱা

---

# ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ স্মৃতিৰ পাপৰি



প্ৰতিস্থাতৃ অধ্যক্ষ ডঃ যোগীৰাজ বসু

ওঁ স্বস্তি !

ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ ৰূপালী জয়ন্তী সমাগত। ৰূপালী জয়ন্তী উৎসৱৰ স্মৃতি-চিহ্ন হিচাপে আলোচনী এখন প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সম্পাদনা সমিতিয়ে মোলৈ এটি অনুৰোধ জনালে—মই কলেজখনৰ এটি ইতিবৃত্ত লিখি দিব লাগে। সঁচা কথা, সম্পাদনা সমিতিৰ তৰফৰপৰা এই প্ৰস্তাৱটি পাই মই আনন্দিত নহৈ নোৱাৰিলোঁ ; কাৰণ, কানৈ কলেজ মোৰ অতি আদৰৰ, অতি চেনেহৰ। কিন্তু কথা হ'ল—কলেজখনৰ সুদীৰ্ঘ বাইশ বছৰৰো অধিক কালৰ বিস্তৃত বিৱৰণী এটি সীমিত দৈৰ্ঘ্যৰ প্ৰবন্ধ এটাত লিখি উঠোৱাটো তেনেই উজু নহয়, অসম্ভৱ বুলি কলেও কিজানি অত্যুক্তি কৰা নহ'ব। সেই বাবে থাউকতে স্মৃতিৰ ভঁৰালৰ কেইটিমান কথাহে মই ইয়াত উল্লেখ কৰিম।

১৯৪৫ চনৰ ৭ মে'। সেইদিনাখন আমাৰ ডিব্ৰুগড় ধৰ্ম্মীয় অনুষ্ঠান 'বিৰাজ'ত শ্ৰীঅশ্বিনীচৰণ চৌধুৰীয়ে মোক দেখা কৰে। প্ৰসঙ্গক্ৰমে ডিব্ৰুগড়ত এখন কলেজ স্থাপন কৰিব পৰাৰ সম্ভাৱনাৰ বিষয়ে তেখেতে মোৰ লগত আলোচনা কৰে। সিদিনা মোৰ জ্বৰ। শ্ৰীচৌধুৰীয়ে মোক ইয়াকো জনালে—তেখেতে এই সম্পৰ্কে ডিব্ৰুগড়ৰ দুই-চাৰিজন উৎসাহী ব্যক্তিৰ লগত আলোচনা কৰিছেই। তেখেতৰ ইচ্ছা—ইচ্ছা নহয়, তেখেতে টানি ধৰিলে যে প্ৰস্তাৱিত কলেজখনৰ অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰিব লাগে মই। মই পিছে খোলাকৈ ক'লোঁ, "চৌধুৰী, আপোনাৰ প্ৰস্তাৱৰ বাবে ধন্যবাদ। কিন্তু মোক মাফ কৰিব। অধ্যক্ষৰ পদ লবলৈ মোৰ নিতান্তই ইচ্ছা নাই। ইয়াতকৈ আপুনি এক কাজ কৰক। মোৰ শিক্ষাগুৰু শ্ৰীউমাপ্ৰসন্ন দে আছে। তেখেতকে অধ্যক্ষ হিচাপে নিৰ্ব্বাচন কৰক। নহ'লে আপোনালোকে ভাল দেখা অইন কাৰো-বাকে অধ্যক্ষ পাতক। তেও মোক বাদ দিয়ক। মই বাৰু অধ্যাপক হিচাপে থাকিম। টকা-পইচাৰ লেঠাকে ধৰি শাসনকাৰ্য্য মই তেনেই ভাল নাপাওঁ। অধ্যক্ষৰ বাবে মোক নধৰিব।" চৌধুৰীয়ে কিন্তু তেখেতৰ নিজৰ কথা এৰি নিদি ক'লে, "অকল ময়ে নহয়, প্ৰত্যেকে বাঞ্ছা কৰে আপুনি অধ্যক্ষ হওক। আপুনি সন্মতি দিলে সকলোৱে সহযোগ কৰিব।" তথাপিও মই না কৰিলোঁ। আকৌ চৌধুৰীয়েও মোক এৰা নিদিলে। এদিন, দুদিন—চাৰিদিন তেখেতে মোক লগ ধৰিলে। তেখেতৰ কথাও একেটাই—মই অধ্যক্ষ হবই লাগিব। শেহান্তৰত চতুৰ্থদিনা তেখেতে ক'লে, "আপুনি যদি সন্মতি নিদিয়ে, তেন্তে আমাৰ আঁচনি পণ্ড হৈ যাব। আৰু আমিও কাগজত প্ৰকাশ কৰি দিম যে আপুনি অধ্যক্ষ হবলৈ সন্মতি নিদিয়াৰ বাবেই কলেজ আৰম্ভ কৰিব পৰা নহ'ল।" আৰুতো উপায় নাই। চৌধুৰীৰ কৰ্ত্তব্যনিষ্ঠাই আৰু কলেজ-



খন পতা বিষয়ে একাগ্ৰতাই মোক মোহিত কৰিলে। শেহান্তৰত উপায়ান্ত হৈ সন্মতি দিবলগীয়াই হ'ল।

ইয়াৰ পূৰ্ব্বে আৰু দুবাৰ ডিব্ৰুগড়ত কলেজ পতাৰ চেষ্টা চলোৱা হৈছিল। আৰু দুয়োটা চেষ্টাই ব্যৰ্থকাম হৈছিল। এইবেলি এনে সিদ্ধান্ত লোৱা হ'ল যে কলেজ আৰম্ভ নকৰাকৈ কোনো টকা-সিকা তোলা নহব। চৌধুৰীয়ে কেবাগৰাকীও শিক্ষক যোগাৰ কৰিলে। তেখেতসকলৰ প্ৰতিজনেই এবছৰৰ বাবে অবৈতনিক হিচাপে কাম কৰিবলৈ সন্মতি দিলে। জৰ্জ্জ ইনষ্টিটিউশ্যনৰ কৰ্ত্তৃপক্ষয়ো তেওঁলোকৰ স্কুলৰ ঘৰতে ৰাতিপুৱা বেলা কলেজৰ 'ক্লাছ' চলাবলৈ সানন্দে অনুমতি দিলে।

হবলগীয়া কাম বৈ নাথাকিল।

১৯৪৫ চনৰ জুলাইৰ ১৫ তাৰিখে জমাৰ ঘৰত পাই-পুণিকা এটি নোহোৱাকৈয়ে কলেজ আৰম্ভ কৰা হ'ল। সেই তাৰিখেই এক জনবহুল সমাবেশ লৈ নগৰৰ বিশিষ্ট সন্মানীয় আৰু শিক্ষিত ব্যক্তি মিঃ ফাইজনুৰ আলিয়ে কলেজ উদ্বোধন কৰিলে। কবিৰাজ গিৰিশ চন্দ্ৰ শাস্ত্ৰী ডাঙৰীয়াই মঙ্গলাচৰণ পাঠ কৰিলে। ডিব্ৰুগড় নিবাসী প্ৰতিটো সম্প্ৰদায়ৰ গণ্য-মান্য লোকসকলে এই উদ্বোধনী সভাত যোগদান কৰিছিল।

তেতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হোৱা নাই। অসমৰ সকলো কলেজ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। আমাৰো কলেজৰ পৰিচালনা সমিতি এখন গঠন হ'ল ; শ্ৰীচৌধুৰী হ'ল চেক্ৰেটাৰী আৰু মই অধ্যক্ষ। প্ৰথম বাৰ্ষিক আই, এ, শ্ৰেণীও খোলা হ'ল। অধ্যাপকৰ পদত নিযুক্ত হ'ল—শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, শ্ৰীনিৰ্ম্মল কুমাৰ বসু, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীসুশীল চন্দ্ৰ দত্ত, শ্ৰীউমাপ্ৰসন্ন দে, এডভোকেট শ্ৰীশক্তিপদ পাত্ৰ, শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্ম্মা প্ৰমুখ্যে ব্যক্তিসকল। এখেতসকলৰ প্ৰতি গৰাকীয়ে এবছৰৰ বাবে অবৈতনিকভাৱে খাটিলে। প্ৰথম ছাত্ৰী হ'ল এজনী ছোৱালী শ্ৰীমতী সৰলা চৌধুৰী। প্ৰথম হেড এচিষ্টেণ্ট আছিল স্বৰ্গীয় দেবেন্দ্ৰ চন্দ্ৰ বৰুৱা। জৰ্জ্জ স্কুলৰ চৌকিদাৰ গৌৰীনাথকে কলেজৰ এককণীয়া প্ৰথম চৌকিদাৰৰ পদত লোৱা হ'ল। কলেজৰ মেনেজিং কমিটীৰ সভাপতি হ'ল ৰায়বাহাদুৰ সদানন্দ দুৱৰা। বিভিন্ন সম্প্ৰদায়ৰ কেইগৰাকীমান লোকক সভ্য কৰা হ'ল। কলেজে স্বীকৃতি পোৱাৰ পিচতহে এখন নিয়মীয়া 'গভৰ্ণিং ব'ৰ্দি' গঠন কৰা হয়। তাৰ পিচত বৃহৎ পৰিসৰৰ সাধাৰণ সভা (General council) গঠন কৰা হয়।

কলেজ আৰম্ভ হোৱাৰ সাতমাহ পিচতহে ডিব্ৰুগড়ৰৰ ৰাইজৰ বিশ্বাস জন্মে যে কলেজখন বৰ্ত্তিব আৰু ইয়ে ঠাইৰ আৱশ্যকতাও পূৰ কৰিব পাৰিব। শিক্ষকসকলৰ ত্যাগ আৰু আত্মোৎসৰ্গৰ প্ৰতিও ৰাইজৰ শলাগনি আহিল। কলেজৰ বয়সৰ অষ্টম মাহত ধন-সংগ্ৰহ কমিটী এখন গঠন কৰা হ'ল। এই কমিটীৰ আগশাৰীৰ সদস্য আছিল স্বৰ্গীয় সদানন্দ দুৱৰা আৰু ডঃ ফনীন্দ্ৰনাথ ঘোষ। জৰ্জ্জ স্কুলৰ প্ৰধান শিক্ষক গৰাকীক কলেজৰ প্ৰতিখন কমিটীৰ সদস্য কৰা হৈছিল। ময়ো জৰ্জ্জ স্কুলৰে ছাত্ৰ। এইখন স্কুলৰ পৰাই মই মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিছিলোঁ। জৰ্জ্জ স্কুলৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ হিচাপে মই যিটো কোঠালিত বহিছিলোঁ, সেইটো কোঠাতে মোৰ অধ্যক্ষৰ 'অফিচ' পতা হ'ল। এই স্মৃতিকণাই মোক আনন্দ দিলে আৰু দিলে অনুপ্ৰেৰণা।

কলেজ আৰম্ভ কৰা হৈছিল জুলাই মাহত। কিন্তু স্বীকৃতিৰ (affiliation) বাবে আৱেদন কৰা হয় নৱেম্বৰ মাহত। এতেকে ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি লোৱাৰ কোনো উপায়েই নাছিল। আগতে আৰম্ভ কৰা কাৰ্য্যৰ বাবে স্বীকৃতি দিয়া নিয়ম নাই। যি কি হওক, মেনেজিং কমিটীৰ পৰামৰ্শ অনুসৰি শ্ৰীচৌধুৰী আৰু মই কলিকতালৈ বুলি ৰাওণা হ'লোঁ। তালৈ গৈ পাই ডঃ কালিদাস নাগ, ডঃ জে, পি, নিওগী প্ৰমুখ্যে কলিকতা বিশ্ববিদ্যালয়ৰ চিনেটৰ মুখপাত্ৰ সদস্যসকলৰ লগত সাক্ষাৎ কৰা হ'ল। ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জ্যেষ্ঠ ভাতৃ শ্ৰীৰামপ্ৰসাদ মুখাৰ্জী ডাঙৰীয়াই খুচি কৰিয়ে আমাক যথেষ্ট সহায় কৰিলে—তেখেতৰ নিজৰ 'কাৰ'তেই আমাক তুলি নিলে, কলিকতা বিশ্ববিদ্যালয়ৰ বহুতো গণ্য-মান্য বিষয়াৰ লগত আমাক পৰিচয় কৰি দিলে। কিন্তু দুখৰ বিষয়, অহোপুৰুষাৰ্থ ভাৱে চলোৱা আমাৰ এই সকলো চেষ্টাই বিফল

হ'ল। পশ্চাৎ স্বীকৃতি কোনো পধ্যেই নিদিয়ে। মোৰ সহযাত্ৰী চৌধুৰী ডিব্ৰুগড়লৈ উভতিল। আৰু নিৰাশাতো আশাৰ ৰেঙণি পোষণ কৰি মই লগ ধৰিবলৈ ওলালোঁ ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীক। ডঃ মুখাৰ্জী সেই সময়ত ৰোগাক্ৰান্ত অৱস্থাত সাওঁতাল-পৰগণাৰ অন্তৰ্গত মধুপুৰত। তেখেতৰ শাৰীৰিক অসুস্থতাৰ তেনে অৱস্থাতো মই গৈ দেখা কৰিলোঁ—কৰ্ত্তব্যৰ খাটিৰত। ডঃ মুখাৰ্জীয়ে যথেষ্ট সহানুভূতি প্ৰদৰ্শন কৰি মোক বুজাই ক'লে যে সেই বছৰলৈ স্বীকৃতি দিয়াটো যেনে তেনে অসম্ভৱ। অৱশ্যে তেখেতে মোক পূৰা আশ্বাস দিলে যে ১৯৪৬-৪৭ চনৰ বাবে স্বীকৃতি দিবই। তেতিয়াই এখন দৰখাস্ত দিবলৈও ক'লে। মই লগে লগে দৰখাস্তখনৰ খচৰা এটা কৰিলোঁ আৰু মুখাৰ্জী মহোদয়ে নিজৰ অফিচৰ কৰ্ম্মচাৰী এজনৰ হতুৱাই ততালিকে দৰখাস্তখন টাইপ কৰালে। জ্বৰত ভুগি শয্যাশায়ী অৱস্থাত থাকিও সেইগৰাকী মহানুভৱ ব্যক্তিয়ে আমাক আশাতীতভাৱে সহায় সাহায্য আগবঢ়ালে। তেখেতৰ মহত্ত্ব, তেখেতৰ সততাৰ এয়ে নিদৰ্শন। সেই দিনাই তেখেতক মই মোৰ জীৱনত প্ৰথম লগ পাওঁ। ডঃ মুখাৰ্জীৰ যেনে কথা, তেনে কাম। তাৰ অকণো হেৰ ফেৰ হব নোৱাৰে। ১৯৪৬-৪৭ চনৰ পৰাই আমাৰ কলেজে স্বীকৃতি পালে। কলেজৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে পৰম কাৰুণিক ভগৱানৰ কৰুণাৰ প্ৰতি প্ৰাৰ্থনা জনাই ডঃ মুখাৰ্জীয়ে মোলৈ এখন ব্যক্তিগত চিঠিও লিখে। ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি নাপালেও কিন্তু প্ৰথম চাম ল'ৰা-ছোৱালীৰ বিশেষ অসুবিধা নহ'ল। ছোৱালী কেইজনীয়ে 'প্ৰাইভেট' হিচাপে পৰীক্ষা দিলে। ছাত্ৰসকলৰ প্ৰতিজনেই আছিল হয় এম, ই, নহয় হাইস্কুলৰ শিক্ষক। সেই অৰ্হতা লৈয়ে তেওঁলোকে পৰীক্ষাত বহিল। কলিকতা বিশ্ববিদ্যালয়ৰ নিৰ্দেশ অনুসৰি সকলো পৰীক্ষাৰ্থীয়ে ১৯৪৭ চনত যোৰহাট কেন্দ্ৰত পৰীক্ষা দিয়ে।

আমাৰ কলেজক স্বীকৃতি দিয়া সম্পৰ্কে কলেজ পৰিদৰ্শন কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ে কলেজ-ইন্সপেক্টৰ স্বৰ্গীয় সতীশ চন্দ্ৰ ঘোষ ডাঙৰীয়াক পঠিয়ায় ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত। তৎপূৰ্ব্বে মই ঘোষ মহাশয়ক কলিকতাত দেখা কৰোঁতে তেখেতে কৈছিল যে কলেজৰ পুঁজিৰ নামত কম পক্ষেও ষাঠী হেজাৰ টকা (৬০,০০০) বেঙ্কত জমা থকা দেখুৱাব লাগিব। ধন-সংগ্ৰহ কমিটীৰ অক্লান্ত পৰিশ্ৰমৰ ফলত পৰিদৰ্শক মহোদয় আহি পোৱাৰ আগে আগে পুঁজিত চাৰি কুৰি চাৰি হাজাৰ টকা জমা কৰে। ইয়াৰ উপৰিও কলেজৰ পুথিভঁৰাললৈ ৰায়বাহাদুৰ হনুমান বক্স কানৈ ডাঙৰীয়াই দহ হাজাৰ টকাৰ অনুদান এটি আগবঢ়ায়। পৰিদৰ্শক ঘোষ মহোদয়ে শিক্ষকসকলৰ অৰ্হতা তথা টনকিয়াল পুঁজিত সন্তুষ্ট হৈ কলেজক স্বীকৃতি দিলে।

১৯৪৯ চনত অসমৰ তৎকালীন ৰাজ্যপাল শ্ৰীপ্ৰকাশে আমাৰ কলেজ পৰিদৰ্শন কৰে। কলেজৰ আৰম্ভণিত শিক্ষকসকলৰ অবৈতনিক শিক্ষাদান কাৰ্য্যৰ উল্লেখ কৰি তেখেতে কয়, "মই জানিব পাৰি সুখী হৈছোঁ যে এইখন কলেজৰ প্ৰতিষ্ঠা হৈছে ত্যাগৰ ভিত্তিত, ইটা বা লোহা-লক্কৰৰ ভিত্তিত নহয়। যি বস্তু ত্যাগৰ ওপৰত প্ৰতিষ্ঠিত সি যুগমীয়া।" আমাৰ তৰফৰপৰা আমি সংস্কৃত ভাষাৰেই তেখেতলৈ স্বাগতম জনাইছিলোঁ, মানপত্ৰ দিছিলোঁ। শ্ৰীপ্ৰকাশে মানপত্ৰ গ্ৰহণ কৰি কলে, 'অসম ৰাজ্যত আজিয়েই প্ৰথম মই সংস্কৃত ভাষাত ৰচিত মানপত্ৰ পালোঁ। কলেজীয়া জীৱনতেই মই সংস্কৃতৰ মাধ্যমেৰে কথা কব পাৰিছিলোঁ, অথচ আজি নোৱাৰোঁ—এইবাবে সঁচাই মই লজ্জিত।" শ্ৰীপ্ৰকাশ আছিল পৃথিৱী বিখ্যাত পণ্ডিত ধৰ্মবিদ দাৰ্শনিক ডঃ ভগৱান দাসৰ সুপুত্ৰ। শ্ৰীপ্ৰকাশে আমাৰ লিখিত সংস্কৃতৰ স্বাগতম পত্ৰখনিৰ আঠটা নকল খুজিলে। সময় তালিকা অনুসৰি আমাৰ কলেজ পৰিদৰ্শনৰ বাবে শ্ৰীপ্ৰকাশৰ সময় আছিল মাথোঁ পাঁচ মিনিট, তেখেতে কিন্তু পূৰা পঁয়চল্লিশ (৪৫) মিনিট আমাৰ লগত কটালে।

কলেজৰ প্ৰথম সৰস্বতী পূজাখন জৰ্জ্জ স্কুলৰ চৌহদতেই এক আনন্দমুখৰ অথচ গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশৰে পালন কৰা হয়। সেই সময়ত একে চৌহদতে কেন্দ্ৰীয় চৰকাৰৰ Observetory'ও পতা হৈছিল। ইয়াৰ ভাৰপ্ৰাপ্ত বিষয়া মৰমিয়াল ভদ্ৰলোক শ্ৰীমিহিৰ বসু, এম, এচ, চি ডাঙৰীয়াই বিনা খৰচতে পূজামণ্ডপ আৰু কেউকাষৰ কোঠালীত বিদ্যুৎ বন্তিৰ যোগাযোগ কৰাই দিছিল। প্ৰথম বাৰ্ষিকৰ ছাত্ৰ শ্ৰীমাখন বৰাই মিঠাইৰ খৰচ বহন কৰিছিল। কলেজৰ প্ৰথম সাত-আঠ বছৰলৈকে সৰস্বতী দেৱীৰ উপাসনাত তথা শ্ৰীমন্তশঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী, ইদ মেহফিল আদি উৎসৱবোৰৰ উদযাপনত বাহ্যিক আড়ম্বৰ নাছিল, কিন্তু আছিল গাম্ভীৰ্য্য, পবিত্ৰতা আৰু আন্তৰিকতা। সৰস্বতী পূজাত শিক্ষক-ছাত্ৰই মিলি সমকণ্ঠে দেৱীৰ স্তুতি-প্ৰশস্তি গাইছিল, ঘণ্টাৰ পিচত ঘণ্টা ধৰি কীৰ্ত্তন গোৱাত আগভাগ লৈছিল অধ্যাপক বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্যই। দুই-এক ছাত্ৰ সমন্বিতে মই দেৱীৰ বিভিন্ন স্তোত্ৰ পাঠ কৰিছিলোঁ। তেনে মহত্ত্ব, পৱিত্ৰতা, আন্তৰিকতা আৰু একনিষ্ঠ ভক্তিৰ কথা আজি কল্পনাই কৰিব নোৱাৰি।

১৯৪৭ চনত কলেজৰ শিক্ষক-ছাত্ৰই মিলি ঘৰে ঘৰে ধন-সংগ্ৰহ কৰাৰ এটা চেষ্টা চলায়। সমূহ ছাত্ৰবিলাকক আঠটা দলত ভাগ কৰি প্ৰতি দলকে দুগৰাকী শিক্ষকৰ অধীনত দিয়া হ'ল। আঠ গৰাকী শিক্ষকে চহৰখনৰ আঠটা ভাগৰ পৰা কিছু ধন সংগ্ৰহ কৰিলে। মই নিজেও এটা দলৰ ভাৰ লৈছিলোঁ। আমাৰ চেষ্টাৰ ফলস্বৰূপে এঘাৰ দিনত এঘাৰ হাজাৰ টকা তোলা হ'ল। এই ধন সংগ্ৰহ কাৰ্য্যৰ লগত জড়িত এটা বিশেষ ঘটনা আজিও মোৰ মনত অমৰ হৈ আছে। বজাৰ অঞ্চলত সকলো পৰ্য্যায়ৰ মানুহৰ পৰাই চান্দা তোলা হৈছিল। আমি শিক্ষক-ছাত্ৰসকলৰ খোজ কাঢ়ি কাঢ়ি দুৱাৰে দুৱাৰে, দোকানে দোকানে গৈ চান্দা তোলাৰ উৎসাহ-উদ্দীপনা দেখি চিগাৰেট দোকানী পাণ দোকানী আদি নিম্নবিত্তৰ—অলপীয়া ধনৰ লোকসকলেও আমাক বিমুখ নকৰিছিল ; তেওঁলোকৰ সাধ্যানুসাৰে কোনো কোনোৱে দু-অনালৈকে কলেজৰ নামত অৰিহণা যোগাইছিল। এদিনৰ কথা—দিনৰ এটা ভাগত বজাৰত চান্দা তুলি আমি কলেজলৈ ঘূৰি আহিছোঁ। এনেতে দেখোঁ এজন ৰিক্সাৱালা (Rickshaw-wala) আমাৰ ফালে আগবাঢ়ি আহিছে। আহি আহি সি আমাৰ ওচৰ পালে আৰু আমাৰ সন্মুখৰ মেজখনতে টকা এটা থৈ ক'লে, "চাৰ, আপোনালোকে চান্দা তোলোঁতে মই বজাৰত নাছিলোঁ। সেইবাবে মোৰ চান্দাকণ দিবলৈহে ইয়ালৈ আহিছোঁ।" এই মহান ৰিক্সাৱালাৰ মহত্ত্বই মোক ভাৱপ্ৰণোদিত কৰি তুলিলে। মেজৰপৰা টকাটো তুলি ললোঁ আৰু এটা বাকচত ভৰাই বাকচটোৰ গাত লিখি থ'লোঁ : "Princely donation of a noble soul" (এখনি মহৎ অন্তৰৰ এক ৰাজ-অৱদান)। মহত্ত্বপূৰ্ণ এই সৰু ঘটনাটি মোৰ মানসপটত চিৰ উজ্জ্বল,—চিৰ সেউজীয়া।

১৯৪৭ চনত কলেজখন চৰকাৰী ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ে খালী কৰি দিয়া খেৰীঘৰলৈ স্থানান্তৰিত কৰা হয়। ১৯৫০ চনলৈকে আমাৰ কলেজত কলা বিষয়তহে শিক্ষাদান কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪২ চনত স্থাপিত হয় আৰু তেতিয়াৰ পৰাই আমাৰ কলেজখন ইয়াৰ অধীনলৈ অনা হয়। ১৯৪৯ চনত বি, এ, মহলাৰ প্ৰথম দলটো ওলায়। এজন ছাত্ৰৰ বাহিৰে আটাইকেইজন ছাত্ৰই কৃতকাৰ্য্য হয়। আকৌ ছাত্ৰীৰ পিনৰ পৰা শ্ৰীমতী সুকৃষ্ণা বসু নামৰ ছোৱালী এজনীয়ে কৃতকাৰ্য্যতা লাভ কৰে। তেওঁ অধ্যাপক নিৰ্মল কুমাৰ বসুৰ ভনীয়েক।

কেইবা বছৰো ধৰি শিক্ষকসকলৰ কেইগৰাকীমান শিক্ষকে নিজৰ নিজৰ বিষয়-সমূহৰ উপৰিও অন্য বিষয়ৰো অধ্যাপনা কৰিব লাগিছিল। অথচ তাৰ বাবে তেওঁলোকে অতিৰিক্ত পাৰিশ্ৰমিক বিচৰা নাছিল। অধ্যাপক উমাপ্ৰসন্ন দেয়ে তেখেতৰ অধ্যাপনাৰ বিষয় ইংৰাজীৰ উপৰিও বাণিজ্য ভূগোলৰ অধ্যাপনা কৰিছিল। অধ্যাপক বীৰেন্দ্ৰ ভট্টাচাৰ্য্য আৰু মোৰ মাজত বঙালী বিষয়ৰ পাঠদান ভগাই লৈছিলোঁ। অধ্যাপক সুশীল দত্ত টেক্সটাইল অফিচাৰ (Textile officer) হৈ শিৱসাগৰলৈ বদলি হোৱাত মই Logic আৰু Indian Philosophy-ৰ অধ্যাপনা কৰিছিলোঁ। আনহাতে মোৰ নিজৰ বিষয় সংস্কৃত আৰু ইংৰাজীতটো অধ্যাপনা কৰিব লাগিছিলেই। অধ্যাপক মনীন্দ্ৰ চক্ৰৱৰ্ত্তীয়ে নিজৰ বিষয় Philosophy-ৰ বাদেও Bengali Second Language-ৰ অধ্যাপনা কৰিছিল। বিশ্ববিদ্যালয়ে কিছুমান ছাত্ৰীক বি, এ, শ্ৰেণীত Bengali Second Language লবৰ বাবে অনুমতি দিছিল। যেয়েহে মাত্ৰ

দুবছৰৰ বাবে এই বিষয়টোৰ অধ্যাপনাৰ ব্যৱস্থা কৰিব লগাত পৰিছিল।

ইয়াৰ পিচত দুগৰাকী প্ৰখ্যাত সাহিত্যিকে এজনৰ পাচত আনজনে অসমীয়া বিভাগৰ আসন অলঙ্কৃত কৰিছিল। তেখেতসকল যথাক্ৰমে বেনুধৰ ৰাজখোৱা আৰু কবি যতীন্দ্ৰ নাথ দুৱৰা। অসমীয়া বিভাগৰ প্ৰথম অধ্যাপক আৰু সেই সময়ৰ ডিব্ৰুগড়ৰ যোগান বিষয়া (Supply officer) শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্ম্মাও এজন কবি আৰু সুপণ্ডিত আছিল। ডিব্ৰুগড়ৰ পৰা বদলি হৈ যোৱাৰ সময়ত তেখেতে কলেজৰ পুঁজিলৈ এশ টকীয়া এটি বৰঙনি আগ বঢ়াইছিল।

ইয়াৰ পিচত আই, কম, আৰু বি, কম, শ্ৰেণী একেলগে খোলা হয়। ১৯৪৮ চনত পোনপ্ৰথমে কেৱল সংস্কৃত বিভাগত অনাৰ্চ খোলা হয়। ইয়াৰ বাবে সেই সময়ৰ উপাচাৰ্য্য ডঃ কৃষ্ণকান্ত সন্দিকৈয়ে আমাক অভিনন্দন জনায়। প্ৰথম বাৰৰ বাবে সংস্কৃত অনাৰ্চত মাত্ৰ এজনী ছোৱালী আছিল। তেওঁ ১৯৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম স্থান লাভ কৰে। তেওঁৰ নাম আছিল শ্ৰীমতী তৃপ্তি ভট্টাচাৰ্য্য। সংস্কৃতৰ পিচত যথাক্ৰমে বুৰঞ্জী, অৰ্থনীতি আৰু আন আন বিষয়ত অনাৰ্চ খোলা হয়। ইয়াৰ লগে লগে কমাৰ্চ আৰু বিজ্ঞানৰ বিষয়বোৰতো অনাৰ্চ হয়।

১৯৫০ চনতে বুৰঞ্জী বিভাগৰ প্ৰধান অধ্যাপক লক্ষ্মীপ্ৰসাদ দত্ত কলেজৰ উপাধ্যক্ষ পদত নিযুক্ত হয়। আৰম্ভণিৰে পৰা দত্ত ডাঙৰীয়াই কলেজৰ সাৰ্ব্বাঙ্গীন উন্নতিৰ বাবে মনোযোগ দিছিল। অক্লান্ত কৰ্ম্মী আৰু সুসংগঠক হিচাবে তেখেত কলেজৰ এজন বিশিষ্ট সদস্য হৈ পৰিছিল। যেতিয়া মই কলেজৰ শিক্ষাদান, পুথিভঁৰাল, অধ্যয়নচক্ৰ, শিক্ষক সংস্থাৰ সাংস্কৃতিক অনুষ্ঠান বা নিয়মানুৱৰ্ত্তিতা আদি বিষয়ৰ প্ৰতি মন দিছিলোঁ, তেতিয়া তেখেতে কলেজৰ ঘৰ-দুৱাৰ বা ছাত্ৰাবাসৰ উন্নয়নমূলক পৰিকল্পনাবোৰৰ ৰূপায়ণত যত্ন কৰিছিল। আমাৰ সম্পৰ্ক সদায়েই সৌহাৰ্দ্যপূৰ্ণ আৰু ভাতৃভাবাপন্ন আছিল। চাৰিবেৰৰ মাজত থকা এজন অধ্যক্ষতকৈ মোৰ কৰ্ত্তব্য শিক্ষক হিচাবে বা নিয়মানুবৰ্ত্তী হিচাবে বেচি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক হিচাবে মোৰ শ্ৰদ্ধেয় শিক্ষা-গুৰু আৰ, আৰ টমাচে আমাৰ কলেজ দুবাৰ পৰিদৰ্শন কৰিছিল। অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজৰ সম্বন্ধলৈ লক্ষ্য কৰি ছাত্ৰ আৰু অধ্যাপকসকলৰ আগত তেখেতে এইদৰে মন্তব্য দিছিল—"এইখন ৰাজ্যৰ বহুতো কলেজ মই পৰিদৰ্শন কৰিলোঁ, কিন্তু মই ক'তো অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজত এনে সম্বন্ধ দেখানাই। আত্মাহীন শৰীৰে কাম চলাব নোৱাৰে, ঠিক তেনেকৈ শৰীৰ বিহীন আত্মাইও কাম চলাব নোৱাৰে। সেয়েহে মই দত্ত আৰু বসু ডাঙৰীয়াক এই কলেজৰ যথাক্ৰমে শৰীৰ আৰু আত্মাৰূপে অভিহিত কৰিছোঁ।"

প্ৰথম দৰ্শনতে পৰিদৰ্শক টমাচ মহোদয়ে আমাৰ কলেজৰ চাফ-চিকুণ, নিয়মানুৱৰ্ত্তিতা, পুথিভঁৰাল আৰু শিক্ষকসকলৰ ভাতৃস্বৰূপ সম্পৰ্ক দেখি বৰ আচৰিত আৰু আনন্দিত হৈছিল। তেখেতে মন্তব্য দিছিল এইবুলি "মই কলেজৰ খেৰীঘৰৰ ভিতৰতে ৰাজকীয় ব্যৱস্থা এটাৰ আভাস পাইছোঁ। "Imperial arrangement within a cottage" এই পৰিৱেশত নিয়মানুৱৰ্ত্তিতাই ভালদৰে বিৰাজ কৰিছে। ইয়াত শিক্ষকসকলে যি উমৈহতীয়া দায়িত্বশীলতাৰে কাম কৰিছে, মই ভাবোঁ এই দায়িত্ববোধৰ আদৰ্শ অন্যান্য কলেজৰ বাবেও অনুকৰণীয়।" আমি কলেজৰ গুৰি ধৰোঁতা সকলে সংঘবদ্ধ তথা ঐক্যবদ্ধভাৱে একে পৰিয়ালৰ মানুহৰ দৰে দায়িত্ব বহন কৰিছিলোঁ। শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ অফিচৰ বোজা কঢ়িওৱা গাড়ীৰ নিচিনা এখন মটৰ গাড়ী আছিল। প্ৰায়েই আমি কলেজৰ বিভিন্ন কামৰ বাবে গাড়ীখন ব্যৱহাৰ কৰিছিলোঁ। আমাক তেনেকুৱাকৈ ঘূৰি থকা দেখিলে বহুতো নাগৰিকে এইদৰে মন্তব্য দিছিল "ডিব্ৰুগড় কলেজৰ দ'লটো আহিছে।" কিছুমানে আকৌ কয় "তেখেতসকলক সদায় একেলগে দেখা যায়।" সেই সময়ত বি, এ, মহলাত ছাত্ৰৰ সংখ্যা নিচেই তাকৰ আছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা আৰম্ভ হোৱাৰ আগদিনাখন আমি প্ৰতিজন ছাত্ৰৰ ঘৰলৈ গৈছিলোঁ। এনেকৈ যাওঁতে আমাৰ বাহন আছিল শ্ৰীদত্তৰ গাড়ীখন। প্ৰতিজন ছাত্ৰকে লগ ধৰিছিলোঁ, প্ৰতিজনকে উৎসাহ দিছিলোঁ—আশীৰ্ব্বাদ দিছিলোঁ। প্ৰথম দিনৰ পৰীক্ষাৰ



ঠিক আগে আগে ওপৰ মহলাৰ ছাত্ৰসকলে প্ৰতিজন পৰীক্ষাৰ্থীৰ কপালত তিলক পিন্ধাইছিল। মোৰ ফালৰপৰা মই এখন লজন্সেৰে ভৰা ট্ৰে পঠিয়াই দিওঁ। ট্ৰেখনৰ ওপৰত লিখি পঠিয়াওঁ—"Good will Lozens" পৰীক্ষাৰ্থীসকলেও হাতত "Good will Lozens" লৈহে পৰীক্ষাগৃহত প্ৰৱেশ কৰে।

১৯৫০ চনত বিজ্ঞান শাখা খোলা হয়। ইয়াৰ লগে লগেই ডিব্ৰুগড় কলেজৰ নাম ৰখা হ'ল ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজ। হনুমান বক্স সুৰযমল কানৈ ফাৰ্ম্ম লিমিটেডে কলেজৰ বিজ্ঞান শাখা খোলাৰ বাবে এক লাখ টকা দান দিয়ে আৰু সেই বাবেই কলেজৰ এই নতুন নামকৰণ হয়। কলেজৰ বিজ্ঞান শাখাৰ স্বীকৃতি দিয়াৰ সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ে দুজনা বিশিষ্ট অধ্যাপকক কলেজ পৰিদৰ্শন কৰিবলৈ নিয়োগ কৰে। তেখেতসকল দুজনা হ'ল কলিকতাৰ ডঃ জে, চি, বৰ্ধন, ডি, এচ, চি, (ড'বল) আৰু আমাৰ অসমৰে ডঃ হিৰণ্য চন্দ্ৰ ভূঁঞা ডাঙৰীয়া। স্বৰ্গীয় ডঃ ৰোহিনীকান্ত বৰুৱা আমাৰ বিজ্ঞান শাখাৰ উপদেষ্টা আছিল। তেখেত কলেজৰ গৱৰ্ণিং ব'ডিৰো সদস্য আছিল। তেখেতৰ নিৰ্দেশ অনুসৰিয়ে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান বিষয়কেইটাৰ বিজ্ঞানাগাৰ (laboratories) খোলা হৈছিল। ডঃ বৰুৱাই এই বিষয়ত একান্ত নিষ্ঠা পোষণ কৰিছিল আৰু বিজ্ঞানাগাৰৰ নিৰ্ম্মাণ কাৰ্য্য চলি থকা অৱস্থাত তেখেতে কৰ্ম্মীসকলকে ধৰি সকলো কাজ-কামবোৰত চকু দিছিল। পৰিদৰ্শকদ্বয় ডঃ বৰ্ধন আৰু ডঃ ভূঁঞা বিজ্ঞানাগাৰ কেইটা দেখি পৰম সন্তুষ্ট হৈছিল, তদনুসৰি স্বীকৃতিও প্ৰদান কৰিছিল। পৰিদৰ্শন-টোকাত তেখেতসকলে জীৱবিজ্ঞানৰ বিজ্ঞানাগাৰটোৰ বিষয়ে এনেদৰে মন্তব্য কৰিছিল : "গোটেই অসমৰ ভিতৰতে সৰ্ব্বশ্ৰেষ্ঠ এক আদৰ্শ বিজ্ঞানাগাৰ" ('the ideally perfect laboratory in the state'।) বিজ্ঞান শাখা স্থাপন কৰিবলৈ চৰকাৰে বেৰি হোৱাইট মেডিকেল স্কুলৰ পুৰণি ঘৰটোৰ এটা অংশ আমাক দিছিল আৰু তাৰ কাৰণে চৰকাৰে কলেজৰ পৰা ভাৰা লৈছিল।

খেল-ধেমালি, বিতৰ্ক প্ৰতিযোগিতা বিষয়তো আমাৰ ছাত্ৰসকলে সমগ্ৰ অসমৰ ভিতৰত হোৱা প্ৰতিযোগিতা এনেকি আন্তঃ বিশ্ববিদ্যালয় প্ৰতিযোগিতাতো যথেষ্ট সুনাম আৰু যশ অৰ্জ্জন কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ শতবাৰ্ষিকী উৎসৱ উপলক্ষে আহ্বান কৰা আন্তঃ বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰীতপন লাল বৰুৱা আৰু শ্ৰীচৈফুদ্দিন আহমদে আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোকৰ দলটোক দ্বিতীয় সৰ্ব্বশ্ৰেষ্ঠ দল বুলি ঘোষণা কৰা হৈছিল। এন্, চি, চি, ত আমাৰ কেডেট্ শ্ৰীপ্ৰদোষ দত্তক নিউ দিল্লীৰ পথাৰত সৰ্ব্বশ্ৰেষ্ঠ কেডেটৰ সন্মান দিয়া হৈছিল। আমাৰ কিছুমান ছাত্ৰক 'মিঃ অসম' আৰু 'মিঃ ইউনিভাৰচিটি' উপাধিৰে বিভূষিত কৰা হৈছিল। আন্তঃ বিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱত আমাৰ কিছুমান ছাত্ৰই প্ৰতিষ্ঠা কৰা ৰেকৰ্ড আজিলৈকে অনতিক্ৰম্য আৰু অতুলনীয় হৈয়েই আছে—শিৱ গগৈৰ "হেমাৰ থ্ৰ", (Hammer Throw), মদন সনোৱালৰ "জেভেলিন্ থ্ৰ" ইত্যাদিৰ ৰেকৰ্ড এই ক্ষেত্ৰত উল্লেখযোগ্য। ঠিক সেইদৰে বিশ্ববিদ্যালয়-পঞ্জীৰ পাত লুটিয়াই চালে বিজ্ঞান, বাণিজ্য কলা আদি বিষয়ত আমাৰ ছাত্ৰসকলৰ চমকপ্ৰদ ফলাফলৰ উমান পোৱা যাব। আমাৰ কলেজৰ উৎকৃষ্টতম ছাত্ৰ শ্ৰীতপনলাল বৰুৱাৰ নামটোৱে মোক আমাৰ গৌৰৱময় কাহিনী এটাৰ কথা মনত পেলাই দিয়ে। বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পৰীক্ষাত অৱতীৰ্ণ হওঁতে শ্ৰীবৰুৱাই ইংৰাজী বিষয়ত তৃতীয়খন প্ৰশ্ন কাকতত 'Gandhian Politics' নামৰ ৰচনাখন 'পৰীক্ষা হলত চেষ্টা চলাই লিখি পেলাইছিল। অধ্যাপক ডি, এন, ঘোষৰ 'College Essays' নামৰ হেল্পবুকখনে ছাত্ৰসমাজত বিস্তৃত সুখ্যাতি লাভ কৰিছে। এই কিতাপখনৰ এটি সংস্কৰণৰ শেষৰ ফালে অধ্যাপক ঘোষে পৰীক্ষাৰ বহীত পোৱা, ছাত্ৰসকলে পৰীক্ষা ঘৰত লিখি উলিওৱা কেইখনমান ৰচনা সংযোগ কৰি দিছিল। তেওঁ সেই বহীবোৰৰ ৰোল নম্বৰ আৰু পৰীক্ষা কেন্দ্ৰবোৰৰ নাম উল্লেখ কৰিছিল। তপনলাল বৰুৱাই লিখা Gandhian Politics' নামৰ গোটেইখন ৰচনা গ্ৰন্থকাৰ ঘোষে উচ্চ প্ৰশংসাৰে সৈতে তাত সংযোগ কৰিছিল। তপনলালৰ পৰীক্ষা কেন্দ্ৰৰ নাম আৰু ৰোল নম্বৰবোৰ বিচাৰি উলিওৱা হৈছিল। মই

অধ্যাপক ঘোষলৈ পৰীক্ষাৰ্থীৰ নাম লিখি পঠাইছিলোঁ। তেখেতে সেই পৰীক্ষাৰ্থী-জনক তেখেতৰ আন্তৰিক অভিনন্দন জনাবলৈ মোক অনুৰোধ জনাই উত্তৰ দিছিল।

আমাৰ কলেজ-পুথিভঁৰালটো গুৰুত্ব আৰু সংখ্যা গৰিষ্ঠতা উভয় দিশৰপৰা এটি আপুৰুগীয়া সম্পদ। সত্তৰতকৈও অধিক বছৰীয়া চৰকাৰী কটন কলেজৰ বাহিৰে অসমৰ কোনোখন চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজতে ইমান বেছি সংখ্যক কিতাপ নাই। আমাৰ প্ৰদেশৰ বহুতো চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজ পৰিদৰ্শন কৰাৰ সৌভাগ্য মোৰ ঘটিছে। সংবাদপত্ৰ, আলোচনীৰ বাহিৰেও বৰ্ত্তমান আমাৰ কলেজ-পুথিভঁৰালত ৪১,০০০ (একচল্লিশ হাজাৰ) অতকৈ অধিক সংখ্যক কিতাপ আছে। ১৯৪৫ চনৰ পৰা ১৯৬৭ চনলৈ এই কালছোৱাত মই কলেজৰ অধ্যক্ষ পদত আছিলোঁ। গোটেই কালছোৱাতে মই এটা কাম কৰিছিলোঁ-–ভাৰতৰ যিমানবোৰ বিভিন্ন ঠাইলৈ মই গৈছোঁ সেইবোৰৰ কিতাপৰ দোকানবোৰলৈ মই যাওঁ আৰু কলেজৰ পুথিভঁৰালৰ বাবে দুষ্প্ৰাপ্য কিতাপ সংগ্ৰহ কৰোঁ, সকলো বিষয়ৰ কিতাপ। কেতবোৰ কিতাপ মোৰ নিজৰ তৰফৰ-পৰাও কলেজৰ পুথিভঁৰালত দান দিছিলোঁ। যেনে, 'International Library of Famous Literature', 'Historian's History of the World', গ্ৰীক মূল আৰু ইংৰাজী অনুবাদেৰে সৈতে Plutarchs' History খণ্ডবোৰ, দৰ্শনৰ কেতবোৰ কিতাপ, ইত্যাদি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৎকালীন উপাচাৰ্য্য পণ্ডিত প্ৰবৰ ডঃ কৃষ্ণকান্ত সন্দিকৈদেৱে প্ৰৱেশিকা পৰীক্ষাৰ কেন্দ্ৰ সম্পৰ্কীয় কামত আমাৰ কলেজলৈ প্ৰথমবাৰ আহোঁতে গোটেই গ্ৰন্থাগাৰটো ঘূৰি-পকি চাই চমকপ্ৰদ গ্ৰন্থ-সংগ্ৰহ দেখি ভূয়সী প্ৰশংসা আগবঢ়াইছিল। মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু ডঃ বাণীকান্ত কাকতিদেৱেও আমাৰ কলেজলৈ ১৯৫২ চনত আহোঁতে ডঃ সন্দিকৈৰ প্ৰশংসা-বাণীকে দোহাৰিছিল। আমাৰ গ্ৰন্থাগাৰত থকা দুখন কিতাপৰ প্ৰকাশৰ ঠিকনা দুটিও ডঃ কাকতিদেৱে টুকি লৈছিল। কিতাপ দুখন আছিল Dr. Jan Gonda-ৰ 'Sanstrit in Indonesia' আৰু ব্ৰজেন্দ্ৰনাথ শীলৰ "Positive Science of the Hindus'. ডঃ কাকতিদেৱে মন্তব্য কৰি গৈছিল, "এই দুখন কিতাপ অসমৰ কোনো পুথিভঁৰালতে—আনকি বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰতো নাই।" প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে আমাৰ কলেজৰ স্নাতক মহলাৰ স্বীকৃতি প্ৰদান সম্পৰ্কত গুৱাহাটী বিশ্ববিদ্যালয়ে ডঃ কাকতিক ১৯৪৮ চনত পৰিদৰ্শনৰ ভাৰ দিছিল। ময়ো আগধৰি তেখেতলৈ এখন চিঠি লিখিলোঁ এইবুলি যে তেখেতে যাতে পৰিদৰ্শনৰ তাৰিখটো দয়া কৰি দুদিনমান আগতে জনায়, কাৰণ আমি তেখেতৰ এটা বক্তৃতাৰ আয়োজন কৰিব খোজোঁ। মোৰ চিঠিৰ উত্তৰত তেখেতে লিখি পঠালে: "I am not going to inspect your College. When a Scholar like you is the principal no inspection is necessary. I have recommended affiliation." (তোমালোকৰ কলেজ পৰিদৰ্শন কৰিবলৈ মই নাযাওঁ। তোমাৰ দৰে এজন বিদ্বান ব্যক্তি অধ্যক্ষৰ পদত থাকোঁতে পৰিদৰ্শনৰ কোনো প্ৰয়োজন নাই। মই স্বীকৃতি মঞ্জুৰ কৰিছোঁ।) মোৰ 'বিদ্যাৰ দৌৰ' কিমান, মই কিমানখিনি পাব পাৰিছোঁ, মোৰ সীমিত জ্ঞানৰ কথা মই জানো। ডঃ কাকতিৰ মন্তব্যটি নিশ্চয় মোৰ প্ৰতি থকা তেখেতৰ উদাৰ হৃদয়ৰ স্নেহ আৰু বিশ্বাসৰহে নিদৰ্শন। জীৱনৰ প্ৰতি ক্ষেত্ৰতে মই নিজকে এজন ছাত্ৰ হিচাবে, এজন নিঃকিন জ্ঞানভিকহু হিচাবেহে পৰিচয় দিওঁ।

আমাৰ কলেজত ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ দুবছৰো অধিক কালধৰি শিক্ষকসকলৰ বাবে শিক্ষাৰ উচ্চ মানবিশিষ্ট সাংস্কৃতিক অনুষ্ঠান এটি চলোৱা হৈছিল। অনুষ্ঠানটিৰ বাবে পাবলগীয়া যশস্যাৰ গৰাকী হ'ল তেতিয়াৰ ইংৰাজীৰ অধ্যাপক সুখময় বসু। প্ৰতি শনিবাৰে বিয়লি ৪ বজাত অনুষ্ঠানটি বহিছিল। প্ৰতি বৈঠকতে কলেজৰ এজন শিক্ষকক এটি বক্তৃতা দিয়াৰ ভাৰ দিয়া হৈছিল। নিৰ্দ্দিষ্ট দিনৰ এমাহৰ আগতে তেখেতক জাননী দিয়া হৈছিল। তেখেতে নিৰ্দ্দিষ্ট দিনত ভাষণ দিছিল। কলা, বিজ্ঞান, বাণিজ্য—সকলো বিষয়ৰে বক্তৃতা চলিছিল। তেনে কেইটামান বক্তৃতা উল্লেখ-যোগ্য: সুখময় বসুৰ "Action in Shakespear's Drama" মোৰ নিজৰ 'Aristotle Theory of Arts—a Critical Evolution', হৰিদেৱ গোস্বামীৰ 'What is



Atom', ব্ৰজেন দাসৰ 'Shelley and Yeats', নিৰ্ম্মল বসুৰ 'Rationalisation of Industries', বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তীৰ 'Economic Development', মনীন্দ্ৰ চক্ৰৱৰ্ত্তীৰ 'New Horizons of Psychology', আশুতোষ বিশ্বাসৰ 'Aspects of moral Education,' মোৰ অইন এটা 'Study of Indian Culture outside Inida in Every part of the Globe', বালকৃষ্ণ মেননৰ 'Science of Biology in a changing World' ইত্যাদি। শ্ৰীসুখময় বসু এতিয়া কৰিমগঞ্জ কলেজৰ অধ্যাপক।

সংস্কৃত, অৰ্থনীতি আৰু বুৰঞ্জীৰ আলোচনা-চক্ৰই আৰম্ভণিৰেপৰা উন্নত মানদণ্ডত কাম কৰি আছিল। কলেজৰ স্নাতক মহলাৰ প্ৰথম ছটা চাম ইমান বুদ্ধিমান আৰু জ্ঞানপিপাসু আছিল যে ইংৰাজী সাহিত্যৰ বিভিন্ন বিষয়ত মই বক্তৃতা দিবলগীয়া হৈছিল। ভাষণবোৰ সাধাৰণতে 'পাছ ক'ৰ্চ'ৰ শ্ৰেণীত দিয়া হলেও সিবোৰৰ মানদণ্ডই 'অনাৰ্চ'ৰ সীমাকো দেই গৈছিল। বসন্ত ভূঞা, গিৰীন্দ্ৰ কাকতি আদি কেইজনমান ছাত্ৰই সংক্ষিপ্ত লিপি প্ৰণালী ( Short hand ) জানিছিল; তেওঁলোকে আমাৰ ভাষণ ঠাইতে লিখি লৈছিল। তাৰ পিচত টাইপ কৰি তাৰ নকল আমাক দিছিলহি।

তৰ্ক-প্ৰতিযোগিতা আছিল কলেজ জীৱনৰ এটা অঙ্গ। তৰ্ক কৰা কৌশল বা আদৱ-কায়দা শিকাবলৈ শিক্ষকসকলৰ দ্বাৰা মোহৰা দিয়া হৈছিল। মোহৰাবিলাকৰ ভিতৰত এটা ইমান চিত্তাকৰ্ষক আৰু প্ৰাণোচ্ছল আছিল যে আজিলৈকে মই তাক পাহৰিব পৰা নাই। বিষয়টো আছিল, "Democracy in India is a misnomer' অধ্যাপক বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তীয়ে সপক্ষে আৰু অধ্যাপক হেমেন্দ্ৰ বৰঠাকুৰে বিপক্ষে তৰ্ক কৰিছিল।

সৰস্বতী পূজাৰ পিছদিনাখনেই অনুষ্ঠিত হোৱা সৰস্বতী সন্মিলনত আকস্মিক বক্তৃতা, তৰ্ক আৰু কলা প্ৰতিযোগিতা পতাটো এটা নিয়মীয়া ৰীতিয়ে হৈ পৰিছিল। পিছলৈ গৈ এই প্ৰতিযোগিতাসমূহ 'কলেজ–সপ্তাহ' সমাৰোহত অনুষ্ঠিত হৈছিল।

কানৈ কলেজৰ আলোচনীৰ প্ৰথম সংখ্যাটো প্ৰকাশ পায় ১৯৪৮ চনত। এই সংখ্যাৰ সম্পাদিকা আছিল শ্ৰীমতী ইৰা দত্ত।

কলেজৰ নতুন গৃহ নিৰ্ম্মাণ কৰা হয় কদমণি অঞ্চলত। নিৰ্ম্মাণ কাৰ্য্য শেষ হয় ১৯৫৭ চনত। ১৯৫৮ চনত এই নতুন ঘৰলৈ কলেজ স্থানান্তৰিত কৰা হয়। তেতিয়াৰ উপায়ুক্ত শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা ডাঙৰীয়াৰ কাৰ্য্যদক্ষতাৰ জৰিয়তে ভাৰতৰ তৎকালীন উপ-ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণদেৱে কলেজৰ নৱনিৰ্ম্মিত গৃহৰ দ্বাৰোদ্বোধন কৰিবলৈ সন্মতি প্ৰদান কৰে। ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখে এইগৰাকী বিশ্ববিখ্যাত পণ্ডিতে ডিব্ৰুগড়ত পদাৰ্পণ কৰি চহৰখনৰ শোভা বঢ়াইছিল আৰু সেইদিনাই তেখেতে কলেজ-গৃহৰ উদ্বোধন কৰিছিল। তেখেতৰ সমগ্ৰ ভাষণটিকে 'টেপ ৰেকৰ্ড' কৰি ৰখা হৈছিল।

১৯৬০ চনত আমাৰ কলেজতে সংস্কৃত বুৰঞ্জী আৰু অৰ্থনীতিৰ স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্ত্তন কৰা হয়। ১৯৬৭ চনলৈকে স্নাতকোত্তৰ শ্ৰেণী চলাই থকা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ কলেজৰ স্নাতকোত্তৰ শ্ৰেণী কেইটাক স্বীকৃতি দিছিল। ১৯৬২ চনৰ পৰা এই কলেজৰ পৰা স্নাতকোত্তৰ পৰীক্ষা দিয়া ছাত্ৰসকলে প্ৰাইভেট হিচাপে পৰীক্ষা নিদি ৰেগিউলাৰ হিচাপে পৰীক্ষা দিয়াৰ সুবিধা অৰ্জ্জন কৰিছিল। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰতহে তেওঁলোকে পৰীক্ষা দিব লাগিছিল।

এই কলেজৰ পৰা সংস্কৃত বিষয়ত স্নাতকোত্তৰ পৰীক্ষা দিয়া ছাত্ৰসকলে সন্তোষজনক সাফল্য অৰ্জ্জন কৰিছিল। উল্লেখযোগ্য যে দুজন ছাত্ৰই প্ৰথম শ্ৰেণী লাভ কৰি সুখ্যাতি অৰ্জ্জন কৰিছিল। অৰ্থনীতি বিষয়ত এজন ছাত্ৰই তৃতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। সেই বছৰত প্ৰথম শ্ৰেণী কোনো ছাত্ৰই পোৱা নাছিল। সেই কেইবছৰত কেইজনমান অতিৰিক্ত শিক্ষক নিযুক্ত কৰিবলগীয়া হৈছিল, কেৱল স্নাতকোত্তৰ মহলাৰ বাবে। এই মহলাৰ অধিক সংখ্যক শিক্ষকেই কলেজৰ ৰেগিউলাৰ শিক্ষকহে। এখেতসকলে স্নাতকোত্তৰ মহলাত পাৰ্ট-টাইম হিচাপেহে কাম কৰিছিল।

পি, এইচ, ডি, অথবা ডি, ফিল, উপাধি লাভৰ বাবে গৱেষণা কৰি থকা শিক্ষক-

সকলক কলেজ গ্ৰন্থাগাৰৰ কিতাপ-পত্ৰৰ যোগান ধৰা হৈছিল। তদুপৰি উচচ শিক্ষা লাভৰ বাবে বিদেশলৈ যাব খোজা শিক্ষকসকলক কলেজে ছুটী মঞ্জুৰ কৰিছিল। এই বিষয়ত অধ্যাপক ভূপেন চৌধুৰী, সলিল কুমাৰ বসু, ভুৱন চন্দ্ৰ ছুতীয়াৰ নাম উল্লেখ-যোগ্য। আমাৰ কলেজৰ পৰা অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীউপেন্দ্ৰ নাথ গোস্বামীয়ে তেওঁৰ শোধগ্ৰন্থ 'Kamarupi Dialect'ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পোনতে D. Phil উপাধি লাভ কৰে। অইন কেইগৰাকীমান শিক্ষকেৰে সৈতে মই নিজেও গৱেষণা চলাই আছিলোঁ। এখেতসকলৰ ভিতৰত নিৰ্ম্মলকুমাৰ বসু, আশুতোষ বিশ্বাস, টি, কে, আয়াৰ; জি, বি, এল দাসৰ নাম উল্লেখযোগ্য।

১৯৪৭ চনৰ পৰা ১৯৫৭ চনলৈ প্ৰায় দহ বছৰ কাল ধৰি আমাৰ কলেজত অইন এটি শ্ৰেণীৰ অৱতাৰণা কৰা হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত জীৱনত অপৰ্যাপ্ত উপকাৰিতা সাধন কৰা এই শ্ৰেণীটো আছিল 'পুস্তক-পৰিচয়।' শ্ৰেণীটো খোলাৰ মূল উদ্দেশ্য আছিল প্ৰথম বাৰ্ষিক আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰসকলৰ মাজত নতুন কিতাপ আৰু প্ৰখ্যাত প্ৰকাশন পৰিষদৰ সৈতে চিনাকি কৰি দিয়া। ছাত্ৰ-ছাত্ৰীসকলক ন ন কিতাপৰ সৈতে পৰিচয় কৰি দিয়াৰ লগতে সেই কিতাপসমূহ পঢ়িবলৈ তেওঁলোকক উপদেশ দিয়া হৈছিল। মই নিজে প্ৰতি সোমবাৰে প্ৰথম বাৰ্ষিক আৰু প্ৰতি বুধবাৰে তৃতীয় বাৰ্ষিকৰ ছাত্ৰসকলক পঢ়াইছিলোঁ। কিতাপবোৰ পৰিচয় কৰি দিয়াৰ লগে লগে ছাত্ৰসকলে সেইবোৰ নিজ চকুৰে চাব পাৰিছিল। এই উদ্দেশ্যে কিতাপবোৰ শ্ৰেণী-লৈকে অনা হৈছিল। এই শ্ৰেণীটোৱে ডেকা ছাত্ৰসকলৰ বাবে শিক্ষাৰ বাটত এক নতুন জ্ঞান-দিগন্তৰ সাধন কৰিছিল। ছাত্ৰসকলৰ মাজত ইয়াৰ প্ৰতি বিশেষ অনুৰাগ পৰিলক্ষিত হৈছিল। অসমৰ কলেজসমূহ পৰিদৰ্শন কৰিবলৈ গুৱাহাটী বিশ্ব-বিদ্যালয়ে বঙ্গবাসী কলেজৰ অধ্যক্ষ শ্ৰীপ্ৰসান্ত কুমাৰ বসুক দুবাৰ নিয়োগ কৰিছিল। আমাৰ কলেজ পৰিদৰ্শন কৰোঁতে তেখেতে 'পুস্তক-পৰিচয়' শ্ৰেণীৰ কথা জানিব পাৰি অতিশয় আনন্দিত হয় আৰু উদাত্তকণ্ঠে ভূয়সী প্ৰশংসা আগবঢ়ায়। অকল সেয়ে নহয়, পিচতে নিজৰ কলেজতো তেনে শ্ৰেণী খোলাৰ কথা তেওঁ আমাক জনাইছিল।

অনাৰ্চ শ্ৰেণীত কাব্যৰ ইতিহাস পঢ়ুৱাব লাগে। এই শ্ৰেণীটো আমি শ্ৰেণীৰ কোঠাৰ ভিতৰত নলৈছিলোঁ, লৈছিলোঁ পুথিভঁৰালত। ইতিহাস বা বুৰঞ্জীত সন্নিবদ্ধ কিতাপবোৰৰ বিষয়ে পঢ়োৱাৰ লগে লগে পুথিভঁৰালৰ পৰা সেই গ্ৰন্থখন আনি তাৰ বিষয়ে তন্ন তন্নকৈ ছাত্ৰসকলক সকলো কথা দেখুৱাই দিয়া হৈছিল। ছাত্ৰসকলক এনেদৰে 'জীৱন্তৰূপ'ত পঢ়ুৱা আৰু 'বাস্তৱ আকাৰে' সকলোবোৰ দেখুৱাই দিয়া কৌশলটো মই শিকিছিলোঁ মোৰ পূজ্যাস্পদ কটন কলেজৰ প্ৰাক্তন অধ্যাপক শ্ৰীলক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়দেৱৰ পৰা।

ছাত্ৰ-জীৱনত সমাজ সেৱা এটা বিশেষ অঙ্গ। দেশৰ ভৱিষ্যতে আজিৰ ডেকা ছাত্ৰসকললৈকে অপেক্ষা কৰি আছে। সমাজৰ একো একোটা বিশিষ্ট অঙ্গ হিচাপে প্ৰতিজন ছাত্ৰৰে সমাজৰ প্ৰতি যথেষ্ট কৰিবলগীয়া আছে। ইয়াৰ উপৰিও সমাজৰ মাজেদিহে ব্যক্তিয়ে নিজৰ জীৱনৰ পূৰ্ণতা অৰ্জ্জন কৰিব লাগে। সেয়েহে ছাত্ৰ-জীৱনতে প্ৰতিজন ডেকা-গাভৰুৱে সমাজসেৱাৰ প্ৰতি মনোনিবেশ কৰা বাঞ্ছনীয়, সমাজৰ কামত আত্মনিয়োগ কৰাটো প্ৰত্যেকৰে কৰ্ত্তব্য। ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ বাবে ই কোনো নতুন কথা নহয়। আমাৰ কলেজৰ প্ৰতিজন ছাত্ৰই, প্ৰতিজনী ছাত্ৰীয়ে সমাজসেৱাৰ মন্ত্ৰত দীক্ষিত। সমস্যাবহুল দেশ অসমত কি সামাজিক, কি ৰাজনৈতিক, কি প্ৰাকৃতিক এটাৰ পিচত এটাকৈ দুৰ্যোগৰ সৃষ্টি হৈয়ে থাকে। এইবিলাকৰ প্ৰতিকাৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সহায় কৰি আহিছে। ১৯৫৪ চনৰ প্ৰৱল বানপানীৰ কথা সকলোৰে মনত আছে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই হাজাৰ বিজাৰ লোকক গৃহহীন কৰে, শ শ লোকৰ সলিল সমাধি হয়। পানীৰ কোবাল সোঁতে উটুৱাই নিয়াৰ আগতে বানপ্ৰপীড়িত লোকসকলৰ ঘৰৰ বস্তু-বাহানি বাহিৰলৈ উলিওৱাত আৰু সেইবোৰ নিৰাপদ ঠাইলৈ কঢ়িয়াই নিয়াত আমাৰ ছাত্ৰসকলে প্ৰাণপণে সহায় আগবঢ়াইছিল। সমাজসেৱাত ব্যস্ত থাকিব লগা বাবে আমাৰ ৰাতিপুৱাৰ শ্ৰেণীবোৰ



প্ৰায় এমাহজুৰি বন্ধ কৰি দিয়া হৈছিল। প্ৰপীড়িত লোকসকলক সহায় কৰাত আমি শিক্ষকসকলেও ছাত্ৰৰ লগত মিলি গৈছিলোঁ। স্বেচ্ছাসেৱক বাহিনীত ভৰ্ত্তি হৈ আমি বিপদ-বিঘিনি সঙ্কুল ঠাইতো কৰ্ম্মৰত হৈছিলোঁ। এই স্বেচ্ছাসেৱক বাহিনী তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ আদৰ্শক ভিত্তি কৰি গঢ়ি উঠিছিল। ১৯৫৪ চনৰ চেপ্তেম্বৰ মাহত নগৰৰ চৌপাশে ঘূৰি নেহৰুৱে সেই ভয়ঙ্কৰ ক্ষতি আৰু পুনৰ্ণিৰ্মানৰ মানসিক তথা শাৰীৰিক প্ৰস্তুতিৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছিল। তৰঙ্গায়িত নদীৰ কোবাল সোঁতক বাধা দিবলৈ আমাৰ কলেজৰ শিক্ষক, ছাত্ৰ উভয়ে নদীলৈ শিলগুটি আদি দলিয়াইছিল। সমাজ সেৱাৰ নামত নিজে নিজৰ ঢোল বজাই ফুৰাৰপৰা বিৰত থাকিবলৈ মই ছাত্ৰসকলক সদায় অনুপ্ৰাণিত কৰিছিলোঁ। কিছুমান সংস্থা বা অনুষ্ঠানৰ আত্মপ্ৰচাৰৰ মনোবৃত্তিয়ে মোক বাৰুকৈ দুখ দিছিল। কিন্তু তেওঁলোকে মাথোঁ কেই-ঘণ্টা বা কেইদিনমানৰ বাবেহে কামৰ নামত নিজক জাহিৰ কৰাৰ চেষ্টাত আছিল। তেওঁলোকে লগত আনিছিল কেমেৰামেন। আলোচনী বা বাতৰি কাকতৰ বুকুত তেওঁলোক অমৰ হৈ যাব বিচাৰিছিল। প্ৰকৃততে এনে ভেৰীনিনাদেই সমাজ সেৱাৰ সকলো উৎসাহ, প্ৰেৰণা মষিমূৰ কৰি পেলায়। শিক্ষক আৰু ছাত্ৰৰ সহযোগতে কলেজ চৌহদৰ কেবাটিও পথ সজা হৈছিল আৰু কিছুমান সাধাৰণ দ' ঠাই পুতি পেলোৱা হৈছিল। আমাৰ ছাত্ৰসকলৰ নিয়মানুৱৰ্ত্তিতা আৰু শৃঙখলাই অকল কলেজ পৰিদৰ্শক সকলকে নহয়, আন বহুতো গণ্যমান্য ব্যক্তিৰো দৃষ্টি আকৰ্ষণ কৰিছিল। শ্ৰীপ্ৰকাশ, অসমৰ গভৰ্ণৰ ফজল আলি, স্বৰ্গীয় গোপীনাথ বৰদলৈ, শ্ৰীবিষ্ণুৰাম মেধি, আচাৰ্য্য জে, বি, কৃপালনি, শঙ্কৰ ৰাও দেৱৰ দৰে পণ্ডিত আৰু ডক্টৰ ৰাধাকৃষ্ণণেও ছাত্ৰসকলৰ নিয়মানুৱৰ্ত্তিতাক ভূৰি ভূৰি প্ৰশংসা কৰিছিল। আমাৰ কলেজৰ নিয়মানুবৰ্ত্তিতাৰ দ্বাৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদগ্ধ পণ্ডিত অধ্যাপক আইচ্টাৰলাইন (Eisterline) ইমান গভীৰভাৱে প্ৰভাৱিত হৈছিল যে তেওঁ 'ইউনাইটেড 'ষ্টেটচ্ ইন্‌ফৰমেচন চাৰ্ভিচ'ৰ দ্বাৰা প্ৰকাশিত পত্ৰিকা এখনিত তেওঁৰ চাক্ষুষ বৰ্ণনা লিপিবদ্ধ কৰিছিল।

স্মৃতিজড়িত কাৰ্য্যাৱলীৰ কথা কৈ অঁতাব নোৱাৰি, লিখনীয়ে বৈ যাব নোখোজে। কিন্তু মই বৈ যাব লাগিব, নহ'লে সেই কাৰ্য্যাৱলীয়েই স্মৃতিগ্ৰন্থখনিৰ এটি শকত অংশ অধিকাৰ কৰিব। তেতিয়া হলে প্ৰত্যেক প্ৰৱন্ধৰ বাবে ভগাই থোৱা পৃষ্ঠা গণনাত আউল লাগিব। গতিকে মোৰ মানসপটত ভাহি থকা কেইটিমান মধুৰ দৃশ্যৰ অৱ-তাৰণা কৰাৰ পাচতে মই মোৰ প্ৰৱন্ধৰ সামৰণি মাৰিম।

কলেজৰ চালুকীয়া অৱস্থাতে ছাত্ৰ আৰু শিক্ষকসকলে এবাৰ আইথান নামে এখন তীৰ্থস্থানলৈ বনভোজ খাবলৈ গৈছিলোঁ। তেতিয়া আজিৰ জানুৱাৰী মাহ। মই ৰিক্সাত গৈছিলোঁ; আনবিলাক গৈছিল শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ গাড়ীত। মই দুখন নিৰামিষ ব্যঞ্জন ৰান্ধিছিলোঁ। আৰু ছাত্ৰসকলে ৰান্ধিছিল দুখন আমিষ ব্যঞ্জন। আহাৰৰ পাচত সকলোৱে আবৃত্তি আৰু গানত যোগদান কৰিছিল। দলৰ নিৰ্দ্দেশক্ৰমে মই চেক্সপীয়েৰৰ সিদ্ধহস্ত লেখনী প্ৰস্তুত 'জুলিয়াচ চিজাৰ'ৰ মাৰ্ক এণ্টোনীৰ বচন আৰু কেইটিমান বৈদিক স্তোত্ৰ আবৃত্তি কৰিছিলোঁ। দত্তই দুটা ইংৰাজী কবিতা আবৃত্তি কৰিছিল। ছাত্ৰসকলেও বিভিন্ন আবৃত্তিৰ যোগে এক সুন্দৰ পৰিবেশ গঢ়ি তুলিছিল। নদীৰ শুকান বালিৰ ওপৰত ঘূৰি ঘূৰি মই কীটচৰ 'নাইটিঙ্গেলৰ গান' (Nightingale ode) আৰু ওৱৰ্ডছ্ ওৱৰ্থৰ 'অমৰত্বৰ গান' (Immortality ode) আবৃত্তি কৰি কৰি বুজাই দিছিলোঁ। কেইজনমান শিক্ষকে ৰবি ঠাকুৰৰ কবিতা আবৃত্তি কৰিছিল। প্ৰত্যাৱৰ্ত্তন কালত দত্তৰ গাড়ীখন বাটতে বিকল হয়। নিৰ্মল ঘোষ, চিত্ত, অনিল কুমাৰ আৰু আন ছাত্ৰসকলে প্ৰায় এমাইল ধৰি গাড়ীখন ঠেলি ঠেলি আনিছিল। তথাপি গাড়ী 'ষ্টাৰ্ট' নহ'ল। মই ৰিক্সাত আগবাঢ়ি গৈ এটি মেচিন পথাই দিছিলোঁ আৰু গাড়ীখন কাৰ্য্যক্ষম হৈ উঠিছিল।

বিদায় দিবসত, আগেয়ে বি, এ, মহলাৰ ছাত্ৰসকলে অনুষ্ঠানৰ আগ মুহূৰ্ত্তত সাধাৰণ আমোদৰ সময়ত শিক্ষকৰ থালৰ পৰা মিঠাই আদি নি খাইছিল। আমি শিক্ষকসকলে

তাত বৰ ৰং পাইছিলোঁ। কাৰণ ইয়াৰ জৰিয়তে ছাত্ৰসকলৰ একান্ত শ্ৰদ্ধা আৰু মৰমৰ আভাস পোৱা গৈছিল।

অধ্যাপক তফজ্জুল আলিয়ে আমাৰ কলেজত যোগদান কৰাৰ দিনাখন ছাত্ৰসকল আনন্দত বিহ্বল হৈ পৰিছিল। যিহেতু অধ্যাপক আলি এজন সুগায়ক আছিল সেই-বাবে অতি সোনকালে এটি সঙ্গীতানুষ্ঠানৰ ব্যৱস্থা কৰা হৈছিল। আনন্দমুখৰ পৰিৱেশত আলিয়ে কেবাটিও গান গাইছিল। গানত ব্যুৎপত্তি থকা শিক্ষকসকলৰ আনবিলাকেও সঙ্গীতানুষ্ঠানত অংশ গ্ৰহণ কৰিছিল।

ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা ব্যক্তিৰে শিক্ষকমণ্ডলী গঠিত হৈছিল। অসম বঙ্গ, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মাদ্ৰাজ, মহীশূৰ, মহাৰাষ্ট্ৰ, কেৰালা, মধ্য প্ৰদেশ আৰু কাশ্মীৰ আদি সকলো ঠাইৰে ব্যক্তিৰ সমাৱেশত অধ্যাপক মণ্ডলী সৃষ্টি হৈছিল। ১৯৫৪ চনৰ 'কলেজ সপ্তাহ'ত এইটো সিদ্ধান্ত কৰা হৈছিল যে ভাৰতৰ বিভিন্ন প্ৰদেশৰ অধ্যাপকে আপোন দেশৰ ভাষাত এটিকৈ গান গাব লাগিব। আলি আৰু বীণাই অসমীয়াত এটি দ্বৈতসঙ্গীত গাইছিল। বীৰেন ভট্টাচাৰ্য্যই গাইছিল বঙলাত। ৰথোই উৰিয়াত, প্ৰেমচান্দ জৈনে হিন্দীত, নাৰায়ণমে তেলেগুত, চি, কে, মেথিউৱে তামিলত, আইয়াৰে মালয়ালমত, পৰান্‌জিপে মাৰাঠী আৰু গুজৰাটীত। মই গাইছিলোঁ সংস্কৃতত আৰু শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই গাইছিল ইংৰাজীত। আমাৰ শিক্ষক আৰু ছাত্ৰসকলে ইয়াক বাৰুকৈ উপভোগ কৰিছিল।

অসমৰ সকলো কলেজৰ ভিতৰত আমাৰ কলেজতে প্ৰথমে কেবাখনো সংস্কৃত নাটকৰ অভিনয় কৰা হৈছিল। শকুন্তলা, মুদ্ৰাৰাক্ষস, মধ্যমা-ব্যায়োগ আদিৰ পৰা বিভিন্ন দৃশ্য আমাৰ ছাত্ৰসকলে অভিনয় কৰিছিল। ইয়াৰ বাবে যোগ্য সন্মানৰ উত্তৰাধিকাৰী হ'ল প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ৰ লগতে অধ্যাপক বিশ্বাস আৰু ডক্টৰ আইয়াৰ।

+ +

**কানৈ মহাবিদ্যালয়ৰ আৰম্ভনিতে কামকৰা শিক্ষক কেইজন**

| | |
|---|---|
| যোগীৰাজ বসু—অধ্যক্ষ | সুশীল চন্দ্ৰ দত্ত—অধ্যাপক |
| মজিবুৰ ৰহমান—উপাধ্যক্ষ | নিৰ্ম্মল কুমাৰ বসু ,, |
| লক্ষ্মীপ্ৰসাদ দত্ত— অধ্যাপক | ৰাজেন্দ্ৰ নাথ লাল ,, |
| উমা প্ৰসন্ন দে ,, | দিপালী চৌধুৰী ,, |
| ৰসন লাল আগৰৱালা ,, | ৰাজেন্দ্ৰ নাথ ,, |
| বেনুধৰ ৰাজখোৱা ,, | বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য ,, |
| দেৱকুমাৰ দত্ত ,, | সৰোজকুমাৰ মজুমদাৰ ,, |
| পৰশুৰাম সনোৱাল ,, | সুৰেন্দ্ৰ নাথ শৰ্ম্মা ,, |
| শক্তিপদ পাত্ৰ ,, | |

# উজনি অসমৰ শিক্ষা বিস্তাৰত কানৈ কলেজৰ অৱদান

প্ৰাক্তন অধ্যক্ষ **শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত**

উজনি অসমত উচ্চশিক্ষা প্ৰদানৰ মহান অভিপ্ৰায়েৰে ১৯৪৫ চনত ডিব্ৰুগড় কলেজ স্থাপন কৰা হৈছিল। এচাম স্বাৰ্থত্যাগী, শিক্ষাব্ৰতী তৰুণ যুৱকৰ সহযোগিতাত শ্ৰীঅশ্বিনী চৌধুৰীয়ে অশেষ প্ৰচেষ্টাৰে এই কাম সম্ভৱপৰ কৰিছিল। ৰায় বাহাদুৰ সদানন্দ দুৱৰা আৰু ৰায় বাহাদুৰ ডাঃ পি. এন. ঘোষে এই আঁচনি ফলৱতী কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শ যোগাইছিল। পুঁজিৰ নামত এটা ফুটা কড়িও নোহোৱাকৈয়ে পোনতে স্থানীয় জৰ্জ্জ হাইস্কুলত কলেজীয়া শিক্ষাৰ পাতনি মেলা হৈছিল। যথাসময়ত কলা আৰু বাণিজ্য বিষয়ত কলেজখনে কলিকতা বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি লাভ কৰিছিল।

ৰায় বাহাদুৰ দুৱৰাৰ চেষ্টা আৰু অনুপ্ৰেৰণাত এই চালুকীয়া শিক্ষানুষ্ঠানখনিয়ে কিছুদিনৰ পিচত ৰায়চাহাব কানৈৰ পৃষ্ঠপোষকতা লাভ কৰে। তেখেতে প্ৰথমতে কলেজৰ পুথিভঁৰালৈ দহ হেজাৰ টকা আগ বঢ়ায়। তাৰ পিচত যেতিয়া বিজ্ঞান বিষয়ত শিক্ষাদানৰ আঁচনি কৰা হয়, তেতিয়া তেখেতে আকৌ এক লাখ টকাৰ বৰঙণি দিয়ে। কদমনীৰ গাভৰু পথাৰত কলেজৰ নতুন ভৱন নিৰ্ম্মাণ কৰিবলৈ তেখেতক অনুৰোধ কৰা হয় আৰু তেখেতৰ বদান্যতাৰ ফলতেই আজিৰ এই মনোমোহা কলেজ ভৱন গঢ়ি উঠে। তেখেতৰ এই উদাৰতাক স্বীকৃতি দি ডিব্ৰুগড়ৰ ৰাইজে ডিব্ৰুগড় কলেজক তেখেতৰ নামানুসৰি 'ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ' বুলি নাম-কৰণ কৰে। লাহে লাহে কলা, বিজ্ঞান, বাণিজ্য সকলো বিষয়তে কলেজখনে স্বীকৃতি লাভ কৰে আৰু উক্ত তিনিওটা শাখাতে বিভিন্ন বিষয়ত অনাৰ্চ খোলা হয়। অকল উজনি অসমতে নহয়, সমগ্ৰ অসমৰ ভিতৰতে এটি অন্যতম শিক্ষানুষ্ঠানৰূপে কানৈ কলেজে খ্যাতি লাভ কৰে। কলেজৰ কৰ্ম্মকৰ্ত্তাসকলে স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অনুমতি লাভ কৰিছিল আৰু সংস্কৃত, অৰ্থনীতি আৰু বুৰঞ্জী—এই তিনিটা বিষয়ত স্নাতকোত্তৰ মহলাৰ শিক্ষাদান কৰা হৈছিল। কলেজৰ বাণিজ্য শাখাই বিশেষভাৱে উন্নতি আৰু প্ৰসাৰতা লাভ কৰাত বাণিজ্য শাখাক এখন পূৰ্ণাঙ্গ বাণিজ্য কলেজলৈ ৰূপান্তৰিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি ১৯৬০ চনত কানৈ কলেজৰ তত্ত্বাৱধানত ডিব্ৰুগড় হনুমান বক্স সুৰযমল বাণিজ্য কলেজ স্থাপন কৰা হয় আৰু এই শিক্ষানুষ্ঠানখনিক গুৱাহাটী বিশ্ববিদ্যালয়ে স্বীকৃতি দিছিল। অসমৰ ভিতৰতে আজিলৈকে এইখনেই একমাত্ৰ পূৰ্ণাঙ্গ বাণিজ্য কলেজ।

কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বছৰে বছৰে বৃদ্ধি হৈ অহাত এখন 'স্বকীয়া মহিলা কলেজ স্থাপন কৰাৰো সিদ্ধান্ত লোৱা হয় আৰু তাৰেই পূৰ্ণাঙ্গ ৰূপ বৰ্ত্তমানৰ মনোহাৰী দেৱী কানৈ মহিলা কলেজ'।

এনেকৈয়ে কানৈ কলেজ প্ৰাঙ্গণত এখন এখনকৈ কেইবাখনো কলেজ গঢ়ি উঠাত অসমত দ্বিতীয় এখন বিশ্ববিদ্যালয়ৰ বিশেষ প্ৰয়োজন অনুভৱ কৰা হয় আৰু এই উপলক্ষত অগ্ৰগনী হৈ পৰে কানৈ কলেজ সমূহেই। সেই মহৎ আঁচনি ফলৱতী কৰিবলৈ ৰায়চাহাব কানৈয়ে এটি শকত বৰঙণি আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দিয়ে। সুদীৰ্ঘ

পাঁচ বছৰ জোৰা অক্লান্ত চেষ্টাৰ মূৰত ১৯৬৫ চনত ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় গঢ়ি উঠে। উল্লেখযোগ্য যে সেই একে বছৰতে কানৈ আইন কলেজো প্ৰতিষ্ঠা কৰা হয়।

এয়া বৰ গৌৰৱৰ বিষয় যে ১৯৪৫ চনৰ পৰা আৰম্ভ কৰি আজিলৈকে প্ৰায় ২৬ বছৰৰ ভিতৰত উজনি অসমৰ উচ্চশিক্ষাই অতি ক্ষিপ্ৰগতিৰে আগবাঢ়িছে আৰু তাৰেই সাক্ষী ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় আৰু যোৰহাটত স্থাপিত হোৱা অসমৰ কৃষি বিশ্ববিদ্যালয়।

উজনি অসমত উচ্চশিক্ষা বিস্তাৰৰ পথত ডিব্ৰুগড় হনুমান বক্স সূৰযমল কানৈ কলেজৰ অৱদান উল্লেখযোগ্য। যি সকল শিক্ষকে এইখন কলেজ গঢ়ি তুলিছিল, সেই সকল শিক্ষকেই ইয়াৰ উন্নতি সাধন আৰু আনকেইখন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ো গঢ়ি তুলিবলৈ তেওঁলোকৰ শ্ৰম আৰু সহযোগিতা আগবঢ়াই আহিছে। তদুপৰি যোৱা ২৬ বছৰত এই অঞ্চলৰ অনেক ঠাইত নতুন নতুন কেইবাখনো কলেজ স্থাপন কৰা হৈছে। আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তত্ত্বাবধানত অসমৰ তিনিখন জিলাৰ ডিব্ৰুগড়, লক্ষীমপুৰ আৰু শিৱসাগৰত মুঠ ৪৫ খন কলেজ আছে। কানৈ কলেজৰ বাবে এয়া বিশেষ গৌৰৱৰ বিষয় যে এই নতুন কলেজসমূহৰ সৰহ সংখ্যক অধ্যাপকক কানৈ কলেজেই গঢ় দিছিল।

বাণিজ্য কেন্দ্ৰ বুলি খ্যাতি থকা ডিব্ৰুগড় আজি উজনি অসমত শিক্ষা আৰু সংস্কৃতিৰ মূলকেন্দ্ৰ হৈ পৰিছে আৰু এই উন্নতিৰ মূলতে আছে হনুমান বক্স সূৰযমল কানৈ কলেজৰ সক্ৰিয় অৱদান। ছাত্ৰ ছাত্ৰী, শিক্ষক, শিক্ষাবিদ আৰু ডিব্ৰুগড় ৰাইজে কানৈ কলেজৰ ৰূপালী জয়ন্তী পতাৰ গৌৰৱ লাভ কৰিবলৈ পাই আনন্দমুখৰ হৈ পৰিছে। এই শুভক্ষণত শিক্ষাপ্ৰেমী সকলো ৰাইজ আনন্দিত হৈছে। আজিৰ এই স্মৰণীয় দিনত এই অনুষ্ঠানখনৰ লগত সংশ্লিষ্ট প্ৰতিজনেই অতীত গৌৰৱত সন্তুষ্ট নাথাকি নতুন উদ্যমেৰে নতুন গৌৰৱ সৃষ্টি কৰিবলৈ কৰ্ম্মক্ষেত্ৰত আগবাঢ়ি যোৱাৰ সঙ্কল্প লওক। এই পবিত্ৰ অনুষ্ঠানখনি উন্নতিৰ পথত আগবাঢ়ি যাওক, ইয়াৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকা, কৰ্ম্মকৰ্ত্তা, পৰামৰ্শদাতা সকলোৰে ওপৰত ভগৱানে আশীৰ্ব্বাদ বৰিষণ কৰক।

+ +

"বাস্তৱতে উচ্চ ভাবৰ ভাবুক আৰু ওখ দৰৰ কাৰ্য্যকাৰক সকলেই পৃথিৱীৰ বুৰঞ্জীৰো ঘাই ভেঁটি। সেই সকলৰ মহান ভাব আৰু কাৰ্য্যৰ চিন আঁকিবৰ কাৰণেই বুৰঞ্জীৰ প্ৰথম সৃষ্টি হয় বুলি কব পাৰি।"

—পদ্মনাথ গোহাঁঞি বৰুৱা



# কানৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক চ'ৰাত এভুমুকি

**অধ্যাপক প্ৰফুল্ল চক্ৰৱৰ্ত্তী**

১৯৪৫ চনত প্ৰতিষ্ঠা হোৱা উজনি অসমৰ অন্যতম বৃহৎ মহাবিদ্যালয় কানৈ কলেজে (তেতিয়াৰ ডিব্ৰুগড় কলেজ) এই উত্তৰ-পূব অঞ্চলটোত ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বহুত দিনৰ এটা অভাৱ পূৰণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সাংস্কৃতিক জীৱনটোৰ উৎকৰ্ষ সাধনৰ বাবে এখন দুৱাৰ মুকলি কৰি দিলে।

যি হওক, বিভিন্ন ক্ষেত্ৰত কৃতকাৰ্য্যতাৰে এই কলেজে পঁচিশটা বছৰ পূৰ্ণ কৰিলে। ৰূপালী জয়ন্তীৰ এই শুভ মুহূৰ্ত্তত কলেজখনে আমাৰ সাংস্কৃতিক জীৱনটোলৈ কি অৰিহণা যোগালে তাকেই স্মৰণ কৰা হেপাহেৰে এই প্ৰৱন্ধৰ জন্ম। সীমিত পৰিসৰত বিস্তৃত আলোচনাৰ সম্ভৱ নহয় বাবে ইয়াত এটি আভাস দিয়াৰহে চেষ্টা কৰা হৈছে।

মহাবিদ্যালয়খনত এই দিশটোৰ ক্ষেত্ৰত আৰম্ভণিৰপৰা জড়িত হৈ থাকি দেখিবলৈ পোৱা গৈছে যে এই অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুকুমাৰ কলাৰ বিভিন্ন ক্ষেত্ৰত যথেষ্ট প্ৰতিভা আছে। কেৱল সুযোগ-সুবিধা আৰু প্ৰকৃত তত্বাৱধানৰ অভাৱ আছিল। বিভিন্ন জাতি-উপজাতি আৰু ভাষা উপ-ভাষাৰ জনসমষ্টিৰে পূৰ্ণ এই অঞ্চলটোৰ সাংস্কৃতিক জীৱন ৰামধেনুৰ সাত ৰঙৰ দৰে বৰ্ণাঢ্য। সদৌ অসম আৰু সৰ্ব্বভাৰতীয় সুকুমাৰ কলাৰ বিভিন্ন প্ৰতিযোগিতাত কনৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে অৰ্জ্জন কৰা কৃতকাৰ্য্যতা আৰু সুখ্যাতিয়েই এই বৈচিত্ৰতাৰ প্ৰমাণ।

প্ৰধানকৈ তিনিটা ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিবিধ কলা-কৃষ্টিৰ চৰ্চা আৰু প্ৰদৰ্শন সীমাৱদ্ধ। সেয়া হ'ল—বাৰ্ষিক কলেজ সপ্তাহ, সদৌ অসম আন্তঃ কলেজ প্ৰতিযোগিতা আৰু সৰ্ব্বভাৰতীয় বা আন্তঃ বিশ্ববিদ্যালয় যুৱমহোৎসৱ।

ছাত্ৰ-ছাত্ৰীসকলে সুকুমাৰ কলা-প্ৰতিভাৰ বিকাশত প্ৰথম সুবিধা পায় কলেজ সপ্তাহ উৎযাপনত। ইয়াতেই কলা-কৃষ্টিৰ বিভিন্ন দিশত থকা হেপাহ পাৰদৰ্শিতা আদিৰ প্ৰথম পৰিচয় পোৱা যায়। এইখিনিতে উনুকিয়াব লগা কথা যে ১৯৪০ চনৰ ৩০ এপ্ৰিল তাৰিখৰ দিনাখন ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কলেজ-সপ্তাহৰ সঙ্গীত সন্মিলনৰ পৌৰোহিত্য কৰে এয়া কানৈ কলেজৰ সৌভাগ্য আৰু তেতিয়াৰপৰাই নৱ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ কানৈ কলেজৰ সুকুমাৰ কলাৰ প্ৰগতিৰ বাটত ছাত্ৰ-ছাত্ৰীসকলৰ পদক্ষেপ আৰম্ভ হয়। সেইদিনাৰপৰাই আজি পৰিমিত কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কলা কৃষ্টি, বিশেষকৈ সঙ্গীত আৰু একাঙ্ক নাট্য, অনাতাঁৰ নাট আদিৰ চৰ্চা চলি আহিছে আৰু বিকাশ সাধিত হৈছে। ১৯৫৫ চনটো সাংস্কৃতিক প্ৰগতিৰ এটি দৃঢ় পদক্ষেপ। এই বছৰটোতে কলেজ কৰ্ত্তৃপক্ষই সহ-অভিনয়ৰ অনুমোদন কৰে আৰু তেতিয়াৰপৰাই নাট্যাভিনয়ৰ ক্ষেত্ৰত এটি অন্তৰায় দূৰীভূত হয়। সেই বছৰত সাংস্কৃতিক সপ্তাহত প্ৰথম সহ-অভিনয়ৰ নাট 'পেৰাডক্স' ( Paradox ) কৃতকাৰ্য্যতাৰে অভিনীত হয়। সেই

বছৰৰ একৈশ ডিচেম্বৰলৈ চিলঙত অনুষ্ঠিত হোৱা তৃতীয় সদৌ অসম আন্তঃ মহাবিদ্যালয় সঙ্গীত সন্মিলন আৰু প্ৰতিযোগিতাত কানৈ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। বহুত আশা বুকুত বান্ধি লৈ কুৰিজনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটাৰ সৈতে চিলঙত উপস্থিত হোৱা হ'ল। লগত আছিল অধ্যাপিকা বীণা চৌধুৰী। সেই প্ৰতিযোগিতাত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল। চেতাৰ বাদনত চন্দ্ৰপ্ৰভা দেৱীয়ে প্ৰথম স্থান আৰু লোকগীত প্ৰতিযোগিতাত বাসন্তী দেৱীয়ে তৃতীয় স্থান লাভ কৰে। তদুপৰি আমাৰ ছাত্ৰ-ছাত্ৰীৰ সহ-অভিনয়ৰ প্ৰথম প্ৰয়াস 'পেৰাডক্স' নাটকখনিয়ে নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সাফল্য অৰ্জ্জন কৰাত ছাত্ৰসকল উৎসাহিত হৈছিল। এইদৰে ক্ৰমে আন্তঃ মহাবিদ্যালয় সঙ্গীত আৰু নাট প্ৰতিযোগিতাত আমাৰ ছাত্ৰ-ছাত্ৰী-সকলে অভূতপূৰ্ব্ব সাফল্য অৰ্জ্জন কৰিব পাৰিছিল। উনৈশ শ ছাপান্ন চনত (১৯৫৬) যোৰহাটত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয়ৰ সঙ্গীত প্ৰতিযোগিতাৰ তবলা প্ৰতিযোগিতাত প্ৰফুল্ল কলিতাই প্ৰথম স্থান আৰু মিছিং গীতত শশীপ্ৰভা দলে আৰু তাকং মোদেকে ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে। বিহুগীতত কল্যাণী দেৱীয়ে তৃতীয় স্থান পায়। সেই বাৰেই অধ্যাপক তফজ্জুল আলি দেৱৰ প্ৰখ্যাত একাঙ্ক নাট "নেপাতি কেনেকৈ থাকো"ৰ অভিনয়ে তৃতীয় স্থান লাভ কৰে। এই বছৰটোত সুকুমাৰ কলাৰ ক্ষেত্ৰত আৰু কিছু কৃতিত্ব লাভ কৰা হয়। কানৈ মহাবিদ্যালয়ে অনাতাঁৰ নাটক অভিনয়ত অংশ গ্ৰহণ কৰে। সেই বছৰৰ অক্টোবৰ মাহৰ বাইশ তাৰিখৰ পৰা উনত্ৰিশ তাৰিখলৈ দিল্লীত অনুষ্ঠিত হোৱা তৃতীয় আন্তঃ বিশ্ববিদ্যালয় যুৱ-মহোৎসৱত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জ্জন কৰে। এই দলটোত আমাৰ কেইবাগৰাকীও শিল্পীয়ে যোগদান কৰিছিল। দলটোত জ্যোতিষ ভট্টাচাৰ্য্য, বিষ্ণুৰাম সন্দিকৈ, ছবিৰ আহমদ, জগদা দুৱৰা, প্ৰফুল্ল কলিতা, গগন বৰুৱা, মঞ্জুমালা ৰাজখোৱা, নীলিমা দেৱী, কল্যাণী দেৱী আৰু আৰতি দেৱী আছিল। দলটো পৰিচালনা কৰিছিল অধ্যাপক তফজ্জুল আলিয়ে। সহযোগী আছিল অধ্যাপিকা বীণা চৌধুৰী আৰু এই চ'ৰাৰ লিখক। সাংস্কৃতিক জগতত সু-পৰিচিত শিল্পী সুৰকাৰ নাট্যকাৰ, গীতিকাৰ তফজ্জুল আলিৰ পৰিচালনাত 'মানিক ৰাইটং' নাটকে সেইবেলি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে। তাতোকৈ উল্লেখ যোগ্য যে নাটকৰ সকলো background effect life ৰ মাধ্যমেৰে দিয়া হৈছে আৰু এই ক্ষেত্ৰত আকাশ বাণীৰ বাণীৱদ্ধ সঙ্গীতাংশতকৈও অধিক ফলদায়ক হোৱাত সকলোৰেপৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। কনৈ কলেজৰ ই অভূতপূৰ্ব্ব সাফল্য। 'মানিক ৰাইটংৰ' চৰিত্ৰৰ বাবে এই লিখকেও একেৰাহে আধা ঘণ্টা সময় বাঁহী বাদন কৰিব লগা হোৱাত এক নতুন অভিজ্ঞতা অৰ্জ্জন কৰে। এই বিৰাট সাফল্যৰ গুৰিতে অধ্যাপক আলিৰ একান্ত চেষ্টা, কৰ্ম্মকুশলতা আৰু সুকুমাৰ কলাৰ প্ৰতি থকা অদম্য হেপাহ। দিল্লীতো চূড়ান্ত প্ৰতিযোগিতাত যথেষ্ট সুনাম অৰ্জ্জন কৰে। আমাৰ উৎসাহী সঙ্গীত সম্পাদক অজিত বৰুৱাৰ কাৰ্য্য-কুশলতাৰ শলাগ নলৈ নোৱাৰি।

ইয়াৰ পিচৰ বছৰত (১৯৫৭ চনত) অধ্যাপক আলিদেৱৰ নেতৃত্বত কানৈ মহাবিদ্যালয়ৰ অনিল শৰ্ম্মা, জগদা জৱৰা, গগন বৰুৱা, মনোমতী গগৈ, জলি কাকতী—এই দলটোৱে আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱত একাঙ্ক নাট প্ৰতিযোগিতাত দ্বিতীয় স্থান অধিকাৰ কৰি কলেজৰ সুনাম অৰ্জ্জন কৰে। এওঁবিলাকে পৰিবেশন কৰা নাটকখন আছিল "হৰনাথৰ সংসাৰ" পুনৰ ১৯৫৮ চনত আমাৰ কলেজৰ দলটোৱে অধ্যাপক তফজ্জুল আলিৰ 'নেপাতি কেনেকৈ থাকো' একাঙ্কিকা খন অভিনয় কৰি গুৱাহাটীৰ বাচনিত প্ৰথম স্থান অধিকাৰ কৰি দিল্লীত অনুষ্ঠিত যুৱ মহোৎসৱত যোগদান কৰে। আৰু তাতো বিশেষ সন্মান লাভ কৰে। ১৯৬০ চনৰ বছৰটো লিখকৰ বাবে অলপ আপুৰুগীয়া বুলি কব পাৰি কিয়নো অনাতাঁৰ নাট সম্বন্ধে লিখকৰ যি ক্ষুদ্ৰ অভিজ্ঞতা তাকেই সম্বল হিচাবে লৈ "বুৰবুৰণি" (এম, হাজৰিকাৰ দ্বাৰা মূল বঙালী "বুদবুদৰ" পৰা অনূদিত) একাঙ্ক নাটখনি আন্তঃ মহাবিদ্যালয়ৰ অনাতাঁৰ নাট প্ৰতিযোগিতালৈ আগবঢ়োৱা হয়। এই প্ৰতি-



যোগিতাত নাটখনিয়ে শীৰ্ষস্থান লাভ কৰে। দলটোত আছিল লাৱণ্য হাজৰিকা, চায়ৰা খাতুন, এচ বৰুৱা, শশীকমল সন্দিকৈ, মবিজুল হাজৰিকা, গুণীন গোস্বামী, মানিক বৰা, প্ৰবোধ দাস, প্ৰফুল্ল শইকীয়া আৰু যোগেন্দ্ৰ নাথ বড়া ইয়াৰ উপৰিও সঙ্গীত সম্পাদক বৰুণ বড়াৰ তৎপৰতা উল্লেখযোগ্য। নাটখন পৰিচালনা কৰাৰ ক্ষেত্ৰত অংশ গ্ৰহণকাৰী সকলৰ একাণপতীয়া চেষ্টা আৰু স্বীয় প্ৰতিভাই এই লিখকক যিখিনি অনুপ্ৰেৰণা দান কৰিলে, সি এটা ডাঙৰ লাভ কিয়নো এই ক্ষেত্ৰত এক গভীৰ অভিজ্ঞতা অৰ্জ্জন কৰা হ'ল। ইয়াৰ পিচৰ বছৰৰ কলেজ-সপ্তাহৰ সুকুমাৰ কলা প্ৰতিযোগিতালৈ লক্ষ্য কৰিলে দেখা যায় যে এই প্ৰতিযোগিতাৰ পৰিসৰ ক্ৰমাৎ বৃদ্ধি হৈছে আৰু কৰ্তৃপক্ষৰ ফালৰপৰাও প্ৰতিভাৰ বিকাশৰ বাবে আৱশ্যকীয় প্ৰচেষ্টাৰ দিশটোলৈ লক্ষ্য কৰা দেখা গৈছে। এই বছৰতে সঙ্গীত শাখাৰ সম্পাদক গোলাপ চক্ৰৱৰ্ত্তীৰ তত্বাৱধানত বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোৰহাটত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত অভূতপূৰ্ব্ব সাফল্য অৰ্জ্জন কৰে। বিভিন্ন বিষয়ত মুঠ সাতোটা পুৰস্কাৰ লাভ কৰে। চেতাৰ বাদনত মিলন দেৱ প্ৰথম স্থান অধিকাৰ আৰু বেহেলা বাদনত মানিক বড়াৰ দ্বিতীয় স্থান অধিকাৰ বিশেষ উল্লেখযোগ্য। আমাৰ নাটক 'হে যুদ্ধ বিদায়'ৰ অভিনয়ে ভূয়সী প্ৰশংসা লাভ কৰে। প্ৰতিযোগিতাৰ বিভিন্ন দিশত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকল হ'ল, খগেন দত্ত, গুণীন গোস্বামী, মানিক বড়া, মুণীণ বৰ-গোহাঁই গোলাপ চক্ৰৱৰ্ত্তী, হাচান চৰিফ আহমেদ, বিজয় ভট্টাচাৰ্য্য, শশ সন্দিকৈ, অনিল ভট্টাচাৰ্য্য, ৰোশনাৰা বেগম, প্ৰতিভা দেৱী, প্ৰণতি গগৈ আৰু আৰ বেগম।

১৯৬৬ চনত একৈশৰ পৰা ছাব্বিশ ফেব্ৰুৱাৰীলৈ গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয়ৰ সঙ্গীত সন্মিলনৰ সঙ্গীত প্ৰতিযোগিতাত বিভিন্ন বিষয়ত আমাৰ কলেজ দলটোৱে অংশ গ্ৰহণ কৰি মুঠ পোন্ধৰটা পুৰস্কাৰ লাভ কৰে। আলম আৰা বেগম আৰু খগেন দত্তই সেইবেলি শ্ৰেষ্ঠ গায়কৰ সন্মান অৰ্জন কৰি মহাবিদ্যালয়ৰ সুনাম অক্ষুণ্ন ৰাখে। মেনকা দেৱীয়ে বিহু নাচত প্ৰথম পুৰস্কাৰ লাভ কৰাৰ উপৰিও আকৰ্ষণীয় নৃত্য ভঙ্গীমাৰে দৰ্শকক মোহিত কৰিব পাৰিছে। তদুপৰি মুনীন শৰ্ম্মাই তবলাত দ্বিতীয় স্থান, মানিক বড়াই বেহেলাত তৃতীয় স্থান আৰু পৰিতোষ মুখাৰ্জ্জীয়ে ৰাগ-প্ৰধানত তৃতীয় স্থান অধিকাৰ কৰে। একাঙ্ক নাট প্ৰতিযোগিতাতো আমাৰ দলে তৃতীয় স্থান লাভ কৰে। অধ্যাপক তফজ্জল আলিৰ "বাসন্তীৰ বিয়া" নাট খনিয়ে অনাতাঁৰ নাট হিচাবে শ্ৰেষ্ঠ পৰিগণিত হয় যদিও আন্তঃ বিশ্ববিদ্যালয়ৰ নাট প্ৰতিযোগিতাত নিচুকনি বটাহে লাভ কৰে। ১৯৬২ চনত দিল্লীত অনুষ্ঠিত হোৱা অষ্টম আন্তঃ বিশ্ব-বিদ্যালয় যুৱ মহোৎসৱৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত পতা বাচনিত কানৈ মহাবিদ্যালয়ে যোগদান কৰে। মুনীন শৰ্ম্মাই তবলা বাদনত প্ৰথম স্থান অধিকাৰ কৰি দিল্লীৰ প্ৰতিযোগিতাতো অংশ গ্ৰহণ কৰে।

১৯৬৪ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় যুৱ উৎসৱত দিলীপ বৰঠাকুৰে তবলাত প্ৰথম স্থান আৰু জয়শ্ৰী ৰাওৱে কৰ্ণাটিক শাস্ত্ৰীয় সঙ্গীতত দ্বিতীয় স্থান অধিকাৰ কৰি আমাৰ মহাবিদ্যালয়ৰ সুনাম অৰ্জ্জন কৰে। ১৯৬৫ চনৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক সপ্তাহত শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰা উদীয়মান শিল্পী ৰাজেন গোহাঁই প্ৰতিভাৱান। এওঁ বৰ্ত্তমান আকাশ বাণীৰ কণ্ঠশিল্পী। লঘূ আৰু শাস্ত্ৰীয় এই দুয়োবিধ সঙ্গীততে সমানে পাৰদৰ্শিতা দেখুৱাব পৰাটো আমাৰ বাবে সন্তোষৰ কথা।

কানৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোত বিশেষকৈ সঙ্গীত আৰু নাট অভিনয়ৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াই থৈ যোৱা আমাৰ মৰমৰ প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী শিল্পী কেইগৰাকীমান হ'ল—অসমৰ সু-পৰিচিত আকাশ বাণীৰ প্ৰথম শাৰীৰ কণ্ঠশিল্পী জ্যোতিষ ভট্টাচাৰ্য্য, সুমধুৰ কণ্ঠৰ অধিকাৰী আলম আৰা বেগম, বাসন্তী দেৱী, দিপালী শৰ্ম্মা, শিখা দাস গুপ্ত, সুধীৰ মুখাৰ্জ্জী, বানু দেৱী আদি। আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত অনাতাঁৰ শিল্পী হিচাবে জ্যোতিষ ভট্টাচাৰ্য্যৰ বাহিৰেও খ্যাতি অৰ্জ্জন কৰা গায়ক-গায়িকা কল্পনা বৰদলৈ আৰু ৰাজেন গোহাঁই আমাৰ গৌৰৱৰ

কাৰণ । সুৰকাৰ, গীতিকাৰ আৰু গায়ক প্ৰশান্ত ৰৰদলৈ আমাৰে মৰমৰ ছাত্ৰ, অভিনয়ৰ ক্ষেত্ৰত অনিল শৰ্ম্মা, চবীৰ আহমেদ ; মুনীন চক্ৰৱৰ্ত্তী, জগদা দুৱৰা ; হেমন্ত দত্ত, প্ৰফুল্ল শইকীয়া, দেউতি বৰুৱা, বিষ্ণু খাৰঘৰীয়া, মনোমতী গগৈ, লাৱণ্য হাজৰিকা, বিজয় ভট্টাচাৰ্য্য আৰু নলিনী হাজৰিকাৰ নাম আমাৰ সদায় মনত থাকিব । অসমৰ সু-পৰিচিত ৰঞ্জনা ৰৰদলৈ, মেনকা দেৱী আদিৰ নৃত্যৰ ক্ষেত্ৰত থকা অৰিহণাৰ কথা কোনেও নুই কৰিব নোৱাৰে । যন্ত্ৰ-সঙ্গীতত প্ৰফুল্ল কলিতাই (তবলা), দিলীপ বৰ-ঠাকুৰ (তবলা), মুনীন শৰ্ম্মা, (তবলা) আৰু মানিক বড়াৰ (বেহেলা) অৰিহণাৰ কথাও অনস্বীকাৰ্য্য । এই সকল শিল্পীৰ ভৱিষ্যৎ উজ্জ্বল হোৱাৰ কামনাৰে ৰূপালী জয়ন্তীৰ এই শুভক্ষণত নেদেখা জনলৈ প্ৰাৰ্থনা জনালোঁ ।

এতিয়াৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰতো উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনাৰে পৰি-পূৰ্ণ প্ৰতিভাশালী শিল্পী কেবাগৰাকীও আছে । মুনীন দত্ত এজন সুন্দৰ তবলা বাদক আৰু 'পেৰদী' গায়ক । তেওঁ অলপতে H.M.V.ত বাণীৱদ্ধ কৰিছে । হেমন্ত দত্ত চিত্ৰাঙ্কন, নাট্য ব্যৱস্থাপনা আৰু অভিনয়ত প্ৰতিভা থকা ছাত্ৰ । 'ডক্তৰ বেজবৰুৱা' কথাছবিত, এওঁৰ প্ৰতিভাৰ নিদৰ্শন পাওঁ । সুকণ্ঠী গায়িকা অঞ্জলি বৰুৱাৰ ভৱিষ্যৎ সুন্দৰ । বছৰেকীয়া সাংস্কৃতিক সন্মিলনত এওঁ শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে । লঘু সঙ্গীত আৰু লোক গীতৰ সু-গায়িকা অঞ্জলি বৰুৱাই অলপতে আকাশ বাণীত গীত পৰিবেশন কৰিছে । সাম্প্ৰতিক চাম শিল্পীৰ ভিতৰত মঞ্জুলা দত্ত, মধুৰাণী গগৈ, ৰাণী শৰ্ম্মা, সৰিতা দাস আৰু প্ৰদীপ গগৈয়ে সু-ভৱিষ্যৎ আশা কৰিব পাৰে । এওঁলোকে প্ৰতিযোগিতাৰ ফলাফলৰ ওপৰতে সন্তুষ্ট নাথাকি শাস্ত্ৰ সন্মত সঙ্গীত চৰ্চাত আত্ম-নিয়োগ কৰিলে এদিন যে স্বীয় প্ৰতিভাৰে সুকুমাৰ কলা জগতত আত্ম প্ৰতিষ্ঠা কৰিব পাৰিব ই ধ্ৰুৱ ।

আমাৰ কলেজৰ অধ্যাপক অধ্যাপিকাসকলৰ সুকুমাৰ কলাৰ প্ৰতি থকা হেপাহৰ কথা এই খিনিতে উল্লেখ কৰাটো প্ৰয়োজনীয় । সু-গায়িকা অধ্যাপিকা বীণা চৌধুৰী আমাৰ কলেজৰ সঙ্গীত বিভাগৰ নানা দায়িত্বৰ সৈতে জড়িত থকা কথা এই প্ৰৱন্ধত উল্লেখ কৰা হৈছে । অধ্যাপক তফজ্জুল আলিৰ লগত এই বিভাগত কাম কৰা সৌভাগ্যই ব্যক্তিগতভাৱে এই লিখকক যথেষ্ট উপকৃত কৰিছে । প্ৰকৃততে আলিদেৱে কাঠনি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোত এটি নতুন বহনেৰে বোল দি প্ৰগতিৰ পথত কেইখোজমান আগুৱাই নিলে । অধ্যাপিকা অনিমা দেৱীৰ চেতাৰ বাদনৰ পাৰদৰ্শি-তাৰ কথা পাহৰিব নোৱাৰি । কাঠনি মহাবিদ্যালয়ৰ সঙ্গীত বিভাগৰ দায়িত্বত থাকি এখেতে যথেষ্ট অৰিহণা আগ বঢ়াইছে । প্ৰাক্তন অধ্যাপক সু-চেতাৰ বাদক ভৰত গগৈৰ অৰিহণাৰ কথাও আমি পাহৰিব নোৱাৰোঁ । অধ্যাপক অখিলানন্দ ত্ৰিপাঠী এগৰাকী সু-তবলা বাদক । এখেতৰ তবলা বাদনে আমাৰ ছাত্ৰ-ছাত্ৰীক আনন্দ প্ৰদান কৰিছে ।

শেষত কাঠনি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ অনুৰোধ যে অনিচ্ছাকৃত-ভাৱে যদিও কাৰোবাৰ নাম উল্লেখ হোৱা নাই, তেওঁলোকে যেন দোষ নধৰে । দুই চাৰি-জনৰ নাম অনিচ্ছাকৃতভাৱে বৈ যোৱাটো অস্বাভাৱিক নহয় । তেওঁলোকৰ ওচৰত মাৰ্জ্জনা বিচৰা হ'ল ।

কাঠনি মহাবিদ্যালয়ৰ ভৱিষ্যত সুন্দৰ হওঁক ।
উজ্জ্বল হওঁক ।

\+ +

"বিশ্ব মানৱৰ হৃদয়ৰ অসংখ্য তাঁৰৰ এডালো যি সাহিত্যিকে
তেওঁৰ আঙুলিৰে কঁপাব পাৰিব, তেওঁৱেই প্ৰকৃত সাহিত্যিক ।"
—লক্ষ্মীনাথ বেজবৰুৱা



# অসম কলেজ শিক্ষক সংস্থা আৰু কাঠনি কলেজ

**অজিত কুমাৰ শৰ্ম্মা**
সভাপতি, অসম কলেজ শিক্ষক সংস্থা

ৰূপালী জয়ন্তী উপলক্ষে কাঠনি মহাবিদ্যালয়লৈ আৰু সেই মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ-সকললৈ অভিনন্দন জ্ঞাপন কৰিলোঁ ।

অসমত উচ্চ-শিক্ষাৰ ক্ৰমবিকাশৰ ইতিহাসত অসম কলেজ শিক্ষক সংস্থাৰ যেনেকৈ এক বিশিষ্ট স্থান আছে, তেনেকৈয়ে এই সংস্থাক গঢ়ি তোলাত ডিব্ৰুগড় কাঠনি কলেজৰ শিক্ষকসকলৰ মহৎ অৱদান আছে । এই কলেজৰ ৰূপালী জয়ন্তীৰ সময়ত এইষাৰ কথা স্মৰণ কৰিব লাগিব যে ব্যক্তিগত বুজন দানৰ সহায় পোৱাৰ বাবেই কাঠনি কলেজখনৰ বিকাশ কৰিবলৈ সুবিধা হৈছিল যদিও; কলেজৰ বিস্তাৰ তথা প্ৰগতি একমাত্ৰ সিয়েই নিৰ্ণয় কৰা নাই । প্ৰকৃততে, অসমৰ যি কেইখন বেচৰকাৰী কলেজে এতিয়ালৈকে প্ৰসাৰ আৰু উন্নতি লাভ কৰিছে সেই আটাই কেইখনেই অসম কলেজ শিক্ষক সংস্থা তথা উক্ত সংস্থাৰ সদস্যসকলৰ আৰু কৰ্ম্মকৰ্ত্তাসকলৰ শলাগ নলৈ নোৱাৰে । আজি কাঠনি কলেজৰ অৱয়ৱ ডাঙৰ হ'ল, ঘৰ-দুৱাৰ, চৌহদ মনোৰম হ'ল, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয়ৰূপে বৃদ্ধি পালে । আৰু আৰম্ভণিৰ এখন কলেজেই এতিয়া তিনিটা সুকীয়া সুকীয়া অনুষ্ঠানত গঢ় ললে । এই বিকাশৰ ধাৰাত শিক্ষক সংস্থাৰ বিশিষ্ট বৰঙণিৰ কথা কোনেও পাহৰিব নোৱাৰে ।

বেচৰকাৰী কলেজ বুলিলেই ভালেমান সমস্যা । বৰ্ত্তমানে ঘাটি-অনুদানপ্ৰাপ্ত বেচৰকাৰী কলেজৰ যি সকল প্ৰশাসক বা শিক্ষক নতুন মানুহ, তেখেতসকলে বোধকৰোঁ তাহানিৰ অৱস্থাটো উপলব্ধি কৰিব নোৱাৰিব । তেতিয়া কোনোবা এজনে কাৰোবাৰ স্মৃতিৰক্ষাৰ্থে কলেজ পাতিবৰ বাবে এটি ধনৰ টোপোলা আগবঢ়ালেই কলেজ এখন স্থাপন কৰা নহয় । সেই ধনেৰে হয়তো ঘৰ-নিৰ্ম্মাণ বা অন্যান্য দুই-এটা কাম হয় । কিন্তু আৰম্ভ হোৱাৰ পিচতেই বছৰি যেতিয়া কলেজৰ খৰছৰ বাজেট বাঢ়ি যায় তেতিয়াই আহে বিষম বিপদ । পৰিচালক মণ্ডলী যদি জনা-বুজা হ'ল ভালেই । যদিহে স্বেচ্ছাচাৰী বিধৰ নাইবা আত্মগৰ্ব্বী হয় তেতিয়াও লেঠা । কলেজ শিক্ষক এজনে মাহে ৪০/৫০ টকা দৰ্ম্মহা পোৱাৰ কথা এতিয়া কোনেও ভাবিবই নোৱাৰে । তদুপৰি তেনে চাকৰিৰো কোনো নিৰাপত্তা নাছিল ।

১৯৪৯ চনৰ ফেব্ৰুৱাৰী মাহত অধ্যাপক আৰ, আৰ, থমাচৰ সভাপতিত্বত হোৱা স্থাপন-সন্মিলনতেই সদৌ অসম বেচৰকাৰী কলেজ শিক্ষক সংস্থাৰ প্ৰতিষ্ঠা কৰা হয় । মাত্ৰ ১২ খন কলেজত থকা ১২২ জন শিক্ষকৰ প্ৰতিনিধিত্ব কৰি যি সংগঠনৰ পুলি

বোৱা হ'ল সিয়েই এতিয়া দুহেজাৰৰ ওপৰ শিক্ষকৰ শক্তিশালী অনুষ্ঠানৰ বৰগছত পৰিণত হৈছে।

সময়ে সময়ে সাৰ-জাবৰ, পানী-দুনী দি এই জোপা বৰগছক ডাঙৰ-দীঘল হোৱাত সহায় কৰাত প্ৰথম ছোৱাত বিশেষকৈ, ডিব্ৰুগড় কানৈ কলেজে ভালেখিনি কৰি থৈছে। সংস্থাৰ নিয়মীয়া শাখা হিচাপে এই কলেজৰ শিক্ষক শাখাই একেৰাহে কাম কৰি আহিছে। কানৈ কলেজ শাখাৰ সদস্যসকলৰ আহ্বানতেই ১৯৫১ চনত অসম কলেজ শিক্ষক সংস্থাৰ তৃতীয় বাৰ্ষিক অধিবেশন মহাসমাৰোহেৰে পতা হয়।

সেই সময়ত কানৈ কলেজ বহিছিল জৰ্জ ইন্সটিটিউচনৰ ওচৰত। ১৭।১৮ মাৰ্চ্চ তাৰিখে নগাঁও কলেজৰ অধ্যক্ষ শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মাৰ সভাপতিত্বত বহা এই সন্মিলনত তেতিয়াৰ ১৭ খন বেচৰকাৰী কলেজৰ ৪৫ জন প্ৰতিনিধি গোট খাইছিল। আজিকালিৰ তুলনাত, প্ৰতিনিধি সংখ্যাৰ ক্ষেত্ৰত বহুত তাকৰীয়া হলেও আলোচনা সিদ্ধান্তৰ বিষয়ত কিন্তু অধিক দৃঢ় আছিল। ডিব্ৰুগড়ত বহা এইখন সন্মিলনৰ কৃতকাৰ্য্যতাৰ কথা সুঁৱৰিলে আমি অভ্যৰ্থনা সমিতিৰ সভাপতি অধ্যক্ষ যোগীৰাজ বসু, উপাধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্ত, অধ্যাপক (সকল) নিৰ্ম্মল কুমাৰ বসু, বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য (বৰ্ত্তমান অধ্যক্ষ), বি, পি, চক্ৰৱৰ্ত্তী, বি, কে, ৰাষ্টোগী, ত্ৰৈলোক্যেশ্বৰ বৰুৱা (বৰ্ত্তমান আই, টি, এৰ উচচপদস্থ বিষয়া), হেমেন্দ্ৰ নাথ বৰঠাকুৰ (বৰ্ত্তমান দৰং কলেজৰ অধ্যক্ষ), শ্ৰীপৰেশ নাথ শৰ্ম্মা (এতিয়া জীৱন বীমা নিগমৰ সহকাৰী জেনেৰেল মেনেজাৰ), ৺ ডাঃ ভূপেন্দ্ৰ নাথ চৌধুৰী আদিৰ কথা মনত পৰে। অৱশ্যে অভ্যৰ্থনাৰ সকলো ব্যৱস্থাৰ মূলতে আছিল উপাধ্যক্ষ দত্তদেৱ।

১৯৫১ চনৰ সন্মিলনৰ ঠিক আগে আগে চৰকাৰে অসম কলেজ শিক্ষক সংস্থাৰ দাবী মানি লৈ বেচৰকাৰী কলেজবোৰৰ বাবে চাৰে তিনিলাখ টকাৰ বাৰ্ষিক অনুদান মঞ্জুৰ কৰে। এই অনুদানে মঞ্জুৰী বৃদ্ধি কৰে যদিও শিক্ষকসকলৰ বাবে নিয়মীয়া বেতনৰ নিৰিখৰ ব্যৱস্থা কৰা নাছিল। সন্মিলনে এই সম্পৰ্কত চৰকাৰক শলাগ লৈ এইটোও জনাই দিছিল যে ১৭ খন কলেজৰ বাবে চাৰে তিনি লাখ টকা দি এখন মাত্ৰ চৰকাৰী কলেজতে চাৰে চাৰি লাখ টকা খৰচ কৰাটো অন্যায় হৈছে।

এই সন্মিলনতে অসমত শিক্ষা পুনৰগঠনৰ বাবে প্ৰস্তাৱ যুগুত কৰিবলৈ এটি উপসমিতি গঠন কৰে আৰু সংস্থাৰ তৰফৰ পৰা এখন পত্ৰিকা প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হয়। দ্বিতীয়টো সিদ্ধান্ত অৱশ্যে যোৱা বছৰতহে কাৰ্য্যকৰী কৰা হ'ল। প্ৰথমটোৰ ভিত্তিত সংস্থাই বিভিন্ন সময়ত চেষ্টা কৰি আহিছে আৰু একেবাৰে শেহতীয়া ভাৱে, সংস্থাৰ দাবী অনুসৰিয়েই চৰকাৰে চিলঙত শিক্ষা সন্মিলন এখন আহ্বান কৰে।

কানৈ কলেজৰ দৰে আন আন যি কলেজে জয়ন্তী পালন কৰিব সেইসকলে অসম কলেজ শিক্ষক সংস্থাক পাহৰিব নোৱাৰে।

+ +


---

"সাহিত্য পাঠে যৌৱনৰ পুষ্টি, বাৰ্দ্ধক্যৰ আমোদ, সম্পদত শ্ৰী, বিপদত সান্ত্বনা দান কৰে; ই নিজ দেশত আনন্দ দায়ক আৰু বিদেশত অবাধ-গতি সম্পন্ন।"

--চিচৰো

---

## ডিব্ৰুগড় কানৈ কলেজত বহা, অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিবেশন ১৯৫১ চন।




বাওঁফালৰ পৰা

১ম শাৰী—অধ্যাপক অমলেন্দু বানাৰ্জ্জী (ধুবুৰী), ×, তুলালচন্দ্ৰ শৰ্ম্মা (গোলাঘাট), অধ্যাপিকা সমীৰণ দাস (গুৱাহাটী), ডাঃ ফণীভূষণ ঘোষ (ডিব্ৰুগড়), অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্ম্মা (সভাপতি), অধ্যাপক অজিতকুমাৰ শৰ্ম্মা (সাধাৰণ সম্পাদক), অধ্যাপক অমল ৰায় (যোৰহাট), অধ্যাপক অশোক চৰকাৰ (যোৰহাট), অধ্যাপক অমলেন্দু গুহ (তেজপুৰ), নিৰ্ম্মল চামাদ্দাৰ (নগাওঁ)।

২য় শাৰী—×, অধ্যাপক বি.কে. ৰাষ্টোগী (কানৈ কলেজ), অধ্যাপক পৰেশ চাটাৰ্জ্জী (নগাওঁ), ×, ×, ×, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা (ডিব্ৰুগড়), শ্ৰীপৰেশনাথ শৰ্ম্মা (কানৈ কলেজ), ×, ×, অধ্যাপক লক্ষীপ্ৰসাদ দত্ত, ×, অধ্যাপক নিৰ্ম্মল বসু, ×,

৩য় শাৰী—×, অধ্যাপক (বৰ্ত্তমান অধ্যক্ষ) সুশীল দত্ত, অধ্যাপক যতীন গোস্বামী, ভূপেন্দ্ৰনাথ চৌধুৰী, অধ্যাপক হেমেন্দ্ৰনাথ বৰঠাকুৰ, ×, অধ্যাপক বিষ্ণু প্ৰসাদ চক্ৰৱৰ্ত্তী, অধ্যাপক বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য, (বৰ্ত্তমান অধ্যক্ষ), অধ্যাপক এপি. চি. জৈন।



ডি ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ ভৱন।

## আমাৰ সোঁৱৰণ

(যি কেইগৰাকী শিক্ষক আৰু হিতাকাংক্ষী ব্যক্তিয়ে তেখেতসকলৰ নিস্বাৰ্থ সেৱা, ঐকান্তিক শ্ৰম আৰু হৃদয়ানুৰাগেৰে এই মহাবিদ্যালয়ৰ জন্ম আৰু বিকাশ সাধনত অবিহণা যোগাই থৈ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে, ৰূপালী জয়ন্তী মহোৎসৱৰ এই শুভ মুহূৰ্তত আমি সি সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। তেনে কেইগৰাকী-মান ব্যক্তিৰ চমু পৰিচিতি ইঙ্গিত দিয়া হৈছে। —সম্পাদক)।

**বেণুধৰ ৰাজখোৱা** (১৮৭২-১৯৫৫)—অসমৰ প্ৰবীণ সাহিত্যিক, নাট্যকাৰ বেণুধৰ ৰাজখোৱা ১৮৭২ খৃঃত ডিব্ৰুগড় জিলাৰ খোৱাঙত জন্মে। ১৮৯৬ খৃঃত কলিকতাৰ পৰা বি, এ পাছ কৰি চৰকাৰী চাকৰিত থাকি শেষত ১৯৩১ চনত ডেপুটী কমিচনাৰ পদৰ পৰা অৱসৰ লয়। জীৱনৰ বাকী কালছোৱা ডিব্ৰুগড়তে কটায়। এখেতৰ 'সেউতি কিৰণ' এখন কাল্পনিক নাটক। 'দক্ষযজ্ঞ' আৰু 'উৰুভঙ্গ' পৌৰাণিক নাটক। 'তিনি ঘৈণী', 'অশিক্ষিতা ঘৈণী', 'কুৰি-শতিকাৰ সভ্যতা', 'চোৰৰ সৃষ্টি', 'যমপুৰী', 'টোপনিৰ পৰিণাম,' আদি প্ৰহসন। প্ৰহসন লিখক হিচাবে ৰাজখোৱাৰ বিশেষ খ্যাতি আছে। এখেতে 'নামঘোষা', 'কাণ-খোৱা', 'গুণমালা', আৰু কীৰ্ত্তনৰ 'বিপ্ৰদামোদৰ' খণ্ড ইংৰাজীলৈ অনুবাদ কৰিছে। কানৈ কলেজ প্ৰতিষ্ঠাৰ বাবে গুৰি ধৰোঁতা সকলৰ ভিতৰত ৰাজখোৱা অন্যতম। এখেত কানৈ কলেজ (তেতিয়াৰ ডিব্ৰুগড় কলেজ) পৰিচালনা সমিতিৰ প্ৰথম সভাপতি হোৱাৰ উপৰিও অসমীয়া বিভাগৰ অধ্যাপক আছিল। এখেতে অবৈতনিকভাৱে কলেজত কাম কৰিছিল। এখেতৰ উৎসাহ উদ্গনিয়ে তেতিয়াৰ প্ৰতিস্থাতা সম্পাদক শ্ৰীঅশ্বিনীচৰণ চৌধুৰীৰ প্ৰধান সম্বল। সদায় হাস্যময়ী, সৰল, ৰাজোচিত গাম্ভীৰ্য্যেৰে এই পুৰুষজনে সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল।

**পৰশুৰাম সোনোৱাল** (১৯০৪-৬০)—ডিব্ৰুগড়, গুৱাহাটী আৰু কলিকতাত শিক্ষা সাং কৰি ১৯৩৪ চনৰ পৰা ডিব্ৰুগড়ত ওকালতি কৰিবলৈ আৰম্ভ কৰে। কলেজত পঢ়া অৱস্থাৰেপৰা সোনোৱালৰ সঙ্গীত আৰু খেলা-ধূলাৰ প্ৰতি বৰ ৰাপ আছিল। গুৱাহাটী আৰু কলিকতাৰ পথাৰত হকী খেলিছিল। তেওঁ সুন্দৰকৈ বাঁহী বজাব পাৰিছিল, চিত্ৰাঙ্কনতো তেওঁৰ হাত আছিল। তেওঁ অতি উদাৰ প্ৰকৃতিৰ আৰু খুহতীয়া স্বভাৱৰ আছিল। কথা-বতৰা, পিন্ধা-উৰা, চাল-চলন আটাইতে তেওঁৰ চৌখীন কলাসুলভ মনৰ পৰিচয় পোৱা গৈছিল। কানৈ মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অবৈতনিক শিক্ষক সকলৰ অন্যতম পৰশুৰাম সোনোৱাল দেৱে এবছৰো অধিক কাল এই মহাবিদ্যালয়ত শিক্ষকতা কৰিছিল।

**ডঃ ভূপেন্দ্রনাৰায়ণ চৌধুৰী** (১৯২৭-৬০) ডিব্ৰুগড়ৰ একালৰ খ্যাতনামা নাগৰিক ৰায়চাহেব গঙ্গাৰাম চৌধুৰীৰ চতুৰ্থ পুত্ৰ ভূপেন্দ্ৰনাৰায়ণ চৌধুৰী অতি তীক্ষ-বুদ্ধিৰ ছাত্ৰ আছিল। তেওঁ ডিব্ৰুগড় গুৱাহাটী আৰু কলিকতাত শিক্ষা সাং কৰি কানৈ কলেজৰ বুৰঞ্জী বিভাগত শিক্ষক হিচাবে যোগদান কৰে। ১৯৫৪ চনত তেওঁ উচ্চ-শিক্ষালাভৰ কাৰণে ইংল্যাণ্ডলৈ যাত্ৰা কৰে। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৭ চনত অসম বুৰঞ্জীৰ ওপৰত গবেষণা কৰি ডক্টৰেট লাভ কৰে। তাৰপৰা উলটি আহি পুনৰ কানৈ-কলেজত অধ্যাপনা কৰেহি। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষকতাৰ কাম পাই কানৈ কলেজ এৰি যায়। গুৱাহাটী বিশ্ববিদ্যালয়তে অধ্যাপনা কৰি থকা কালতে ১৯৬০ চনত কম বয়সতে আকস্মিকভাৱে তেখেত স্বৰ্গী হয়। চৌধুৰী অতি সৰবৰহী শিক্ষক আছিল। জ্ঞানৰ প্ৰতি তেখেতৰ অনুসিন্ধৎসা মন কৰিবলগীয়া।

## দীনেশ চন্দ্ৰ তামুলী

ৰৰযকুৱা উচ্চ-মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শঙ্কৰ প্ৰসাদ তামুলীৰ পুত্ৰ দীনেশ চন্দ্ৰ তামুলীয়ে জৰ্জ ইন্‌ষ্টিটিউটৰ পৰা প্ৰৱেশিকা পাছ কৰি, কটন কলেজৰ পৰা আই, এ পাছ কৰি কলিকতাৰ প্ৰেচিডেঞ্চী কলেজৰ পৰা ইংৰাজীত অনাৰ্চ সহ বি, এ, পাছ কৰি আহি শিৱসাগৰৰ বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰে। উচ্চ শিক্ষাৰ বাবে ধাউতি থকা হেতু ওঠৰ বছৰমান কাল শিক্ষকতা কৰাৰ পিচত চাকৰি এৰি দি কলিকতাত এম, এ, পঢ়ে। স্নাতকোত্তৰ মহলাৰ দ্বিতীয় শ্ৰেণী লাভ কৰি ১৯৫৪ চনৰ ১৭ ডিচেম্বৰত কানৈ কলেজৰ ইংৰাজী বিভাগত শিক্ষক হিচাবে যোগ দিয়ে আৰু প্ৰায় ছয় বছৰ কাল অধ্যাপনা কৰে। ক্ষয়ৰোগাক্ৰান্ত হৈ ১৯৬০ চনৰ এপ্ৰিল মাহত তামুলীয়ে চিৰ-বিদায় লয়। তামুলী পৰোপকাৰী আৰু মৰমিয়াল আছিল। তেখেতৰ উদাৰ আৰু সদাস্থখী স্বভাৱৰ বাবেই হাজাৰ বাধা বিঘিনিয়েও তেখেতক নিৰুৎসাহ কৰিব নোৱাৰিছিল। সাহিত্যানুৰাগী তামুলী শিৱসাগৰত বহা অসম সাহিত্য সভাৰ অধিবেশন আৰু কোঁচ ৰাজবংশী সন্মিলনৰ লগত বিশেষভাৱে জড়িত আছিল। শিক্ষক হিচাবে তেখেত সৰ্বজন প্ৰিয়।

## ডঃ আশুতোষ শৰ্ম্মা বিশ্বাস

চিলেট জিলাৰ বানিয়াচং গাঁৱত জন্ম-গ্ৰহণ কৰা বিশ্বাস ডাঙৰীয়াই ১৯২২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি আহি কটন কলেজত ভালে কেইবাৰ অস্থায়ীভাৱে অধ্যাপনাত ৰত হয়। ১৯২৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ আইন আৰু ১৯৩১ চনত বঙলা ভাষাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ইয়াৰ পিচত চিলং উচ্চ মাধ্যমিক বিদ্যালয়ত চৰকাৰী চাকৰি কৰি থকা কালতে বি,-টি পাছ কৰে। বঙ্গদেশৰ হাওড়া নাৰ্চিং কলেজ, মদিনাপুৰৰ কান্‌টাই কলেজ আৰু চিলেটৰ মৰাৰি চাঁদ কলেজত অধ্যাপনা কৰি আহি ডিব্ৰুগড় কানৈ কলেজত যোগদান কৰে আৰু ১৯৬৯ চনলৈকে এই কলেজত অধ্যাপনা কৰি থাকে। এখেতে জীৱনৰ শেষ কালছোৱাতো কানৈ কলেজৰ অধ্যাপকৰূপে থাকি 'ইউনিভাৰচিটি গ্ৰাণ্ট কমিচন'ৰ গৱেষণা বৃত্তি লাভ কৰি জীৱনৰ অন্তিম পৰত গৱেষণাগ্ৰন্থ সমাপ্ত কৰি থৈ যায়। যদিও মৰণোত্তৰ ভাৱে ডি, ফিল ডিগ্ৰী লাভ কৰে, তথাপি জীৱিত কালতে এই সুসংবাদ পোৱাৰ সৌভাগ্য তেখেতৰ ঘটিছে। এখেতে কানৈ মহাবিদ্যালয়ৰ উপৰিও, কানৈ আইন কলেজ, মনোহৰীদেৱী ছোৱালী কলেজ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বি, টি, বিভাগত অধ্যাপনা কৰে। এখেত এগৰাকী প্ৰাচীন পণ্ডিত। চুৰিয়া পাঞ্জাৱী আৰু গাত লোৱা চাদৰখনেৰে, গহীন গম্ভীৰ খোজ কেইটাৰে, মিঠা মৃদু সুললিত কথা-বতৰাৰে ধুনীয়া চচমাৰ ফাঁকেৰে চোৱা সৰল চাৱনিটোৰে এখেত সকলোৰে শ্ৰদ্ধাবান ব্যক্তি। নাট, অভিনয় আদিৰ পৰা আৰম্ভ কৰি কলেজৰ আটাইবোৰ দিশতে যোগদান কৰাটো আছিল এখেতৰ বৈশিষ্ট্য।



## নীলকণ্ঠ চক্ৰবৰ্ত্তী--

জীৱনৰ বিকাশমুখী ক্ষণত নিষ্ঠুৰ কালে অকালতে হৰি নিয়া অধ্যাপক চক্ৰবৰ্ত্তী এজন অমায়িক আৰু অতি শান্ত প্ৰকৃতিৰ লোক। এখেতৰ ছাত্ৰ-জীৱন প্ৰতিভাৰ এটি জলন্ত স্বাক্ষৰ। ছাত্ৰ হিচাবে প্ৰতিটো পৰীক্ষাতে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ গৌৰৱ লাভ এখেতৰ হৈছে। শ্ৰীহট্ট জিলাৰ হবিগঞ্জ মহকুমাৰ শিৱপাশা গাঁৱত জন্ম গ্ৰহণ কৰি, বাল্য কালৰ শিক্ষা লাভ তাতেই কৰি ১৯৩৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ, কোনো মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ নোহোৱাকৈ ১৯৪৪ চনত প্ৰথম বিভাগত আই, এ পাছ কৰে আৰু ১৯৪৭ চনত "দিষ্টিংক্‌চন' লৈ বি, এ পৰীক্ষাতো উত্তীৰ্ণ হয়। ১৯৩৯ চনত শ্ৰীহট্ট সংস্কৃত কলেজৰপৰা কাব্যতীৰ্থ উপাধি পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু সেইবছৰতে সাহিত্য শাস্ত্ৰী উপাধিও লাভ কৰে। ১৯৬৪ চনত কলেজৰ স্নাতকোত্তৰ বিভাগৰ ছাত্ৰ হিচাবে অধ্যয়ন কৰি গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিভাগত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰে। এখেতে চিলেট জিলাৰ ৰাজানগৰ হাইস্কুলত শিক্ষকতাৰে জীৱন আৰম্ভ কৰে। দেশ বিভাজনৰ সময়ত ডিব্ৰুগড়লৈ আহি পোনতে ৰেলৱে এম, ই স্কুলত প্ৰধান শিক্ষক ৰূপে আৰু তাৰ পিচত বঙ্গীয় হাইস্কুলত সংস্কৃত শিক্ষক ৰূপে থাকি ১৯৬৫ চনত কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগত অধ্যাপক ৰূপে যোগদান কৰে। অধ্যাপনাৰ এটি বছৰ পূৰ নহওঁতেই দুৰাৰোগ্য কৰ্কটৰোগত আক্ৰান্ত হৈ মাত্ৰ আঠৈ কুৰি বছৰ বয়সতে তেখেত আমাৰ মাজৰ পৰা আঁতৰি যায়। এখেতৰ ছাত্ৰ-জীৱনৰ কৃতকাৰ্য্যতা নতুন চাম শিক্ষাৰ্থীৰ বাবে আদৰ্শৰ বস্তু। বিনয়ী, নম্ৰ আৰু সদাহাস্যময় চক্ৰবৰ্ত্তী এগৰাকী আদৰ্শ শিক্ষক আৰু সাধাৰণ জীৱন যাপন আৰু উচ্চ-চিন্তাৰ এখেত জলন্ত প্ৰতীক।

## গোবিন্দ চন্দ্ৰ শৰ্ম্মা (১৯১২-১৯৭১)—

ডিব্ৰুগড় জৰ্জ্জ ইন্‌ষ্টিটিউটৰ প্ৰধান শিক্ষক গোবিন্দ চন্দ্ৰ শৰ্ম্মা ডিব্ৰুগড় জিলাত মাধ্যমিক শিক্ষাৰ বহল প্ৰচাৰৰ ক্ষেত্ৰত এগৰাকী অগ্ৰণী পুৰুষ। এখেতৰ জন্ম হয় যোৰহাটৰ তৰাজানৰ কাকতি গাঁৱত। যোৰহাটৰ পৰা ১৯০৯ চনত এণ্ট্ৰেঞ্চ আৰু ১৯১৩ আৰু ১৯১৭ চনত ক্ৰমে বি, এ, আৰু বি, টি, পাছ কৰে। এখেতে ১৯১৩ চনৰ পৰা জৰ্জ্জ ইন্‌ষ্টিটিউটত সহকাৰী প্ৰধান শিক্ষকৰূপে ১৯২৬ চনলৈকে কাম কৰে আৰু প্ৰধান শিক্ষকৰূপে ১৯৬১ চনলৈ থাকে। ১৯৪৫ চনত প্ৰতিষ্ঠিত হোৱা ডিব্ৰুগড় কলেজৰ এখেতে গুৰি ধৰিছিল, নিজৰ অনুষ্ঠানত কলেজৰ শ্ৰেণী খুলিবলৈ দিছিল আৰু সিদিনাৰে পৰা কলেজখনৰ লগত জড়িত আছিল। বিভিন্ন সময়ত কলেজ পৰিচালনা সমিতিৰ সভ্য, সভাপতি, আৰু উপ-সভাপতিৰূপে কাৰ্য্য-নিৰ্ব্বাহ কৰিছিল। এখেত ডিব্ৰুগড়ৰ বহুতো সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থকাৰ উপৰিও, নাম-কীৰ্ত্তন সভা-ভাওনা আদিতো অগ্ৰণী আছিল। সৌম্য-মূৰ্ত্তিৰ, সভা শুৱনি এই মানুহজন সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ।

## ডঃ ফনীন্দ্ৰনাথ ঘোষ--

বঙ্গদেশৰ নৈহাটীৰ ডঃ ফনী ঘোষ হুগলী কলেজৰ পৰা আই, এচ-চি, পাছ কৰি, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৭১ চনত এম-বি-পাছ কৰে আৰু তাতে চাকৰিত থাকোঁতে যক্ষ্মা-ৰোগত আক্ৰান্ত হোৱা বাবে চাকৰিৰপৰা অৱসৰ লৈ ডিব্ৰুগড়লৈ ডঃ কালিপ্ৰসন্ন বসুৰ ওচৰত চিকিৎসাৰ বাবে আহি ইয়াতে নিগাজিকৈ বাস কৰিবলৈ লয়। ডঃ ঘোষ দুখীয়া নিচলাৰ পৰম বন্ধু। নিজৰ অৰ্থ ক্ষয় কৰিও বিনামূলীয়াকৈ দুখীয়া নিচলাৰ চিকিৎসা এখেতে কৰিছিল। কানৈ কলেজৰ প্ৰাৰম্ভনিৰ পৰা এখেত জড়িত। বিশেষকৈ ধন সংগ্ৰহৰ ক্ষেত্ৰত এখেতৰ অৱিহণা পাহৰিব নোৱাৰা। জনহিতকৰ নানা কামত ব্ৰতী হোৱা ডঃ ঘোষে উইল কৰি তেখেতৰ সকলো সম্পত্তি অসম চৰকাৰক দি থৈ যায়। চৰকাৰে তেখেতৰ বাস-ভৱনতে তেখেতৰ ককায়েক জ্ঞানেন্দ্ৰ নাথৰ নামেৰে এটি কিণ্ডাৰ গাৰ্টেন বিদ্যালয় প্ৰতিষ্ঠা কৰে। এইজন সৰ্ব্বত্যাগী পুৰুষে

দিল্লীত অনুষ্ঠিত হোৱা ভাৰতীয় স্বাস্থ্যসেৱাৰ সন্মিলনত যোগদান দিবলৈ যাওঁতে কলিকতাত অসুস্থ হৈ ১৯৫৬ চনৰ ১২ এপ্ৰিলৰ দিনাখন পৰলোকলৈ গমন কৰে।

**নন্দেশ্বৰ চক্ৰবৰ্ত্তী** (১৮৮৫-১৯৬৮)—

অসীম কৰ্ম্মপ্ৰচেষ্টা আৰু একাগ্ৰ অধ্যৱসায়ৰ দ্বাৰা সাধাৰণ অৱস্থাৰ পৰা, বৃহৎ শিল্প-উদ্যোগ আৰু বাণিজ্য অনুষ্ঠানৰ মালিক হোৱা নন্দেশ্বৰ চক্ৰবৰ্ত্তী এগৰাকী শিক্ষানুৰাগী ব্যক্তি। এখেত কানৈ কলেজৰ (তেতিয়াৰ ডিব্ৰুগড় কলেজ) প্ৰতিষ্ঠাতৃ কোষাধ্যক্ষ। কানৈ কলেজৰ পুথি-ভঁৰালৈ এখেতে বহুতো দান-বৰঙণি আগবঢ়াইছে। ডিব্ৰুগড়ৰ নানা সাংস্কৃতিক আৰু শিক্ষানুষ্ঠানৰ লগত এখেত জড়িত। এখেতে দান কৰা মাটিত ডিব্ৰুগড় ৰামকৃষ্ণ মিচন অনুষ্ঠিত হৈছে। ইয়াৰ উপৰিও নন্দেশ্বৰ চক্ৰবৰ্ত্তী হাইস্কুল, প্ৰাচীন কলাকেন্দ্ৰ আৰু ধৰ্ম্মানুষ্ঠান জ্ঞানদায়িনী এখেতৰ দান-বৰঙণিৰে ফল। 'এজেঞ্চী কোম্পানী' খুলি চপাশাল পাতি নানা অসমীয়া পুথি প্ৰকাশ কৰাৰ উপৰিও 'তৰুণ অসম' নামৰ বেণুধৰ শৰ্ম্মা সম্পাদিত আলোচনী এখনো উলিয়াইছিল। এই গৰাকী কৰ্ম্মযোগী আৰু দানী পুৰুষৰ ১৯৬৮ চনত কৰ্ম্ম-ৰত অৱস্থাতেই দেহাৱসান ঘটে।

**ডঃ ৰোহিণী কান্ত বৰুৱা**—

শদিয়া মাইনৰ স্কুলত শিক্ষকতা কৰি থকা কেশৱ কান্ত বৰুৱাৰ পুত্ৰ ৰোহিণীকান্ত বৰুৱাৰ জন্ম হয় শদিয়াত। সৰু কালৰে পৰা বৰুৱা মেধাবী আছিল আৰু নানা জল-পানী পোৱাৰ উপৰিও স্কুলীয়া কালত আউনীআটীয়া গোস্বামীৰ সোণৰ পদক লাভ কৰিছিল। গুৱাহাটী, কলিকতাত শিক্ষা জীৱন সাং কৰি এখেতে পোনতে ডিব্ৰুগড়ত ওকালতি আৰম্ভ কৰে। তাৰ পাচত কটন কলেজত যোগদান কৰে। ইয়াৰ পৰাই গৈ ইংলণ্ডৰ লিভাৰপুল বিশ্ববিদ্যালয়ৰ পৰা 'নিউট্ৰ'চন'ৰ ওপৰত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। ইয়াৰ পিচত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক হিচাবে কেইবছৰমান কাম কৰি গুৱাহাটী বিশ্ববিদ্যালয়লৈ অধ্যাপক হিচাবে যায়। ১৯৬৮ চনৰ ৭ জুলাই তাৰিখে এইজনা প্ৰতিভাশালী বৈজ্ঞানিক, শিক্ষাবিদৰ কলিকতাৰ দমদম বিমানকোঠত হঠাৎ হৃদয়যন্ত্ৰৰ ক্ৰিয়া বিকল হৈ দেহাৱসান ঘটে। এখেতে কানৈ কলেজৰ বিজ্ঞান শাখা খোলাত যথেষ্ট সহায় সাৱথি আগবঢ়াইছে। এখেতে বিজ্ঞান বিভাগৰ পৰিকল্পনা কৰে আৰু এখেতৰ উদ্‌গনিতেই ১৯৫০ চনত কানৈ কলেজত বিজ্ঞান শাখা খোলা হয়।

**সদানন্দ দুৱৰা** –

১৮৯৯ চনৰ এণ্ট্ৰেঞ্চ পৰীক্ষাত সংস্কৃতত সৰ্ব্বোচ্চ নম্বৰ পাই হেমধৰ পদক লাভ-কৰা সদানন্দ দুৱৰাই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি, এল, পাছ কৰি গোটেই জীৱন ডিব্ৰুগড়তে ওকালতি কৰে। ডিব্ৰুগড়ৰ ৰাজহুৱা জীৱনৰ লগত দুৱৰা বিশেষভাৱে জড়িত আছিল। এখেতে জৰ্জ্জ ইন্‌ষ্টিটিউট আৰম্ভণি কালত এই অনুষ্ঠানত শিক্ষক হিচাবে যোগদান কৰি স্কুলখনৰ বিকাশ সাধনত সহায়ক হৈছিল। ডিব্ৰুগড় পৌৰ-সভাৰ দুৱৰা সভাপতি আছিল আৰু এই কালতে তেখেতে ৰায়বাহাদুৰ খিতাপ লাভ কৰে। তেতিয়াৰ ডিব্ৰুগড় কলেজৰ জন্ম লগ্নত বিশেষভাৱে সহযোগিতা কৰা নাছিল যদিও, পিচত এখেতেই বিশেষভাৱে গুৰি ধৰি এই কলেজখনৰ বৰ্ত্তমানৰ পৰ্যায় লাভ হোৱাত যথেষ্ট সহায় কৰে। এখেত কলেজ পৰিচালনা সমিতিৰ সভাপতি আছিল। এখেতে কলেজখনৰ নতুন নামকৰণ কৰি ৰায়বাহাদুৰ কানৈৰ পৰা দান বৰঙণি লৈ কলেজখনৰ বিকাশ সাধনত যথেষ্ট অৱদান দি থৈ গৈছে। পোনতে ডঃ ফণী ঘোষ আৰু দুৱৰাই লগ লাগি বৰ কষ্টেৰে প্ৰায় একলাখ টকা ৰাইজৰপৰা সংগ্ৰহ কৰিছিল। এই গৰাকী ব্যক্তি কানৈ কলেজৰ ইতিহাসত চিৰদিন জিলিকি ৰ'ব। আশী বছৰ কাল পৰমায়ু লাভ কৰি এখেতে ১৯৫৮ চনৰ চেপ্তেম্বৰ মাহত শেষ নিশ্বাস পেলায়।

+ +

## কানৈ মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল

[ কানৈ মহাবিদ্যালয়ৰ জন্মক্ষণৰ পৰা আজি অৱধি কামকৰা শিক্ষক শিক্ষয়িত্ৰী সকলৰ নাম তলত উল্লেখ কৰা হ'ল। ইয়াত নামৰ বিপৰীতে তৰা চিন দিয়া শিক্ষক অথবা শিক্ষয়িত্ৰী বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ত নাই ]

—সম্পাদক

১। **অসমীয়া**—

* বেণুধৰ ৰাজখোৱা
* সুৰেন্দ্ৰ নাথ শৰ্ম্মা
* যতীন্দ্ৰ নাথ দুৱৰা
* উপেন্দ্ৰ নাথ গোস্বামী
* শশ ৰায় বৰুৱা
* তফজ্জুল আলি
অনিমা দেৱী
* যতীন্দ্ৰ নাথ গোস্বামী
* বীণা দেৱী
অনিমা দত্ত
পৰীক্ষিত হাজৰিকা
ভীম কান্ত কোঁৱৰ
প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য
* ঘনশ্যাম অধিকাৰী
ফৰিদা শ্বাৰ্ফউদ্দিন
যামিনী ভট্টাচাৰ্য্য

২। **বঙলা**—

* আশুতোষ শৰ্ম্মা বিশ্বাস
* সংগ্ৰাম কুমাৰ ৰয়
* অৰুণ বাগ্‌চী
* নীৰেশ চন্দ্ৰ বাগ্‌চী
প্ৰিয়াংশু প্ৰৱল উপাধ্যায় (বৰ্ত্তমান সংস্কৃত বিভাগত)
আভা দত্ত
মন্তোষ চক্ৰৱৰ্ত্তী

৩। **হিন্দী**—

চন্দ্ৰমুখী জৈন
ৰতনলাল জৈন

৪। **সংস্কৃত**—

* যোগীৰাজ বসু
* আশুতোষ শৰ্ম্মা বিশ্বাস
* ৰজত বৰণ দত্তৰায়
টি, কে, কৃষ্ণস্বামী আয়াৰ
* জনাৰ্দ্দন আচাৰ্য্য
প্ৰিয়াংশু প্ৰৱল উপাধ্যায়
মঞ্জুলিকা বসু
* নীলকণ্ঠ চক্ৰৱৰ্ত্তী
* জয়শ্ৰী বিশ্বাস
অসীমা গুহ

৫। **তৰ্ক বিদ্যা আৰু দৰ্শন**—

সুশীল চন্দ্ৰ দত্ত
* মুনীন্দ্ৰ চক্ৰবৰ্ত্তী
লক্ষ্মীদা দত্ত
* প্ৰতিমা দাস
অলকা বৰুৱা
* মমতা দাস
ভবেন বৰুৱা

৬। **ইংৰাজী**—

* উমাপ্ৰসন্ন দে
* বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
* যোগীৰাজ বসু
* ত্ৰৈলোকেশ্বৰ বৰুৱা
* দীনেশ চন্দ্ৰ তামুলী
* সুনীল বৰণ ঘোষ
* অনিৰুদ্ধ গোহাঁই
* ব্ৰজেন্দ্ৰ নাথ দাস
* সুখময় বসু

* মহেন্দ্র বৰা
* অমৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
* বিমান বাগ্‌চী
* জোচেফ মিনাটিৰ
* উপেন্দ্ৰ নাথ শৰ্ম্মা
* এছ, ছি, মিত্ৰ
  পদ্মিনী চৌধুৰী
  প্ৰভুনাথ সিংহ
  সুনীল কুমাৰ বৰঠাকুৰ
  যাদৱ চন্দ্ৰ বৰুৱা
  মেহতাব উদ্দিন আহমদ
* মনেশ্বৰ বৰ্ম্মন
  মুনীন্দ্ৰ নাথ শৰ্ম্মা

৭। **ইতিহাস—**

* লক্ষীপ্ৰসাদ দত্ত
* ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী
* শৰৎ চন্দ্ৰ গগৈ
* দুৰ্গাপ্ৰসাদ মজুমদাৰ
* দুৰ্গাপ্ৰসন্ন চক্ৰৱৰ্ত্তী
  নবীন চন্দ্ৰ দত্ত
  বীণা (কোঁৱৰ) চৌধুৰী
* সলিল কমাৰ বসু
* সুশীল দত্ত
  গঙ্গাপ্ৰসাদ কৈইৰী
* নন্দলাল গোহাঁই
* লীলা বৰুৱা
* সাৰদা আম্মা
* মণিলাল বসু
* স্বৰ্ণলতা বৰুৱা
* মহেশপ্ৰসাদ সিংহ
* হিৰণময়ী দেৱী
  মহম্মদ চেলিম

৮। **অৰ্থনীতি—**

* নিৰ্ম্মল কুমাৰ বসু
* মজিবুৰ ৰহমান
* দেৱকুমাৰ দত্ত
* কমলাক্ষ ভট্টাচাৰ্য্য
* প্ৰেমচাঁন্দ জৈন
* বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তী
* সত্যনাথ বৰা
* জগন্নাথ চক্ৰৱৰ্ত্তী
* পূৰ্ণ গগৈ
  মেহদি হাচান

* ভুবন চন্দ্ৰ চুতীয়া
* সুনীলেশ বৰগোহাঁই
  ধ্ৰুৱদেৱ শুক্লা (বৰ্ত্তমান ৰাজনীতি বিজ্ঞান বিভাগত)
* ভাৰ্গৱ চৌধুৰী
  বঞ্জিতা মেধি
* বিপুল চন্দ্ৰ খাউণ্ড
  মনোৰঞ্জন শৰ্ম্মা
  শৰৎ বৰকাকতি

৯। **ৰাজনীতি বিজ্ঞান—**

* নিৰ্ম্মল কুমাৰ বসু
  ধ্ৰুৱদেৱ শুক্লা
  কামিনী ৰঞ্জন বৰুৱা
  শিৱকান্ত দত্ত
* মহেন্দ্ৰ গগৈ
* নকুল শইকীয়া
  ৰেখা দাস

১০। **গণিত—**

* শক্তিপদ পাত্ৰ
* অপূৰ্ব্ব কুমাৰ চক্ৰৱৰ্ত্তী
* চিত্ৰৰঞ্জন ঘোষাল
  বিনয় কুমাৰ চলিহা
* বাপু কৃষ্ণ চৌধুৰী
  ৰাম শঙ্কৰ ৰথ
  পিল্লমাৰী ভেঙ্কট কৃষ্ণ শাস্ত্ৰী
  আশীষ কুমাৰ গাঙ্গুলী
* তৰুণ চন্দ্ৰ বৰুৱা
  ঘনশ্যাম বৰা

১১। **ভূগোল—**

  কল্যাণ কুমাৰ বৰুৱা
* এ, ৰহমান
  নৰেন্দ্ৰ কুমাৰ বাৰ্ম্মা
  প্ৰফুল্ল চক্ৰৱৰ্ত্তী
  বিজয় কুমাৰ বাৰ্ম্মা

১২। **উদ্ভিদ বিদ্যা—**

* খগেশ্বৰ চেতিয়া
* ৰাম শঙ্কৰ ৰথ
* শৈলজানন্দ ভৰালী
* তৈলেন গোহাঁই



**কানৈত কাম কৰা (বৰ্ত্তমান) শিক্ষক শিক্ষয়িত্ৰী সকল।**



১ম শাৰী (বাওঁফালৰ পৰা বহি) ধীৰেন্দ্ৰ বৰুৱা, কামিনী বৰুৱা, বিজয় বাৰ্ম্মা, অৰুণ দত্ত (সৰুজন), মনোৰঞ্জন শৰ্ম্মা, মদন গোস্বামী, প্ৰিয়াংশু উপাধ্যায়, প্ৰফুল্ল ভট্টাচাৰ্য্য (সম্পাদক, স্মৃতিগ্ৰন্থ)।

২য় শাৰী ,, ,, মেহদি হাচান, নৰেন্দ্ৰ বাৰ্ম্মা, প্ৰভুনাথ সিংহ. টি.কে.আয়াৰ, সুশীল দত্ত (অধ্যক্ষ), লক্ষ্মীদা দত্ত (উপাধ্যক্ষ), কল্যাণ বৰুৱা, প্ৰফুল্ল চক্ৰৱৰ্ত্তী, বিনয় চলিহা।

৩য় শাৰী ( ,, থিয় হৈ) বিমান চলিহা, গোপীবল্লভ দাস, অখিলানন্দ ত্ৰিপাঠী, আবুনেইম বৰা, জিয়াউদ্দিন হাজৰিকা (সাধাৰণ সম্পাদক), যাদব বৰুৱা, শৰত বৰবৰা, কৃষ্ণপ্ৰসাদ বৰুৱা, পৰীক্ষিত হাজৰিকা, ধ্ৰুৱদেৱ শুক্লা, ডিম্বেশ্বৰ চলিহা।

৪ৰ্থ শাৰী ,, ,, ৰতনলাল জৈন, প্ৰদ্যোত দত্ত, শিৱ দত্ত, নফিল হুছেইন, ঘনশ্যাম বৰা, মহম্মদ চেলিম, অৰুণ দত্ত (ডাঙৰজন), প্ৰানবিলাস পাল, দেৱকুমাৰ দাস।

৫ম শাৰী ,, ,, পি.ভি.কে. শাস্ত্ৰী, মেহতাবুদ্দিন আহমেদ, সুনীল বৰঠাকুৰ, পদ্ম চেতিয়া, পঙ্কজ কোঁৱৰ, মুনীন শৰ্ম্মা, ক্ষিৰোদ ৰাভা, ভবেন বৰুৱা, ভুবন কোঁৱৰ।



কটন মহাবিদ্যালয়ৰ কৰ্মীবৃন্দ।

কুলেন্দ্ৰ কুমাৰ দাস
* এচ, দেৱী
* মানস কুমাৰ বৰুৱা
নফিল হুচেইন
কৃষ্ণ প্ৰসাদ বৰুৱা
বিমান কুমাৰ চলিহা
* চাজিদা বেগম
চানু দেৱী

১৩। **জীৱ বিদ্যা—**
* সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী
* মাধৱ পাৱঞ্জাপী
* কে, বালকৃষ্ণ মেনন
* পান্নালাল দাস
* জে, তালুকদাৰ
* জি, বিশ্বেশ্বৰ
* শ্যামল কুমাৰ বাগ্‌চী
ডিম্বেশ্বৰ চলিহা
* সুৰভি কাকতি
ছায়েৰা খাতুন
* মুকুল দাস
* ৰুণু দত্ত
* ঐশ্বৰ্য্য কুমাৰ দাস
ৰঞ্জিৎ কুমাৰ ৰয়
* অসিত কুমাৰ দত্ত
নমিতা দেৱী
প্ৰণতি চৌধুৰী

১৪। **পদাৰ্থ বিদ্যা—**
* হৰিদেৱ গোস্বামী
* হেমেন বৰঠাকুৰ
নৰেন্দ্ৰ নাথ চৌধুৰী
* সৰোজ দত্ত (মজুমদাৰ)
* ত্ৰিভঙ্গধৰ ৰাজখোৱা
* নয়নানন্দ বৰঠাকুৰ
* জিয়াউদ্দিন আহমদ
* কে, শ্ৰীনিবাসন
পঙ্কজ কোঁৱৰ
* উৎপল ভূঞা
* বিজয়ানন্দ কাকতি
* সুনীল কুমাৰ বৰুৱা
* হৰিহৰ দাস
* বিনোদ গোস্বামী
* গিৰিশ ভট্টাচাৰ্য্য
গোপী বল্লভ পাল দাস
অৰুণ কুমাৰ দত্ত
ধীৰেন্দ্ৰ নাথ বৰুৱা

আবু নেইম বৰা
* শ্যামাপ্ৰসাদ শৰ্ম্মা
মদন মোহন গোস্বামী

১৫। **নৃতত্ত্ব—**
অৰুণ কুমাৰ দত্ত
জিয়াউদ্দিন আহমদ হাজৰিকা
শৰৎ কুমাৰ বৰবৰা
ক্ষিৰোদ মোহন ৰাভা

১৬। **ৰসায়ণ—**
* ৰোহিনী কান্ত বৰুৱা
* ৰাজেন্দ্ৰ নাথ
* ৰমাপদ পাত্ৰ
*জ্যোতি ৰাজখোৱা
* মহেশ ভূঞা
* উদ্ধৱ কুমাৰ বৰদলৈ
* যোগেন বৰুৱা
* ই, এল, আৰ, দয়ানন্দ
প্ৰদ্যোৎ কুমাৰ দত্ত
* হৰেন ভূমিজ
দেৱকুমাৰ দাস
* উৎপল ভূঞা
* আনোৱাৰ শইকীয়া
* স্মৃতি শৰ্ম্মা
* প্ৰশান্ত শৰ্ম্মা
* সত্যৰঞ্জন সেন
হেমলতা দেউৰী
* মুকুল শৰ্ম্মা
পদ্ম চেতিয়া
ভূবন কোঁৱৰ

১৭। **বাণিজ্য শাখা—**
কমলাক্ষ ভট্টাচাৰ্য্য
মুক্তি প্ৰসাদ সিংহ
নৰেন্দ্ৰ নাথ শইকীয়া
নলিনী ৰঞ্জন সৰকাৰ
নবীন চন্দ্ৰ বৰুৱা
সুধীৰ চন্দ্ৰ গুপ্ত
প্ৰেমচাঁদ জৈন
শৈলেন্দ্ৰ নাথ বৰুৱা
বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তী
শক্তিপ্ৰসাদ চলিহা
ৰত্ন দত্ত
আনন্দ কুমাৰ জৈন
চাফাউদ্দিন আহমদ
ৰাজ কুমাৰ মৌৰ্য্য

॥ কটনত কাম কৰা শিক্ষকসকল ॥

# সম্পাদকৰ দুই এটি কথা

ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ ৰূপালী-জয়ন্তী মহোৎসৱৰ এই শুভক্ষণত মহাবিদ্যালয়খনৰ দুটা যুগৰ সোঁৱৰণী সম্বলিত প্ৰবন্ধ আৰু শিক্ষা, সাহিত্য, সংস্কৃতিৰ লগত সম্বন্ধ থকা কেইটামান প্ৰবন্ধ গোটাই এই স্মৃতি-গ্ৰন্থখনি সঙ্কলন কৰা হৈছে।

স্মৃতিগ্ৰন্থ এখন সম্পাদনা কৰা সহজ কাম নহয়। বিশেষকৈ ইয়াৰ লগত জড়িত হৈ এই কথা ভালদৰে উপলব্ধি কৰিছোঁ। যথা সময়ত প্ৰবন্ধ-পাতিৰ যোগান নোপোৱা, ছপাশালৰ দীৰ্ঘসূত্ৰীতা আদিয়ে এই ক্ষেত্ৰত বিশেষ আহুকাল সৃষ্টি কৰে। তদুপৰি দুই চাৰি গৰাকীৰ সময়ৰ অভাৱতেই হওক বা নিষ্ঠাৰ অভাৱতেই হওক বিচৰা মতে লিখা পোৱা নেযায়। এনেবোৰ কথাই মনে বিচৰামতে এখনি গ্ৰন্থ সংকলন কৰাৰ ক্ষেত্ৰত বাধা সৃষ্টি কৰে; সম্পাদনা দুৰূহ হৈ পৰে।

দুটা যুগ অতিক্ৰম কৰি অহা কানৈ মাহবিদ্যালয়ৰ জীৱন বৈচিত্ৰ্যপূৰ্ণ। এই বিচিত্ৰতাৰ প্ৰতিটি সোঁৱৰণেই মধুৰ। আমাৰ গ্ৰন্থত যিমানখিনি সম্ভৱ নিৰ্ভুলভাৱে ঘটনাবোৰ উল্লেখ কৰিবলৈ চেষ্টা কৰা হৈছে। অৱশ্যে ইমান দীঘলীয়া জীৱনৰ দুই চাৰিটা ঘটনা যে স্মৃতিৰ পটৰ পৰা বাদ যোৱা নাই তেনে নহয়। কিন্তু ই ইচ্ছাকৃত নহয়। এই অনিচ্ছাকৃত দোষৰ বাবে ক্ষমা বিচৰাৰ বাহিৰে আমাৰ গত্যন্তৰ নাই।

এটি আক্ষেপ : ডিব্ৰুগড় কলেজৰ প্ৰতিষ্ঠাতা সম্পাদক শ্ৰীঅশ্বিনীচৰণ চৌধুৰী, যাৰ আশাশুধীয়া চেষ্টাৰ ফলত এই কলেজ প্ৰতিষ্ঠা হ'ল, তেখেতৰ ছবি এখন প্ৰকাশ কৰা আমাৰ প্ৰৱল ইচ্ছা আছিল। কিন্তু লাজুক চৌধুৰীয়ে ছবি প্ৰকাশ কৰিবলৈ অসন্মত। কেবাবাৰো লগ ধৰি জোৰকৈ ছবি এখন তোলা হ'ল। পিছে ডাকৰ বিজুতিত ছবিখন আমাৰ হাতত সময়মতে নপৰাত প্ৰকাশ কৰিবপৰা নহ'ল। ই মোৰ বাবে বৰ আক্ষেপৰ কথা। সম্ভৱতঃ চৌধুৰীৰ ইচ্ছাশক্তিৰেই জয় হ'ল।

স্মৃতিগ্ৰন্থখন পোহৰলৈ উলিয়াই অনাৰ ক্ষেত্ৰত যিসকলৰ সহায় সহানুভূতি পাইছোঁ সেইসকলৰ শলাগ লৈছোঁ। বিশেষকৈ প্ৰবন্ধ-পাতিৰে যোগান ধৰা শ্ৰদ্ধেয় লিখক কেই-গৰাকীলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা জনাইছোঁ। সম্পাদনাৰ ক্ষেত্ৰত সম্পাদনা সমিতিখনৰ প্ৰতিজন সদস্যৰে পৰা পোৱা সহায়ৰ কথা আৰু বিশেষকৈ অধ্যাপক মুণীন শৰ্ম্মাৰ সহায়ৰ কথা মোৰ মনত থাকিব। মোৰ মৰমৰ ছাত্ৰ হিতেশ বিকাশ গগৈ, মোহন সোনোৱাল, মেহদি আলম, দিলীপ চাংমাই, ছাত্ৰী, জ্যোৎস্না দাস, প্ৰণতি ফুকন, নিৰুপমা





দুৱৰা আৰু গুৱাহাটীত অনিল, মঞ্জুলা, সাবিত্ৰী আৰু বিজয়াই প্ৰবন্ধ-পাতি নকল কৰি দি যি সহায় কৰিলে তাক জানো পাহৰিব পাৰিম ? শ্ৰীগুৰু প্ৰেছৰ মালিক জ্যোতিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, ৰমেন দত্তবৰুৱাৰ তৎপৰতা আৰু কৰ্ম্মী-বৃন্দৰ ঐকান্তিক যত্নৰ কথা পাহৰিব নোৱাৰা। যি কেইটা বাণিজ্য প্ৰতিষ্ঠানে বিজ্ঞাপন আদি দি আৰ্থিক দিশটোৰ সহায় আগবঢ়াইছে তেখেতসকলৰ অৱদানো কম নহয়।

এই আটাইবোৰলৈ আমাৰ হিয়াভৰা শলাগ জনালোঁ।

গ্ৰন্থখনি যিমানদূৰ সম্ভৱ নিৰ্ভুল কৰিবলৈ যত্ন কৰা হৈছে। তথাপি ই যে ছপা-শালৰ ভূতৰ হাত সম্পূৰ্ণকৈ সাৰিব পাৰিছে তেনে নহয়। বিহলঙনি পাঠকৰ হাতত তাৰেই জৰা-ফুঁকা কৰি নিজেও লব আমাকো দেখুৱাই দিব—এই আশা।

জয়তু কানৈ মহাবিদ্যালয়

### আমাৰ শিক্ষকৰ কৃতিত্ব :

সংস্কৃত বিভাগৰ বিভাগীয় মুৰব্বী অধ্যাপক তৃক্কুৰ কৃষ্ণ আয়াৰ কৃষ্ণস্বামী আয়াৰ
মহোদয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ১৯৭০ চনত গৱেষণা কৰি ডক্টৰেট উপাধি
লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল "বেদে অশ্বিনৌ"। পদাৰ্থ বিজ্ঞান
বিভাগৰ অধ্যাপক ডঃ গোপীবল্লভ লাল দাসে ১৯৬৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
পৰা ডক্টৰেট উপাধি লাভ কৰে। এখেতৰ গৱেষণাৰ বিষয়—
"The phenomenological Alpha-Alpha potential. The properties of
nuclear matter and the ground state energies of Alpha particle nuclei."
ইয়াৰ আগেয়ে আমাৰ মহাবিদ্যালয়ত থকা কালতে আমাৰ প্ৰাক্তন অধ্যক্ষ
ডঃ যোগীৰাজ বসু (বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক),
অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ডঃ উপেন্দ্ৰ নাথ গোস্বামী (সম্প্ৰতি গুৱাহাটী বিশ্ব
বিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক), বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক ৺ভূপেন্দ্ৰ
নাৰায়ণ চৌধুৰী আৰু এই বিভাগৰ আন এগৰাকী প্ৰাক্তন অধ্যাপক শ্ৰীসলিল কুমাৰ
বসুৱে (বৰ্ত্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক), বিভিন্ন বিষয়ত গৱে-
ষণা কৰি ডক্টৰেট উপাধি লাভ কৰে।

# ৰূপালী জয়ন্তী মহোৎসৱৰ অভ্যৰ্থনা সমিতি

উপদেষ্টা :
শ্ৰীজীতেন্দ্ৰ নাথ দাস
ডঃ যোগীৰাজ বসু
শ্ৰীঅশ্বিনী চৰণ চৌধুৰী
'' লক্ষ্মী প্ৰসাদ দত্ত
ডঃ মথুৰা নাথ ভট্টাচায্য
শ্ৰীহৰেন্দ্ৰ নাথ দাস
'' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
ডঃ নিৰ্ম্মল কুমাৰ বসু
শ্ৰীইন্দ্ৰেশ্বৰ শৰ্ম্মা
'' বি. এন. যামুৱাৰ
'' আব্দুল আজিদ
'' নৱকুমাৰ দত্ত
'' ৰয়েস আহমদ
'' পি.চি. জৈন
'' শৈলেন্দ্ৰ নাথ বৰুৱা
'' বিষ্ণু প্ৰসাদ চক্ৰৱৰ্ত্তী
'' চাফাউদ্দিন আহমদ
ডঃ সলিল কুমাৰ বসু
শ্ৰীভুৱন চন্দ্ৰ চুতীয়া
শ্ৰীমতী ৰীণা চৌধুৰী।

পৃষ্ঠপোষক :
১। শ্ৰীহৰি প্ৰসাদ কানৈ
২। '' মতিলাল সিং
৩। '' অজিজুৰ ৰহমান
৪। '' মহাদেৱ জালান
৫। '' অজিত চলিহা
৬। '' গণেশ কটকী
৭। '' হবিবুল্লা খান।

কেন্দ্ৰীয় সমিতি :
সভাপতি :—
শ্ৰীসুশীল চন্দ্ৰ দত্ত
সাধাৰণ সম্পাদক :
'' এ.এন. জিয়াউদ্দিন আহমদ হাজৰিকা
সহঃ সাধাৰণ সম্পাদক :
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য

কোষাধ্যক্ষ :
শ্ৰীসুনীল কুমাৰ বৰঠাকুৰ
সভ্যসকল :
শ্ৰীসুনীল দাস
'' মাখন লাল শইকীয়া
'' ভূপেন কাকতি
'' তৰুণ চন্দ্ৰ বৰা
'' অৱনী মোহন শইকীয়া
'' প্ৰদীপ কুমাৰ শৰ্ম্মা

কোষ সংগ্ৰহ উপসমিতি :
সভাপতি :
শ্ৰীসুশীল চন্দ্ৰ দত্ত
উপ সভাপতি :—
শ্ৰীমেহদি হাচান
সম্পাদক :
শ্ৰীজিয়াউদ্দিন আহমদ হাজৰিকা
সহঃ সম্পাদক :
শ্ৰীসুনীল দাস
সভ্য আৰু সভ্যাসকল :
শ্ৰীনৰেন্দ্ৰ নাথ চৌধুৰী
'' প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য
'' প্ৰদ্যোত কুমাৰ দত্ত
'' কল্যাণ কুমাৰ বৰুৱা
'' সুনীল কুমাৰ বৰঠাকুৰ।
'' ডিম্বেশ্বৰ চলিহা
'' অৰুণ কুমাৰ দত্ত (ডাঙৰ জন)
'' নফিল হুছেইন
'' কামিনী ৰঞ্জন বৰুৱা
'' ভীম কান্ত কোঁৱৰ
'' যাদৱ চন্দ্ৰ বৰুৱা
'' ধীৰেন্দ্ৰ নাথ বৰুৱা
শ্ৰীমতী অলকা বৰুৱা
'' ফৰিদা শ্বাৰ্ফউদ্দিন
'' অসীমা গুহ
শ্ৰীদিলীপ সোণোৱাল
'' জাকিৰা মালি
'' হৰিপ্ৰসাদ বৰা
'' কুমুদ ৰঞ্জন দাস



শ্ৰীফটিক কলিতা
'' বি দাস।

উপসমিতি, খাদ্য আৰু থকামেলা :
সভাপতি :
শ্ৰীনৰেন্দ্ৰ নাথ চৌধুৰী।
উপ-সভাপতি :
শ্ৰীপ্ৰিয়াংশু প্ৰৱল উপাধ্যায়।
সম্পাদক :
শ্ৰীনফিল হুছেইন।
সহঃসম্পাদক :
শ্ৰীউপেন গগৈ।
সভ্য আৰু সভ্যাসকল :
শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা
'' আবু নেইম বৰা
'' মদনমোহন গোস্বামী
শ্ৰীমতী মঞ্জুলিকা বসু
'' ৰঞ্জিতা মেধি
'' নমিতা দেৱী
'' অসীমা গুহ
শ্ৰীভদ্ৰ গগৈ
'' বদন বৰুৱা
'' দিলীপ চাংমাই
'' শ্যামল গুপ্ত
'' ইন্দ্ৰ গগৈ
'' এচ. কোঁৱৰ
'' কে. মহন্ত
'' এম. দুৱৰা
'' প্ৰসন্ন দাস
'' জিতেন চৰকাৰ
'' মহিম গগৈ
'' সুচন সোণোৱাল
'' হৰিহৰ কাকতি
'' দেৱল ভূঞা
'' ৰুদ্ৰকান্ত শইকীয়া
'' চন্দ্ৰকমল দাস

উপ-সমিতি, সঙ্গীত আৰু কৃষ্টিকলা :—
সভাপতি :
শ্ৰীকুলেন কুমাৰ দাস।
উপ-সভাপতি :
শ্ৰীপৰীক্ষিত হাজৰিকা।
সম্পাদক :
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ চক্ৰৱৰ্ত্তী।
সহঃসম্পাদক :—
মহম্মদ নোমান।

সভ্য আৰু সভ্যাসকল :
শ্ৰীযাদৱ চন্দ্ৰ বৰুৱা
'' অখিলানন্দ ত্ৰিপাঠী
'' মেহতাব উদ্দিন আহমেদ
'' মনোৰঞ্জন শৰ্ম্মা
'' মুনীন্দ্ৰ নাথ শৰ্ম্মা
শ্ৰীমতী আভা দত্ত
শ্ৰীহিৰালাল পাণ্ডে
'' শিৱ দুৱৰা
'' অনন্ত শৰ্ম্মা
'' বি. দাস
'' ভূপেন কাকতি
'' মহম্মদ চৈফুল্লা আহমদ
'' চিত্ৰৰঞ্জন গগৈ

উপসমিতি, স্মৃতিগ্ৰন্থ
সভানেত্ৰী : শ্ৰীমতী লক্ষ্মীদা দত্ত।
উপ-সভাপতি : শ্ৰনবীন চন্দ্ৰ দত্ত।
সম্পাদক : শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য।
সহ-সম্পাদক : শ্ৰীমোহন চন্দ্ৰ সনোৱাল।
সভ্য : শ্ৰীপ্ৰিয়াংশু প্ৰৱল উপাধ্যায়।
'' পিল্ললমাৰী ভেঙ্কট কৃষ্ণশাস্ত্ৰী
'' সুনীল কুমাৰ বৰঠাকুৰ
'' শৰৎ বৰবৰা
'' ভীমকান্ত কোঁৱৰ
'' পৰীক্ষিত হাজৰিকা
'' ৰতন লাল জৈন
'' হিতেশ বিকাশ গগৈ
'' টঙ্কেশ্বৰ হাজৰিকা
'' পুণ্যধৰ ৰাজখোৱা
'' পূৰ্ণানন্দ হাজৰিকা
'' প্ৰফুল্ল দাস
শ্ৰীমতী ৰাণু চাংমাই

উপ-সমিতি, প্ৰদৰ্শনী :—
সভাপতি :
শ্ৰীনৰেন্দ্ৰ কুমাৰ বাৰ্ম্মা।
উপ-সভাপতি :
শ্ৰীডিম্বেশ্বৰ চলিহা।
সম্পাদক :
শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা।
সহঃসম্পাদক :—
শ্ৰীমাখন লাল শইকীয়া।
সভ্য আৰু সভ্যাসকল :
শ্ৰীদেৱকুমাৰ দাস
'' ভীমকান্ত কোঁৱৰ

'' শৰৎ বৰবৰা
'' ৰঞ্জিত কুমাৰ ৰয়
'' পঙ্কজ কোৱঁৰ
'' অৰুণ কুমাৰ দত্ত (সৰুজন)
'' বিমান কুমাৰ চলিহা
'' পদ্মধৰ চেতিয়া
'' ক্ষিৰোদমোহন ৰাভা
শ্ৰীমতী চায়ৰা খাতুন
'' চানু দেৱী
'' হেমলতা দেউৰী
শ্ৰীনৰেন ভূঞা
'' চন্দ্ৰেশ্বৰ চাংমাই
'' জে. এচ. চলিহা
'' পৰেশ দত্ত
'' খগেন গগৈ
'' প্ৰফুল্ল গগৈ
'' মহীৰাম গগৈ
'' নাজিৰন মালি
'' জিতেন চৰকাৰ
'' ফটিক গগৈ
শ্ৰীমতী আৰাধনা শইকীয়া ।

**উপ-সমিতি, সাজসজ্জা :**
সভাপতি :
ডঃ তৃক্‌কুৰ কৃষ্ণ আয়াৰ কৃষ্ণস্বামী আয়াৰ
উপ-সভাপতি :
ডঃ গোপীবল্লভ লাল দাস ।
সম্পাদক : শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা ।
সহঃ সম্পাদক :
শ্ৰীঅজয় কুমাৰ দাস ।
সভ্য আৰু সভ্যাসকল :
শ্ৰীসন্তোষ চক্ৰৱৰ্ত্তী
'' শৰৎ বৰবৰা
'' ৰঞ্জিত কুমাৰ ৰয়
'' মহম্মদ চেলিম
শ্ৰীমতী আভা দত্ত
'' অলকা বৰুৱা
'' ফৰিদা শ্বাৰ্ফউদ্দিন
শ্ৰীশ্যামল গুপ্ত
'' প্ৰদীপ কুমাৰ গগৈ
'' প্ৰীতম গোস্বামী
'' নৰেন বৰা
'' এম. চি. বি. চাউদ
'' বি. শইকীয়া
'' মন্দুৰ লোহাৰ
'' ৰফিকুল হুচেইন হাজৰিকা ।

**উপ সমিতি, খেল বিভাগ :**
সভাপতি :
শ্ৰীকল্যাণ কুমাৰ বৰুৱা ।
উপ-সভাপতি :
শ্ৰীপিল্লমাৰী ভেঙ্কট কৃষ্ণশাস্ত্ৰী ।
সম্পাদক :
শ্ৰীকামিনীৰঞ্জন বৰুৱা ।
সহঃ সম্পাদক :
শ্ৰীযোগানন্দ পেগু ।
সভ্যসকল :
শ্ৰীজিয়াউদ্দিন আহমদ হাজৰিকা
'' নফিল হুচেইন
'' পঙ্কজ কোৱঁৰ
'' ধীৰেন্দ্ৰ নাথ বৰুৱা
'' পদ্মধৰ চেতিয়া
'' নৰকুমাৰ দত্ত
'' নৰকান্ত শইকীয়া
'' বিনোদ কুমাৰ বুঢ়াগোহাঁই
'' শ্যামল গুপ্ত
'' বসন্ত বৰা
'' জি. চি. মজুমদাৰ
'' জিয়াউল হক ।

**উপ-সমিতি, পৰিবহন :**
সভাপতি :
শ্ৰীপ্ৰদ্যোৎ কুমাৰ দত্ত ।
উপ-সভাপতি :
শ্ৰীঅৰুণ কুমাৰ দত্ত (ডাঙৰ জন) ।
সম্পাদক :
শ্ৰীযাদৱ চন্দ্ৰ বৰুৱা ।
সহঃ সম্পাদক :
শ্ৰীমনোহৰ সিং ।
সভ্যসকল :
শ্ৰীসন্তোষ চক্ৰৱৰ্ত্তী
'' ঘনশ্যাম বৰা
'' শিৱকুমাৰ দত্ত
'' প্ৰবীৰ চক্ৰৱৰ্ত্তী
'' চৌকট্ লটিফ্
'' প্ৰনৱ দে
'' ভূপেন কাকতি
'' নন্দেশ্বৰ বৰা ।

**উপ-সমিতি, প্ৰচাৰ বিভাগ :**
সভাপতি :
শ্ৰীবিনয় কুমাৰ চলিহা ।
উপ-সভাপতি :
শ্ৰীৰতন লাল জৈন ।





সম্পাদক :
শ্ৰীভীমকান্ত কোঁৱৰ ।
সহঃ সম্পাদক :
শ্ৰীদিলীপ কুমাৰ চাংমাই ।
সভ্য আৰু সভ্যাসকল :
শ্ৰীঅৰুণ কুমাৰ দত্ত (ডাঙৰজন)
'' প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য
'' বিমান কুমাৰ চলিহা
'' ভবেন বৰুৱা
'' কুহিৰাম গগৈ
'' দুৰ্গাধৰ বৰুৱা
'' এচ. অভয়পুৰীয়া
'' ফটিক কলিতা
'' লাভেশ্বৰ দিহিঙ্গীয়া
'' তৰুণ পাটোৱাৰী
'' দুলাল দুৱৰা
শ্ৰীমতী অঞ্জলি গগৈ ।

**উপ-সমিতি, কাৰিকৰী বিভাগ :**

সভাপতি :
শ্ৰীদেৱ কুমাৰ দাস ।
উপ-সভাপতি :
শ্ৰীঘনশ্যাম বৰা ।
সম্পাদক :
শ্ৰীঅৰুণ কুমাৰ দত্ত (সৰুজন) ।
সহঃ সম্পাদক :
শ্ৰীৰেনুধৰ গগৈ ।
সভ্যসকল :
শ্ৰীআশীষ কুমাৰ গাঙ্গুলী
'' মদনমোহন গোস্বামী
'' প্ৰাণবিলাস পাল চৌধুৰী
'' যতীন গোহাঁই
'' ধীৰেন চেতিয়া
'' নলীন দত্ত
'' বিপিন বৰুৱা
'' চি. কে. বুঢ়াগোহাঁঞি
'' নয়ন বাহাদুৰ

**উপ-সমিতি, স্বেচ্ছাসেৱক বিভাগ :**

সভাপতি :
শ্ৰীপ্ৰভু নাথ সিং ।
উপ-সভাপতি :
শ্ৰীধ্ৰুবদেৱ শুক্লা ।
সম্পাদক :
শ্ৰীগঙ্গাপ্ৰসাদ কইৰী
সহঃ সম্পাদক :
শ্ৰীগোপাল দুৱৰা
সভ্যসকল :
শ্ৰীনৰেন্দ্ৰ কুমাৰ বাৰ্মা
'' শিৱকুমাৰ দত্ত
'' লক্ষ্মী গোহাঁই
'' চামুচেৰ জং বাহাদুৰ সিং
'' জেহিৰ আহমেদ
'' চি. কে. বুঢ়াগোহাঁঞি
'' এন. বৰা
'' এল. বৰা
'' এইচ্. ভেইদ ।

**আমাৰ মহাবিদ্যালয়ৰ প্ৰথম স্নাতক কেইজন :**

( ১৯৪৭ চনত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমবাৰৰ বাবে স্নাতক মহলাৰ শেষ পৰীক্ষাত বহে । এওঁলোকৰ আঠজন ছাত্ৰ আৰু সাত গৰাকী ছাত্ৰী । ইয়াৰ ভিতৰত ছয়জন ছাত্ৰ আৰু দুইগৰাকী ছাত্ৰী উত্তীৰ্ণ হয় ।—সম্পাদক । )

শ্ৰীমতী সুপ্ৰভা দাস (চৌধুৰী)
শ্ৰীমতী কৃষ্ণা বসু
শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
'' আজিজুৰ ৰহমান
শ্ৰীসচ্চিদানন্দ বৰুৱা
'' শৈলেন্দ্ৰ নাথ মুখাৰ্জ্জি
'' বল্লভ চন্দ্ৰ মহন্ত
৺তাৰাপ্ৰসন্ন দাস ।

*With Best Compliments From :—*

# Assam Udyog Company

MANCOTTA ROAD

DIBRUGARH

ASSAM

*Phone* :—247, & 61

GRAM :—"*Redsaint*"

**Manufacturers Of :—**

- Leaf Basket Trailer
- Jeep Trailer
- Cargo Trailer
- C. T. C. Segments
- Steel Structurals
- Gates & Grills
- Trolleys
- Green Leaf Sifter

**Dealers In.**

- Automobile Parts.
- Hardware Stores
- Building Material
- Iron & Steel
- Petrol & Lubricants
- Heavy Machinery
- Drill Bits
- Drilling Pipes
- Disposal Goods

And Range of Items.

**FIRST RE-ROLLER OF UPPER ASSAM BASED ON BILLETS.**

## কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱ উপলক্ষে আমাৰ শুভেচ্ছা

*আৰু ওলগ*

লগতে সমূহ গ্ৰাহক আৰু শুভাকাঙ্ক্ষী ৰাইজলৈ আমাৰ গোহাৰি—
সুলভ মূল্যত নানা তৰহৰ আৱশ্যকীয় সামগ্ৰী পাইকাৰী আৰু
খুচুৰা দৰত পাবলৈ হলে
আজিয়েই খবৰ কৰক—

## ডিব্ৰুগড় পাইকাৰী গ্ৰাহক সমবায় ভাণ্ডাৰ

*লিমিটেড চৌকিডিঙি*

গ্ৰাহক সকলৰ সেৱা কৰিবলৈ সদায় সাজু।

*আপুনি কি বিচাৰে ?*

টায়াৰ, টিউব, শুকান ফলমূল, আবকাৰী বিভাগৰ পৰা পোৱা বিদেশী ঘড়ী
আৰু অন্যান্য বস্তু, তেল, চাবোন, ডালডা, মনোহাৰী বস্তু,
প্ৰসাধন সামগ্ৰী, মছলা, জাম, জেলী, স্কোয়াচ, চামুচ,
কটাৰী আদি প্ৰায় ৩৫০ বিধ নিত্য ব্যৱহাৰী
বস্তুৰ ভড়াল মজুত ৰখা হয়।

**ষ্টকিষ্ট**—জন্‌চন্‌ আৰু জন্‌চন্‌ কোম্পানীৰ সকলো ধৰণৰ সামগ্ৰী
**এজেঞ্চী**—হিন্দুস্থান মেচিন টুলচ্‌ৰ বিভিন্ন ধৰণৰ ঘড়ী (H. M. T.)
অধিকৰ্ত্তা পৰিষদৰ হকে—

সমবায়ৰ নিজা নৱ ভৱন নিৰ্ম্মাণৰ আঁচনি প্ৰস্তুত কৰা হৈছে। ইয়াৰ
লগত বিভাগীয় ভাণ্ডাৰ **সেৱিকা** অতিশীঘ্ৰে মুকলি কৰা হব।

শ্ৰীটঙ্কেশ্বৰ বৰা, সভাপতি

শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য্য
কাৰ্য্যকৰী বিষয়া

DIBRUGARH CO-OPERATIVE CONSUMERS
WHOLESALE SOCIETY LTD. DIBRUGARH

( আপুনি গ্ৰাহক সমবায়ৰ সভ্য হয়নে ? যদি নহয়, আজিয়েই সভ্য হওক )

**"সমবায়ৰ জয়েই ৰাইজৰ জয়"**

"*Please Contact*

## GODREJ STOCKISTS FOR

REFRIGERATOR, TYPEWRITER, STEEL HOME & OFFICE FURNITURE, RACKS, SAFE & Different Sizes of LOCKS Etc.

**THE PHOENIX AUTOMOBILE SALES & SERIVCE PVT. LTD.**

Regd. Office : **DIBRUGARH.**

Branches : **JORHAT** AND **NOWGONG.**

Sub-Stockists at :—GAUHATI, SHILLONG, TEZPUR, TINSUKIA, DIMAPUR & "IMPHAL, SILCHAR, DHUBRI."

*For a Better Tomorrow :—*

*Invest Through—*

## Nirmal Chit Fund Private Ltd.

( Govt. Regd. No. 27591 )
Regd. Office : Calcutta-14.

H. O. Bidhan Market,
SILIGURI.

Div. O. Panbazar,
GAUHATI.

**Premier Auction And Drawing**
**CHIT PROMOTERS.**
**New Jalpaiguri.**

*Our Branches :*—Cooch Bihar, Kishanganj, Gauhati, Nowgong, Tinsukia And Dibrugarh.

ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ

ৰূপালী জয়ন্তী উৎসৱৰ
উলহ মালহত

আমাৰ হিয়াভৰা অভিনন্দন

## কুইক এক্সৰে ক্লিনিক

ডিব্ৰুগড়

ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ
ৰূপালী জয়ন্তী উপলক্ষে

## ডিব্ৰুগড় লাইব্ৰেৰীয়ে

সদৌ অসমবাসীলৈ অভিনন্দন জনাইছে।

আমি অসম মেডিকেল কলেজৰ অধ্যক্ষ
ডঃ মথুৰা নাথ ভট্টাচাৰ্য্যৰ "বহুমূত্ৰ ৰোগ" পৰিবেশন কৰোঁ।
প্ৰতিজন বহুমূত্ৰ ৰোগীয়ে পঢ়া উচিৎ।

**ডিব্ৰুগড় লাইব্ৰেৰী**
ৰিহাবাৰী, ডিব্ৰুগড়।

*With Compliments From :*

# Saligram & Company

**DIBRUGARH ( ASSAM )**

*Authorised Dealer for :—*

HINDUSTAN AMBASSADOR CAR.

HINDUSTAN DIESEL & PETROL CHASSIS

ESCORT & FORD TRACTORS

RAJDOOT MOTORCYCLES & SCOOTER

READ READ

# Maharashtra Sales Tax Code

Containing commentary on

**Maharashtra & Central Sales Tax Acts**

*and also*

**Compilation of Bombay Sales Tax Act, Rules, Notifications, Public Notices, Press Notes, Circulars, etc.**
**ALL AMENDED UPTO 1-11-1970**

(With an Appendix showing various amendments effected and the period during which these were in force.)

*By*

P. L. CHOUDHURY, B. Com., LL.B., F. C. A.

*Author of*

A DEALER'S BOOK ON CENTRAL AND MAHARASHTRA SALES TAX LAWS

AND

COMPILATION OF BOMBAY SALES TAX RULES, 1959.

In the words of SHRI K. A. GAFOOR, THE COMMISSIONER OF SALES TAX, MAHARASHTRA STATE, BOMBAY—

**"The Publication is bound to prove a ready-to-refer guide to all administrators, opposition and sufferers alike."**

Price Rs. 26.00
Postage extra Rs. 2.50
pages over 600.

*Apply to :*
TAXATION INFORMATION BUREAU,
187, Dadyseth Agyari Lane
Bombay--2. Phones : 314936 & 314034

**Note :**--Any one not satisfied with the book **in any respect whatsoever, may return** the same by 31-2-1972 **and take back the full price.**

# Providing Power for Progress

Power through oil……vital to keep the wheels of progress ever on-the-move towards increased economic and industrial progress. O.I.L. is busy at work-finding, drilling and bringing the nation's oil to the Government refineries in North-East India.

**OIL INDIA LIMITED.**



ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ

ৰূপালী জয়ন্তী মহোৎসৱ

উপলক্ষে

আমাৰ সশ্ৰদ্ধ অভিনন্দন

**গিৰিধাৰীলাল চৰ্দাৰমল**

ডিব্ৰুগড়

ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ

ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে—

ইনদাচ্ কʼই

অভিনন্দন জনাইছে

নগৰৰ একমাত্ৰ আধুনিক প্ৰণালীৰে
—ৰুটি প্ৰস্তুত কৰোঁতা—

*With Compliment from :—*

OHELEY

**General Contractors & Furniture Merchants.**

MANCOTTA ROAD,

DIBRUGARH.